# ষষ্ঠদশ অসম বিধানসভাৰ

## বাজেট অধিবেশন

কাৰ্যবিৱৰণী (অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

তাৰিখঃ ২৩/০৭/২০২৬ বৃহস্পতিবাৰ

আজি ইংৰাজী ২৩-০৭-২০২৬ তাৰিখ ৰাতিপুৱা ৯.৩০ বজাত পূৰ্ব নিৰ্ধাৰিত সময়সুচী মতে সদন আৰম্ভ হয়।

**মাননীয় অধ্যক্ষঃ** প্ৰশ্ন নং ১৮১, সন্মানীয় সদস্য শ্ৰী ৰূপেশ গোৱালা।

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী)**ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াৰ ৰখা আছে।

**শ্ৰী ৰূপেশ গোৱালা, (ডুমডুমা)**ঃ মাননীয় অধ্যক্ষ মহোদয়, ডুমডুমা মহাবিদ্যালয় ডুমডুমা, শদিয়া, দিগবৈ এই বৃহত্তৰ অঞ্চলৰ এক মাত্ৰ এটা সময়ত উচ্চ শিক্ষাৰ শিক্ষানুষ্ঠান আছিল আৰু এটা সময়ত ডুমডুমা মহাবিদ্যালয়ৰ কতৃপক্ষ আৰু ডুমডুমাৰ ৰাইজে মিলি বিজ্ঞানশাখা তেওঁলোকে self financing আৰম্ভ কৰিছিল। প্ৰথমে হায়াৰ চেকেণ্ডাৰী আৰম্ভ কৰিলে ১৯৯৭ চনত, ডিগ্ৰী আৰম্ভ কৰিছিল ২০০২ চনত আৰু ২০১২ চনত তেওঁলোকে অনাৰ্চ আৰম্ভ কৰিলে।

শেহতীয়াকৈ চৰকাৰৰ ফালৰ পৰা মাননীয় মন্ত্ৰী মহোদয়ৰ তৎপৰতাত ২০২৪ চনত additional science stream ডুমডুমা কলেজৰ কাৰণে দিলে। দিয়াৰ আজি ২ বছৰ হ'ল, কোনো ধৰণৰ নিযুক্তি হোৱা নাই আৰু যিসকল ছাত্ৰ-ছাত্ৰী তাত অধ্যয়ণ কৰি আছে, তেওঁলোকে self financing ত অধ্যয়ণ কৰিব লগীয়া হৈছে। তাত চাহ বাগিচাৰ গাওঁ অঞ্চল আছে, সকলোবিলাক দুখীয়া ছাত্ৰ-ছাত্ৰী তাত অধ্যয়ণ কৰে। যিহেতু কেৱল ডুমডুমা সমষ্টি নহয়, আশে-পাশে থকা প্ৰায় সকলোবিলাক সমষ্টিৰ বিজ্ঞানশাখাত অধ্যয়ণ কৰিব খোজা ছাত্ৰ-

ছাত্ৰীসকল তাত অধ্যয়ণ কৰে। গতিকে এই বিষয়টোৰ গুৰুত্ব বুজি আপোনাৰ মাধ্যমেদি মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে তৎকালে ইয়াৰ নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ কৰিব লাগে আৰু যিসকল দুখীয়া ছাত্ৰ-ছাত্ৰীয়ে তাত self financing ত অধ্যয়ণ কৰি আছে, তেওঁলোকৰ যিবিলাক fee সেইবিলাক ৰেহাই কৰাৰ কাৰণে চৰকাৰে ব্যৱস্থা ল'ব লাগে, লগতে যিসকল শিক্ষকে দীৰ্ঘদিন ধৰি তাত শিক্ষাদান কৰি আছে, তেখেতসকলৰ কথাটোও চৰকাৰে অকণমান বিবেচনা কৰিব লাগে বুলি মই অনুৰোধ জনাইছোঁ।

**মাননীয় অধ্যক্ষঃ** Minister please .

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, হয়, ডুমডুমা মহাবিদ্যালয়ত ইতিমধ্যে অতিৰিক্ত বিজ্ঞানশাখাত অসম চৰকাৰে অনুমোদন জনাইছে আৰু ইয়াৰ কাৰণে পদো সৃষ্টি কৰিছে। কিন্তু নিযুক্তিখিনি হোৱা নাই। নিযুক্তি নোহোৱাৰ মূল কাৰণটো হ'ল যে নিযুক্তিৰ কাৰণে পদসমূহত যিটো ৰোষ্টাৰ তালিকা হ'ব লাগে, সেইটো সময়মতে নোহোৱাৰ কাৰণে আৰু মই বহুত অসমৰ মহাবিদ্যালয়ৰ নিযুক্তিৰ ক্ষেত্ৰত, তেওঁলোকে যিখন ৰোষ্টাৰ তালিকা পঠিয়াই, সেই ৰোষ্টাৰ তালিকাখন ইয়াতে ভুল ওলাই। সেই কাৰণে এতিয়া যিটো SAMARTH portal কৰা হৈছে, সেই SAMARTH Portal লতে সকলোৱে ৰোষ্টাৰ তালিকাখন upload কৰিবৰ কাৰণে দিয়া হৈছে, যাতে আমি online verification কৰি কৰবাত যদি গণ্ডগোল আছে, আমি ক'বও পাৰো আৰু অসমৰ প্ৰায় সমুহ মহাবিদ্যালয়ে ইতিমধ্যে ৰোষ্টাৰ upload কৰিছে SAMARTH portal ত। কিন্তু এতিয়াও অসমৰ প্ৰায় ৫৫ খন মহাবিদ্যালয় ৰোষ্টাৰ তালিকা দিয়া নাই আৰু নিদিয়াৰ কাৰণে তাত নিযুক্তিৰ প্ৰক্ৰিয়াটো স্থবিৰ হৈ যাব।

যোৱা মে মাহৰ ২০ তাৰিখে ডুমডুমা মহাবিদ্যালয়ে ৰোষ্টাৰ upload কৰিলে। কিন্তু upload কৰাৰ পিছত তেতিয়া model code of conduct থাকিল, সেইকাৰণে আমি নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ কৰিব নোৱাৰিলো। এতিয়া আমি তাত নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ কৰিম। খুব সোনকালে ডুমডুমা মহাবিদ্যালয়ৰ যিটো

বিজ্ঞানশাখা আছে, তাত পূৰ্ণাংগ ৰূপ আমি দিব পাৰিম মোৰ বিশ্বাস আছে। ধন্যবাদ।

**শ্ৰী ৰূপেশ গোৱালা, (ডুমডুমা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ আৰু এটা প্ৰশ্ন আছিল, যিসকল ছাত্ৰ-ছাত্ৰী তাত self financing অধ্যয়ণ কৰি আছে, তেওঁলোকৰ fees ৰেহাই কৰাৰ কাৰণে চৰকাৰে কিবা ব্যৱস্থা ল'ব নেকি ?

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, নিশ্চিতভাৱে তাতে আবেদন কৰিলে আমি কিছু সংখ্যক self finance বা কিছু venture মহাবিদ্যালয়, যিসকল প্ৰাদেশিকৰণ আওতাৰ ভিতৰত আহিছে আমি তাতো নিযুত মইনা দিছো। বাকী যিহেতু প্ৰক্ৰিয়াটো এটা চুড়ান্ত পৰ্য্যায়ত আহি গৈছে, পদ সৃষ্টি হ'ল। এতিয়া মাত্ৰ নিযুক্তিৰ প্ৰক্ৰিয়াটো বাকী আছে, নিযুক্তিৰ প্ৰক্ৰিয়া সম্পূৰ্ণ হৈ গলে, তাৰ যিটো বিজ্ঞানশাখা, সেই বিজ্ঞানশাখাটো নিয়মীয়া হৈ পৰিব আৰু নিয়মীয়া হৈ পৰিলে, নিয়মীয়া শাখাৰ যিমানবিলাক সা-সুবিধা আছে, সকলো ছাত্ৰ-ছাত্ৰীয়ে লাভ কৰিব।

**মাননীয় অধ্যক্ষঃ** এতিয়া প্ৰশ্ন ১৮২, সন্মানীয় সদস্য শ্ৰী ভুৱন গাম।

**শ্ৰী পীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা ইত্যাদি মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াৰ ৰখা আছে।

**শ্ৰী ভুৱন গাম, (মাজুলী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিগত দহ বছৰে মাজুলীৰ উন্নয়ন আৰু সুৰক্ষাৰ বাবে আমাৰ চৰকাৰে বিশেষ গুৰুত্ব প্ৰদান কৰিছে। যেনে মাজুলীক সুকীয়া জিলাৰ মৰ্যাদা, land protection আৰু World Heritage ক্ষেত্ৰত যি কেবিনেট পাছ কৰিলে, তাৰ বাবে আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ দিবই লাগিব।

মাননীয় অধ্যক্ষ মহোদয়, মাজুলী সত্ৰনগৰীৰ সাংস্কৃতিক ক্ষেত্ৰত স্থায়ী সুৰক্ষাৰ বাবে 2006 চনত মাজুলী সাংস্কৃতিক দৃষ্টিপদ অঞ্চল আইনখন সময় সাপেক্ষে সংশোধন কৰাৰ বাবে অনুৰোধ জনোৱা হৈছে আৰু লগতে,

সত্ৰনগৰীক কি কাৰণে আমি সুৰক্ষিত কৰিব বিচাৰিছোঁ, সত্ৰত আপুৰুগীয়া সম্পদসমুহ যথেষ্ট আছে। সেই আপুৰুগীয়া সম্পদসমূহ সংৰক্ষিত কৰি ৰাখিবৰ কাৰণে মাজুলীখনক Cultural Development Authority ৰ লগত সংযুক্ত কৰিবৰ বাবে অনুৰোধ জনাইছোঁ। মাননীয় অধ্যক্ষ মহোদয়, ৬ জুলাই, ২০০৬ তাৰিখে অসমৰ ৰাজ্যপাল মহোদয়ৰ নিৰ্দেশমৰ্মে মাজুলি জিলাত ঘোষণা হোৱা Majuli Cultural Landscape Region Act, 2006 আইনখন বৰ্তমান কি পৰ্যায়ত আছে? মাননীয় অধ্যক্ষ মহোদয়, আইনখনৰ আধাৰত গঠন কৰা Majuli Landscape Region Management Authority নামৰ বিভাগটো বৰ্তমান সক্ৰিয় হৈ আছেনে? ইয়াৰ অধীনত চলি থকা কামসমূহ কি অৱস্থাত আছে?

মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে মাজুলীৰ সত্ৰনগৰীৰ সাংস্কৃতিক ঐতিহ্য ৰক্ষাৰ স্বাৰ্থত এই আইনখন আৰু ইয়াৰ বাবে গঠিত বিভাগটোক অধিক সক্ৰিয় কৰি তুলিবলৈ কোনো সময়োপযোগী পদক্ষেপ গ্ৰহণ কৰিব? যদি কৰিব, কেতিয়া কৰিব পৰা যাব?

**মাননীয় অধ্যক্ষ**মাননীয় মন্ত্ৰী মহোদয়। :

**শ্ৰী পীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা ইত্যাদি মন্ত্ৰী)**ঃ মাননীয় অধ্যক্ষ মহোদয়, মাজুলীৰ ঐতিহ্য, মাজুলীৰ সংৰক্ষণ আৰু মাজুলীক বিশ্ব দৰবাৰলৈ লৈ যোৱাৰ কাৰণে আমাৰ চৰকাৰে প্ৰত্যেক দিনেই, প্ৰতিটো মুহূৰ্ততে অতি সক্ৰিয় আৰু অতি গুৰুত্বসহকাৰে এই কাম আমি কৰি আছো।

মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্যগৰাকীয়ে Majuli Cultural Landscape Region Management Authority খন সক্ৰিয়ভাৱে আছে নে নাই, যি প্ৰশ্ন উত্থাপন কৰিছে। মাননীয় অধ্যক্ষ মহোদয়, এই আইনখন বা এই Authority সক্ৰিয় হৈ আছে। মাননীয় অধ্যক্ষ মহোদয়, মাজুলীৰ সত্ৰীয়া সংস্কৃতিক বিশ্ব ঐতিহ্য ক্ষেত্ৰলৈ নিবলৈ আমাৰ চৰকাৰে অহৰহভাৱে প্ৰচেষ্টা চলাই আছে। মাজুলীৰ অৱস্থা আজিৰ পৰা দহএঘাৰ বছৰ আগতে কি আছিল-, সেই কথা আপোনালোকে সকলোৱে জানে। কিন্তু আজিৰ মাজুলী আৰু আজিৰ

পৰা দহএঘাৰ বছৰ আগৰ মাজুলীৰ মাজত বৃহৎ পাৰ্থক্য আছে। মাজুলীয়ে -নতুন জিলা হিচাপে প্ৰতিষ্ঠা লাভ কৰিলে। মাজুলীৰ প্ৰত্যেকটো ৰাস্তা পথ হ'ল। মাননীয় অধ্যক্ষ মহোদয়, মাজুলীত এই মুহূৰ্তত আজিলৈকে হয়তো বানপানী হোৱা নাই, যিটো মাজুলীৰ ক্ষেত্ৰত অত্যন্ত গুৰুত্বপূৰ্ণ ঘটনা বুলি আমি উপলব্ধি কৰোঁ। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, মই আকৌ কৈছোঁ মাজুলীৰ কাৰণে আমাৰ চৰকাৰ অত্যন্ত serious। সত্ৰীয়া সংস্কৃতিৰ কাৰণেও আমাৰ চৰকাৰ অত্যন্ত serious। মাজুলীৰ সত্ৰীয়া সংস্কৃতি বা সত্ৰসমূহ বা মাজুলীৰ শিল্পক'লা, এই সকলোখিনিক আমি বিশ্বৰ ঐতিহ্য ক্ষেত্ৰলৈকে বা UNESCO Heritage Site লৈকে আনিবলৈকে প্ৰচেষ্টা চলাই আছোঁ। এই ক্ষেত্ৰত আমি কোনো ধৰণৰ গাফিলতি কৰা নাই আৰু পৰৱৰ্তী সময়তো এই প্ৰচেষ্টা নিশ্চয়কৈ কৰা হ'ব।

**মাননীয় অধ্যক্ষঃ** any supplementary,

**শ্ৰীভূবন গাম (মাজুলী)** :- অধ্যক্ষ মহোদয়, মই আমাৰ চৰকাৰক ধন্যবাদ জনাবই লাগিব। মাজুলীত যি ধৰণে উন্নতি কৰিলে, কাৰণ মাজুলী আজি হয় এটা সময়ত ২০১৬ চনৰ আগত কোনো ৰাস্তা-পদূলী নাছিল, বোকাৰ মাজেৰে মাজুলীৰ মানুহে খোজ কাঢ়িব লগীয়া হৈছিল। কাৰণ এই ২০১৬ চনৰ পিছৰ পৰা বিশেষকৈ আমাৰ চৰকাৰৰ দিনত ৰাস্তা-পদূলীকে, জিলাকে ধৰি আমি সম্পূৰ্ণভাৱে পাবলৈ সক্ষম হৈছোঁ, ধন্যবাদ।

**মাননীয় অধ্যক্ষ** :- ঠিক আছে, ধন্যবাদ। পৰৱৰ্তী প্ৰশ্ন ১৮৩, তাঞ্জিল হুছেইন।

**ডাঃ ৰনোজ পেগু, মন্ত্ৰী** :- অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰীতানজিল হুছেইন, ( চামগুৰী)** :- ধন্যবাদ অধ্যক্ষ মহোদয়, মোৰ আজি প্ৰশ্নটো হৈছে ভেঞ্চাৰ স্কুলৰ ওপৰত। আমি জানো যে ভেঞ্চাৰ স্কুল আমাৰ গাঁৱত যেতিয়া প্ৰতিষ্ঠা হয়, সেইটো এটা tradition আমাৰ বহু বছৰ ধৰি চলি আছে। তাত কোনো সচেতন নাগৰিক বা গাঁৱৰ কোনো আৰ্থিকভাৱে সবল ব্যক্তি আৰু তাত শিক্ষকে মিলি এখন ভেঞ্চাৰ স্কুল খোলে। তাৰ পিছত সেই স্কুলখন

Governmentalize লৈ সেইটো প্ৰভিন্সিয়েলাইজ বুলি কয় । কিন্তু অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মাননীয় মন্ত্ৰী ডাঙৰীয়াক সুধিব বিচাৰিছোঁ যে এই চৰকাৰৰ আগৰ দিনত, যেতিয়া এইটো নিৰ্বাচনৰ সময়ত কৈছিল নে নাই যে যিমান ভেঞ্চাৰ স্কুল আছে, সেই সকলোবোৰ প্ৰভিন্সিয়েলাইজ কৰিব । আৰু যদি কৰিছে, তেন্তে এতিয়ালৈকে কিমান ভেঞ্চাৰ স্কুল প্ৰভিন্সিয়েলাইজ কৰিছে? আৰু আন এটা কথা, যে এই ভেঞ্চাৰ স্কুলৰ যিমান শিক্ষক বহুতে ২৫–৩০ বছৰ চাকৰি কৰি তেওঁলোকে অৱসৰ লৈ লয়, কিন্তু পেঞ্চন নাপায়। কিন্তু যেতিয়া স্কুলখন প্ৰভিন্সিয়েলাইজ কৰে তেতিয়া বহুতে অৱসৰৰ পিছত পেঞ্চনৰ সুবিধা পায়। আৰু কথাটো হৈছে, যে আমাৰ দিনত, আমাৰ যেতিয়া প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈ ছাৰৰ দিনত যিমান প্ৰফেচাৰ আছিল, তেতিয়া সেইটো সময়ত প্ৰফেচাৰে অৱসৰৰ পিছতো আপোনালোকে খৱৰ লব যে তেওঁলোকে অৱসৰৰ পিছতো পেঞ্চন পোৱা নাছিল। কিন্তু আমাৰ তৰুণ গগৈ ছাৰৰ যেতিয়া চৰকাৰ আছিল তেওঁলোককো সেইটো ব্যৱস্থা কৰিছিল। কিন্তু পুনৰবাৰ মই মাননীয় মন্ত্ৰী ডাঙৰীয়াক আপোনাৰ জৰিয়তে সুধিব বিচাৰিছোঁ যে কিমান ভেঞ্চাৰ স্কুল প্ৰভিন্সিয়েলাইজ কৰা হ'ল ?

**মাননীয় অধ্যক্ষ** :- Minister please.

**ডাঃ ৰনোজ পেগু, (মন্ত্ৰী)** :- মাননীয় অধ্যক্ষ মহোদয়, ভেঞ্চাৰ স্কুল খুলি থাকিব আৰু প্ৰভিনশ্যেলাইজ হৈ গৈ থাকিব, এনেকুৱা এটা কোনো কথা নাই। আৰু অসম বিধান সভাতে ইয়াৰ আগতে বহু আলোচনা-বিলোচনা হৈ, ২০০৬ চনত ইয়াত এটা ফুল ষ্টপ লগোৱাৰ কাৰণে ২০০৬ চনত Assam Non-Government Educational Institutions Act, 2006 আহিল। অৰ্থাৎ, ইয়াৰ পাছত যদি কোনো বিদ্যালয় খোলে, তাক প্ৰাইভেট ইনষ্টিটিউশ্যন হিচাপে Non-Government Educational Institutions Actৰ অধীনত কৰিব লাগিব। এতেকে, ২০০৬ চনৰ আগত যিসমূহ বিদ্যালয় খোলা হৈছিল, তাৰ কাৰণে ২০১১ চনত এখন আইন আহিল, যিখন হাইক'ৰ্টে বাতিল কৰি দিলে। ইয়াৰ পাছত ২০১৭

চনত এখন আইন আহিল। আৰু ২০১৭ চনৰ যিখন আইন সেই আইনৰ অধীনত ইতিমধ্যে ৩,৮০৫ খন এল. পি. স্কুল আৰু ME স্কুল প্ৰভিনশ্যেলাইজেশ্যনৰ আওতালৈ অনা হয়। আৰু এই ৩,৮০৫ খন বিদ্যালয়ৰ ভিতৰৰ পৰা ৯,৮৫৫ গৰাকী টিউটৰক তেওঁলোকৰ চাকৰি provincialise কৰা হয়। এটা কণ্ডিশ্যন সহ যে তেওঁলোকে National Council for Teacher Education (NCTE) Act মতে যি professional qualification লাগে, সেই professional qualification লাভ কৰিলে তেওঁলোকক শিক্ষকলৈ উন্নীত কৰা হ'ব। একেধৰণে Secondary Educationৰ কাৰণে High School, Higher Secondary School আৰু Senior Secondary School সমূহ মিলাই ৫১১ খন বিদ্যালয় প্ৰাদেশিকীকৰণৰ আওতাৰ ভিতৰলৈ আহে। আৰু ইয়াৰ পৰা ৫,৩৪৪ গৰাকী শিক্ষক-টিউটৰক হিচাপে তেওঁলোকক চৰকাৰে provincialise কৰে। পৰৱৰ্তী প্ৰৰ্যায়ত বিভিন্ন দাবী উত্থাপন হ'ল যে আমি কিছুমান কঠোৰ criteria থকাৰ কাৰণে আমি provincialisationৰ আওতাৰ পৰা বাদ পৰিলো, এতেকে চৰকাৰে আইনখনৰ সংশোধনী বিবেচনা কৰিব লাগিব। এই সংশোধনী বিবেচনা কৰাৰ যি প্ৰস্তাৱ আমাৰ ওচৰলৈ আহিছিল, তাক পুনৰ বিবেচনা কৰি ২০২৫ চনত আইনখনত কিছু শিথিলতা অনা যায় আৰু সেই শিথিলতা অনুসৰি অসম চৰকাৰে ইতিমধ্যে এটা portal খুলি দিছে। আৰু portalটো খুলি দিয়াৰ কাৰণে খুব খৰটকীয়াভাৱে আমি বিভিন্ন বিদ্যালয়, মহাবিদ্যালয় তেওঁলোকৰ পৰা আবেদন পত্ৰসমূহ পালোঁ। আবেদন পত্ৰ পোৱাৰ প্ৰক্ৰিয়াটো almost 99 percent আমাৰ complete হৈছে। আৰু মই আজি আপোনাৰ জৰিয়তে পবিত্ৰ সদনক জনাব বিচাৰোঁ যে আমাৰ প্ৰায় 35 খন districtsৰ পৰা আমি School Educationত, অৰ্থাৎ LP School, High School, Upper Primary High School, Senior Secondary School, Higher Secondary School ইয়াতে আমি 3,709 খন বিদ্যালয়ৰ পৰা আমি আবেদন লাভ কৰিছোঁ। অন্যহাতে, মহাবিদ্যালয়ৰ ক্ষেত্ৰত আমি ৫২ খন Degree Collegeৰ পৰা আবেদন লাভ কৰিছোঁ আৰু 125 খন Degree Collegesৰ পৰা stream, অৰ্থাৎ Arts বা Commerce stream আদি

streamৰ কাৰণে আবেদন লাভ কৰা হৈছে। এইবাৰৰ আইনখনত যদি কোনো department আছে, যিটো departmentয়ে ১ জানুৱাৰী, 2006ৰ আগতেই তেওঁলোকে NOC পাইছিল বা affiliation তেওঁলোকে পাইছিল, সেই departmentবিলাকো আবেদন কৰিব পৰাৰ এটা ব্যৱস্থা আমাৰ 2025ৰ আইনখনত কৰা হৈছিল। আৰু সেই আইনমতে 125 খন collegesয়ে তেওঁলোকৰ stream বা departmentৰ provincialisationৰ কাৰণে আবেদন কৰিছে আৰু এই গোটেইসমূহ আবেদনত, যে মই বিদ্যালয় শিক্ষানুষ্ঠানৰ সংখ্যাটো ক'লোঁ, মহাবিদ্যালয় ৫২ আৰু ১২৫, আৰু বিদ্যালয় ৩,৭০৯ খন, তাৰ বিপৰীতে ২৩,৪২০গৰাকী ব্যক্তি তেওঁলোকৰ service provincialisationৰ কাৰণে আবেদন পত্ৰ লাভ কৰা হৈছে । আবেদন পত্ৰৰ verificationৰ প্ৰক্ৰিয়া খুব সোনকালে আৰম্ভ হ'ব আৰু আৰম্ভ হোৱাৰ পাছতে আমি এই প্ৰক্ৰিয়াটোক এটা পৰিসমাপ্তিৰ ফালে লৈ যাম আৰু ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰীয়ে এই সদনতে ঘোষণা কৰিছে যে ইয়াত যিটো আমাৰ cut-off date আছিল, অৰ্থাৎ ৯, ১০ ৰ DISEত বিদ্যালয়খনৰ নাম থাকিব লাগিব, সেইটোৰ কিছু শিথিলতা অনাৰ কথা কৈছে। গতিকে আমি খুব সোনকালে যিখিনি আইনসন্মত হয় সেইমতে আমি আইনখনৰ সংশোধন কৰি, তালিকা ইতিমধ্যে আবেদন সম্পূৰ্ণ আমি পালোঁ আৰু ইয়াৰ verification কৰি এই venture school ৰ প্ৰাদেশীকৰণৰ গোটেই বিষয়টো এটা পৰিসমাপ্তিলৈ আমি খুব সোনকালে লৈ যাম। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** :- তানজিল হুছেইন supplementary.

**শ্ৰীতানজিল হুছেইন, ( চামগুৰী)** :- হয়, মোৰ second supplementaryটো হৈছে, অধ্যক্ষ মহোদয়, যে চৰকাৰে বহুত স্কুল বন্ধ কৰি দিছে amalgamationৰ নামত আৰু মই এটা সুধিব বিচাৰিছোঁ, আপোনাৰ জৰিয়তে মন্ত্ৰীমহোদয়ক, যে amalgamation কৰা যিটো এটা process, সেইটো success হৈছে নে নাই? কিহৰ কাৰণে আজি যোৱা সপ্তাহত যিটো আমাৰ DRSC meeting আছিল, তাত শিক্ষা বিভাগৰ officerয়ে কৈছিলে যে amalgamation যিসমূহ স্কুল কৰিছিলে, কিন্তু এতিয়া তাত de-amalgamation কৰিব বিচাৰি আছে। এইটো এটা plan আনিব

চেষ্টা কৰি আছে। সেইটো success হৈছে নে নাই? আৰু কিয় amalgamation ৰ পিছত আকৌ de-amalgamation কৰিবলৈ এতিয়া process এটা আৰম্ভ কৰিবলৈ ওলাইছে, অধ্যক্ষ মহোদয়?

**মাননীয় অধ্যক্ষ** :- Minister, please.

**ডাঃ ৰনোজ পেগু, মন্ত্ৰী** :- অধ্যক্ষ মহোদয়, ২০১৬ৰ পৰা ২০২৬ এই সময়খিনিত 7,380 খন বিদ্যালয় amalgamation হৈছে। কিন্তু ইয়াৰে সৰহ সংখ্যক বিদ্যালয়, 2639 খন বিদ্যালয়, 2017-18 চনত amalgamation হৈছে। আৰু এতিয়ালৈ, 2021ৰ পৰা 2026 চনৰ ভিতৰত আমাৰ 1,000 বিদ্যালয়, এতিয়া মূল কথাটো হ'ল, অধ্যক্ষ মহোদয়, 2017 চনৰ যিখন প্ৰাদেশিকীকৰণ আইন, সেই আইনখন আমি ভালকৈ বুজিব লাগিব। সেই আইনখনত বিদ্যালয় প্ৰাদেশিকীকৰণৰ প্ৰধান ব্যৱস্থা তাতে নাই। আইনখনত ধৰি লোৱা হৈছে যে অসমত বিদ্যালয়ৰ সংখ্যা ইতিমধ্যে সংক্লীতত আছে saturated হৈ গৈছে। আমাক আৰু অতিৰিক্ত বিদ্যালয় নালাগে। এতেকে যিহেতু servicesসমূহ provincialisation কৰা হৈছে, গতিকে সেই শিক্ষক-শিক্ষয়িত্ৰীসকলক বেলেগ এখন বিদ্যালয়ত দিয়া হৈছে। ইয়াৰোপৰি ওচৰা-ওচৰিকৈ থকা বিদ্যালয় বা একেটা campusৰ ভিতৰতে তিনিখন বিদ্যালয় আছে, এখন LP, এখন UP, এখন High School। এই বিদ্যালয়সমূহৰ amalgamation কৰা হৈছে। আৰু ইয়াৰ কাৰণে শিক্ষা ক্ষেত্ৰ নামৰ এখন আঁচনি আছে। কিছুদিন পূৰ্বে মই সকলো বিধায়কলৈ চিঠি লিখি তেওঁলোকৰ সমষ্টিত থকা ৩০ জনতকৈ কম ছাত্ৰ-ছাত্ৰী থকা বিদ্যালয়ৰ তালিকা সকলো বিধায়কৰ হাতত মই দিছোঁ। বিধায়কসকলৰ কোনোবাই যদি নাই পোৱা মোলৈ এটা WhatsApp message দিলে মই লগে লগে আকৌ দি দিম আৰু এই ৩০ জনতকৈ কম ছাত্ৰ-ছাত্ৰী থকা বিদ্যালয়সমূহ বিধায়কসকলে পৰীক্ষা কৰি চায় যে কোনসমূহ amalgamation কৰিব লাগে বা merge কৰিব লাগে। তাত মূল্যৱান পৰামৰ্শ আমি আগবঢ়ালে আমি ব্যৱস্থা গ্ৰহণ কৰিম। বৰ্তমান আমাৰ যি জিলা বিষয়াসকল আছে, আমাৰ জিলা কাৰ্যালয় আছে, ব্লকৰ কাৰ্যালয় আছে, তেওঁলোকক instruction দিয়া হৈছে ইয়াৰ ওপৰত

এটা report দিয়াৰ কাৰণে। Amalgamation কৰাৰ কাৰণে কোনো নিৰ্দেশনা দিয়া হোৱা নাই। এটা report দিয়াৰ কাৰণে। যিটো report আমি পৰীক্ষা কৰি চাই, যথাযুক্ত যাতে আমি সিদ্ধান্ত আমি গ্ৰহণ কৰিব পাৰোঁ। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় সদস্য শ্ৰী জাকিৰ হুছেইন সিকদাৰ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (পাকাবেতবাৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে উল্লেখ কৰিছে যে ভেঞ্চাৰ শিক্ষানুষ্ঠানৰ সংশোধনী আইন আনিলে ২০২৫, তাৰ পিছত application ও পৰিলে, সংখ্যাও ইতিমধ্যে উল্লেখ কৰিছে। মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিম যে এই সংশোধনী আইনৰ আওতাত কেতিয়া ভেঞ্চাৰ স্কুলসমূহ বা ভেঞ্চাৰ স্কুলৰ শিক্ষকৰ পদ চৰকাৰীকৰণ কৰা হ'ব, তেনেকুৱা। এটা কিবা নিৰ্দ্দিষ্ট সময় দিব নেকি যে ইমান তাৰিখৰ ভিতৰত ভেঞ্চাৰ স্কুলসমূহক চৰকাৰীকৰণ কৰা হ'ব?

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী, শিক্ষা ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি আবেদনকাৰীৰ তথ্য মই সদনত দাখিল কৰিলো। তাৰ পিছত verification হ'ব,যিটো এটা দীঘলীয়া আৰু জটিল প্ৰক্ৰিয়া। এতিয়া physical verification হ'ব কাৰণ portal ত upload কৰা যি document আছে, সেই document ৰ সত্যাসত্য নিৰূপণ কৰিব লাগিব। গতিকে verification প্ৰক্ৰিয়া আৰম্ভ হ'ব আৰু প্ৰক্ৰিয়াটোৱে যিখিনি সময় লয়, সেইখিনি সময়ৰ ভিতৰতে আমি provincializationৰ গোটেই বিষয়টো এটা পৰিসমাপ্তিলৈ লৈ যাম। এইটো কৰাৰ কাৰণে আমি এইখিনি পদক্ষেপ গ্ৰহণ কৰিছো। যিখিনি সময় লাগিব, অকল verification ৰ সময়খিনি। গতিকে মই নিৰ্দ্দিষ্ট চন, তাৰিখ আজিয়ে ইয়াত কৈ দিয়াটো অসুবিধা আছে।

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় সদস্য শ্ৰী অখিল গগৈ।

**শ্ৰী অখিল গগৈ, শিৱসাগৰঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো তেনেই সহজ। প্ৰশ্নটো হ'ল যে মই যিমানদূৰ জানো, যদিও কৈ আছে যে বহুত ভেঞ্চাৰ স্কুলে apply কৰিছে চৰকাৰীকৰণ কৰিবৰ কাৰণে বা provincialize কৰিবৰ কাৰণে কিন্তু UDISE ত যিখিনি জীৱিত বা live হৈ আছে তেনেকুৱা ভেঞ্চাৰ স্কুলৰ পৰিমাণ এতিয়া ৫০০-৬০০ মানহে হ'ব বুলি মই জানো। বাকীবিলাক dead হৈ গ'ল । কিছুমানে এনেই আগতে এনেকুৱা মৰি যোৱা স্কুলৰ নাম দি থৈছে। তেখেতসকলেতো ইতিমধ্যে প্ৰায় ৮০০০ খন স্কুল অসমত খাই পেলালে মাৰি পেলালে, বন্ধ কৰি পেলালে । গতিকে যদি এই ৫০০-৬০০ খন স্কুল যদি চৰকাৰীকৰণ কৰি দিয়ে, তেতিয়াহ'লে এই গোটেই সমস্যাটো চিৰকাললৈ শেষ হৈ যাব। সেয়েহে মই অনুৰোধ কৰিব পাৰো নেকি যে ২০১৭-১৮ ৰ cut off date ধৰি যিখিনি UDISE ত এতিয়াও জীৱিত হৈ আছে, তেনেকুৱা ভেঞ্চাৰ স্কুলক সম্পূৰ্ণৰূপে provincialize কৰি এই সমস্যাটোৰ চিৰকাললৈ সমাধান কৰিব নেকি?

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়া।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী, শিক্ষা ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, খুব কম স্কুল চৰকাৰীকৰণ কৰিলে চৰকাৰৰ ধন ৰাহি হ'ব। চৰকাৰৰ হাতত তথ্য আহিছে ৩৭০৯ খন স্কুলে application কৰিছে কিন্তু মাননীয় সদস্য জনে কৈছে ৫০০-৬০০ কৰিব লাগে, বাকীখিনি কৰিব নালাগে। ২০২৫ ৰ আইনৰ আওতাৰ ভিতৰত সেইখিনি পৰীক্ষা কৰিম। মই আকৌ কৈছো, অসম চৰকাৰে স্বীকাৰ কৰিছে ৩৭০৯ খন স্কুলৰ পৰা আমি প্ৰস্তাৱ পাইছো কিন্তু মাননীয় সদস্য জনে কৈছে UDISE ত যিখিনি ৫০০-৬০০ খন live হৈ আছে ,সেইখিনি কৰিলেই হ'ব। এই বিষয়টো verification প্ৰক্ৰিয়াৰ মাজলৈ আহিব। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** এতিয়া পৰৱৰ্ত্তী প্ৰশ্ন নং-১৮৪, শ্ৰী দীপক কুমাৰ দাস।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী দীপক কুমাৰ দাস, বৰপেটাঃ** মাননীয় অধ্যক্ষ মহোদয়, মই উত্তৰ পাইছো আৰু কিছু কিছু ক্ষেত্ৰত মই সন্তোষ প্ৰকাশ কৰিছো। মই দুই এটা clarification বিচাৰিম। মহাপুৰুষ শ্ৰী মন্ত শংকৰ আৰু মাধৱগুৰুৰ যি বৰ্ণাঢ্য জীৱন পৰিক্ৰমা আৰু বিশাল যি সাংস্কৃতিক ভাণ্ডাৰ, যি সাংস্কৃতিক ভাণ্ডাৰে অসমীয়া জাতিটোক মেৰুদণ্ড পোন কৰি থিয় কৰালে, বিশ্বমুখী কৰিলে, বিশ্বত এক সংস্কৃতিবান জাতি হিচাপে পৰিচয় কৰাই দিলে, সেই গুৰু শংকৰ-মাধৱ, দামোদৰদেৱ,হৰিদেৱ প্ৰমুখ্য কৰি আতা ঠাকুৰ সকলৰ কৰ্মৰাজিৰ প্ৰতি, সৃষ্টিৰাজিৰ প্ৰতি উৎসাহিত কৰাৰ উদ্দেশ্যে অসম চৰকাৰে বিশেষ জলপানিৰ ব্যৱস্থাটোৰ কথা মই কৈছিলো। মাননীয় অধ্যক্ষ ডাঙৰীয়া, অসম চৰকাৰে কিবা জলপানিৰ ব্যৱস্থা কৰিছে নেকি অথবা আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত বিশেষ ধৰণৰ জলপানিৰ ব্যৱস্থা কৰিছে নেকি, এইটো মোৰ মূল প্ৰশ্ন। লগতে অসমৰ বৈষ্ণৱ সাহিত্য, সংস্কৃতি সকলোবোৰ, যি ইতিহাস সাঁচিপাত গোটেইবোৰ আমি digital কৰাৰ প্ৰশ্নটো আজি মই দিছিলো। উত্তৰত কোৱা হৈছে আমি শংকৰদেৱ আৰু মাধৱদেৱৰ ওপৰত কি কি কৰিছো। কিন্তু ইয়াৰ পলিচিৰ ওপৰত বিশেষকৈ scholarship ৰ ওপৰত বা fellowship ৰ ওপৰত অহা নাই।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মহাপুৰুষ শংকৰদেৱৰ জীৱনগাঁথা, মহাপুৰুষ শংকৰদেৱৰ সৃষ্টি, মহাপুৰুষ জনাই কৰি যোৱা কামৰ প্ৰতি অসমীয়া সমাজ সদায় কৃতজ্ঞ। অসমীয়া জাতিৰ অস্তিত্ব, অসমীয়া জাতিৰ সংস্কৃতি বৰ্তমানৰ যি বিশ্ব দৰবাৰত অসমীয়া জাতিৰ স্বীকৃতি এই কথাখিনি হয়তো বৃহৎ প্ৰশ্নবোধক হ'লহেঁতেন বা প্ৰশ্নবোধক চিন আহিলহেঁতেন যদি মহাপুৰুষজনাই অসমত জন্মগ্ৰহণ নকৰিলে হয়। অধ্যক্ষ ডাঙৰীয়া, মই খুব details ত তেখেতৰ প্ৰশ্নৰ উত্তৰ দিছো যে আমাৰ চৰকাৰে মহাপুৰুষ জনাৰ সৃষ্টিক, মহাপুৰুষ জনাৰ কৃষ্টি-সংস্কৃতিক কেনেদৰে প্ৰসাৰিত কৰিবলৈ প্ৰয়াস কৰিছে। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰৰ সকলোতকৈ ডাঙৰ পদক্ষেপ, মই অসমৰ বাহিৰত কৈছো, অসমততো প্ৰত্যেক

মুহূৰ্ততে আমি ভগৱান শংকৰদেৱ, মহাপুৰুষ শংকৰদেৱ প্ৰত্যেকজন ব্যক্তিয়ে উচ্চাৰণ কৰে। তেখেতৰ সৃষ্টি আৰু কৰ্মৰাজিক আমি সকলোৱে মনত পেলাওঁ। সত্ৰীয়া নৃত্যই হওঁক, বৰগীতেই হওঁক, নামেই হওঁক, ভাওনাই হওঁক আমাৰ অসমীয়া প্ৰত্যেকজন ব্যক্তিৰ লগত অতি সংপৃক্ত। অধ্যক্ষ ডাঙৰীয়া, অসমৰ বাহিৰত আমি কি কি পদক্ষেপ লৈছো । প্ৰথম পদক্ষেপটো হৈছে, দেশৰ তিনিখন আগশাৰীৰ বিশ্ববিদ্যালয়ত- বিশ্বভাৰতী (পশ্চিমবঙ্গ), পঞ্জাৱ বিশ্ববিদ্যালয় (চণ্ডীগড়), জৱাহৰলাল নেহেৰু বিশ্ববিদ্যালয় (নতুন দিল্লী) শ্ৰীমন্ত শংকৰদেৱ আসন স্থাপন কৰা হৈছে। অধ্যক্ষ ডাঙৰীয়া, ২৫ বা ২৬ জুন তাৰিখে এগৰাকী ব্যক্তিয়ে মোক লগ ধৰিছিল, তেখেতৰ নাম আছিল প্ৰফেচাৰ জ্যোৎস্না ৰাৱট । অধ্যক্ষ ডাঙৰীয়া, তেখেতে মুখ্যমন্ত্ৰী ডাঙৰীয়াক লগ কৰিছিল আৰু মোকো কিবা এটা সংযোগত লগ কৰিলে। পঞ্জাৱ বিশ্ব বিদ্যালয়ত শংকৰদেৱ আসনখন তেখেতৰ দায়িত্বত আছিল। সেইদিনাখন মই অলপ হ'লেও অসমীয়া হিচাপে গৰ্বিত অনুভৱ কৰিছিলো। তেখেতে মোক বহু কেইটা ভিডিঅ' আৰু still photograph দেখুৱাইছিল । পঞ্জাৱৰ ছাত্ৰ-ছাত্ৰীসকলে কেনেকৈ বৰগীত গাইছিল, কেনেকৈ সত্ৰীয়া নৃত্যত অংশগ্ৰহণ কৰিছে, কেনেকৈ অংকীয়া নাট প্ৰদৰ্শন কৰিছে আৰু প্ৰত্যেকটো অনুষ্ঠানতে তেনেকুৱা ২০০-৩০০ দৰ্শনাৰ্থী গৈ অনুষ্ঠান উপভোগ কৰিছে। আমি যথেষ্ঠখিনি কৰিছো। কিন্তু মই এটা উপলব্ধি কৰো, জ্যোৎস্না ৰাৱট বাইদেউৰ ওচৰত মই এইটো প্ৰকাশ কৰিবলৈ বাধ্য হৈছিলো । অধ্যক্ষ ডাঙৰীয়া , সেইখিনি সময়ত চাগে ভাৰতবৰ্ষত মহাপুৰুষ গুৰুনানক আৰু মহাপুৰুষ শংকৰদেৱ একেলগেই আবিৰ্ভাৱ হৈছিল । কিন্তু অধ্যক্ষ মহোদয়, আমি ক'ৰবাত নহয় ক'ৰবাত অলপ পিছুৱাই আছো। যেনেকৈ শিৱাজী মহাৰাজে মোগলক ভেটা দিছিল, ঠিক তেনেকৈ অসমত মোগলক ভেটা দিছিল লাচিত বৰফুকনে। পৃথিৱীৰ পটভূমিত আজি ক'ত লাচিত বৰফুকন, ক'ত শিৱাজী মহাৰাজ ? কিন্তু এতিয়া আমি লাচিত বৰফুকনক পৃথিৱীত স্থাপন কৰিবলৈ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত প্ৰয়াস কৰিছো। ঠিক তেনেদৰে শংকৰদেৱকো আমি আৰু প্ৰচাৰিত আৰু প্ৰসাৰিত কৰিবলৈ যত্ন কৰিছো ।

অধ্যক্ষ মহোদয়, মই অবিভক্ত নগাঁৱৰে ব্যক্তি । কাৰণ মই নগাওঁ জিলাতো বিধায়ক আছিলো আৰু মৰিগাওঁ জিলাৰো বিধায়ক। গতিকে দুয়োটা ঠাইয়ে মোৰ ঘৰ। বৰদোৱাৰ লগত মোৰ খুৱ আন্তৰিক সম্পৰ্ক। সৰুতে মই প্ৰত্যেক বছৰে মাৰ লগত বৰদোৱালৈ গৈছিলো । বৰদোৱাৰ আজিৰ পৰিৱেশ আৰু আগৰ পৰিৱেশৰ মাজত বৃহৎ পাৰ্থক্য । ক'বলৈ বেয়া লাগে, বৰদোৱাৰ আমাৰ যি নামঘৰ সেই নামঘৰটোৰ অৱস্থা খুৱ বেয়া হৈ গৈছিল। আজি সেই শংকৰদেৱৰ জন্মস্থান বৰদোৱাক কোনে উজলাই তুলিছে, হিমন্ত বিশ্ব শৰ্মা ডাওঁৰীয়াই অধ্যক্ষ ডাওঁৰীয়া । গতিকে এই ক্ষেত্ৰত আমি আৰু যথেষ্ট কাম নিশ্চয়কৈ কৰিম । অধ্যক্ষ মহোদয়, আপোনাৰ যোগেদি এই পবিত্ৰ সদনত মই প্ৰতিশ্ৰুতি দিছো।

অধ্যক্ষ মহোদয়, জলপানিৰ ব্যৱস্থা আমি এইমুহূৰ্তত কৰা নাই কিন্তু ভৱিষ্যতে যদি কৰিবলগীয়া হয়, আমি নিশ্চয়কৈ কৰিম। কাৰণ ভগৱান আমাৰ কাৰণে ভগৱান, মহাপুৰুষ শংকৰদেৱৰ ক্ষেত্ৰত আমি কোনো ধৰণৰ compromise কৰা নাই আৰু নকৰো , মই সদনত প্ৰতিশ্ৰুতি দিছো।

**মাননীয় অধ্যক্ষঃ** Next supplementary.

**শ্ৰী দীপক কুমাৰ দাস, (বৰপেটা)**ঃ- পীযুষ হাজৰিকাৰ যোগেৰে অসম চৰকাৰক মই ধন্যবাদ জনাইছো । জগত গুৰু শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱক কেন্দ্ৰ কৰি অসম চৰকাৰে বহুতখিনি কৰিছে, আৰু বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ কাৰণে অহৰহ প্ৰচেষ্টা চলাই আছে। মোৰ প্ৰশ্নৰ উত্তৰতো হ'ল যে যেনেকে আজি ভাৰতৰ্বষৰ বিভিন্ন fellowship আছে, তেনেকে Dr. Ambedkar Central sector Scheme, National overseas Scholarship, Indira Gandhi Scholarship for Single girld child, Maulana Azad Scholaraship, Netaji Subhas Chandra ICR International Scholarship, Swami Vivekananda Merit–cum-Means Scholarship, Savitribai Phule Scholarship মহাৰাষ্ট্ৰ চৰকাৰৰ, '' Mahatma Jyotiba Phule Scholarship, আছে মহাৰাষ্ট্ৰ

চৰকাৰৰ Rajarshi Chhatrapati Shahu Maharaj National Resecsch Feulowhip মহাৰাষ্ট্ৰ চৰকাৰৰ। Sir N. Bishwo Sarai Fellowship, Karnataka কৰ্ণাটক চৰকাৰৰ, Kalpana Chawla Scholarship হাৰিয়ানা চৰকাৰৰ, Shri Narayan Guru কেৰালা চৰকাৰৰ। আনন্দৰাম বৰুৱাৰ নামত আমাৰ এটা বঁটা আছে। মই ভাবো যে এতিয়ালৈকে শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱ গুৰু, অথবা দামোদৰদেৱ, হৰিদেৱৰ নামত Scholarship হোৱা নাই। যদি অসম চৰকাৰে এই মহান কাৰ্য্যখিনি কৰে সোণত সুৱগা চৰিব। সেইটোৱে মই আহ্বান জনালো অসম চৰকাৰক আৰু লগতে মই অনুৰোধ কৰিছো মাননীয় অধ্যক্ষ ডাঙৰীয়া আপোনাৰ জৰিয়তে যে বৰপেটা সত্ৰ UNESCO World Heritage ৰ listত অহাৰ বাবে যথেষ্ট সম্ভৱনা আছে। গতিকে মই ভাবো এইক্ষেত্ৰত চৰকাৰেও বিশেষ ভাৱে আগবাঢ়িব।

**মাননীয় অধ্যক্ষঃ-** Scholarship.

**শ্ৰী পীযুষ হাজৰিকা, (জলসিঞ্চন,সংসদীয় পৰিক্ৰমা কৃষি মন্ত্ৰী )ঃ** অধ্যক্ষ ডাঙৰীয়া, সন্মানীয় সদস্য গৰাকীয়ে এটা গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়াইছে। এইটো নিশ্চয়কৈ বিবেচনা কৰিবলৈ চেষ্টা কৰা হ'ব। UNESCO World Heritage site ৰ কথাটো Next আহিব। এইটো যদি হয়, অত্যন্ত সুখী হ'ম।

**মাননীয় অধ্যক্ষ ঃ-** ভূপেন কুমাৰ বৰা।

**শ্ৰী ভূপেন কুমাৰ বৰা, বিহপুৰীয়াঃ** মাননীয় অধ্যক্ষ মহোদয়, মহাপুৰুষ শংকৰদেৱ,মহাপুৰুষ মাধৱদেৱ আমাৰ কেতিয়াও অতীত নহয়, আমাৰ বৰ্তমান আৰু ভৱিষ্যত। আমাৰ গুৰুৱে লিখি থৈ গৈছে, 'জয় গুৰু শংকৰ, সৰ্ব গুণাকৰ, যাকেৰি নাহিকে উপাম। তোহাৰি চৰণে ৰেণু শত কৌটি বাৰেক কৰোহোঁ

প্ৰণাম'। অলপ দিনৰ আগতে আমেৰিকাৰ এজন writer, Dr. Brian L. weiss তেওঁ এখন কিতাপ লিখিছে Same Soul Many Bodies', আত্মাৰ সম্পৰ্কে । আপুনি শুনি সুখী হ'ব যে Dr Brian L. weiss কিতাপখনত আমাৰ মহাপুৰুষ শংকৰদেৱৰ বিৰচিত কীৰ্তনৰ মৎস্য কুৰ্ম্ম নৰসিংহ, বামণ, পৰশুৰাম, হলিৰাম, বৰাহ শ্ৰীৰাম, বুদ্ধ কল্কি নামে দশ আকৃতি ধৰিছা কৃষ্ণ তজু পাৰে কৰোহো প্ৰনাম', এই ঘোষা ফাকি উদ্ধৃতি দিছিল। কেনেকৈ পুনৰ জনম হয়। কিন্তু মই এই বাৰ বিধায়ক হোৱাৰ পিছত আমাৰ সমষ্টিত এখন ৰচনা প্ৰতিযোগিতা পাতিছিলো গোটেই চাৰিখন কলেজক লৈ যে গুৰু দুজনাৰ প্ৰাসংগিকতা । বিষয়টো অকনমান দীঘলীয়া , মই চমুকৈ কৈছো। গুৰু দুজনাৰ প্ৰাসংগিকতা। মাত্ৰ ১০০ জন ছাত্ৰ-ছাত্ৰীয়ে যোগদান কৰিলে। আমি ৫১ হাজাৰ টকা পুৰস্কাৰ ৰাখিছিলো। সেই কথাটো মই এইকাৰণে কৈছো যে গুৰু দুজনাৰ সম্পৰ্কত আমাৰ মন্ত্ৰী মহোদয়ে কোৱা নিচিনাকৈ এইটো ১০০ শতাংশ সচাঁ যে জন্ম স্থানৰ আন্তঃগাঁথনি উন্নয়নত চৰকাৰে বহুত কাম কৰিছে। শংকৰদেৱৰ জন্ম স্থান বহুত ধুনীয়া হ'ল, আমাৰ মহাপুৰুষ মাধৱদেৱৰ জন্ম স্থানতো এতিয়া মাননীয় মুখ্য মন্ত্ৰীয়ে ২২ কোটি টকা দিছে, কলাক্ষেত্ৰ হৈছে, বঁটা হৈছে । কিন্তু আটাইকৈ ডাঙৰ চিন্তাৰ বিষয়তো হৈছে যে নতুন প্ৰজন্মটোৰ মাজত গুৰু দুজনাৰ প্ৰাসংগিকতা সম্পৰ্কত এটা উদ্যোগ আমি চৰকাৰে ল'বৰ কাৰণে ইয়াত যিটো প্ৰশ্ন আহিছে, যে দেশ-বিদেশকে আদি কৰি । কিন্তু মই ভাবিছো যে যিটো মই কৰিছিলো মোৰ সমষ্টিত তেনেকুৱা এটা পদক্ষেপ আমাৰ চৰকাৰে ল'ব নেকি ? কিয়নো গোটেই অসমৰ নতুন প্ৰজন্মটোৰ, স্কুলৰ পৰা কলেজলৈকে ছাত্ৰ-ছাত্ৰীৰ অকল অসমীয়া বিভাগৰ গুৰু দুজনা বিষয় বস্তু হৈ থাকিলে কিন্তু জাতি দুৰ্বল হ'ব । আৰু জাতি সমৃদ্ধ কৰিবৰ কাৰণে, প্ৰাণৱন্ত কৰিবৰ কাৰণে গুৰু দুজনাৰ বিষয়ে চৰ্চা আৰু চিন্তা,তেওঁলোকৰ চেতনা আৰু ভক্তি মাৰ্গক নতুন

প্ৰজন্মৰ মাজলৈ  লৈ যাবৰ কাৰণে নিৰ্দিষ্ট অসমীয়া বিষয়টোতে সীমাবদ্ধ নাৰাখি, এটা প্ৰচেষ্টাৰ মাজেদি এই প্ৰজন্মতোক গুৰু দুজনাৰ সৈতে চিনাক্ত কৰি দিয়াৰ বা পৰিচয় কৰি দিয়াৰ বা তেওঁলোকৰ প্ৰাসংগিকতাৰ সম্পৰ্কত চৰকাৰে পদক্ষেপ আগন্তুক সময়ত ল'ব নেকি ? কাৰণ মই দেখিছো  যে অসমৰ বৰ্তমানৰ মুখ্য মন্ত্ৰী গৰাকীয়ে গুৰু দুজনাক লৈ যিখিনি কৰিছে সেইখিনি সঁচাকৈ অদ্বিতীয়। কিন্তু সেই কৰনীয়খিনিৰ মূল উদ্দেশ্যটো যে নতুন প্ৰজন্মটোকে সাৰ আৰু ৰসৰ  লগত চিনাকি কৰি দিব লাগিব। সেই সম্পৰ্কত আমাৰ চৰকাৰে পৰিকল্পনা কৰিব নেকি মই জানিব বিচাৰিছো ?

**মাননীয় অধ্যক্ষ** ঃ- নতুন প্ৰজন্ম।

**শ্ৰী পীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা, কৃষি মন্ত্ৰী ইত্যাদি )**ঃ সন্মানীয় অধ্যক্ষ ডাঙৰীয়া, মই প্ৰথম প্ৰশ্নটোত কৈছিলো যে কেনেকৈ পঞ্জাৱ বিশ্ব বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে  শংঙ্কৰদেৱৰ কলা সংস্কৃতিক অধ্যয়ন কৰিছে, আৰু নৃত্য–গীত তেওঁলোকে পৰিবেশন কৰিছে। দেখিয়েই মনতো মোৰ ভাল লাগিছিল। অধ্যক্ষ ডাঙৰীয়া, নিশ্চয়কৈ আমি যথেষ্ট ব্যৱস্থা হাতত লৈছো। তাৰে মই কেইটামান কৈ দিব  খুজিছো । অধ্যক্ষ ডাঙৰীয়া, নগাওঁ বিশ্ব বিদ্যালয়ৰ বৈষ্ণৱ  ধৰ্মীয় সামগ্ৰী সংগ্ৰহালয় ,সত্ৰীয়া নৃত্যৰ কৰ্মশালা আৰু শংকৰদেৱ আৰু তেওঁৰ সাহিত্য শীৰ্ষক এটি Certificate  পাঠ্যক্ৰমৰ জৰিয়তে এই ঐতিহ্য প্ৰসাৰ কৰি আছে। অধ্যক্ষ ডাঙৰীয়া, মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ে তেওঁলোকৰ পৰিবেশ আৰু ক'লা পাঠ্যক্ৰমত সত্ৰীয়া আৰু অংকীয়া ভাওনাৰ শিক্ষা অন্তৰ্ভূক্ত কৰিছে আৰু শ্ৰী শ্ৰী পীতাম্বৰ দেৱ গোস্বামী দেৱৰ সত্ৰৰ অধ্যয়ন আৰু আসন প্ৰতিস্থাৰ প্ৰস্তাৱ আগবঢ়াইছে । অধ্যক্ষ ডাঙৰীয়া 'K.K.H.S.O.U.' তেওঁলোকৰ

স্নাতক পাঠ্যক্ৰমত অসমীয়া সংস্কৃতি আৰু বৈষ্ণৱ আন্দোলন সম্পৰ্কীয় পাঠ অন্তৰ্ভুক্ত কৰিছে । অধ্যক্ষ ডাঙৰীয়া, 'North Lakhimpur' বিশ্ববিদ্যালয়ৰ ভাৰতীয় উপ-মহাদেশৰ ভক্তি সাহিত্য বিষয়ক এক আন্তঃৰাষ্ট্ৰীয় আলোচনা চক্ৰ আয়োজন কৰি তিনিখন শৈক্ষিক গ্ৰন্থ প্ৰকাশ কৰিছে । অধ্যক্ষ ডাঙৰীয়া ,বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ ছাত্ৰ–ছাত্ৰী সকলে স্নাতকোত্তৰ পাঠ্যক্ৰম লগত সংগতি ৰাখি ২০১৪ বৰ্ষৰ পৰা পাঠ সমীক্ষা ভিত্তিক সাঁচিপাত জৰীপ আৰু প্ৰকল্প প্ৰস্তুতকৰনৰো প্ৰত্যাপন সম্পৰ্কীয় গৱেষণা বৃত্তি কাৰ্য্যক্ৰম কৰি আহিছে । এই সৰ্ম্পকীয় সম্প্ৰসাৰন কাৰ্য্যসূচীৰ বাবে ইতিমধ্যে বিষ্ণুপুৰ সত্ৰ,বঙাইগাঁও ঘৰচীয়া সত্ৰ, বঙাইগাঁও ৰামৰাই কুটি, সত্ৰশাল, গৰখীয়া থান, সৰভোগ, দলগোমা মহাপুৰুষীয়া সত্ৰ, গোৱালপাৰা কমলাবাৰী সত্ৰ, মাজুলী সুন্দৰীয়া সত্ৰ, ,শ্ৰী শ্ৰী গোপালদেৱ আটা সত্ৰ, আদিলৈ যোৱা হৈছে। বৰ্তমান অসমীয়া বিভাগৰ অধ্যাপক-অধ্যাপিকা তথা গৱেষক সকলোৱে সত্ৰীয়া সংস্কৃতিৰ লগত সংগতি ৰাখি বিভিন্ন গৱেষণা পত্ৰ প্ৰস্তুতকৰণ আৰু গৱেষণা কাৰ্য্য লগত সংযুক্ত হৈ আছে। অধ্যক্ষ ডাঙৰীয়া যথেষ্ট খিনি আমি কৰিছো মই আৰু details টো ক'ব নাজাওঁ। অধ্যক্ষ ডাঙৰীয়া শিক্ষা মন্ত্ৰী ডাঙৰীয়াই ইয়াতে আছে । মই অধ্যক্ষ ডাঙৰীয়াৰ হৃদয়ৰ নিভৃত কোণৰ পৰা বিচাৰো যে, শংকৰদেৱৰ বিষয়ে, মাধৱদেৱৰ বিষয়ে গুৰু দুজনাৰ সৃষ্টিৰ বিষয়ে সৃষ্টি আৰু প্ৰসাৰ হ'ব। গতিকে অসমৰ স্কুলত বা কলেজত যদি বাধ্যামূলক কৰা হয় সত্ৰীয়া নৃত্য বা বৰগীত নৃত্য বা বৰ গীত শিকোৱাটো মইতো অত্যন্ত সুখীয়া। গতিকে সেই ক্ষেত্ৰত আমাৰ শিক্ষা মন্ত্ৰী ডাঙৰীয়া ইয়াত যিহেতু আছে, তেনেকুৱা ব্যৱস্থা যদি লৈ মই তেখেতক অনুৰোধ কৰিছো।

**মাননীয় অধ্যক্ষঃ-** জীৱেশ ৰয়।

**শ্ৰী জীৱেশ ৰয়, ( বিলাসীপাৰা)ঃ** অধ্যক্ষ মহোদয়, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ, বৈষ্ণৱ ধৰ্ম ঐতিহ্যৰ সংৰক্ষণ আৰু গৱেষণাৰ সম্পৰ্কত আমি কথা ক'বলৈ যাওঁতে এইখিনিতে, মহাৰাজ নৰনাৰয়ণ আৰু বিশ্ব মহাবীৰ চিলাৰায়ৰ কিছু প্ৰংসগ আহে কাৰণ গুৰু দুজনাৰ এই গোটেই প্ৰক্ৰিয়াখিনিৰ মহাৰাজ নৰনাৰয়ণৰ আৰু বিশ্ব মহাবীৰ চিলাৰায়ৰ ''তত্বাৱধানতে''আজি অসমীয়া আমাৰ সংস্কৃতি আমাৰ গৌৰৱ হয়টো ইমানখিনি আমি আজি পাবলৈ সক্ষম হৈছো। মই কোৱাৰ উদ্দেশ্য হ'ল যে আজি আমাৰ যি বৈষ্ণৱ ঐতিহ্যৰ সংৰক্ষণ আৰু গৱেষণাৰ লগে লগে মই ভাবো আমাৰ চৰকাৰে মহাৰাজ নৰনাৰয়ণ আৰু বিশ্ব মহাবীৰক আজি এই ক্ষেত্ৰত তেখেতৰ যি গৱেষণা তেখেতৰ কৃতি চিহ্নকে ধৰি বিভিন্ন সৃষ্টিশীল সমূহ আমি আমাৰ চৰকাৰে যাতে এই ক্ষেত্ৰৰ আমাৰ যিখিনি কৰনীয় এই অৱদান খিনি আমাৰ চৰকাৰে যাতে কৰে। অধ্যক্ষ মহোদয়**,** আপুনি জানে আমাৰ সম্মানীয় মুখ্য মন্ত্ৰী ড° হিমন্ত বিশ্ব ডাঙৰীয়াৰ নেতৃত্বত আপুনি আমাৰ অসমৰ গৌৰৱ বিন্দাবনী বস্ত্ৰ , লণ্ডনত আপুনিও সেই উদ্ধাৰৰ কাৰণে গৈছিল। গতিকে অধ্যক্ষ মহোদয়, এই বিষয়টো খুব গুৰুত্ব সহকাৰে লৈ যাতে যথোপযুক্ত মৰ্য্যদা এই ক্ষেত্ৰত গুৰুজনাৰ লগে লগে মহাৰাজ নৰনাৰায়ন আৰু তেওঁৰ ভাতৃ বিশ্বমহাবীৰ চিলাৰায়ক সমান্তৰালকৈ গুৰুত্ব প্ৰদান কৰি বিষয়টো আগবঢ়াই লৈ যায় তাৰ বাবে মই আমাৰ মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

মাননীয় অধ্যক্ষ ঃ**-** মন্ত্ৰী।

**শ্ৰী পীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা, কৃষি মন্ত্ৰী ইত্যাদি )ঃ** অধ্যক্ষ ডাঙৰীয়া, বীৰ চিলাৰায় আৰু মহাৰাজ নৰনাৰায়নৰ অসমীয়া সমাজখনলৈ অৱদান অতি বেছি। তেখেতলোকৰ পৰাক্ৰমৰ গৌৰৱ গাথা অধ্যক্ষ ডাঙৰীয়া,

বৰ্তমান অসমত বৃষ্টিত নহয়, বৰ্তমান অসমখনতে সীমাবদ্ধ নাছিল। তেওঁলোকে বৰ্তমানৰ বেংগল, বৰ্তমানৰ বাংলাদেশ পৰ্যন্ত তেওঁলোকে শাসন ব্যৱস্থা সুদৃঢ় কৰিছিল। এটা কথা অতি গুৰুত্বপূৰ্ণ, অনস্বীকাৰ্য্য যে মহাপুৰুষ শংকৰদেৱৰ এই সৃষ্টিৰাজী মুখ্য পৃষ্ঠপোষক আছিল এই দুজন ব্যক্তি। অধ্যক্ষ ডাঙৰীয়া ইয়াত কোনো সন্দেহ নাই। গতিকে অধ্যক্ষ ডাঙৰীয়া এই দুজন ব্যক্তিকো আমাৰ চৰকাৰে যথেষ্ট গুৰুত্ব দিয়ে, আৰু তেখেত লোকৰ কাম-কাজক আমি সময়ে সময়ে যথেষ্ট গুৰুত্ব সহকাৰে ক'ৰবাত নহয়, ক'ৰবাত উদযাপন কৰো, স্থাপন কৰো, প্ৰতিষ্ঠা কৰো এই ক্ষেত্ৰত কোনো ধৰনৰ অধ্যক্ষ ডাঙৰীয়া ভৱিষ্যতে কাৰ্পণ্য কৰা নহ'ব।

**মাননীয় অধ্যক্ষঃ-** আমি সকলোৱে জানো যে আজি বৃন্দাৱনী বস্ত্ৰখন যদি মহাৰাজ নৰনাৰয়ণক দেখুৱাৰ কাৰণেহে গুৰুজনাই বৈ উলিয়াইছিল তাতিকুছি এতিয়া বৰপেটা আৰু নিশ্চিত ৰূপত মহাৰাজ নৰনাৰয়ণ আৰু চিলাৰায় সেই সময়ত নাথাকিলেহেতেন, আজি হয়টো বৃন্দাৱনী বস্ত্ৰ খন ন'হলহেতেন। কিন্তু আজি ভূপেন বৰা ডাঙৰীয়াই যিখিনি কথা কৈছে যে এইবোৰ বিষয় আজি আমাৰ নতুন প্ৰজন্মই নাজানে। গতিকে মই শিক্ষামন্ত্ৰী ডাঙৰীয়া আৰু সাংস্কৃতিক বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক আহ্বান জনাম যিহেতু আৰ্বিভাৱ আৰু তিৰোভাৱ তিথি বন্ধ থাকে। আমি যিহেতু আৰ্বিভাৱ তিথিত বহুটো কাৰ্য্যসূচী থাকে সেয়েহে তিৰোভাৱ তিথিৰ দিনাখন স্কুলত ছাত্ৰ –ছাত্ৰী সকলৰ আগত পীযুষ হাজৰিকাই কোৱাৰ দৰে ছাত্ৰ-ছাত্ৰী সকলৰ মাজত দিনযোৰা কাৰ্য্যসূচী ন'হলেওঁ এটা বেলা অন্তত ৰচনা প্ৰতিযোগিতাই হওঁক বা গুৰুজনাৰ লগত চিলাৰায়ৰ সম্পৰ্ক বা গুৰুজনাৰ সৃষ্টি কৃষ্টি সংস্কৃতিৰ সন্দৰ্ভত এইবোৰ যদি আমি এতিয়া নতুন প্ৰজন্মক শিকাব নোৱাৰো তেতিয়াহ'লে ভূপেন বৰাৰ যি অৱস্থা

হৈছিল, ১৩৫ গৰাকী মাত্ৰ ৪ খন বিদ্যালয়ক লৈ, শিক্ষা বিভাগে এই বিষয়টো চিন্তা কৰি চাবলৈ মই আহ্বান জনাইছো। পৰৱৰ্তী প্ৰশ্ন ১৮৫ নুৰুল হুদা।

**ডাঃ ৰনোজ পেগু (শিক্ষা মন্ত্ৰী)**ঃ অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মেজত দিয়া হৈছে। নুৰুল হুদা।

**মোঃ নুৰুল হুদা, (ৰূপহীহাট)** ঃ মাননীয় অধ্যক্ষ মহোদয় মই উত্তৰখিনি পালো। কিন্তু উত্তৰত আমি সন্তুষ্ট হ'ব নোৱাৰিলো। আমাৰ নগাওঁ জিলাৰ ১৮৬ খন হাইস্কুল আৰু হায়াৰছেকেণ্ডাৰী স্কুলত নিয়মীয়া অধ্যক্ষ নাই, In-charge দি থৈছে আৰু ৩৮খন হাইস্কুল আৰু হায়াৰছেকেণ্ডাৰী স্কুলত নগাওঁ জিলাৰ IS জন In-charge হৈ আছে। অসমৰ বিভিন্ন জিলাত আমি যিহেতু জানিব পাৰিছো অসমৰ ২৭ খন জিলাত হাইস্কুল আৰু হায়াৰছেকেণ্ডাৰী স্কুলত অধ্যক্ষ আৰু প্ৰধান শিক্ষক নিযুক্তি দিছে। কিন্তু আমাৰ নগাওঁ জিলাত দিয়া হোৱা নাই। নগাওঁ জিলাত কিয় দিয়া হোৱা নাই, কেতিয়ালৈকে দিব আৰু এই আই এচ জনক ৩৮ খন হাইস্কুল আৰু হায়াৰছেকেণ্ডাৰী স্কুলৰ In-charge Principal ৰখাৰ কাৰণে আমাৰ শিক্ষাৰ যিটো গুণগত মানদণ্ড সেইটো নিম্নগামী হ'ব ধৰিছে। গতিকে এইখিনি সমস্যা কেতিয়ালৈকে নাইকীয়া কৰিব আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী মহোদয়।

**ডাঃ ৰনোজ পেগু (শিক্ষা মন্ত্ৰী)**ঃ মাননীয় অধ্যক্ষ মহোদয়, প্ৰায় ২০০০ তকৈ অধিক কোৰ্ট কেছৰ দ্বাৰা শিক্ষা বিভাগৰ ভাৰাক্ৰান্ত আৰু মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক আৰু উচ্চতৰ মাধ্যমিকৰ বিদ্যালয়ৰ অধ্যক্ষ নিযুক্তিৰ ক্ষেত্ৰত বৰ্তমান আমাৰ উচ্চন্যায়ালত ৩২ টা গোচৰ চলি আছে। এই ৩২ টা গোচৰৰ ভিতৰত নগাওঁ জিলা আছে, নগাওঁ জিলাতো writ petition নং 2931/2025, ইয়াতো এটা গোচৰ চলি আছে , আৰু এই গোচৰৰ সন্মুখত হাইকোৰ্টে নিয়মীয়া প্ৰধান শিক্ষক বা অধ্যক্ষ নিযুক্তিৰ ক্ষেত্ৰত স্থগীতাদেশ

ৰাখিছে। যিহেতু এই স্থগীতাদেশ আছে গতিকে আমি ইয়াত শিক্ষক বা প্ৰধান শিক্ষক নিযুক্তি দিব পৰা নাই। দিব নোৱাৰাৰ কাৰণে যি হাইস্কুলৰ প্ৰধান শিক্ষক হ'বৰ বাবে যোগ্যতা লাগে অৰ্থাৎ B.Ed. professional Qualification লাগে তেনেকুৱা যদি যোগ্য প্ৰাৰ্থী আছে, সেই প্ৰাৰ্থীক আমি in-charge বা ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক হিচাবে দায়িত্ব দিছো । ঠিক তেনেধৰণে উচ্চতৰ মাধ্যমিক বিদ্যালয়ত য'ত তেওঁলোকক master degree আৰু লগতে B.Ed.লাগে । তেনেকুৱা অৰ্হতা সম্পন্ন যদি ব্যক্তি আছে, তেওঁলোকক আমি ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক বা অধ্যক্ষ হিচাবে দায়িত্ব দিছো। য'ত তেনে ব্যক্তি নাই তাত আমি উপায়ন্তৰ হৈ বিদ্যালয় সমূহৰ যি পৰিদৰ্শক তেখেতকে তাৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষকৰ দায়িত্ব দিব লগা হৈছে । ইতিমধ্যে মই এইটো নিৰ্দেশ দিছো যে প্ৰয়োজন সাপেক্ষে যিসমূহ বিদ্যালয়ত অৰ্হতা সম্পন্ন ব্যক্তি ভাৰপ্ৰাপ্ত হ'বলৈয়ো নাই বেলেগৰ পৰা বদলি কৰি আনি হলেওঁ তেনে অৰ্হতা সম্পন্ন ব্যক্তিক যাতে আমি ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষকৰ দায়িত্ব দিওঁ যাতে আমাৰ আই এচ সকলে এই দায়িত্বটো বহন কৰি থাকিব লগা নহয়। তাৰ কাৰণে নিৰ্দেশনা দিয়া হৈছে আৰু মই আশা ৰাখিছো যে হাইকোৰ্টত যি ৩২ টা গোচৰ আমাৰ চলি আছে , এই ৩২ টা গোচৰৰ লগত আমাৰ চুপ্ৰিম কোৰ্টত চলি থকা কেছৰ সম্পৰ্ক আছে। গতিকে এই ৩২ টা কেছত আমি compromise ও কৰিব নোৱাৰো । কাৰণ ইয়াৰ implication আমাৰ চুপ্ৰিম কোৰ্টত চলি থকা কেছৰ ওপৰত পৰিব। কিন্তু মই আশাবাদী যে আমাৰ হাইকোৰ্টত চলি থকা এই ৩২ টা গোচৰৰ নিষ্পত্তি খুব সোনকালে হ'ব, মহামান্য আদালতেওঁ বিষয়টো বিচাৰ বিবেচনা কৰিব আৰু এইখিনি নিষ্পত্তি হোৱাৰ লগে লগে আমি আমাৰ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ত প্ৰধান শিক্ষক আৰু অধ্যক্ষ নিযুক্তি দিবলৈ আমি সক্ষম হ'ম। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** Supplementary .

**মোঃ নুৰুল হুদা, (ৰূপহীহাট)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে হাইকোৰ্টৰ গোচৰৰ কথা কৈছে। হাইকোৰ্টৰ গোচৰ গোটেই জিলাখনৰ

কাৰণে হৈ আছে, নে মুষ্টিমেয় দুই এখন স্কুল বা হায়াৰ ছেকেণ্ডাৰীৰ কাৰণে হৈছে ? যদি মুষ্টিমেয় দুই এখন হাইস্কুল বা হায়াৰ ছেকেণ্ডাৰীৰ কাৰণে হৈছে , বাকীখিনি কিয় স্থবিৰ হৈ আছে আৰু ৩৮ খন হাইস্কুল বা হায়াৰ ছেকেণ্ডাৰীত IS ক in- charge কৰি ৰাখিছে, তাত কিন্তু একাডেমিক in- charge দি ৰাখিছে, বা স্কুলৰ শিক্ষকজন কিন্তু যোগ্যতাসম্পন্ন। যোগ্যতাসম্পন্ন শিক্ষক থকাৰ পিছতো IS জনক ৰাখি থৈ দিছে। IS জনে আমাৰ জিলাখনৰ শৈক্ষিক দিশটো পৰিচালনা কৰিব, বা সেই বিদ্যালয়বিলাক কেনেদৰে পৰিচালনা হৈছে তাৰ দিহা কৰিব। গতিকে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো যে এই ৩৮ খন বিদ্যালয়ত IS in- charge হৈ আছে, সেই ৩৮ খনত অতি সোনকালে যোগ্যতা সম্পন্ন শিক্ষক আছে তেওঁলোকক in- charge হিচাবে দি হ'লেওঁ বিদ্যায়ল যাতে সুকলমে পৰিচালিত হয় তাৰ ব্যৱস্থা কৰিব লাগে।

**মাননীয় অধ্যক্ষঃ** Reply please**.**

**ডাঃ ৰনোজ পেগু (শিক্ষা মন্ত্ৰী)**ঃ মাননীয় অধ্যক্ষ মহোদয়, মই কৈছো যে যদি যোগ্যতা সম্পন্ন শিক্ষক তাতে আছে, তেখেতক ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক বা অধ্যক্ষৰ দায়িত্ব নিদিয়াৰ প্ৰশ্নই নুঠে। আজিয়েই মই মোৰ বিভাগক ক'ম যে এইটো পুনৰ পৰীক্ষা কৰক মাননীয় বিধায়ক জনে উত্থাপন কৰিছে যদি কোনো যোগ্যতা সম্পন্ন ব্যক্তি আছে, তেনেহ'লে তৎকালে তেনে ব্যক্তিকে ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষকৰ দায়িত্ব দিব লাগে। Academic in- charge ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক। Financial ক্ষেত্ৰত দায়িত্বটো এই কাৰণেই দিব নোৱাৰো, কাৰণ আমি তেতিয়া Rule violate কৰিব লাগিব। গতিকে আমি Rule violate কৰিব নোৱাৰো। Financial power খিনিও যদি দিব লাগে , তেতিয়া হ'লে আমাৰ চাৰ্ভিচ ৰুল মতে তেওঁলোকৰ যি যোগ্যতা অৰ্হতা থাকিব লাগে সেইটো থাকিবই লাগিব। সেইটো যদি আছে তেনেহ'লে আমাৰ দিয়াত কোনো আপত্তি উঠিব নোৱাৰে। আমি দিবলৈ পালে ভাল পাম। ২য় কথা হ'ল যিসমূহ কেছ চলি আছে সেই কেছ সমূহ বিদ্যালয়ভিত্তিক নহয়, জিলাভিত্তিক কাৰণ ইয়াৰ কাৰণে প্ৰধান শিক্ষক বা অধ্যক্ষ বাচনিৰ কাৰণে যিখন Gradation list প্ৰস্তুত হয় সেইখন জিলাভিত্তিক।

এতেকে যিসমূহ জিলাত কোনো কেছ্ নাই তাত আমি ইতিমধ্যে প্ৰধান শিক্ষক নিযুক্তি দিছো। য'ত কেছ্ আছে তাত গোটেই জিলাখন অন্তৰ্ভুক্ত হৈ যায়। সি নিৰ্দিষ্ট এখন বিদ্যালয়ৰ সমস্যা নহয়। গোটেই জিলাখনৰ Gradation list খন stop হৈ যোৱাৰ লগে লগে, স্থবিৰ হৈ যোৱাৰ লগে লগে গোটেই জিলাখনত প্ৰধান শিক্ষক বা অধ্যক্ষ নিযুক্তিৰ প্ৰক্ৰিয়াটো স্থবিৰ হৈ যায়। মই মাননীয় বিধায়ক গৰাকীক আশ্বস্ত কৰিব বিচাৰিছো। যদি এই ৩৮ খন উল্লেখিত বিদ্যালয়ত কোনো যোগ্য প্ৰাৰ্থী আছে, অৰ্হতা সম্পন্ন শিক্ষক আছে তেনেহ'লে তেওঁলোককে আমি দায়িত্ব দিম। আমি inspector of School ৰ পৰা দায়িত্বটো আমি আতৰাই দিম। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** পিছৰ প্ৰশ্ন ১৮৬। জুবেইৰ অনম মজুমদাৰ

**ডাঃ ৰনোজ পেগু (শিক্ষা মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মেজত দিয়া আছে।

**শ্ৰীজুবেইৰ অনম মজুমদাৰ (আলগাপুৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ হাইলাকান্দি জিলা এখন বহুত বঞ্চিত জিলা। আমাৰ কোনো মেডিকেল কলেজ নাই , ইউনিভাৰচিটি নাই, ইয়াৰ উপৰিও এটা এম আৰ আই পৰ্যন্ত নাই। এনেকুৱা এখন বঞ্চিত জিলা। একেবাৰে সৰু বস্তু হ'ল যে টেট আৰু এ ডি আৰ ই চেন্টাৰৰ কাৰণে আমি দাবী উত্থাপন কৰিছো বহু বছৰৰ পৰা। গতিকে টেট আৰু এ ডি আৰ ই চেন্টাৰটো আমি যাতে পাওঁ। আমি উত্তৰটো পাইছো , উত্তৰত কোৱা হৈছে যে টেটৰ কাৰণে কেৱল ১০-১৫ খন জিলাত হে দিয়া হৈছে। সেই ১০- ১৫ খন জিলা আমাৰ হাইলাকান্দিত কিয় হ'ব নোৱাৰে সেইটো মোৰ প্ৰশ্ন কাৰণ তাত নিটৰ দৰে পৰীক্ষা হৈ গৈছে। নিটৰ দৰে পৰীক্ষা যিহেতু হৈ গৈছে, তাৰ মানে আমাৰ আন্তঃগাঠনিৰ অসুবিধা নাই। জিলা হিচাবে যিহেতু আমি ক'তো representation পোৱা নাই। কিন্তু সৰুত কৈ সৰু এটা Examination centre আমি সেইটোও যদি নাপাওঁ, তাৰ কাৰণে মই আমাৰ মন্ত্ৰী

মহোদয়ক অনুৰোধ জনাইছো । যাতে Examination centre টো আমাৰ হাইলাকান্দিত দিয়া হয়।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী মহোদয়।

**ডাঃ ৰনোজ পেগু (শিক্ষা মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াতে টেট আৰু এ ডি আৰ ই পৰীক্ষাৰ চেন্টাৰৰ কথা উল্লেখ কৰা হৈছে। আচলতে বৰ্তমান যি টেট হৈ আছে, আমাৰ ৰাজ্য চৰকাৰে টেট পৰীক্ষা পতাটো স্থগীত ৰাখিছো। যিহেতু কেন্দ্ৰীয় চৰকাৰে CBSC দ্বাৰা প্ৰতি ছমাহৰ মূৰে মূৰে CTET অনুষ্ঠিত কৰে, এতেকে আমি ৰাজ্য চৰকাৰে TET পৰীক্ষা অনুষ্ঠিত কৰাই নাই। গতিকে এইটো CTET অনুষ্ঠিত হৈছে আৰু CTET ৰ চেন্টাৰ ক'ত হ'ব এইটো CBSC য়ে নিৰ্দ্ধাৰণ কৰে। দ্বিতীয়তে ADRE ৰ পৰীক্ষা Assam State School Education Board য়ে implementing Agency হে হয়। ইয়াৰ কৰ্তৃত্বটো শিক্ষা বিভাগৰ হাতত নাই, ইয়াৰ কৰ্তৃত্ব আছে State Direct Recruitment Board ৰ ওপৰত। গতিকে Board য়ে এইটো সিদ্ধান্ত লয় আৰু আমাক জনাইছে যিহেতু শিলচৰৰ পৰা হাইলাকান্দিৰ দূৰত্ব মাত্ৰ ৩৯ কিঃমিঃ ওচৰতে । পূৰ্বে শিলচৰ, কৰিমগঞ্জ, হাইলাকান্দি তিনিখন এখনেই জিলা আছিল, গতিকে সেই দূৰত্বৰ প্ৰতি দৃষ্টি ৰাখি শিলচৰত যিহেতু কেন্দ্ৰ দিয়া হৈছে সেইকাৰণে হাইলাকান্দিত কেন্দ্ৰ দিয়া হোৱা নাই। বিষয়টো যদি অসম চৰকাৰৰ কোনো পৰীক্ষা মানে শিক্ষাবিভাগৰ অধীনৰ পৰীক্ষা হ'লে মই ইয়াৰ উপযুক্ত উত্তৰ দিব পাৰিলোহেঁতেন, এই দুইটা পৰীক্ষা শিক্ষা বিভাগৰ অধীনত অনুষ্ঠিত, অৰ্থাৎ অসম চৰকাৰৰ শিক্ষা বিভাগৰ অধীনত অনুষ্ঠিত পৰীক্ষা নহয়, CTET পৰীক্ষা Central Government ৰ CTET ৰ CBSC ৰ অধীনত অনুষ্ঠিত হোৱা পৰীক্ষা, আৰু ADRE ৰ পৰীক্ষা যিটো অসম চৰকাৰৰ Direct Recruitment Board ৰ অধীনত অনুষ্ঠিত হোৱা এটা পৰীক্ষা, মই ভাবো যে সংশ্লিষ্ট ডিপাৰ্টমেণ্ট আছে সেই ডিপাৰ্টমেণ্টৰ ওচৰত মাননীয় বিধায়কগৰাকীয়ে তেওঁৰ কথাখিনি জনাব ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** Supplementary.

**শ্ৰী জুবেইৰ আনম মজুমদাৰ, কাটলিচেড়াঃ** অধ্যক্ষ মহোদয়, ADRE Center টো যদি atleast দিয়ে, কিবা এটা যদি confirmation দিলে যে কৰিব পাৰিব, বা কিবা এটা confirmation যদি Government ৰ ফালৰ পৰা আমি পালোহেতেন, মই বহুত ভাল পালোহেতেন ।

**মাননীয় অধ্যক্ষঃ** ADRE ক লৈ তেওঁ মানে related নহয়, সেইটো ক'লেই নহয়, শিক্ষা বিভাগৰ অন্তৰ্গত নহয়, এই বিষয়টো লৈ concern minister ৰ লগত আপুনি কথা পাতিব ।

পৰৱৰ্ত্তী প্ৰশ্ন নং ১৮৭ শ্ৰী সুৰেন ফুকন।

**শ্ৰী পীযুষ হাজৰিকা, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী সুৰেন ফুকন, ডিগবৈঃ** অধ্যক্ষ মহোদয়, আমাৰ ডিগবৈ সমষ্টি মাকুম মৌজাৰ ভিতৰত বোৰপাৱৰি অঞ্চলত ৯৪৭, ৯৮৫, ১০৩০, ১০৪৯, ১০৫৬ দাগৰ, আমাৰ উদ্যোগ বিভাগৰ আবেদনমৰ্মে ২০০৭ চনত তিনিচুকীয়া উপায়ুক্তই ২৭২ বিঘা মাটি উদ্যোগ স্থাপনৰ কাৰণে আবেদন দিছিল। কিন্তু এতিয়ালৈকে তাত উদ্যোগ স্থাপন নহ'ল, কিন্তু পৰৱৰ্তী সময়ত সেই ঠাইৰ ৮ বিঘা মাটিত মাৰ্কেট ছেট বহোৱা হয়, কোটি টকা খৰচ কৰি ২০১১ বৰ্ষৰ পাছত। কিন্তু এতিয়ালৈকে তাত মাৰ্কেট ছেট বহোৱাৰ পাছতো, কিন্তু কোনো দিন মুকলি কৰা নহ'ল। আৰু যি ২৭২ বিঘা মাটিৰ ভিতৰত ৮ বিঘা মাৰ্কেট ছেটত গ'ল আৰু ২৬৪ বিঘা মাটি থাকিল, তাৰ ভিতৰত বৰ্তমান ১০০ বিঘামান আছে আৰু ১৬৪ বিঘা মাটিয়েই বেদখল কৰি আছে আৰু এই বিষয়ে বহুবাৰ পূৰ্বৰ চৰকাৰৰ দিনতো পৰৱৰ্তী সময়তো অভিযোগ দিছিলো বা বিধান সভাতো কৈছিলো। কিন্তু পৰৱৰ্তী সময়ত কোনো তাত eviction কৰা হোৱা নাই। গতিকে মই আমাৰ মাননীয় বিভাগৰ মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে আমাৰ যি ১৬৪ বিঘা মাটি বেদখল হৈ আছে সেইখিনি মুক্ত কৰিব লাগে আৰু যিহেতু মহৎ উদ্দেশ্য লৈ তাত উদ্যোগ

স্থাপন কৰিম বুলি চিন্তা-চৰ্চা কৰা হৈছিল সেই ডিগবৈ অঞ্চলটো খুব এটা সুন্দৰ অঞ্চল আছিল, তাত নতুনকৈ উদ্যোগ খোলাৰ ব্যৱস্থা কৰিব নেকি ?

**মাননীয় অধ্যক্ষঃ** Reply please Hon’ble Minister.

**শ্ৰী পীযুষ হাজৰিকা, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** অধ্যক্ষ মহোদয়, হয় কিছু মাটি অবৈধ বেদখলকাৰীয়ে দখল কৰি আছে। অধ্যক্ষ ডাঙৰীয়া যদি বিধায়ক গৰাকীয়ে আমাক সহায় কৰে, আমি নিশ্চয়কৈ এই ঠাইখিনি যিখিনি Industry Department ৰ কাৰণে allot কৰা আছে সেইখিনি আমি বেদখল মুক্ত কৰিবলৈকে চেষ্টা কৰিম । অধ্যক্ষ ডাঙৰীয়া অসমত যোৱা দহটা বছৰত Industrial Revolution আৰম্ভ হৈছে। অধ্যক্ষ ডাঙৰীয়া ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত উত্তৰ পূৱ ভাৰতৰ বা পূৱ ভাৰতৰ সকলোতকৈ ডাঙৰ investment semiconductor ৰ Industry অসমলৈকে আহিছে । অধ্যক্ষ ডাঙৰীয়া আৰু বহুতো Industry ইতিমধ্যে অসমলৈকে আহিছে । আমি Advantage Assam 1.0, Advantage Assam 1.2, ৰ যোগেদি যথেষ্ট বিনিয়োগ অসমলৈকে আনিবলৈকে সক্ষম হৈছো। যথেষ্ট চিমেণ্ট ইণ্ডাষ্ট্ৰি বা থাৰ্মেল পাৱাৰ এনেকুৱা যথেষ্ট Industry ইতিমধ্যে অসমলৈকে আহিছে । মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ঘোষণা কৰিছে যে অতি সোনকালে হয়তো অসমলৈকে দ্বিতীয়টো Semiconductor Industry ও অহাৰ আশা আছে। অধ্যক্ষ ডাঙৰীয়া আমি অসমৰ পৰিৱেশটো আৰু অলপ উন্নত কৰিবলৈ কিন্তু চেষ্টা কৰিব লাগিব। এটা খুব ভাল লক্ষণ যে যোৱা পাঁচ বছৰ অসমত বন্ধ প্ৰায় নহ’ল। অধ্যক্ষ ডাঙৰীয়া বন্ধ আৰু উগ্ৰপন্থীয় কাৰ্য্যকলাপে আমাৰ অসমক Industrialisation ৰ ক্ষেত্ৰত বহুত পিছুৱাই দিয়ে। কিন্তু অধ্যক্ষ ডাঙৰীয়া আকৌ কৈছো যোৱা ৫ বছৰত এই কথা-বতৰা বিলাক যথেষ্ট কমিছে। গতিকে নতুন Industrial Revolution এটা অসমত আৰম্ভ হৈছে । গতিকে নিশ্চয়কৈ আমাক এই ঠাইসমূহ লাগিব, সংৰক্ষিত কৰিব লাগিব, সংৰক্ষিত কৰিছো । কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াইও এটা কাছাৰৰ পাচগ্ৰাম পেপাৰ মিলত কি কি কৰিম, কি কি কৰিব, এই বিষয়ে প্ৰশ্ন এটা আনিছিল, তেখেতৰ হয়তো প্ৰশ্নটো নাহিব, গতিকে মই

সংক্ষেপে ক'ব বিচাৰিছো যে আমি পাচগ্ৰাম পেপাৰ মিলত আমাৰ মাটি আছে, ইণ্ডাষ্ট্ৰিত আমি কি কি কৰিছো তাকে ক'ব বিচাৰিছো অকণমান। ছাৰ এক মিনিট ক'ব পাৰিম নে বেলেগ প্ৰশ্ন এটালৈ গৈছো।

**মাননীয় অধ্যক্ষঃ** এতিয়া নালাগে আৰু পৰৱৰ্ত্তী প্ৰশ্ন আছে। **শ্ৰী পীযুষ হাজৰিকা, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** ঠিক আছে অধ্যক্ষ ডাঙৰীয়া, আমি যথেষ্টখিনি কাম তাতো কৰিছো। গতিকে ইণ্ডাষ্ট্ৰিৰ ক্ষেত্ৰত আমাৰ চৰকাৰ খন অত্যন্ত দৃঢ়, মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু বিমল বৰা ডাঙৰীয়াই অহৰ্নিশে অসমলৈকে ইণ্ডাষ্ট্ৰি আনিবলৈকে চেষ্টা কৰিছে, গতিকে পৰিৱেশ আৰু ভাল হওঁক, পৰিবেশ ভাল হৈছে, নিশ্চয়কৈ ডিগবৈলৈকেও এদিন নহয় এদিন ইণ্ডাষ্ট্ৰি যাব।

**শ্ৰী সুৰেন ফুকন, ডিগবৈঃ** অধ্যক্ষ ডাঙৰীয়া যিহেতু 2017-2018 বৰ্ষত....

**মাননীয় অধ্যক্ষঃ** ঠিক আছে হ'ব, কৈছে নহয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াই, যেতিয়া Industry Minister ক লগ পাব আপুনি তেখেতক সুধি ল'ব।

**শ্ৰী সুৰেন ফুকন, ডিগবৈঃ** ধন্যবাদ অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষঃ** এতিয়া পৰৱৰ্ত্তী প্ৰশ্ন নং ১৮৮ শ্ৰী শ্বেৰমান আলী আহমেদ।

**শ্ৰী ৰণোজ পেগু, শিক্ষা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয় উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী শ্বেৰমান আলী আহমেদ, মন্দিয়াঃ** মাননীয় অধ্যক্ষ মহোদয় সময় যিহেতু বেছি নাই, থোৰতে মই কেইটামান কথা মাননীয় মন্ত্ৰী মহোদয়ৰ জ্ঞাতাৰ্থে জনাব বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** মাননীয় বিধায়ক জ্ঞাতাৰ্থে নহয় প্ৰশ্নটো কৰক।

**শ্ৰী শ্বেৰমান আলী আহমেদ, মন্দিয়াঃ** মাননীয় অধ্যক্ষ মহোদয় B.ed Ataur Rahman College of Education at Kalgachia যদি NCT ৰ rule regulation

মতে চলে, but there is supervision by the Guwahati University. Guwahati University affiliate কৰে। এই কলেজখন যেতিয়া affiliation কৰিছিল তেতিয়াই কিছু condition দিয়া আছিল যেনে Develop classroom Infrastructure, Develop Infrastructure of Library ইত্যাদি। আৰু এই affiliation টো আছিল temporary subject to fulfillment of the conditions . Similarly NCT ও কিছুমান condition ধৰি দিছিল, সেই condition বোৰ আজিলৈ fulfill হোৱা নাই তাৰ পিছতো কেনেকৈ চলি আছে কলেজখন, দ্বিতীয়তে পৰীক্ষাৰ ক্ষেত্ৰত আপুনি কৈছে NCERT পৰীক্ষাবোৰ পাতে গতিকে কোনো certificate issueত গণ্ডগোল হোৱা নাই। মই এই বিষয়টো সদনৰ মজিয়াত আপোনাৰ দৃষ্টি গোচৰ কৰিলো। There is a huge scam in issuing the certificate. লাখ লাখ টকা লয়, ফল্‌ছ ষ্টুডেণ্টক ছাৰ্টিফিকেট দিয়ে Please you use your authority under HERT to cause an enquiry.  This is my request.

**মাননীয় অধ্যক্ষঃ** মাননীয় বিধায়ক শ্বেৰমান আলী ডাঙৰীয়া আপুনি উত্তৰটো বিচাৰে নে নাই ? যদি বিচাৰে প্ৰশ্নটো কৰক।

**শ্ৰী শ্বেৰমান আলী আহমেদ, মন্দিয়াঃ** অধ্যক্ষ ডাঙৰীয়া বিচাৰিছো to conduct an enquiry.

**মাননীয় অধ্যক্ষঃ** ঠিক আছে আপুনি enquiry বিচাৰিছে।

**শ্ৰী ৰণোজ পেগু, শিক্ষা মন্ত্ৰীঃ** অধ্যক্ষ মহোদয়, যিহেতু উল্লেখিত মহাবিদ্যালয়খন গুৱাহাটী University ৰ অধীনত affiliated, গতিকে affiliation টোৰ চৰ্তসমূহ পূৰণ হৈছেনে নাই সেইখিনি পৰীক্ষা কৰি চাবলৈ মই গুৱাহাটী University ক অনুৰোধ কৰিম।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

**শ্ৰী শ্বেৰমান আলী আহমেদ, মন্দিয়াঃ** অধ্যক্ষ ডাঙৰীয়া MLAD guideline মতে আমি বা MLAD কোনো private institution ত টকা দিব নোৱাৰো, কিন্তু

ছাৰ এই Ataur Rahman College of Education লৈ আপোনাৰ LAD ত সিদিনাও প্ৰশ্ন কৰিছিলো পাঁচ লাখ টকা ২০২৩-২৪ MSDP ত 30 লাখ টকা দিয়া হৈছে। ঠিক তেনেকৈ এখন কমাৰ্চ কলেজ আছে তাতেও টকা দিয়া হৈছে। এই দুটা উদাহৰণেৰে তাত কি টকা দিয়া হৈছে মই আপোনাৰ যোগেদি অনুৰোধ কৰিম যে immediate enquiry কৰি কোন DC, Who was the DC ? Action should be taken. MP বা MLA য়েই MLALAD ৰ বাবে recommend কৰিব পাৰে, DC should inquire into the feasibility.

**মাননীয় অধ্যক্ষ :** শুনক, এইটোৰ ৰিপ্লাইটো মই দিওঁ, আপুনি বহক। T&D Department ৰ এটা গাইডলাইন আছে, T&D Department ৰ আধাৰতে ডিচিয়ে কাম কৰে। ডিচিক আপুনি ক'লে নহ'ব নহয়। এতিয়া আপুনি T&D Department লৈ এখন লিখক, মাননীয় মুখ্যমন্ত্ৰীলৈ লিখক যে MLALAD ৰ ফাণ্ড আমি তেনেকুৱা institute বোৰত দিব পাৰো যিহেতু Government ৰ ফাণ্ড তাত দিয়া হয়, গতিকে সেইটো relaxation কৰাৰ কাৰণে আপুনি এখন চিঠি লিখক......

**শ্ৰী শ্বেৰমান আলী আহমেদ (মন্দিয়া) :** আমি যোৱা ১৫ বছৰে যে দিব নোৱাৰিলো, কোনোবাই দিলে ডিচিয়ে আমাকো ৰিজেক্ট কৰে আৰু কিছুমানক allow কৰে। ছাৰ, Parliamentary Affairs Minister ৰ জৰিয়তে এটা inquiry কৰিবলৈ মই অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ :** ঠিক আছে। Parliamentary Affairs Minister, ইয়াৰ অৰ্থটো হ'ল T&D Department য়ে relaxation কৰিব লাগে কাৰণ কিয় MSDP ......

**শ্ৰী শ্বেৰমান আলী আহমেদ (মন্দিয়া) :** Relaxation পিছত হ'ব, আগতে কেনেকৈ দিয়া হ'ল, norms violate কৰিলে।

**মাননীয় অধ্যক্ষ :** কিছুমান চৰকাৰী কাম, স্কীম মানে কিছুমান institute ত হয়তো MSDP য়েই হওঁক বা অন্য ফাণ্ড যি আছে, কিন্তু MLA ফাণ্ড দিব নোৱাৰে, গতিকে এইক্ষেত্ৰত T&D Department ক অলপ relaxation দিবৰ কাৰণে আপুনি Parliamentary Affairs Minister হিচাপে এবাৰ জনাই দিব।

**শ্ৰী শ্বেৰমান আলী আহমেদ (মন্দিয়া) :** ছাৰ, মোৰ প্ৰশ্নটো হ'ল আগতে যে বে-আইনীভাৱে দিয়া হ'ল তাৰ ওপৰত inquiry হ'ব লাগে।

**মাননীয় অধ্যক্ষ : Question Hour is over.**

**শ্ৰী শ্বেৰমান আলী আহমেদ (মন্দিয়া) :** ছাৰ, যোৱা কেইবছৰত দিব পৰা নাই..

**শ্ৰী প্ৰশান্ত ফুকন (ডিব্ৰুগড়) :** অধ্যক্ষ মহোদয়..

**মাননীয় অধ্যক্ষ : Please sit down.**

**শ্ৰী শ্বেৰমান আলী আহমেদ (মন্দিয়া) :** ছাৰ, এনেকৈতো নহ'ব, আমাক কিয় ২০ বছৰ ধৰি harassment দিয়া হ'ল ! ডিচিয়ে কিয় নিদিলে?

**মাননীয় অধ্যক্ষ :** Please sit down.

**শ্ৰী প্ৰশান্ত ফুকন (ডিব্ৰুগড়) :** অধ্যক্ষ মহোদয়, এটা Point of Order আছে।

**মাননীয় অধ্যক্ষ :** Please sit down. শ্বেৰমান আলী আহমেদ ডাঙৰীয়া, এইটো আপুনি মোক লিখি দিয়ক।

**শ্ৰী প্ৰশান্ত ফুকন (ডিব্ৰুগড়) :** অধ্যক্ষ মহোদয়, Point of Order. অলপ সময় আগতে অখিল গগৈ ডাঙৰীয়াই মাননীয় ৰণোজ পেগু ডাঙৰীয়াই উত্তৰ দিয়াৰ সময়ত "খাই পেলালে" বুলি শব্দ এটা কৈছে, সেইটো expunge কৰিব লাগে আৰু এইধৰণৰ কথা কিহৰ কাৰণে কৈছে ? এই সদনখন কি বাঁহতল নে কি? আমি বাঁহৰ তলত বহি থকা নাই, এখন সদনত বহি আছো। তেখেতে ক'লে যে "খাই পেলালে" কোন খাই পেলালে আৰু কি খাই পেলালে সেইটো কথা expunge কৰিব লাগে।

**মাননীয় অধ্যক্ষ : ঠিক আছে, মই** examine **কৰি চাম।**

**শ্ৰী আব্দুৰ ৰহিম আহমেদ (চেঙা) :** অধ্যক্ষ মহোদয়, মোৰো এটা Point of Order আছে। মই আৰু এদিন কৈছিলো যে Question Hour তো খুব important, ইয়াত সমষ্টি ভিত্তিত যিহেতু প্ৰশ্ন কৰা হয় আমাৰ বিভাগীয় মন্ত্ৰীসকলে ৰিপ্লাই দিওঁতে সামগ্ৰিকভাৱে উত্তৰটো দিয়ে। সেইকাৰণে আপোনাক অনুৰোধ জনাম যে মন্ত্ৰীক উত্তৰটো দিওঁতে যদি অসম ভিত্তিত allow কৰে, বিধায়কসকলকো

supplementary question কৰোতে সমষ্টিৰ বাহিৰতো allow কৰিব লাগে। তেতিয়া আমি general information খিনিও সুধিব পাৰিম।

**মাননীয় অধ্যক্ষ :** ঠিক আছে, যিহেতু  বিধায়কসকলৰ সমষ্টি ভিত্তিক কথাটো মোৰ হয়তো জনাৰ প্ৰয়োজন নহ'ব পাৰে, মন্ত্ৰীৰ অসম ভিত্তিক কথা জনাৰ আমাৰ সকলোৰে প্ৰয়োজনীয় হ'ব পাৰে। গতিকে in reference to অসম ভিত্তিক কথা কোৱাত ভাল হে পাব লাগে আপুনি !

**শ্ৰী আব্দুৰ ৰহিম আহমেদ (চেঙা) :** ভাল পাইছো, ছাৰ। কিন্তু আমাকো general information ....

**মাননীয় অধ্যক্ষ :** আজি ৮ টা প্ৰশ্ন হৈ গ'ল, প্ৰশ্নতো কম হোৱা নাই।

অখিল গগৈ ডাঙৰীয়া, কি ক'ব আছিল আপোনাৰ?

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) :** ছাৰ, মই এটা Adjournment Motion আপোনাক দিছিলো, সেইটো হ'ল উজনি অসমৰ ৩ খন জিলা- চৰাইদেউ, শিৱসাগৰ আৰু যোৰহাটত যি প্ৰলয়ংকাৰী দুৰ্যোগ আহিলে সেই দুৰ্যোগৰ কাৰণে উক্ত  জিলা ৩খন এইবাৰ ধ্বংসস্তুপত পৰিণত হ'ল। এই যি দুৰ্যোগৰ সমস্যা, মানুহৰ যি দুৰৱস্থা তাৰ বিষয়ে সদনৰ 56 No. Rules of Procedure and Conduct of Business ৰ অধীনত আন কাম-কাজ স্থগিত কৰি আলোচনা কৰিবলৈ কৈছিলো। গতিকে বিষয়টো প্ৰথমে উত্থাপন কৰিব বিচাৰিছো যে কিয় এই বিষয়টো আলোচনা হোৱা উচিত...

**মাননীয় অধ্যক্ষ :** আপুনি ইতিমধ্যে বিষয়টো সম্পৰ্কে ক'লে।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) :** ছাৰ, আপোনালোকে নিশ্চয় এই কেইদিন দেখি আছে যে মই ২৪ ঘণ্টাই শিৱসাগৰ জিলাখনত ঘূৰি আছো আৰু তাৰ মাজতেই যোৱা ৰাতি মই ইয়ালৈ আহিছো যাতে সদনত এই কথাটো ক'বলৈ যে যেনেদৰে ২০০৪ চনত বলবলাত এনেকুৱা ঘটনা এটা ঘটিছিল আৰু তাৰপিছত উজনি অসমত ঘটিলে, গতিকে এই ঘটনাটোক আমাৰ সদনে ৰাষ্ট্ৰীয় দুৰ্যোগ ৰূপে ঘোষণা কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ ওচৰতো এটা প্ৰস্তাৱ উত্থাপন কৰিব লাগে যাতে সকলো মানুহে উজনি অসমৰ এই ৩খন জিলাত যি সাংঘাতিক বিপৰ্যয়

হৈছে তাৰ বিষয়ে জানিব পাৰে। এইমাত্ৰ মোক নাজিৰাৰ বিধায়ক ময়ূৰ বৰগোঁহাই ডাঙৰীয়াই  জনালে যে আৰু ১০ টা শৱদেহ উদ্ধাৰ কৰা হৈছে, কালিলৈকে তেখেতৰ সমষ্টিত ১৮ টা শৱদেহ উদ্ধাৰ হৈছিল, মুঠতে কেৱল নাজিৰা সমষ্টিতেই এতিয়ালৈ ২৮ টা শৱদেহ উদ্ধাৰ হ'ল আৰু বিহুবৰ অঞ্চলটোত প্ৰায় ১০০জন মানুহ সন্ধানহীন হৈ আছে। বলব লাৰ পিছত এনেকুৱা দুৰ্যোগ আৰু কেতিয়াও আমি অসমত দেখিবলৈ পোৱা নাছিলো। এই দুৰ্যোগৰ বাবে চৰাইদেউ, শিৱসাগৰ, যোৰহাটবাসী লোকৰ ভেটি উচন হ'ল, শিৱসাগৰ টাউনত একঁকাল পানী নদীৰ দৰে বৈ আছে, দোকান-পোহাৰবোৰ সম্পূৰ্ণ নষ্ট হৈ গ'ল  ....

**মাননীয় অধ্যক্ষ :** গগৈ ডাঙৰীয়া, শুনক, মোক বিশ্বাসঘাতকতা নকৰিব। আপুনি খন্তেক আগতে আহি মোক ২ মিনিট দিবলৈ  কৈছিল, যাৰবাবে মই আপোনাক এই বিষয়টোত ২ মিনিট ক'বলৈ দিলো।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) :** ছাৰ, মোক আৰু মাত্ৰ ২ মিনিট সময় ক'বলৈ দিয়ক। মই কেৱল মূল সমস্যা কেইটাৰ কথা ক'ম....

**মাননীয় অধ্যক্ষ :** আপোনাৰ কথা মতে অসমৰ বানপানীৰ সমস্যাটোক সন্মান জনাই আপোনাৰ ২ মিনিটৰ কথাটো ৰাখিছিলো, আপুনি বিশ্বাসঘাতক নহ'ব। কাৰণ...

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) :** ছাৰ, মই সদনত হাত-যোৰ কৰি অনুৰোধ জনাইছো যে মোক আৰু মাত্ৰ ২ মিনিট সময় দিয়ক ...

**মাননীয় অধ্যক্ষ :** মই অখিল গগৈ ডাঙৰীয়াই যিটো সভা স্থগিত প্ৰস্তাৱ আনিছিল সেই প্ৰস্তাৱটো মই আজি অগ্ৰাহ্য কৰিছো, কাৰণ এই বিষয়টোক লৈ যোৱাকালি কংগ্ৰেছ দলেও অনুৰূপভাৱে সভা স্থগিতৰ প্ৰস্তাৱ আনিছিল আৰু অগ্ৰাহ্যৰ কাৰণটো এইটোৱে যে যিহেতু আমাৰ দাবী মঞ্জুৰীসমূহৰ ভোটদানৰ বাবে নিৰ্ধাৰিত দিনকেইটাৰ বাদে পৰৱৰ্তী সময়ত এই বিষয়ক লৈ আলোচনা কৰিব পাৰি। কিন্তু আমাৰ বিধান সভাৰ যি কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ১৪৪ নং নিয়মৰ ২ নং উপ-নিয়ম মতে আমাৰ স্পষ্ট ৰূপত বাৰণ কৰা আছে। গতিকে

বাজেটৰ সময়ত আপোনাৰ এই বিষয়টো আমি আলোচনা কৰিব নোৱাৰিম, যোৱাকালি কংগ্ৰেছ দলক যি দৰে অগ্ৰাহ্য কৰা হৈছিল আজিও আপোনাৰ সভা স্থগিতৰ প্ৰস্তাৱটো অগ্ৰাহ্য কৰা হ'ল। কিন্তু আপোনাক সন্মান জনাই, উজনিৰ জিলা ৩ খনক সন্মান জনাই, মই আপোনাক ২ মিনিট ৪৪ ছেকেণ্ড সময় ক'বলৈ দিলো, যিটো নেকি মই যোৱাকালি ক'বলৈ দিয়া নাছিলো।

এতিয়া পৰৱৰ্তী বিষয়টোলৈ আহিছো, কাৰ্য্যসূচী নং -২।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) :** মোক মাত্ৰ ২ মিনিট সময় ক'বলৈ দিয়ক।

**মাননীয় অধ্যক্ষ :** আপুনিয়ে অকলে বিধায়ক নহয়, ইয়াত আৰু বিৰোধী সদস্য বহুত আছে।

এতিয়া কৰ্তন প্ৰস্তাৱৰ ওপৰত অধিক আলোচনা কৰাৰ কাৰণে মই আহ্বান জনাইছো আৰু এই কৰ্তন প্ৰস্তাৱৰ ওপৰত বক্তব্য ৰাখিব শ্ৰী নুৰুল হুদাই।

**শ্ৰী নুৰুল হুদা (ৰূপহীহাট) :** মাননীয় অধ্যক্ষ মহোদয়...

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) :** ছাৰ, মই হাত-যোৰ কৰি অনুৰোধ জনাইছো ....

**মাননীয় অধ্যক্ষ :** গগৈ ডাঙৰীয়া, please, please.

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) :** ছাৰ, মই আপোনাক হাত-যোৰ কৰি অনুৰোধ জনাইছো, সংসদীয় পৰিক্ৰমা মন্ত্ৰী আৰু ...

**মাননীয় অধ্যক্ষ :** গগৈ ডাঙৰীয়া, please, please.

................(সদনত হুলস্থূল) .......................

**মাননীয় অধ্যক্ষ :** এইটো কেৱল আপোনাৰে বিষয় নহয়, আমাৰো বিষয়। আপুনি বেলেগ বিষয়ত আনিব। আপুনি ইতিমধ্যে ২.৪৬ মিনিট ক'লে। শ্ৰী নুৰুল হুদা, continue.

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) :** নুৰুল হুদা ডাঙৰীয়া, আপুনিও এজন বিৰোধী বিধায়ক, আপুনি অলপ সময় ৰ'ব নোৱাৰে নেকি?

................(সদনত হুলস্থূল) .......................

**শ্ৰী নুৰুল হুদা (ৰূপহীহাট) :** মাননীয় অধ্যক্ষ মহোদয়, আমি ইতিমধ্যে কালি এই বিষয়ত প্ৰতিবাদ কৰিছো, Parliamentary Affairs Minister য়ে কালি অনুমতি দিছিল আৰু কালি আলোচনা হৈ গৈছে। গতিকে মই আপোনাৰ কথা শুনিম নে অধ্যক্ষ ডাঙৰীয়াৰ কথা শুনিম......

................(সদনত হুলস্থূল) ......................

অধ্যক্ষ মহোদয়, শিক্ষা বিভাগৰ কৰ্তন প্ৰস্তাৱত মোক ক'বলৈ দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) :** ছাৰ, মোক ক'বলৈ দিয়ক, নহ'লে এই বিধায়ক পদৰপৰা মোক আঁতৰাই দিয়ক।

**মাননীয় অধ্যক্ষ :** আপুনি বিশ্বাসঘাতকতা কিয় কৰে ? আজি সদনৰ কাম-কাজ চলাবৰ বাবে দিনটোৰ কাৰণে আপোনাক expel কৰা হ'ল। ২ মিনিট সময় লৈ ২.৪৬ মিনিট কোৱাৰ পিছত আপোনাৰ দৰে বিশ্বাসঘাতক মানুহ মই আজিলৈ দেখা নাই। এজন অধ্যক্ষক বিশ্বাসঘাতকতা কৰিছে আপুনি।

**শ্ৰী শ্বেৰমান আলী আহমেদ,(মন্দিয়া):** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাক এটা অনুৰোধ কৰিব বিচাৰিছো। আপুনি আমাৰ সদনৰ অভিভাৱক। এজন সন্মানীয় সদস্যক আপুনি বিশ্বাসঘাতক বুলি কৈছে। আপুনি এই কথাখিনি kindly withdraw কৰক। ..... interruption .....

**মাননীয় অধ্যক্ষ :** আপোনালোক সকলোৱে বহক। মই এই কাৰণেই কৈছো কাৰণ যোৱাকালি আপোনালোকে এই বিষয়টো আনিছিল। মই সুন্দৰকৈ কথাখিনি কৈছো আৰু আপোনালোকেও গ্ৰহণ কৰিছে। কিন্তু তেখেত শিৱসাগৰৰ বিধায়ক কাৰণে যোৱাকালি সন্ধিয়া মোক নোটিচখন দিয়াৰ পিছত বিভাগক জনাইছে। আজি মোক তেখেতে ইয়াত অন্তত: ২ মিনিট দিয়াৰ বাবে অনুৰোধ কৰিছে। যিহেতু তেখেত শিৱসাগৰৰ বিধায়ক সেইকাৰণে মই ২ মিনিট সময় দিলো। ২:৪৬ মিনিট ৩ খন জিলাৰ বিষয়ে কোৱাৰ পিছতো তেখেতে যিটো আচৰণ দেখুৱালে মইতো তেখেতক ২ মিনিট সময় নিদিব পাৰিলোহেঁতেন। তেখেতে মোক বিশ্বাসঘাতকতা কৰিলে। তেওঁ মোক ৰণজিৎ কুমাৰ দাসক বিশ্বাসঘাতকতা কৰা নাই। তেওঁ অধ্যক্ষক বিশ্বাসঘাতকতা কৰিছে।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (মন্দিয়া):** মাননীয় অধ্যক্ষ মহোদয়, আপুনি মহান। আপুনি অধ্যক্ষৰ আসনৰ পৰা সকলো কৰিব পাৰে। তেওঁ এজন সন্মানীয় সদস্য হয়। মই আপোনাক বিশ্বাসঘাতকতা শব্দটো উঠাই ল'বলৈ অনুৰোধ কৰিছো।

**माननीय अध्यक्ष :** मই আজি আপোনালোকক মৰম কৰিবলৈ গৈ তেওঁৰ যদি অভিনয় চাবলগীয় হয়, সেইটো গ্ৰহণযোগ্য নহয়। মই আপোনাৰ অনুৰোধটো অগ্ৰাহ্য কৰিছো। এতিয়া মাননীয় সদস্য নুৰুল হুদা ডাঙৰীয়াই কওঁক।

**শ্ৰী নুৰুল হুদা, (ৰূপহীহাট) :** মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা বিভাগৰ কৰ্তন প্ৰস্তাৱত মোক অংশ ল'বলৈ সুযোগ দিয়াৰ বাবে মই আপোনাক ধন্যবাদ জনাইছো । শিক্ষা মন্ত্ৰ্যালয়ৰ প্ৰতিবেদন মতে আমাৰ ৰাজ্যখনৰ ৰাজহুৱা শিক্ষানুষ্ঠানৰ পৰা ২,১২,৭৬৮ গৰাকী ছাত্ৰ-ছাত্ৰী হ্ৰাস পাইছে । চৰকাৰী সাহাৰ্য্যপ্ৰাপ্ত বিদ্যালয় ৫১,৮৯,৯৩১ জন শিক্ষাৰ্থীৰ পৰা কমি গৈ ৪৯,৭৭,১৬৩ গৰাকী শিক্ষাৰ্থী আছে। আমাৰ শিক্ষানুষ্ঠানৰ পৰা ছাত্ৰ-ছাত্ৰী হ্ৰাস পাইছে। ইয়াৰ কাৰণটো কি ? ১৫ জনতকৈ কম ছাত্ৰ-ছাত্ৰী থকা বিদ্যালয়ৰ সংখ্যা ২,৩৬৬ খন বিদ্যালয় আৰু ৩ জনতকৈ কম ছাত্ৰ-ছাত্ৰী থকা বিদ্যালয়ৰ সংখ্যা ৮,৯৩৩ খন বিদ্যালয়। এজনীয়া শিক্ষক থকা বিদ্যালয়ৰ সংখ্যা হৈছে ২,৬১১ গৰাকী। মই মাননীয় শিক্ষামন্ত্ৰী মহোদয়ৰ পৰা এখন চিঠি পাইছো আৰু তেখেতে প্ৰশ্নোত্তৰতো কৈছে যে মোৰ সমষ্টিৰ ৫ খন বিদ্যালয়ৰ ৩ জনতকৈ কম ছাত্ৰ-ছাত্ৰী আছে। এই চিঠিখন পোৱাৰ পিছত মই চৰজমীন তদন্ত কৰিবলৈ গৈ এই কথাখিনি চালো। পূব খুকোন্দাৰি জে বি বিদ্যালয়ত ২৭ জন ছাত্ৰ-ছাত্ৰী আছে। তাত গৈ দেখিবলৈ পালো যে সেইখন স্কুলত এজনেই শিক্ষক আৰু সেই শিক্ষকজন কিবা কাৰণত suspension হৈছে। তেখেত suspension হোৱাৰ পিছত তাত আৰু এগৰাকীক in-charge হিচাপে দিছে তেখেতো maternity leave ত গৈছে। তাৰ পিছত আৰু এগৰাকীক দিছে, তেখেতে আকৌ ছুটী লৈছে। তাত উপযুক্তভাৱে শিক্ষক দিব পৰা নাই। শিক্ষক নথকাৰ বাবে এই চৰকাৰী বিদ্যালয়সমূহৰ পৰা ৰাইজৰ আস্থা কমি গৈছে। কাৰণ প্ৰত্যেকজন অভিভাৱকে নিজৰ সন্তানক মানব সম্পদ হিচাপে গঢ়ি তুলিব বিচাৰে। সেই মানব সম্পদ হিচাপে সৃষ্টি হ'বলৈ হ'লে গুণগত শিক্ষাৰ প্ৰয়োজন হ'ব আৰু গুণগত শিক্ষা যদি এখন চৰকাৰী বিদ্যালয়ত নাপায় তেন্তে ছাত্ৰ-ছাত্ৰীসকলক কেনেকৈ সেই বিদ্যালয় সমূহত পঠিয়াব। নিশ্চিতভাৱে ব্যক্তিগত বিদ্যালয় সমূহত ছাত্ৰ-ছাত্ৰীৰে

ভৰি থাকে  কাৰণ তাৰে শিক্ষকসকলে সামান্য জলপানি লৈও তেওঁলোকে যি ধৰণে শিক্ষাদান কৰে আৰু সেই শিক্ষাদানত ৰাইজ সন্তুষ্ট হৈ ব্যক্তিগত বিদ্যালয়ত পঢ়োৱাবলৈ আৰম্ভ কৰিছে। যাৰ কাৰণে চৰকাৰী বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কমি গৈছে। NRC, Cencus আদি   যিকোনো চাৰ্ভেত শিক্ষকসকলক নিয়োগ কৰে। শিক্ষকসকলে নিজৰ দায়িত্ব, কৰ্তব্য যি শিক্ষাদান কৰিবলৈ শ্ৰেণীত উপস্থিত নাথাকি অন্য কাম কৰিবলৈ যায়, তেনে ক্ষেত্ৰত শিক্ষাৰ মানদণ্ড নিম্নগামী হয়। এই সমূহ কাৰণৰ বাবে ৰাইজৰ আস্থা চৰকাৰী খণ্ডৰ বিদ্যলয়ৰ পৰা নোহোৱা হ'বলৈ ধৰিছে। গতিকে চৰকাৰী বিদ্যালয় সমূহত যি শিক্ষক তথা কৰ্মচাৰী আছে, তেওঁলোকক অন্য দায়িত্বৰ পৰা বিৰত ৰাখিব লাগে। এতিয়া লোকপিয়ল হ'ব আৰু সকলো শিক্ষকে লোকপিয়লৰ কামত নিয়োগ কৰা হৈছে। এনেকুৱা হৈছে যে এখন বিদ্যালয়ত ৩ জন শিক্ষক আছে আৰু সেই ৩ জনকে লোকপিয়লৰ কামত নিয়োগ কৰা হৈছে। তেওঁলোকে এতিয়া লোকপিয়লৰ কাম কৰিব নে বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীক শিক্ষাদান কৰিব। বিদ্যালয়সমূহত কিয় শিক্ষাৰ মানদণ্ড নিম্নগামী নহ'ব ? তাৰ বাবে দায়ী কোন? তাৰ বাবে দায়ী নিশ্চয় ৰাজ্য চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগ। এই শিক্ষক-কৰ্মচাৰী সকলক যদি বেলেগ দায়িত্ব নিদি কেৱল শিক্ষাদানৰ কাৰ্য্যতে ৰাখিলেহেঁতেন তেতিয়াহ'লে কিন্তু শিক্ষা নিম্নগামী নহ'লহেঁতেন আৰু গুণগত শিক্ষা বিদ্যালয়সমূহত পাই থাকিলেহেঁতেন। গতিকে বিদ্যালয়ত শিক্ষকসকলক অন্য কামত নলগাই কেৱল শৈক্ষিক দিশতে ৰাখিব লাগে। মই এই চিঠিখনত আৰু এটা নাম পালো চূণ চহৰ বন গাওঁ এল পি স্কুল। এইখিনি গোটেই জনজাতীয় অঞ্চল। তাত ১৭ জন ছাত্ৰ-ছাত্ৰী আছে। আমাৰ তাত নলকাটা বুলি এখন জনজাতীয় গাওঁ আছে। তাত এখন এল পি স্কুল আছিল। যিখন চূণচহৰৰ পৰা ৩ কিলোমিটাৰ দূৰত আছিল।  কিছুদিন আগতে amalgamation কৰি সেইখন চূণচহৰত লগাই দিলে। বৰ্তমান চূণচহৰত লগাই দিয়াৰ পিছত এতিয়া ১৫ জন ছাত্ৰ-ছাত্ৰী আছে। সেইটো এটা অতি দুৰ্গম অঞ্চল ,  চাৰিওফালে বনাঞ্চলৰ মাজত বনগাওঁখন আছে। এতিয়া যদি এইখন  amalgamation

কৰিবলৈ যায়, তেতিয়াহ'লে আৰু ৪ কিলোমিটাৰ দূৰত গৈ এখন স্কুল পাব। তেনেক্ষেত্ৰত প্ৰথম যিখন নলকাটা বনগাওঁ এল পি স্কুল আছিল সেই স্কুলৰ ছাত্ৰ-ছাত্ৰীসকললৈ ৭ কিলোমিটাৰ যাব লাগিব। এই দুৰ্গম অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলে কেনেকৈ ৭ কিলোমিটাৰ দূৰলৈ গৈ শিক্ষা লাভ কৰিব ? এই স্কুলখন যিহেতু বনাঞ্চলত আছে, এখন ফৰেষ্ট বিদ্যালয়। সেয়েহ মই আপোনাৰ জৰিয়তে মাননীয় শিক্ষামন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো যে, মোৰ সমষ্টিৰ যি ৫ খন বিদ্যালয় বন্ধ কৰাৰ পদক্ষেপ লৈছে সেইয়া যাতে নলয়। আমাক ১ বছৰ সময় দিয়ক, তাত শিক্ষক নিয়মীয়াকৈ ৰখা আৰু গুণগত শিক্ষা দিয়াৰ ব্যৱস্থা কৰক। এই ১ বছৰৰ ভিতৰত যদি তাত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা নাবাঢ়ে তেন্তে বন্ধ কৰি দিব। তাত আমাৰ কোনো আপত্তি নাই। কিন্তু বৰ্তমান এই সিদ্ধান্তটো স্থগিত ৰাখি এই সুবিধাটো দিব লাগে। ৰাজ্য খনত ১৩,৬১৪ খন প্ৰাথমিক বিদ্যালয় আৰু ৩,৪০২ খন উচ্চ মাধ্যমিক বিদ্যালয়ত স্থায়ী প্ৰধান শিক্ষক নাই। এই বিষয়ে প্ৰশ্নোত্তৰ কালত আলোচনা হৈছে। ইয়াৰ উত্তৰ মই পাইছো। মই অসমৰ শৈক্ষিক দিশটো সুঠম কৰাৰ কাৰণে শিক্ষক সকলক নিযুক্তি দি চৰকাৰৰ ৩০:১ ছাত্ৰ-শিক্ষকৰ অনুপাতটো পূৰণ কৰাৰ বাবে মই চৰকাৰক অনুৰোধ জনাইছো। আন্ত:গাঁথনি নিৰ্মাণৰ ক্ষেত্ৰত মই ক'ব বিচাৰিছো যে আলিকাপুৰী উচমানী হাইয়াৰ ছেকেণ্ডাৰী স্কুল যি ১৮৯৯ চনত অসমীয়া মাধ্যমত প্ৰথম বিদ্যালয় মোৰ সমষ্টিত নিৰ্মাণ হৈছিল আৰু ১৯২৭ চনত উচ্চ ইংৰাজী বিদ্যালয়লৈ Up-Grade হৈছিল। সেই সময়ত শাল কাঠেৰে যিখিনি বেৰ নিৰ্মাণ কৰা হৈছিল এতিয়া উঁই পোকে খাই বৰ্তমান কৰি দিছে, ওলমিহে আছে। আমাৰ delimitation ৰ সময়ত, delimitation ৰ আগতে ধিং সমষ্টি আছিল, delimitation ৰ পাছত ৰূপহী সমষ্টি আহিলে। মই সেই বিদ্যালয়খনত গৈ আচৰিত হৈছো। এতিয়া এশবছৰ পূৰ্ণ হৈছে। এশবছৰ গৰকা এই বিদ্যালয়খনৰ সেই পূৰ্বতে, পূৰ্বপুৰুষসকলে শাল কাঠৰ যি খুঁটা দিছিলে, সেই খুঁটা এতিয়াও ওলমি আছে। আন্তঃগাঁথনি নিৰ্মাণ কৰা নাই, ছাত্ৰ-ছাত্ৰীও বহুত। গতিকে, আন্তঃগাঁথনি নিৰ্মাণ কৰাৰ কাৰণে, অৰ্থাৎ আলটা Higher Secondary School,

কান্দুলীমাৰী চিৰাজিয়া Higher Secondary School, কালীদিহীঙীয়া High School. কালীদিহীঙীয়া High School ত section A আৰু section B একেলগে, এশ ছাত্ৰ-ছাত্ৰীক একেলগে তেওঁলোকে পাঠদান দিব লাগে, ক্লাছ ৰুমৰ অভাৱৰ কাৰণে। সেই classroom যাতে দিয়া হয়, উধৰাৰী High School-তো আন্তঃগাঁথনি দিয়া হয়। আন্তঃগাঁথনিৰ অভাৱ থকা ৰূপহী সমষ্টিৰ যিবোৰ বিদ্যালয় আছে, সেই বিদ্যালয়সমূহৰ আন্তঃগাঁথনি নিৰ্মাণ কৰি শিক্ষক নিযুক্তি দিয়াৰ কাৰণে ব্যৱস্থা ল'বলৈ মই আহ্বান জনাই কৰ্তন প্ৰস্তাৱৰ সমৰ্থনত মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষঃ** মাননীয় সদস্য ড° জয়প্ৰকাশ দাস।

**ড° জয়প্ৰকাশ দাস, (নাওবৈচা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাক মই ধন্যবাদ জনাইছো যে আপুনি মোক বক্তব্য ৰাখিবলৈ সুবিধা কণ দিছে। আমি জানো বিদ্যাধনেই এটা ধন, যিটোক চুৰেও নিব নোৱাৰে, ৰজায়ো কাঢ়িব নোৱাৰে, ভাই-ককায়েও নিব নোৱাৰে। আনকি ইয়াৰ ওপৰত যিমান খৰচ কৰা হয়, সি সিমানেই বাঢ়ি যায় আৰু সেয়ে বিদ্যাধনক সকলো ধনতকৈ শ্ৰেষ্ঠ আৰু প্ৰধান বুলি কোৱা হৈছে। কংগ্ৰেছ চৰকাৰৰ দিনত, UPAৰ দিনত Right to Education Act আনিছিলে প্ৰয়াত ড° মনমোহন সিঙৰ নেতৃত্বত। এক্ট আনি গোটেই শিক্ষাৰ যি অধিকাৰ, এই অধিকাৰ গাঁৱে-গাঁৱে ভৰাই দিয়া হ'ল। আজি আমি বিজেপি চৰকাৰৰ এনেকুৱা বেলেগ ছবি দেখিবলৈ পাইছো বিশেষকৈ মাননীয় শিক্ষামন্ত্ৰী মহোদয়ে অলপ আগতে ক'লে যে, ২০২১ ৰ পৰা ২০২৬ লৈ ১০০০ খন স্কুল amalgamation কৰিছে। আমি শিক্ষাৰ ক্ষেত্ৰত কিয় amalgamation কৰিবলগা হৈছে? আমি শিক্ষাক কিয়, চপাবলৈ বিচাৰিছো? আমি শিক্ষা বঢ়াব লাগে। আমি গাঁৱৰ স্কুলবোৰ কিয় চপাব বিচাৰিছো? গাঁৱৰ স্কুলখন কিয় বন্ধ কৰিব বিচাৰিছো? গাঁৱৰ স্কুল যিমান পাৰে বঢ়াওক। আমাৰ শিক্ষামন্ত্ৰী মহোদয়ে যিটো অঞ্চলৰ পৰা বিধায়ক হৈ আহিছে, তাতো বহুত দুৰ্গম অঞ্চল। তাতো স্কুল বনোৱাটোৱে ডাঙৰ কথা। তাতো শিক্ষকে শিক্ষকতা কৰিবলৈ নাযায়। তাত যদি আমাৰ স্কুলবোৰ নাইকীয়া কৰি দিয়া যায়, তেনেহ'লে

আমি ভাবো, অধ্যক্ষ মহোদয়, এইটো সেই অঞ্চলৰ কাৰণে অন্যায় হ'ব। আমি জানো, আমি যিবোৰ অঞ্চলত প্ৰতিনিধিত্ব কৰিছো, যিবোৰ অঞ্চলৰ পৰা আহিছো, সেই অঞ্চলক গুৱাহাটীৰ লগত আমি ফেৰ মাৰিব নোৱাৰো। দিল্লীৰ লগত ফেৰ মাৰিব নোৱাৰো। কাৰণ আমি সেইবোৰ অঞ্চল গুৱাহাটী, দিল্লীতকৈ প্ৰায় হাজাৰ বছৰ পিছুৱাই আছো। সেই অঞ্চল বিলাক বানপীড়িত, গৰাখনীয়া অঞ্চল। আমাৰ এপাতে অস্ত্ৰ আছে, অধ্যক্ষ মহোদয়। আমি এপাতেই অস্ত্ৰ গ্ৰহণ কৰিব লাগিব, গুৱাহাটীৰ ল'ৰা-ছোৱালীৰ লগত ফেৰ মাৰিবলৈ, দিল্লীৰ ল'ৰা-ছোৱালীৰ লগত ফেৰ মাৰিবলৈ। সেই অস্ত্ৰটো হৈছে শিক্ষা। শিক্ষাৰ অস্ত্ৰ পাট লৈ আমি গুৱাহাটীৰ ল'ৰা-ছোৱালীক পিছ পেলাব লাগিব, শিক্ষাৰ অস্ত্ৰ পাট লৈ দিল্লীৰ ল'ৰা-ছোৱালীক পিছ পেলাব লাগিব আৰু যদি এইখন চৰকাৰে এই শিক্ষাৰ অস্ত্ৰ পাট আমাৰ সেই অঞ্চলৰ ল'ৰা-ছোৱালীৰ পৰা কাঢ়ি ল'ব বিচাৰিছে, মই ভাবো, অধ্যক্ষ মহোদয়, শিক্ষামন্ত্ৰী মহোদয়ে এইটো বহুত বেয়া কাম কৰিছে। কাৰণ তেখেতে প্ৰশ্নোত্তৰ কালত ক'লে, আমি ২১ ৰ পৰা ২৬ ৰ ভিতৰত ১০০০খন স্কুল amalgamation কৰিছো। আজি নাওবৈচাত ৯০ খন LP school ত তেখেতে amalgamation ৰ কাৰণে তেখেতে এখন চিঠি মোলৈ লিখিছে। তাত আমি দেখিছো যে তাত স্কুল থকাটোৱেই ডাঙৰ কথা। এই স্কুল কোনে বনাইছিলে? এই স্কুল বনাইছিলে কংগ্ৰেছে। আজি যদি আপোনালোকে শিক্ষা ক্ষেত্ৰখনক আগুৱাই লৈ যাবলগীয়া হয়, তেনেহ'লে এই স্কুল বন্ধ কৰা কামটো মাননীয় অধ্যক্ষ মহোদয় কৰিব নালাগে। আমাক শিক্ষা দিয়ক। আমাৰ অঞ্চলবোৰত শিক্ষা দিয়ক। শিক্ষাই পোহৰ দিব আমাক, শিক্ষাই জ্ঞান দিব আৰু জ্ঞানেই শক্তি আৰু জ্ঞানৰ শক্তিৰে আমি পৃথিৱীত জিলিকিব লাগিব। সেয়েহে মাননীয় অধ্যক্ষ মহোদয়, খুব উদ্বেগজনক কথা শিক্ষামন্ত্ৰালয়ে যিটো প্ৰকাশ কৰিছে, কাগজত ইতিমধ্যে আহিছে যে ২,১২,৭৬৮ জন শিক্ষাৰ্থী ইতিমধ্যে হ্ৰাস হৈছে চৰকাৰী স্কুলৰ পৰা। এইটো কিহৰ কাৰণে হৈছে, অধ্যক্ষ মহোদয়? এইটো চৰকাৰৰ বিফলতা নহয় নেকি? এইটো শিক্ষা বিভাগৰ বিফলতা নহয় নেকি? যদি শিক্ষামন্ত্ৰালয়ে কয় ২,১২,৭৬৮ জন শিক্ষাৰ্থী আজি চৰকাৰী স্কুলৰ পৰা হ্ৰাস

হৈছে, তাৰ মানে আমি ভাল ধৰণে সুবিধা দিব পৰা নাই ? আজি আমাৰ নাওবৈচা অঞ্চলৰ মিছিং অঞ্চলত বিশেষকৈ আমাৰ ৰণোজ পেগু ডাঙৰীয়াই জানে, তাত এতিয়াও পানী পৰে স্কুলত। Indira Gandhi School, প্ৰথম School তাত সেইদিনা মোক Science Lab উদ্বোধন কৰিবলৈ মাতিছে তাত প্ৰধান শিক্ষকে আৰু ছাত্ৰ-ছাত্ৰীসকলে কয়, ছাৰ, আমাৰ পানী পৰে। বাহপাটি আজাদগাঁও এখন আদৰ্শ স্কুল, তাৰ পৰা ল'ৰা-ছোৱালী আজি America ত গৈ চাকৰি কৰি আছে । কিন্তু সেই স্কুলত গৈ দেখিছোঁ তাত চিলিংখন খন ভাঙি পৰিলে, টিনপাত ভাঙি পৰিছে, তাৰ ল'ৰা-ছোৱালী professor হৈছে। আজি পাণিগাঁও High Secondary School, তাৰ ল'ৰা-ছোৱালী গৈ জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ professor হৈছে, Guwahati Medical College ৰ professor হৈছে, সেই স্কুলবোৰত আজিকালি আন্তঃগাঁথনি কম। আজি বচাগাঁও M.E. School, যিখন স্কুলৰ পৰা গৈ গুৱাহাটী বিশ্ববিদ্যালয়ত ১৯৬২ চনতে গৈ professor হৈছিলে, তাতো আজি পানী পৰে। সেয়েহে মাননীয় অধ্যক্ষ মহোদয়, শিক্ষাৰ ক্ষেত্ৰত compromise কৰিব নালাগে। আমি দেখিছোঁ যোৱা বাজেটত চৰকাৰে মাত্ৰ ১০০০ কোটি টকা হে বঢ়াই দিছে। শিক্ষাৰ ক্ষেত্ৰত compromise কৰিব নালাগে । আমি পিছপৰি আছোঁ, আমি আগবাঢ়িব লাগিলে আমি এপাতে অস্ত্ৰ ল'ব লাগিব অধ্যক্ষ মহোদয়, সেই অস্ত্ৰ পাত হ'ল শিক্ষা। আমাৰ ল'ৰা-ছোৱালীয়ে Delhiৰ ল'ৰা-ছোৱালীক যদি পিছ পেলাব লাগে, তেনেহ'লে শিক্ষাৰ যোগেদি আগবাঢ়িব লাগিব। সেয়েহে মাননীয় অধ্যক্ষ মহোদয়, মই অনুৰোধ কৰিছোঁ আমাৰ মাননীয় শিক্ষামন্ত্ৰী মহোদয়ক যে ড°সৰ্বপল্লী ৰাধাকৃষ্ণনে কৈছিলে যে, "শিক্ষকসকল মমবাতিৰ দৰে, নিজে জ্বলে আৰু লোকক পোহৰ বিলায়।" কিন্তু আজি কি হৈছে অধ্যক্ষ মহোদয়? শিক্ষামন্ত্ৰীয়ে election ৰ আগত এটা কথা কয়, election ৰ পিছত এটা কথা কয়। election ৰ আগত কয় যে, আমি শিক্ষকসকলৰ যিমান আছে, provincialise কৰিম, venture school বিলাক ল'ম। এতিয়া তেখেতে নিয়ম-কানুনৰ কথা কয়। সেয়েহে মাননীয় অধ্যক্ষ মহোদয়, শিক্ষকসকলৰ লগত শিক্ষকসকলে যিধৰণে আমাক সাহস দিয়ে, যি ধৰণে

আমাক জ্ঞান দিয়ে, যিধৰণে আমাক পোহৰ বিলায়, তেখেতসকলৰ লগত কিন্তু চৰকাৰে কোনো ধৰণৰ প্ৰতাৰণা কৰিব নালাগে। শিক্ষকতা পৱিত্ৰ, শিক্ষকতাক আমি সকলোৱে সন্মান কৰিব লাগে। এতিয়াও এইখন চৰকাৰে এনেকুৱা শিক্ষক আছে, যিয়ে এক টকা দৰমহা নোপোৱাকৈ venture school ত থাকি থাকি retire হ'ল, মৃত্যু হ'ল। সেয়েহে মাননীয় অধ্যক্ষ মহোদয়, মই অনুৰোধ কৰিছোঁ শিক্ষামন্ত্ৰী মহোদয়ক, আমাৰ নাওবৈচা সমষ্টিত বহু college আছে মিছিংগাঁও, মিৰিজুলি College, ঘুনাসুতি, এই college বোৰ ইমান বছৰে কিন্তু provincialise হোৱা নাই। তাৰ শিক্ষকসকলে এতিয়াও এটা আশা পুহি ৰাখিছে ৰণোজ পেগু ডাওঁৰীয়া শিক্ষামন্ত্ৰী হৈছে, আমাৰ এই college খন provincialise হ'ব। আমাৰ নাওবৈচা সমষ্টিত আপুনি গ'লে আপোনাৰ দুখ লাগিব। আমাৰ অঞ্চল বানপানী পীড়িত অঞ্চল, তাত কোনো ধৰণৰ যেতিয়া পানী হয়, স্কুলখন ভাঙি যায়, তাত কিন্তু কোনো পদক্ষেপ নহয় কেনেকৈ আকৌ আন্তঃগাঁথনি develop কৰিব পৰা যায়। সেয়েহে মাননীয় অধ্যক্ষ মহোদয়, মই অনুৰোধ কৰিছোঁ মাননীয় মন্ত্ৰী মহোদয়ক, শিক্ষা বিভাগক, যে শিক্ষাৰ ক্ষেত্ৰখনক লৈ কোনো ধৰণৰ আপোচ কৰিব নালাগে। শিক্ষাৰ যোগেদি আমাৰ নতুন প্ৰজন্মক গোটেই পৃথিৱীত জিলিকাব লাগে। আজি এইখন চৰকাৰে ড° বাণীকান্ত কাকতিৰ যি স্কুটি বিতৰণৰ ব্যৱস্থা আছিল, সেই স্কুটি বিতৰণৰ ব্যৱস্থাটো নাইকিয়া কৰিব খুজিছে। প্ৰয়াত তৰুণ গগৈ ডাওঁৰীয়াৰ দিনত যিসকলে মেট্ৰিকত first division পাইছিল laptop দিছিলে, second division পোৱাসকলক computer দিছিলে, third division পোৱাসকলক tablet দিছিলে, কিন্তু আজিকালি এইবোৰ ব্যৱস্থা কমি গৈছে। সেয়েহে মাননীয় অধ্যক্ষ মহোদয়, মই অনুৰোধ কৰিছোঁ, এটা জাতি উজ্বলিবলৈ হ'লে, এটা জাতি আগবাঢ়িবলৈ হ'লে প্ৰথম দায়িত্ব হ'ব লাগে শিক্ষা। আমাৰ শিক্ষা নহ'লে আমাৰ উপায় নাই। কোনোবা কোনোৱাই কৈছে, ঘৰে ঘৰে হ'ব লাগে শিক্ষা, নহ'লে আমাৰ নাই ৰক্ষা। এনেকুৱা কথা কোৱা আমি শুনিবলৈ পাইছোঁ। সেয়েহে আমি শিক্ষাৰ ক্ষেত্ৰখনত কোনো আপোচ কৰিব নালাগে। শিক্ষাৰ ক্ষেত্ৰখনক আমি আৰু কেনেকৈ আগবঢ়াব পাৰি, তাৰ কাৰণে চিন্তা-চৰ্চা

কৰিব লাগে। এই দুআষাৰ ক'বলৈ দিয়াৰ কাৰণে মাননীয় অধ্যক্ষ মহোদয়, আপোনাক ধন্যবাদ জনাই মোৰ বক্তব্য ইমানতে সামৰণি মাৰিলোঁ, ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী প্ৰকাশ দাস।

**শ্ৰী প্ৰকাশ চন্দ্ৰ দাস, হাজো গুৱালকুছিঃ** মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা বিভাগৰ বাজেট কৰ্তনৰ যি প্ৰস্তাৱ বিৰোধীয়ে আনিছে, সেই প্ৰস্তাৱ মই সম্পূৰ্ণৰূপে বিৰোধ কৰিছো। আচলতে বিৰোধীয়ে উপলব্ধি কৰিব পৰা নাই যে, এখন ৰাজ্য বা এটা জাতি কি ধৰণে আগবাঢ়িব লাগে। এখন ৰাজ্য বা এটা জাতি যদি আগবাঢ়িব লাগে তেনেহ'লে শিক্ষাই হ'ল ঘাই মেৰুদণ্ড । গতিকে যদি মেৰুদণ্ডদাল ঠিক কৰি লোৱা নহয় তেতিয়াহ'লে আমাৰ জাতিটো কেনেকৈ আগুৱাই যাব ? আজি ৰাজ্যখনৰ শিক্ষাৰ উন্নয়নৰ কথা বিৰোধীয়ে মুখতহে কয়। আনফালে বাজেট কৰ্তনৰ কথা কৈছে । পৰস্পৰ বিৰোধী বক্তব্য ৰাখিছে । বিৰোধী দলৰ বিধায়ক সকলেও নিজৰ সমষ্টিত বিদ্যালয় সমূহৰ উন্নয়ন, শিক্ষকৰ সমস্যা সমাধান আৰু এটা সুন্দৰ আন্তঃগাঁথনি বিচাৰে, কিন্তু শিক্ষা বিভাগৰ বাজেটৰ ওপৰত আকৌ এটা চকু চৰহা মন্তব্য দিছে। এইধৰণৰ চিন্তা বিৰোধী দলৰ আজিৰ নহয়। এইমাত্ৰ মোৰ আগৰ বক্তা ডং জয়প্ৰকাশ দাসৰ বক্তব্যত সেই সময়ৰ কংগ্ৰেছৰ প্ৰাক্তন মুখ্যমন্ত্ৰী স্বৰ্গীয় তৰুণ গগৈ ডাঙৰীয়াৰ নাম উচ্চাৰণ কৰিছে। তেখেতৰ দিনত শিক্ষা বিভাগে Computer দি খুব ভাল কাম কৰা বুলি কৈছে। সেই সময়ত কংগ্ৰেছ কালৰ সময়ত শিক্ষক নিযুক্তিৰ নামত সম্পূৰ্ণৰূপে এটা সাংঘাতিক কেলেংকাৰী সৃষ্টি কৰিছিল । সেই সময়ত শিক্ষক নিযুক্তি বুলি ক'লে দালালৰ ৰাজ আছিল। কিন্তু আজি শিক্ষক নিযুক্তি সম্পূৰ্ণৰূপে স্বচ্ছ নিকাভাৱে হৈছে। সমগ্ৰ নিযুক্তি প্ৰক্ৰিয়া আজি স্বচ্ছ আৰু নিকাভাৱে হৈছে। মেধাৰ ভিত্তিত শিক্ষক নিযুক্তি প্ৰদান কৰিছে আৰু এই কাৰণে প্ৰত্যেকখন বিদ্যালয়ত, primary স্কুলৰ পৰা মহাবিদ্যালয়, বিশ্ববিদ্যালয় সকলোতে মেধাৰ ভিত্তিত শিক্ষক নিযুক্তি হৈছে আৰু ভাল ভাল শিক্ষকে পাঠদান কৰিছে। আজি প্ৰত্যেকখন এল.পি স্কুলতে উচ্চ শিক্ষাধাৰী শিক্ষক নিযুক্তি হোৱাৰ কাৰণে শিক্ষা বিভাগৰ যথেষ্ট উন্নতি হৈছে। কংগ্ৰেছৰ দিনত

শিক্ষাৰ ব্যৱস্থা মেৰুদণ্ড ভাঙি দিয়া এই ভেটিটোক আকৌ ঠন ধৰি জীয়াই উঠোৱাৰ ক্ষেত্ৰত আমাৰ NDA চৰকাৰে আৰু মাননীয় শিক্ষা মন্ত্ৰীয়ে বিশেষভাৱে উদ্যোগ লৈছে। মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ডাঙৰীয়াৰ সবল নেতৃত্বত আৰু শিক্ষা বিভাগৰ ওপৰত বিশেষভাৱে ব্যৱস্থা লোৱাৰ কাৰণে আজি মোৰ সমষ্টিৰ বিদ্যালয় সমূহত আন্তঃগাঁথনি উন্নত হৈছে। আজি দ'মদমা Higher Secondary, দদৰা Higher Secondary, পিংগেশ্বৰ হাইস্কুল, গণেশ দাস হাইস্কুল, হাজোৰ Higher Secondary কে ধৰি, ৰামদিয়া Higher Secondary, সকলো হাইস্কুল আৰু Higher Secondary ত সুন্দৰভাৱে আন্তঃগাঁথনিৰে building ঘৰ নিৰ্মাণ হৈছে । এখন মহাবিদ্যালয়ৰ পৰ্যায়ৰ স্তৰলৈ লৈ গৈছে একোখন হাইস্কুল আৰু Higher Secondary Building সহ আৰু আন্তঃগাঁথনি। গতিকে আজিৰ তাৰিখত আটাইতকৈ ভাল লগা কথা হ'ল যে এফালে বিৰোধীয়ে প্ৰশংসা কৰিব লাগিছিল অসম চৰকাৰক যে, শিক্ষা বিভাগত বেছিকৈ আৰু ধন ধাৰ্য্য কৰিব লাগে আৰু যিমানখিনি বিদ্যালয় এতিয়াও নিৰ্মাণ হ'বলৈ আছে সেই বিদ্যালয় সমূহৰ আন্তঃগাঁথনি উন্নত কৰিব লাগে । মাননীয় অধ্যক্ষ মহোদয়, যোৱা পৰহি আমাৰ অসমৰ বাবে খুব সৌভাগ্যৰ কথা- মই যেতিয়া সদৌ অসম ছাত্ৰ সন্থাৰ মজিয়াত আছিলো, এইখন অসমত আমি IIM লাগে বুলি আন্দোলন কৰিছিলো আৰু দাবী দিছিলো। কিন্তু আজি মাননীয় মুখ্যমন্ত্ৰীৰ সবল নেতৃত্বত গুৱাহাটীৰ ওচৰত পলাশবাৰী সমষ্টিত IIM স্থাপন হ'ল। এই বছৰত নতুনকৈ তাত নাম দাখিল কৰাৰ ব্যৱস্থাও কৰিলে। যোৱা পৰহি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই পাঠ্যক্ৰমৰ শুভ উদ্বোধন কৰিলে । এইটো অসমৰ কাৰণে আৰু আমাৰ সকলোৰে কাৰণে অতি আনন্দৰ কথা। মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক আৰু শিক্ষা মন্ত্ৰী মহোদয়ক বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰিছো কাৰণ আজি অসমৰ গুৱাহাটীৰ ওচৰত পলাশবাৰী সমষ্টিত IIM স্থাপন হ'ল । এইটো আমাৰ অসম, শিক্ষা বিভাগৰ আৰু শিক্ষাৰ পৰিৱেশৰ কাৰণে এটা অত্যন্ত ভাল চিন্তা। গতিকে এই ভাল কথাটোৰ প্ৰশংসা নকৰে । আজি মই আনন্দিত হ'লোহেতেন যদি এজন বিৰোধী দলৰ বিধায়কে এই IIM স্থাপন হোৱাৰ কাৰণে চৰকাৰৰ ভাল

কামক প্ৰশংসা কৰিলেহেতেন। বিৰোধী দলৰ উদেশ্য এটাই যে বিৰোধ কৰিব লাগে। বিৰোধীৰ কাৰণে অকল বিৰোধ হে কৰিব লাগে। সেই কথাটোৱে অসমৰ কেতিয়াও উন্নতি সাধন নকৰে। আজি অসমৰ ২৭ খন স্বতন্ত্ৰ মহাবিদ্যালয়ক স্বীকৃতি প্ৰদান কৰিছে। প্ৰত্যেখন মহাবিদ্যালয়লৈ বাজেটৰ ২ কোটি টকাৰ Fund ধাৰ্য্য কৰিছে আৰু ১ কোটি টকা প্ৰথম কিস্তি হিচাপে প্ৰদান কৰিব। একে সময়তে প্ৰায় কেইবাখনো বিশ্ববিদ্যালয়ক ৫০ কোটি টকাকৈ Fund দিছে আৰু গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃগাঁথনিৰ লগতে বিশ্ববিদ্যালয়খনৰ উন্নয়নৰ কাৰণে ১০০ কোটি টকা ধাৰ্য্য কৰিছে। এইটো অতি প্ৰশংসনীয় কাম। এনেকুৱা কামে, এনেকুৱা ধৰণৰ বাজেটে আমাৰ শিক্ষা খণ্ডক বিশেষভাৱে আগুৱাই নিয়াৰ কাৰণে সহায় কৰিব। মই ভাৱো অসমৰ ৰাইজে এই কথাটো অত্যন্ত ভাল পাইছে অৰু হয়তো বিৰোধীয়ে সহ্য কৰিব পৰা নাই। কাৰণ বিৰোধীয়ে সেই স্তৰত চিন্তা কৰিব পৰা নাই, যি কাৰণে আজি অসমৰ শিক্ষা ব্যৱস্থাটোত কতো ত্ৰুতি নোৰোৱাকৈ অসম চৰকাৰে বা শিক্ষা বিভাগে সুন্দৰভাৱে আগুৱাই নিয়াৰ পৰিকল্পনা কৰিছে। মই ভাৱো যে, এইখন বাজেট সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ বাজেট আৰু এই বাজেটখনে শিক্ষা বিভাগটোক সুন্দৰভাৱে পৰিকল্পিতভাৱে আগুৱাই নিয়াৰ কাৰণে নিশ্চয় সক্ষম হ'ম। মই আশা ৰাখো যে, বিৰোধীয়ে যি কথা কৈছে, সেই কথাটো শুদ্ধ নহয় আৰু শুদ্ধ নহয় কাৰণে এই চিন্তাৰে এই বাজেট কৰ্তন প্ৰস্তাৱ হয়তো তেখেত সকলে আনিছে। মই আশা ৰাখো যে, আমাৰ চৰকাৰৰ যিটো পৰিকল্পনা, বিশেষভাৱে এতিয়া দুখীয়া ছাত্ৰ-ছাত্ৰীসকলৰ আৰু শিক্ষকৰ মাজৰ সম্পৰ্কৰ লগতে বহু এনেকুৱা শিক্ষক আছে যিয়ে ঘৰে ঘৰে গৈ আজি শিক্ষা ব্যৱস্থাটো উন্নত কৰাৰ কাৰণে প্ৰয়াস কৰিছে। হয়, কিছু আৰু কৰণীয় থাকিব, আছে বা কৰিব লাগিব। কিন্তু তাৰ কাৰণে এইটো নহয় যে, আমি যিখিনি ভৱিষ্যতে ভাল ধৰণে আগুৱাই নিয়াৰ কাৰণে কৰিব লাগে, সেই ধৰণৰ বাজেট নিৰ্ধাৰণ কৰাটো এখন চৰকাৰৰ দায়িত্ব আৰু সেই দায়িত্ব চৰকাৰে পালন কৰিছে। গতিকে মই আজি এই সদনৰ জৰিয়তে এটা কথা বিৰোধীসকলক ক'ব বিচাৰিছো যে, আপোনালোকে যি বাজেট কৰ্তনৰ

প্ৰস্তাৱ আনিছে তাৰ পৰিৱৰ্তে বাজেট বৃদ্ধি কৰাৰ কাৰণেও আপোনালোকে সহমত প্ৰকাশ কৰক। অসমখনক যদি ভালধৰণে আগুৱাই নিব লাগে, তেনেহ'লে শিক্ষাই একমাত্ৰ ঘাই ব্যৱস্থা। শিক্ষাৰ অবিহনে কেতিয়াও আগবাঢ়ি যাব নোৱাৰে। বিশেষভাৱে চৰ অঞ্চল আৰু চাহ বাগানৰ অঞ্চল সমূহত, তাৰ ছাত্ৰ-ছাত্ৰীসকলৰ কাৰণে পুষ্টিৰো কথা ভাবিছে। এইটো কিমান ভাল কথা । আজি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এই বাজেটত তাৰ কাৰণে ধন ধাৰ্য্য কৰিছে। চৰ অঞ্চলৰ ছাত্ৰ-ছাত্ৰী, চাহ বাগানৰ অঞ্চলৰ ছাত্ৰ-ছাত্ৰী সকল যাতে পুষ্টিহীনতাত ভুগিব নালাগে তাৰ কাৰণে কণীৰ ব্যৱস্থা কৰিছে, প্ৰতি সপ্তাহত কণী দিয়াৰ ব্যৱস্থা কৰিছে। এইটো অতি প্ৰশংসনীয় পদক্ষেপ। এইবিলাক পদক্ষেপে সাধাৰণ দুখীয়া ঘৰৰ ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক, মানসিক উন্নতি সাধন কৰাৰ ক্ষেত্ৰত বিশেষভাৱে এক ব্যৱস্থা লব বুলি মই অনুভৱ কৰিছো আৰু এনেকুৱা ব্যৱস্থাইহে প্ৰকৃত অৰ্থত অতি দুখীয়া ঘৰৰ ছাত্ৰ-ছাত্ৰীসকলক অধ্যয়নৰ ক্ষেত্ৰত আগুৱাই নিবলৈ সক্ষম হ'ব। আজি আমাৰ চৰকাৰে বিনামূলীয়াকৈ নামভৰ্তিকৰণৰ ব্যৱস্থা কৰিছে, বিনামূলীয়াকৈ কিতাপ দিয়াৰ ব্যৱস্থা কৰিছে, বিনামূলীয়াকৈ চাইকেল দিয়াৰ ব্যৱস্থা কৰিছে, mid-day meal ৰ ব্যৱস্থাৰ পৰা ধৰি এজন ছাত্ৰ বা ছাত্ৰীয়ে পঢ়িবৰ কাৰণে যিমানখিনি লাগে, সিমানখিনিয়ে অৰিহণা যোগাইছে। গতিকে এইখন চৰকাৰৰ মই ভাবো আটাইতকৈ, যিমান চৰকাৰ আহিল সকলোতকৈ প্ৰশংসনীয় কাম কৰিছে মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন এইখন চৰকাৰে। গতিকে মই ভাবো এই বাজেট কৰ্তনৰ পৰিৱৰ্তে বাজেট বৃদ্ধিৰ প্ৰস্তাৱ লৈ আজিৰ সদনত সমগ্ৰ অসমৰ শিক্ষা ব্যৱস্থাক আগুৱাই নিয়াৰ কাৰণে সকলোৱে সহমত প্ৰকাশ কৰিব লাগে বুলি মই আশা ৰাখিছো আৰু সকলোৱে সহমত প্ৰকাশ কৰিব বুলি মই ভাবিছো। গতিকে মই ভাবো এই কৰ্তন, বাজেট কৰ্তনৰ পৰিৱৰ্তে বাজেট বৃদ্ধিৰে এই সদনৰ প্ৰস্তাৱ হওঁক, তাৰে আশা ৰাখিছো। মাননীয় অধ্যক্ষ মহোদয়, আজি মোক এইখিনি ক'বলৈ দিয়াৰ কাৰণে আপোনাক বিশেষভাৱে মই ধন্যবাদ জ্ঞাপন কৰিছো।

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় সদস্য শ্ৰী তুলিৰাম ৰংহাং । **মাননীয় অধ্যক্ষ ঃ এতিয়া মাননীয় সদস্য ডাঃ তুলিৰাম ৰংহাং** ,

**ডাঃতুলিৰাম ৰংহাং , পশ্চিম কাৰ্বি আংলং ঃ** speech in Karbi Language.

**মাননীয় অধ্যক্ষ ঃ তুলিৰাম ৰংহাং ডাঙৰীয়া বিধান সভা সচিবালয়ত কাৰ্বি ভাষাৰ ট্ৰেন্সেলেটৰ নাই** , **আপোনাক অসমীয়া**, **হিন্দী বা ইংৰাজী ভাষাত বক্তব্য ৰাখিবলৈ অনুৰোধ জনাইছো।**

**ডাঃতুলিৰাম ৰংহাং , পশ্চিম কাৰ্বি আংলং ঃঠিক আছে অধ্যক্ষ মহোদয় । অধ্যক্ষ মহোদয় আজি কৰ্ত্তন প্ৰস্তাৱৰ ওপৰত মোক ক'বলৈ সুবিধা দিয়া বাবে প্ৰথমে আপোনাক ধন্যবাদ জনাইছো । আজি বিৰোধী দলৰ সন্মানীয় সদস্যসকলে এডুকেশ্যনৰ বাজেটৰ ওপৰত যিটো কৰ্ত্তন প্ৰস্তাৱ আনিছে তাক মই** withdraw **কৰিবলৈ অনুৰোধ জনাইছো ।** Speaker Sir, Education is the back bone of our society. Society develop through education. Without education we can not do anything. **গতিকে শিক্ষা মন্ত্ৰীৰ যিটো প্ৰস্তাৱ বাজেটৰ ওপৰত দাখিল কৰা হৈছে** , **মই বিৰোধী দলসমূহক সমৰ্থন কৰিবলৈ অনুৰোধ জনাইছো । অধ্যক্ষ মহোদয়**, **পোন প্ৰথমবাৰ এইটো হৈছে যিটো ভাৰতৰ ইতিহাসত কোনো ৰাজ্যতে এনেকুৱা সিদ্ধান্ত লোৱা নাই বা বাজেটত অৰ্ন্তভূক্ত হোৱা নাই যে**, **এটা কমপ্লেক্সতে** University **থাকিব** Medical College – Engineering College **থাকিব । এইটো কোনো চৰকাৰে সাহস কৰা নাই কিন্তু ডঃ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত আৰু চেষ্টাৰ ফলত এইখিনি আজি বাজেটত অৰ্ন্তভূক্ত কৰা হৈছে । অধ্যক্ষ মহোদয়**, **এইটো এখনে জিলাতে নহয় অসমৰ প্ৰতিখন জিলাতে এই এডুকেশ্যন কমপ্লেক্স হ'ব বুলি কোৱা হৈছে । অধ্যক্ষ মহোদয়**, Right to Education Act **২০০৯ চনত** Parliament **ত পাচ কৰাৰ পিচত** effective **হ'ল** 1 April, 2010 **ত । এতিয়া য'দি টিচাৰ এপইন্ট কৰিব লাগে তেনেহ'লে** TET **লাগিব । আৰু প্ৰফেচ'ৰ যদি হ'ব লাগে**

**তেনেহ'লে** NET & SLET **লাগিব** as per NCERT Guideline. **অধ্যক্ষ মহোদয় কাৰ্বি আংলং আৰু ডিমা হাচাওৰ কাৰণে** Six schedule Hills Area **হিচাপে ডঃহিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া পূৰ্বতে এডুকেশ্যন মিনিষ্টাৰ হৈ থাকোতে ৰাইট টু এডুকেশ্যন এক্ট অনুসৰি** special TET **পাতি আমাৰ তাত শিক্ষক নিযুক্তি দিছিল। অসম চৰকাৰে সিদ্ধান্ত লৈছিল যে কাৰ্বি আংলং আৰু ডিমা হাচাও জিলাত আমাৰ তাৰে লোকেল আন এমপ্লইদ ইয়ুথক** special TET **পাতি শিক্ষক নিযুক্তি দিব**

**আৰু তাৰ বাবে** minutes **হৈছে** , Office Memorandum **ত দিয়া হৈছে। অধ্যক্ষ মহোদয়, আজি বিৰোধী দলে বিৰোধিতা কৰিছে কিন্তু চাওক আজি কাৰ্বি আংলঙত স্পেচিয়েল টেট দিয়া হৈছে ,কিন্তু ডিমা হাচাও জিলাত কিন্তু ২০২৩ চনৰ পৰা** special TET **হোৱা নাই। অধ্যক্ষ মহোদয়, মই শিক্ষা মন্ত্ৰীক অনুৰোধ কৰিব খুজিছো যে যাতে খুব সোনকালে ডিমা হাচাও জিলাত** special TET **ৰ জৰিয়তে টিচাৰ এপইন্টমেন্ট কৰে তাৰ বাবে আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো। অধ্যক্ষ মহোদয় আজি কল্পনাৰ বাহিৰত যে কাৰ্বি আংলঙৰ নিচিনা এটা পিছপৰা অঞ্চলত মেডিকেল কলেজ হৈছে, কাৰ নেতৃত্বত হৈছে। এইটো হৈছে ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত। আজি কাৰ্বি আংলঙত ইঞ্জিনিয়াৰিং কলেজ হ'ব , গোটেই ইনফ্ৰাচষ্ট্ৰাকচাৰ হৈ গ'ল। এতিয়া কাৰ্বি আংলঙত** Government Degree College **হ'ব। এইখিনি কৰিবলৈ বাজেট থাকিব লাগিব কাৰণ** Teaching Staff- Non Teaching Staff **দিব লাগিব। ইতিমধ্যে তাৰ ফাৰ্নিচাৰবিলাক হৈ গ'ল। মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ বাবে মই শিক্ষা মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ দিছো কাৰণ তেখেতে এই সদনতে কৈছিলে যে টিচিং ষ্টাফ দিব আৰু প্ৰতিশ্ৰুতি দিছিলে গৰ্ভমেন্ট ডিগ্ৰি কলেজৰ বাবে চাইন্স, কৰ্মাচ আৰু আৰ্টচ ষ্ট্ৰীম দিব। ৰেষ্ট কাৰ্বি আংলঙত এখনো গৰ্ভমেন্ট ডিগ্ৰী কলেজ নাই। পোন প্ৰথম বাৰৰ বাবে মাননীয় মুখ্যমন্ত্ৰী ডঃহিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া আৰু**

**শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু ডাঙৰীয়াই এইটো চিন্তা কৰিছে। নতুন এপইন্টমেন্ট দিব লাগিলেতো বাজেট বৃদ্ধি কৰিবই লাগিব। আজি কাৰ্বি আংলঙত** B.ed College **হ'ব । কাৰ্বি আংলং অটোনেমাচ কাউন্সিল ঘোষিত হোৱা আজি ৭৫ বছৰ হৈ গ'ল। কাৰ্বি আংলং আৰু ডিমা হাচাও দুয়োখনে ভাৰতৰ ষষ্ঠ অনুসূচীৰ এলেকা । আজিলৈকে তাত কোনো এখন ইঞ্জিনিয়াৰিং কলেজ বা ল'কলেজ নাছিল কিন্তু এতিয়া ইতিহাস হ'ব যে তাত এখন ইঞ্জিনিয়াৰিং কলেজ আৰু ল- কলেজ হ'ব। ডিমা হাচাওৰ মাইবঙতো এখন চৰকাৰী ইঞ্জিনিয়াৰিং কলেজ হ'ব। তাৰ বাবে বিৰোধী পক্ষই আদৰণিহে জনাব লাগে অধ্যক্ষ মহোদয়, গতিকে মই বিৰোধী দলৰ সন্মানীয় বিধায়কসকলক অনুৰোধ জনাও যে তেখেতসকলে কৰ্ত্তন প্ৰস্তাৱৰ ঠাইত সমৰ্থনহে জনাব লাগে । এই বাজেটত প্ৰভিন্সিয়েলাইজেশ্যনৰ কথা কোৱা হৈছে। যদি পুঁজি কৰ্ত্তন কৰাৰ কথা কয় তেনেহঁলে এই কামবোৰ কৰিবলৈ শিক্ষামন্ত্ৰীয়ে পুঁজি ক'ৰ পৰা দিব** ? **বিৰোধী পক্ষই তেওলোকৰ সমষ্টিত ইঞ্জিনিয়াৰিং কলেজ নিবিচাৰে নেকি** , **প্ৰভিন্সয়েলাইজেশ্যন নিবিচাৰে**, **নেকি**, **টিচাৰ নিযুক্তি দিয়াটো নিবিচাৰে নেকি** ? **গতিকে মই ভাবো বিৰোধী দলেও নিজা নিজা সমষ্টিত এই বিলাক বিচাৰে গতিকে মই অধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে সন্মানীয় বিৰোধী দলৰ সদস্যসকলক অনুৰোধ কৰিব বিচাৰিছো যে আপোনালোকে যাতে কৰ্ত্তন প্ৰস্তাৱটো উইড্ৰ' কৰে। এইখিনি কৈ মোৰ বক্তব্য সামৰণি মাৰিছো। ধন্যবাদ॥**

special tet ৰ জৰিয়তে যাত তাত স্থানীয় unemployed youth educated বিলাক যাতে নিযুক্তি পায় তাৰ কাৰণে মই মাননীয় অধ্যক্ষ মহোদয়ক request কৰিছো কাৰণ আমাৰ কাৰ্বিআংলং আৰু ডিমাহাছাও, আপুনি গৈয়ে থাকে আৰু প্ৰায় সন্মানীয় বিধায়কে ইয়াত গৈ থাকে। যে ইয়াত পাহাৰৰ এৰিয়াত ইয়াৰ পৰা যোৱা শিক্ষক বিলাক তাত বিদ্যালয়লৈ নাযায়, গতিকে তাৰ স্থানীয় শিক্ষক থাকিলেহে তাৰ শিক্ষা ক্ষেত্ৰ আগুৱাই লৈ যাব পাৰিব আৰু বিদ্যালয়লৈ যোৱা শিক্ষক হ'ব।

গতিকে অধ্যক্ষ মহোদয় মোৰ ফালৰ পৰা যাতে এই মাননীয় শিক্ষা মন্ত্ৰীৰ যিটো বাজেটৰ প্ৰস্তাৱ সেই প্ৰস্তাৱটো মোৰ ফালৰ পৰা সমৰ্থন কৰি ধন্যবাদ জনাইছো অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় বিধায়ক শ্ৰী মজিবুৰ ৰহমান।

**শ্ৰী মজিবুৰ ৰহমান (দলগাওঁ)**ঃ Honourable Speaker Sir Thank You for giving me an opportunity to speak up on cut motion . মাননীয় অধ্যক্ষ মহোদয়, যোৱা পাঁচ বছৰ বিধান সভাৰ মজিয়াত মই সদস্য আছিলো । সেই সময়ত মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত আৰু আৰ্শীবাদত মই মোৰ সমষ্টিত দুখন কলেজ পাইছো, এখন মহিলা বিজ্ঞান মহাবিদ্যালয়, আৰু এখন Arts College at Dalgaon. মাননীয় অধ্যক্ষ মহোদয়, লগতে দুখন হায়াৰ চেকেণ্ডাৰী মডেল হায়াৰ চেকেণ্ডাৰী হিচাপে দিছে । ৭.৫ কোটি টকা দিছে দৈপাম হাইস্কুল আৰু দলগাওঁ হাইস্কুল। মাননীয় অধ্যক্ষ মহোদয় ইয়াৰ কাৰণে মই তেখেতক ধন্যবাদ জ্ঞাপন কৰিছো । লগতে আজিৰ এই সদনত মই তেখেতক অনুৰোধ কৰিম যে infrastructure development ৰ কাৰণে যি প্ৰয়াস আৰু চেষ্টা আপুনি কৰিছে ভাল কথা, লগতে আপুনি যিখিনি হায়াৰ চেকেণ্ডাৰী হাইস্কুলৰ পৰা হায়াৰ চেকেণ্ডাৰী কৰিলে, সেই হায়াৰ চেকেণ্ডাৰী স্কুলত আপোনাৰ শিক্ষকৰ যি নাটনি আছে এইক্ষেত্ৰত আপুনি অলপ মনোনিবেশ কৰিব লাগিব । বিশেষকৈ যিখিনি হায়াৰ চেকেণ্ডাৰীত আছে সেই হায়াৰ চেকেণ্ডাৰীবোৰত আপোনাৰ হাইস্কুলৰ যিসকল PGT Teacher আছে তেখেতসকলে পঢ়াব লগা হৈছে। বহু স্কুল আছে বিশেষকৈ মোৰ বৰুৱাজাৰ হাইস্কুল, হায়াৰ চেকেণ্ডাৰী কৰা হৈছে, এই হায়াৰ চেকেণ্ডাৰীত ৰাজনীতি বিজ্ঞানৰ শিক্ষক নাই , PGT Teacher নাই। এতিয়া পঢ়াব কোনে, গতিকে সেই বিষয়টো যদি পঢ়োৱা নহয় ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষা কেনেকৈ দিব ? গতিকে এনেকুৱা বহু স্কুল আছে যিবিলাক স্কুলত আপোনাৰ PGT Teacher ৰ অভাৱ আছে সেই PGT Teacher ৰ নিযুক্তি অতি সোনকালে কৰিব লাগে। মাননীয় অধ্যক্ষ মহোদয় আৰু মোৰ সমষ্টিত বিশেষকৈ আপোনাৰ শিলগুৰি চিৰাজুল

হক হাইস্কুল, আপোনাৰ বৰ্ডাৰ এৰিয়া বৰছলা সমষ্টি আৰু ইফালে দলগাওঁ সমষ্টিৰ মাজবাট সমষ্টিৰ বৰ্ডাৰ এৰিয়াৰ ওচৰত এটা শিলগুৰি মাৰ্কেট আছে খুব যথেষ্ট potential ঠাই। তাতে সেই স্কুলত ছাৰ ছাত্ৰ- ছাত্ৰী মোটামুটি প্ৰায় more than 2000 . সেই স্কুলত ছাৰ হায়াৰ চেকেণ্ডাৰীৰ কাৰণে মই যোৱাবাৰো কৈছিলো, শিক্ষা মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যে আপুনি চিৰাজুল হক হাইস্কুলখন হায়াৰ চেকেণ্ডাৰী লৈ upgrade কৰিব লাগে আৰু তিনি নং চামপুৰ চাপৰি ছাৰ এই কথাটো কৈ কৈ মই হায়ৰান হৈ গৈছো ছাৰ বিধান সভাৰ মজিয়াত। পাঁচ বাৰ কলো এতিয়া sixth time, যে আপোনালোকৰ চৰ চাপৰিত more than 50,000 (fifty thousand) population বসবাস কৰে । চামপুৰ, আৰিমাৰি, কল্যাণ চাপৰি আৰু কেইবাখনো চাপৰি ওচৰত আছে, তাত কোনো হাইস্কুল নাই। হাইস্কুল নথকাৰ কাৰণে সেই অঞ্চলৰ লৰা ছোৱালী সকলে এই বানপানীৰ সময়ত দলগাওঁ হায়াৰ চেকেণ্ডাৰী আৰু খাৰুপেটীয়া হায়াৰ চেকেণ্ডাৰীলৈ আহিব লাগে more than 16 kilometer, 17 Kilometers দুৰ হয় মাননীয় অধ্যক্ষ মহোদয়। মই মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াক আজি আকৌ অনুৰোধ কৰিম যে আপুনি এই চামপুৰ এম ই স্কুল খন কেতিয়া কৰি দিব? আজি সদনত যেতিয়া উত্তৰ দিব তেতিয়া এই কথাটো কলে মই নথৈ আনন্দিত হম। এইটো হাইস্কুল বা হায়াৰ চেকেণ্ডাৰীলৈ উন্নীত কৰিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, বহু স্কুলৰ এতিয়া মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াই তেখেতে প্ৰশ্নোত্তৰ কালত মাননীয় বিধায়ক শ্ৰী নুৰুল হুদা চাহাবে প্ৰশ্ন কৰাত তেখেতে উত্তৰ দিছে যে এতিয়াও PTR মিলা নাই, ছাত্ৰ আৰু শিক্ষক অনুপাতে ratioৰ মিল নাই। এইটো সংখ্যাটো শুনিলে আপুনি ছাৰ আচৰিত হৈ যাব, ইমান ডাঙৰ সংখ্যা যে আপুনি ভাবিবই নোৱাৰে। আপোনাৰ তাত হয়টো চিঠি গৈছে যে নম্বৰ ১ দিছে আপোনাৰ নিম্ন প্ৰাথমিক বিদ্যালয় ছাৰ PTR নিমিলা শিক্ষক আৰু ছাত্ৰ নিমিলা সংখ্যা ছাৰ ৫৩০৩ যত নেকি আপোনাৰ স্কুল আছে ৩৩,২৩২ খন নিম্ন প্ৰাথমিক বিদ্যালয় , তাতে আপোনাৰ PTR নিমিলা হ'ল ৫৩০৩ খন । উচ্চ প্ৰাথমিক বিদ্যালয়ত ১২৫৩ ছাত্ৰ আৰু শিক্ষকৰ ratio মিলা নাই। মাধ্যমিক বিদ্যালয়ত

ছাৰ ৮১১ আপোনাৰ ratio নাই মিলা নাই। উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এইটো আচৰিত কথা  ছাত্ৰ আৰম্ভ কৰিলে এল পি স্কুল, এম ই স্কুল গ'ল, হায়াৰ স্কুলত আহি আধাতে লিখা পঢ়া এৰিব লগা হৈছে। যাব ক'ত, যোৱা ঠাই নাই। আপুনি শুনিলে আচৰিত হ'ব যে 571 out of 1391 স্কুলত হায়াৰ চেকেণ্ডাৰী স্কুলৰ ভিতৰত ৫৭১ খন স্কুলত PTR মিলা নাই। আপোনাৰ যদি percentage চায় ৪১ শতাংশ ছাৰ। গতিকে মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিম মানৱ সম্পদ গঢ়িব লাগিব। মানৱ সম্পদ নাথাকিলে ভৱিষ্যৎ এই দেশ ৰসাতলত যাব। গতিকে আমি মানৱ সম্পদ কৰাৰ ক্ষেত্ৰত কোনো consider কৰিব নালাগে। মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিছো আপুনি ছাত্ৰ আৰু শিক্ষক অনুপাতে ৩০:১ এইটো maintain কৰাৰ কাৰণে এতিয়াৰ পৰাই প্ৰয়াস আৰু চেষ্টা আৰম্ভ কৰক যাতে আমাৰ এই অসমত মানৱ সম্পদ গঢ়াৰ ক্ষেত্ৰত যাতে আমি কতো কৃপনালি নকৰো । মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ স্কুল বিলাকত স্মাৰ্ট ক্লাছৰ কাৰণে কম্পিউটাৰ দিয়া হৈছে, ডেস্ক, বেন্স, ফেন সকলোবোৰ আছে কিন্তু তাত চকীদাৰ নাই। প্ৰত্যেকখন স্কুলত এতিয়া চুৰি কৰা আৰম্ভ হ'ল। স্কুলত ফেন চুৰি কৰে, কিতাপ চুৰি হৈ যায়, ডেস্ক বেন্স লৈ গুছি যায়, কম্পিউটাৰ চুৰি হৈ আছে গতিকে এইবিলাক যে চুৰি হৈ আছে কোনে সুৰক্ষা দিব ছাৰ। স্কুলত ৰাতিপুৱা শিক্ষক আহি আৰু আবেলি তলা মাৰি গুছি যায় আৰু সেই তলা ভাঙি চোৰে চুৰি কৰি লৈ যায়। গতিকে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াক মই অনুৰোধ কৰিম এইটোৰ ওপৰত বিহীত ব্যৱস্থা কৰিব লাগে। আমাৰ বাজেটখন ইমান ডাঙৰ বাজেট more than 2 Lakhs crore, এই ক্ষেত্ৰত মই ভাবো এই চকীদাৰ, নৈশ চকীদাৰ নিয়োগ কৰক। কেতিয়াবা কেতিয়াবা এনকুৱা ও হয় যে হাইস্কুল প্ৰধান শিক্ষকে, এম ই স্কুল প্ৰধান শিক্ষকে জাৰু দিব লগা হৈছে চকীদাৰ নাই কি কৰিব উপায় নাই লেতেৰা হৈ পৰি আছে স্কুলখন। গতিকে এই ক্ষেত্ৰত মই ভাবো আগৰ চৰকাৰে যেনেকুৱা কৰিছিলে তেনেকুৱা আপোনালোকৰ চৰকাৰেও সেয়াই কৰে তেতিয়াহলে নহবগৈ । এইবিলাক আগৰ পৰাই আহিব লাগিছিল । শিক্ষাৰ

এইবিলাক চিন্তা কৰিবলগীয়া আছিল। মাননীয় অধ্যক্ষ মহোদয়, লগতে মই এটা কথা কব লাগিব ২০২১ চনত যেতিয়া মই প্ৰথমবাৰ বিধায়ক হৈছিলো সেই সময়ত মই অসম বিধান সভাৰ ওপৰত এটা কথা উপস্থাপন কৰিছিলো আৰু সেইটো কাৰ্য্যকৰী হোৱাৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী আৰু মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াক মই ধন্যবাদ জ্ঞাপন কৰিব লাগিব। স্কুলত যদি formal education দি আছো, traditional education দি আছো সেই traditional education দিয়াৰ কাৰণে আৰু আমি মাৰ্কসলৈ কম্পিটিচন কৰি থাকো ,যে মোৰ লৰাই কিমান নম্বৰ পাব-৯০ নম্বৰ পাব, ৯৯ নম্বৰ পাব লাগিব আৰু ১০০ নম্বৰ পালে বেছি ভাল পায় যদি কোনোবা ছাত্ৰ-ছাত্ৰীয়ে ৯০ নম্বৰ পায় তেতিয়া অভিভাৱকে কি কয় যে ইমান কম নম্বৰ পালে, ৰিজাল্ট ভাল হোৱা নাই। এনেকুৱা লাগে যাতে সি ডিগ্ৰী কোনোবা লণ্ডণৰ পৰা পাছ কৰি আহিছে বাপেক পুতেকে কিন্তু বিচাৰে থিক আছে বিচাৰিছে ভাল ৰিজাল্ট হ'ব লাগে। কিন্তু শিক্ষাৰ লগতে নীতি শিক্ষা দিব লাগিব। যিজন লৰা জনে ৯০ শতাংশ নম্বৰ পায় ভাল বিশ্ববিদ্যালয়ত পঢ়িব যায় তাৰ লগত তাৰ যদি এজন মানুহে হিচাপে এই দেশত বসবাস কৰাৰ কাৰণে যদি নিয়ম নীতি নাজানে এটা উশৃংখল পৰিবেশত যদি বসবাস কৰিব লগা হয় বহু বেয়া কথা। সেই কাৰণে মই কৈছিলো যে আগৰ দিনত আপোনাৰ চৰিত্ৰ পাঠ বুলি এখন শিক্ষা বিষয় আছিলে। সেই চৰিত্ৰ পাঠ নথকাৰ কাৰণে লৰা ছোৱালী উদ্ভণ্ডালি হৈ গ'ল শিক্ষক শিক্ষয়িত্ৰীক নামানে, জুনিয়ৰে চিনিয়ৰক নামানে , পিতৃ মাতৃক শ্ৰদ্ধা নকৰে এনেকুৱা বহু কাম লৰা ছোৱালীয়ে কৰা হয় । উদ্ভণ্ডালিৰ এটা সমাজ গঢ়ি উঠিলে। গতিকে এই ক্ষেত্ৰত চৰিত্ৰ পাঠটো এইবাৰ দিয়া হৈছে আৰু ইয়াৰ কাৰণে মই ধন্যবাদ জ্ঞাপন কৰিছো। Moral science টো ছাৰ seriously লব লাগে, লৰা ছোৱালীয়ে আজিকালি যি ড্ৰাগছ খায়, মটৰ চাইকেল stunning motorcycle , চুলি আধা আছে আধা নাই, লংপেন্ট চাৰ্ট আধা আছে আধা নাই-what is this? এইবিলাক হৈছে আমাৰ আজিৰ যুগৰ ফেশ্বন। This is not fashion. এনেকুৱা ধৰণৰ লৰা ছোৱালীয়ে আমাৰ দেশখন শেষ কৰিব গৈ আছে। গতিকে মাননীয় অধ্যক্ষ মহোদয় এইটো হোৱাৰ মুল কাৰণ

হৈছে আমাৰ শিক্ষা। এই যে নীতি শিক্ষা Moral science টো আমি দিব লাগিব যে পিতৃ মাতৃৰ কেনেকৈ সেৱা কৰিব লাগে, লৰা ছোৱালীক কেনেকৈ মৰম কৰিব লাগে, দুখীয়াক কেনেকৈ মৰম কৰিব লাগে, সমাজখনক কেনেকৈ গঢ়িব লাগিব সেই শিক্ষাটো আমি মাত্ৰ Moral science ত পাওঁ। গতিকে Moral science টো compulsory subject হিচাপে হ'ব লাগে, ক্লাছ ৫ ৰ পৰা ক্লাছ ১০ লৈকে তেতিয়াহলে দেশখনৰ লগতে মানৱ সম্পদ গঢ়িব লগতে মানুহ কৰিব ছাৰ। মাননীয় অধ্যক্ষ মহোদয়  computer science ছাৰ মই কব খুজিছো ছাৰ এই formality টো চিন্তা কৰক তাৰ লগতে লৰা ছোৱালী কেনেকৈ ফেৰ মাৰিব বহু লৰা ছোৱালীয়ে BA Pass কৰিছে। গুৱাহাটীত ছাৰ বহু লৰা ছোৱালীয়ে BA Pass কৰি  MA Pass কৰিছে গুৱাহাটীতে বহু ল'ৰা-ছোৱালীয়ে BA, MA Pass কৰিও ৰিক্সা চলায়।  ৰিক্সাত উঠিলে যেতিয়া তেওঁলোকক সুধো কি পাছ কৰিছে, তেতিয়া BA  পাছ কৰা বুলি কয়।  Formal Education কৰি তেওঁলোকে একো কৰিব পৰা নাই। যদি সেই ল'ৰা-ছোৱালীখিনিক Computer, Tally, DTP ৰ শিক্ষা দিলেহেঁতেন, তেতিয়াহ'লে তেওঁলোকে ক'ৰবাত নহয় ক'ৰবাত কিবা কৰি খাব পাৰিলেহেঁতেন। পৰিয়ালটোক ভৰণ-পোষণ দিব পাৰিলেহেঁতেন। সেয়েহে মই মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যে next Session ত কিবাকৈ এই computer science বিষয়টো compulsory হিচাপে Class V পৰা দিব পৰা যায় নে নাই তাৰ ওপৰত চৰ্চা কৰিব লাগে। অধ্যক্ষ মহোদয়, এটা কথা ক'বই লাগিব যে  মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ে ৩০তকৈ অধিক ছাত্ৰ-ছাত্ৰী থকা স্কুলৰ নাম মোক দিছে।  কিন্তু বিধায়ক হিচাপে মই স্বীকাৰ কৰিব  লাগিব চাগে মোৰো ক'ৰবাত ভুল আছে নহ'লে মোৰ সমষ্টিত স্কুলৰ এনেকুৱা অৱস্থা যে হৈছে মই গ'মেই নাপাওঁ ।  মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ে মোক information দিছে , মোৰ সমষ্টিৰ ১৭ খন স্কুলত ৩০ তকৈ অধিক ছাত্ৰ-ছাত্ৰী আছে।  কিন্তু এখন স্কুলত চাৰিজন ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে শিক্ষক আছে দুজন।  আন এখন স্কুলত ৫ জন ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে দুজন  শিক্ষক আৰু আন এখন স্কুলত শূন্য ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে শিক্ষক আছে তিনিজন। স্কুলৰ নামকেইটা নকওঁ চাৰ। নামকেইটা

ক'লে সেই স্কুলকেইখনৰ শিক্ষকসকলে বেয়া পাব। তেওঁলোকে ভাৱিব যে তেওঁলোকে বিধায়কক ভোট দিলে আৰু বিধায়কে গৈ দিছপুৰত বিৰুদ্ধেহে কথা ক'লে। মাননীয় অধ্যক্ষ মহোদয়, এইটো এটা ডাঙৰ crime হৈ আছে। এই টকাবোৰ আমাৰ ৰাইজৰ টকা। আমাৰ ব্যক্তিগত টকা নহয়। সেয়েহে মই মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যে য'ত ৩০তকৈ অধিক ছাত্ৰ-ছাত্ৰী আছে সেইকেইখন স্কুল amalgamate কৰি দিয়ক। এইটো আৰু ৰখাবই নালাগে। চাৰ, মই ইয়াত বহি মোবাইলত calculator মাৰি হিচাপ কৰিলো যে এজন ছাত্ৰৰ নামত মাহত ১৬ হাজাৰ টকা খৰচ হয়। ৩ জন শিক্ষকৰ দৰমহা ১,৮০,০০০ টকা, আন্তঃগাঁথনি উন্নয়নৰ বাবে ২০ হাজাৰ টকা আৰু mid-day mealৰ নামত ৫ হাজাৰ টকাকৈ যদি দিয়া হয় তেন্তে এজন ছাত্ৰৰ নামত average ১৬ হাজাৰ টকা খৰচ হৈ আছে। এই ছাত্ৰ-ছাত্ৰীকেইজনক যদি National Public School, Delhi Public School,. Dehradun ৰ The Doon School ত পঢ়ালেও ইমান খৰচ নহ'লহেঁতেন। গতিকে মাননীয় অধ্যক্ষ মহোদয়, এই system বোৰ বন্ধ হ'ব লাগিব। দুজন শিক্ষকে চাৰিজন ছাত্ৰক কি পঢ়াব ? তেওঁলোকে গৈ টোপনি মাৰি থাকে। এইবোৰ নহ'ব চাৰ। মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে অতি সোনকালে মোৰ সমষ্টিৰ এই ১৭ খন স্কুলক amalgamate কৰিব লাগে। ১০০ জন ছাত্ৰ-ছাত্ৰী থকা স্কুলৰ list মই পোৱাই নাই। মোৰ সমষ্টিৰ ৫০তকৈ অধিক স্কুলত PTR নাই। ছাত্ৰ-ছাত্ৰী ১০০ জন কিন্তু শিক্ষক হ'ল এজন। এইবোৰৰ বিষয়ে DC, IS, Block Elementary Education Officer বোৰে চাব লাগে। তেওঁলোকে তাত কি কৰে? ইয়াৰ ওপৰত action হ'ব লাগে। তেওঁলোকে এইবোৰ নাচায় নেকি? আমি যদি কওঁ তেতিয়া আমি বেছি দেখাব অহা বুলি ক'ব। আমাৰ সন্মুখত নকয় কিন্তু মনে মনে ক'ব। এইবোৰ বহুত কথা আছে। চাৰ, এখন স্কুলৰ ২৫ বছৰ হৈ গ'ল তাৰ শিক্ষকজনে ঘৰৰ পৰা গৈ স্কুলৰ তলা খুলি Punching Machine ত punch মাৰি ঘৰত আহি ধান কাটি থাকে। এনেকৈ হ'লে কেনেকৈ হ'ব? আমাৰ ল'ৰা-ছোৱালীবোৰ ধ্বংস হব। এইবোৰ বিশেষকৈ আমাৰ minority সমষ্টিত হৈছে। Minority সমষ্টিত

ল'ৰা-ছোৱালীক শিক্ষক, চাউল, দালি সকলো দিছে কিন্তু আমাৰ শিক্ষকসকলে পঢ়াইছে যদিও কমকৈ পঢ়াইছে। মাননীয় অধ্যক্ষ মহোদয়, এই যে স্কুলখনত শিক্ষকজনৰ ২০ বছৰ হৈ গ'ল তেওঁলোকে স্কুলখনক ঘৰৰ নিচিনা ভাৱে। সেয়েহ মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যে তেখেতে যাতে লৰচৰ কৰাৰ ব্যৱস্থা কৰে। New Education Policy ত হেনো শিক্ষকসকলক transfer কৰিব নোৱাৰে। গোটেই পৃথিৱীখনত transfer কৰিব পাৰে কিন্তু শিক্ষকসকলক কিয় transfer কৰিব নোৱাৰে? আজি সদনত বা কেবিনেটত সিদ্ধান্ত হ'ব লাগে যে নিজৰ জিলাতে শিক্ষকখিনিক অলপ ইফাল-সিফাল কৰি দিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, Education Volunteer ৰ system টো যদি afford কৰিবই নোৱাৰে তেন্তে সেইবোৰ chance দিবই নালাগিছিল। মাদ্ৰাছাবোৰত ভালৰ কাৰণেই প্ৰথমতে এজন শিক্ষকক voluntarily পঢ়াবৰ বাবে দিছিল। তেওঁলোকক ৫-৬ হাজাৰ টকা দৰমহা দিয়া হৈছিল। কিন্তু মাদ্ৰাছাবোৰ বন্ধ হোৱাত সেই শিক্ষকসকলক remuneration দি বেলেগ এল,পি স্কুলত দিয়া হ'ল। মাহিলী ৬০ হাজাৰ টকা দৰমহা পোৱা এজন শিক্ষকে যিখিনি কাম কৰে সেই একেই duty and hours ৬ হাজাৰ টকাত সেই শিক্ষকখিনিয়ে কৰি আছে। আজিৰ দিনত সেই BA, MAপাছ কৰা ল'ৰাজনে ৬ হাজাৰ টকাৰে কি কৰিব পাৰিব? সেয়েহে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যে সেই শিক্ষকখিনিয়ে যেতিয়া অৱসৰ ল'ব তেতিয়া তেওঁলোকক এককালীন ভাৱে মাননি এটা যদি দিয়ে তেন্তে তেওঁলোকে পৰিয়ালটোক লৈ অন্ততঃ দোকান-পোহাৰ দি ল'ৰা-ছোৱালীক ভৰণ-পোষণ দিব পাৰিব। শিক্ষাৰ ওপৰত ক'বলৈ বহুত কথা আছে কিন্তু কৈ থাকিলে আৰু বহুত কথা ওলাই থাকিব। বৰ্তমান মোৰ সমষ্টিত higher education বুলি ক'লে একমাত্ৰ খাৰুপেটীয়া কলেজখনেই আছে। এই কলেজখন ঐতিহাসিকভাৱে ১৯৮১ চনত অসম আন্দোলনৰ সময়ত establish কৰা হৈছিল । সেই higher education থকা কলেজখনত এতিয়া 4 years Degree Course introduce কৰা হৈছে। সেই 4 years Degree Course ৰ last year টো Scholars and Research ৰ বাবে দিয়া হৈছে । PhD থকাটো

compulsory কৰা হৈছে। কিন্তু PhD holder নথকা বাবে ল'ৰা-ছোৱালী এতিয়া 4 years Degree Course কৰিব নোৱাৰে। এতিয়া শিক্ষকসকলে কয় যে বেলেগ শিক্ষানুষ্ঠানত গৈ বেলেগ ব্যৱস্থাৰে চাৰ্টিফিকেট লৈ ওলাই যাওঁক। গতিকে আমি এইটোৰ ওপৰত অলপ নজৰ দিব লাগে। PhD থকাটো যদি compulsory কৰিছে তেন্তে PhD থকা শিক্ষক দিয়াৰ ব্যৱস্থা কৰক আৰু যদি PhD নোহোৱাকৈ চলিব পাৰে তেন্তে তেনে ব্যৱস্থা কৰি দিয়ক। এটা গাইডলাইন যাব লাগে। মাননীয় অধ্যক্ষ মহোদয়, স্কুলসমূহত SMC আৰু কলেজসমূহত Governing Body থাকে। সেই SMC, GB খনৰ President জন যদি মূৰ্খ হয় স্কুল-কলেজখন কেনেকৈ ভালদৰে চলিব ? পণ্ডিতজনে যদি শাস্ত্ৰ নাজানে তেখেতে কেনেকৈ পণ্ডিত হ'ব? আৰৱী নজনা মানুহজন যদি মৌলানা হয় তেওঁ কি শিক্ষা দিব ? গতিকে এই SMCৰ President, Members বিলাকৰ minimum qualification ধৰি দিব লাগে। তেতিয়াহে স্কুলখন ভাল হ'ব। আনহাতে, কলেজৰ Governing Body ৰ Chairman জন দিয়াৰ সময়ত যদি সেই সমষ্টিৰ বিধায়কক confidence ত লোৱা যায়, আপুনি যাক ইচ্ছা কৰে তেওঁকে দিয়ক যিহেতু আপুনি শিক্ষা মন্ত্ৰী, কেবিনেট মন্ত্ৰী কিন্তু বিধায়কজনক যদি ফোন কৰি জনোৱা হয় যে এওঁক দিয়া হৈছে, ঠিকে আছে নে, এনে কৰিলেও শান্তি পাম চাৰ। এইবাৰ খাৰুপেটীয়া কলেজত এটা ঘটনা ঘটি গৈছে, সেই বিষয়ে মই আৰু নকওঁ দিয়ক চাৰ। আমি বিচাৰিম যে Governing Body ৰ Chairman জন জিলাখনৰে স্থানীয় মানুহ হ'লে ভাল হয়। স্থানীয়ভাৱে বহুত scholar and educationist আছে , PhD কৰা বহুত Principal আছে যিয়ে retirement লৈছে। অধ্যক্ষ মহোদয়, আপুনি মোক বহুত সময় দিছে, তাৰ কাৰণে মই আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো আৰু মই কোৱা কথাখিনি মাননীয় মন্ত্ৰী মহোদয়ে হৃদয়ংগম কৰি আৰু অলপ মৰমেৰে দলগাওঁ সমষ্টিটো চাওঁক। কাৰণ দলগাওঁ সমষ্টিটো অসমৰ ভিতৰত একমাত্ৰ সমষ্টি য'ত ৩,২০,০০০ ভোটাৰ আছে। গতিকে মোৰ সমষ্টিত সদায় অলপ বেছি বেছিকৈ দিব লাগিব। যদি ক'ৰবাত ২ খন মডেল স্কুল দিছে, মোৰ তাত ৩ খন দিব লাগিব। ক'ৰবাত যদি ৫ কিঃমিঃ

ৰাস্তা দিছে মোৰ তাত ৮ কিঃমিঃ দিব লাগিব। আমাৰ মাননীয় মন্ত্ৰী জয়ন্ত মল্লবৰুৱা ডাঙৰীয়াৰ সমষ্টিত যদি ১০ কিঃমিঃ হয় তেন্তে মোৰ তাত ২০ কিঃমিঃ হ'ব লাগে চাৰ। এই কাৰণেই হ'ব লাগিব কিয়নো তাৰ জনসংখ্যা চাব লাগিব। আমাৰ জিলাখনত যদি টকা আহে, যিহেতু ৩ টা সমষ্টি গতিকে ৩টা ভাগত বিভক্ত হ'ব লাগিব। এতিয়া যদি নীলিমা বাইদেউ মন্ত্ৰী হোৱা কাৰণে মাজতে কয় যে মোক বেছিকৈ লাগিব, আপুনি সন্মান সহকাৰে বেছিকৈয়ে লওঁক, কিন্তু মোৰখিনি কটাৰ বাবে চেষ্টা নকৰিব। এইখিনিয়েই কথা। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, ধন্যবাদ। ভাৰতীয় জনতা পাৰ্টীৰ পুলক গোঁহাই।

**শ্ৰী পুলক গোঁহাই, (তিনিচুকীয়া)ঃ** সন্মানীয় অধ্যক্ষ মহোদয়, শিক্ষা বিভাগৰ যি মঞ্জুৰী ইতিমধ্যে দাখিল কৰা হৈছে আৰু যাৰ ওপৰত বিৰোধী পক্ষই মঞ্জুৰী কৰ্ত্তনৰ সম্পৰ্কে বক্তব্য ৰাখিছে মই সেইটো নাকচ কৰিছো আৰু ইয়াৰ সমৰ্থনত কিছু বক্তব্য ৰাখিব বিচাৰিছো। মাননীয় অধ্যক্ষ মহোদয়, আমি সকলোৱে জানো যে শিক্ষানুষ্ঠানসমূহ গঢ় দিয়া স্থানীয় যিসকল সচেতন ব্যক্তি আৰু ৰাইজ আছে, সেই সকলৰ আশাশুধীয়া প্ৰচেষ্টাত একোখন বিদ্যালয় গঢ় লৈ উঠে। পৰৱৰ্তী পৰ্য্যায়ত এই বিদ্যালয় সমূহক চৰকাৰে প্ৰাদেশীকিকৰণ কৰে বা চৰকাৰীকৰণ কৰে। ইয়াৰ লগে লগে চৰকাৰৰ বিশেষভাৱে দায়িত্ব আহি পৰে। সেই বিদ্যালয় খনৰ সকলো ক্ষেত্ৰত, উন্নয়নৰ ক্ষেত্ৰত, শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত যাতে শিক্ষানুষ্ঠানখন ভালদৰে চলি থাকে তাৰ কাৰণেও বিশেষভাৱে চৰকাৰৰ দায়িত্ব আহি পৰে আৰু এইক্ষেত্ৰত স্বাভাৱিকভাৱে চৰকাৰখনৰ পুঁজিৰ প্ৰয়োজনীয়তা থাকে। আমাৰ যিখন বাজেট ইতিমধ্যে মাননীয় শ্ৰী জয়ন্ত মল্ল বৰুৱা ডাঙৰীয়াই প্ৰস্তুত কৰি উলিয়াইছে আৰু এই পবিত্ৰ সদনত দাখিল কৰিলে, শিক্ষা বিভাগত যিখিনি পুঁজি তেখেতে ধাৰ্য্য কৰিছে, বিদ্যালয় শিক্ষা হওঁক বা উচ্চ শিক্ষাৰ ক্ষেত্ৰত হওঁক, মই ভাবো যে এই পুঁজি আৰু বৃদ্ধি কৰাৰ প্ৰয়োজনীয়তা আছে। কাৰণ চাওক, এই বাজেটৰ যোগেদি এইবাৰ আমাৰ ৭ খন কৈ বিশ্ববিদ্যালয়ত ১০০ কোটি টকাকৈ ধাৰ্য্য কৰা হৈছে। যিটো অতি আনন্দৰ কথা, শৈক্ষিক খণ্ডলৈ এটা আমূল পৰিৱৰ্তন অনাৰ কাৰণে বিশেষভাৱে চেষ্টা

কৰা হৈছে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ঘোষণা কৰিছে, বাজেটত উল্লেখ কৰা হৈছে যে প্ৰতিখন জিলাত একোখনকৈ বিশ্ববিদ্যালয়, একোখনকৈ অভিযান্ত্ৰিক মহাবিদ্যালয়, পলিটেকনিক খোলাৰ কাৰণে ইতিমধ্যে সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। এয়া নিশ্চয় অসমৰ শৈক্ষিক মানচিত্ৰ খনৰ কাৰণে এক আশাৰ বতৰা। আমাৰ নিজৰ জিলাখনতে আমি এখন মেডিকেল কলেজ লাভ কৰিম, ইতিমধ্যে বহুতে লাভ কৰিছে। বাকী সকলে লাভ কৰিবলৈ গৈ আছো। বিশ্ববিদ্যালয় লাভ কৰিম, ইঞ্জিনিয়াৰিং কলেজ পাম, পলিটেকনিক পাম। এইবিলাকৰ কাৰণে নিশ্চিতভাৱে আমাৰ পুঁজিৰ প্ৰয়োজনীয়তা নিশ্চয় থাকিব। গতিকে আজিৰ পৰা যদি আমি ১০-১৫ বছৰৰ আগৰ শিক্ষাখণ্ডটোলৈ চাবলৈ যাওঁ, এইবিলাক কথা আমি সেই সময়ত চিন্তাই কৰিব পৰা নাছিলো। এখন জিলাত এখন মেডিকেল কলেজ হোৱা, এখন জিলাত এখন বিশ্ববিদ্যালয় হোৱা, এখন জিলাত এখন ইঞ্জিনিয়াৰিং কলেজ হোৱা এই কথাখিনি আমি কেতিয়াও কল্পনা কৰিব পৰা নাছিলো। কিন্তু এইবাৰ এইখন বাজেটে সেই কল্পনাক আশালৈ ৰূপান্তৰ কৰিছে। মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ যোগেদি মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়াক, শিক্ষামন্ত্ৰী ডাঙৰীয়াক আন্তৰিকতাৰে ধন্যবাদ জনাইছো যে এনেধৰণৰ এটা মহৎ উচ্চ যিটো প্ৰচেষ্টা আপোনালোকে গ্ৰহণ কৰিছে। তাৰ লগে লগে আমি দেখা পাইছো যে এইবাৰ বাজেটত উল্লেখ কৰা হৈছে যে বিশ্ববিদ্যালয় অনুদান আয়োগে ইতিমধ্যে যি ২৭ খন মহাবিদ্যালয়ক স্বায়িত্বশাসিত মহাবিদ্যালয় হিচাপে ঘোষণা কৰিছে, সেই মহাবিদ্যালয় সমূহলৈয়ো ২ কোটি টকাকৈ ধাৰ্য্য কৰাৰ কাৰণে সিদ্ধান্ত গ্ৰহণ কৰিছে। মই মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়াক আন্তৰিকতাৰে ধন্যবাদ জনাম মোৰ তিনিচুকীয়া বিধান সভা সমষ্টিত যিখন কমাৰ্চ কলেজ আছে, বাণিজ্য মহাবিদ্যালয় আছে, সেইখন স্বায়িত্বশাসিত মহাবিদ্যালয়ৰ অন্তৰ্ভুক্ত হৈছে সেইখন মহাবিদ্যালয়ত ২ কোটি টকা আন্তগাঁথনি উন্নয়ণৰ কাৰণে লাভ কৰিব। মই তাৰবাবে পুনৰবাৰ বিত্তমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো। মাননীয় অধ্যক্ষ মহোদয়, গুণগত শিক্ষাৰ ক্ষেত্ৰত এইখন বাজেটে বিশেষ গুৰুত্ব আৰোপ কৰিছে। বিশেষকৈ এইবাৰ বাজেটত আমি দেখা পাইছো যে Tata

Technologies Limited ৰ  সহযোগত নলবাৰী আৰু শোণিতপুৰ পলিটেকনিকত উৎকৃষ্টতা কেন্দ্ৰ স্থাপন কৰাৰ লগতে অন্যান্য পলিটেকনিকত ইতিমধ্যে ১৫ টা উৎকৃষ্টতা কেন্দ্ৰ স্থাপন কৰি অধ্যক্ষ সকলক হস্তান্তৰ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে । তাৰ লগে লগে ৩ খন অভিযান্ত্ৰিক মহাবিদ্যালয়ত, আমাৰ পলিটেকনিক সমূহত ১৭ টাকৈ উৎকৃষ্টতা কেন্দ্ৰ ইতিমধ্যে স্থাপনৰ প্ৰস্তাৱ লৈছে যিটো মই ভাবো যে এটা লেখত ল'বলগীয়া কথা । মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সমষ্টিটোৰ চাহ বাগিছাত যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰী আছে । মই নিজেই চাহবাগিছাৰ এল. পি স্কুলত পঢ়ি অহা । আমি সেই সময়ত দেখা পাইছিলো যে চাহ বাগিছাসমূহত মাত্ৰ এল. পি. স্কুললৈকেহে অৰ্থাৎ 'ক' শ্ৰেণীৰ পৰা চতুৰ্থ শ্ৰেণীলৈকে আছে । তেতিয়া ক' শ্ৰেণীৰ পৰা চতুৰ্থ শ্ৰেণীলৈকে আছিল । ইমানলৈকে পঢ়িব পাৰে। তাৰ পিছতে সেই বাগিছাৰ ছাত্ৰ-ছাত্ৰী সকলে যদি এম. ই. স্কুল পঢ়িব লাগে বা হাইস্কুল পঢ়িব লাগে, তেনেহ'লে চহৰ অঞ্চল বা দূৰ অঞ্চললৈ গৈ সেই এম. ই. বা হাইস্কুলত পঢ়িব লগা অৱস্থা হৈছিল। চাহ শ্ৰমিকৰ সন্তান সকলে ঘৰত সেই পৰিৱেশ পোৱা নাছিল যে তেওঁলোকে আন এঠাইত দৈনন্দিন গৈ ক্লাছ কৰিব, স্কুললৈ যাব, পঢ়াশুনা কৰিব । পিতৃ-মাতৃ তেনেকৈ সচেতন নাছিল, আৰ্থিকভাৱে স্বচ্চল নাছিল যাৰ কাৰণে এল. পি. স্কুল পঢ়িয়েই বেছিভাগ ছাত্ৰ-ছাত্ৰী, চাহ বাগিছাৰ ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা জীৱন সাং কৰিছিল । কিন্তু আজি আমি গৌৰৱেৰে ক'ব পাৰো মই যি ঠাইত পঢ়ি আহিছো তাৰ দাঁতিকাষৰীয়া অঞ্চলত এখন মডেল স্কুল স্থাপন কৰা হৈছে আৰু চাহ বাগিছাৰ ছাত্ৰ-ছাত্ৰীয়ে আজি তাত শিক্ষা গ্ৰহণ কৰিব পাৰিছে । এয়াই হৈছে আমাৰ চৰকাৰখনৰ শিক্ষাৰ প্ৰতি থকা যিটো আন্তৰিকতা আৰু শিক্ষাখণ্ডক আগুৱাই নিয়াৰ কাৰণে যিটো প্ৰচেষ্টা এইখিনি কথা তৃণমূল পৰ্য্যায়ত প্ৰতিফলিত কৰিছে। মাননীয় অধ্যক্ষ মহোদয়, মই এইবিলাক কথা এই কাৰণেই কৈছো কাৰণ এইবিলাক তৃণমূল পৰ্য্যায়ত দেখি থকা কিছুমান কথা। যিবিলাক আমি নিজেই ভুগি আহিছিলো। আজি বিদ্যালয় সমূহৰ আন্তগাঁথনি উন্নয়ন হৈছে। তাহানিৰ দিনত বিদ্যালয়ৰ কাৰণে এটা যদি গ্ৰাণ্ট আনিবলগীয়া হয়, বহুখিনি কথা চিন্তা

কৰিবলগীয়া হৈছে । আজিৰ তাৰিখত সচাঁকৈ ক'বলৈ হ'লে এখন বিদ্যালয়ে নিবিচৰাকৈ কোটি কোটি টকাৰ গ্ৰাণ্ট পায়, নতুন বিল্ডিং লাভ কৰিবৰ কাৰণে সক্ষম হৈছে । আমাৰ নিজৰ সমষ্টিতে কেইবাখনো বিদ্যালয়ে ইতিমধ্যে আন্তঃগাঁথনি উন্নয়নৰ কাৰণে যথেষ্ট পৰিমাণৰ ধন লাভ কৰিছে । মাননীয় অধ্যক্ষ মহোদয়, এফালে আমাৰ বিৰোধী সকলে কৈছে যে শিক্ষক নিযুক্তি কৰিব লাগে, আন্তঃগাঁথনি উন্নয়ন কৰিব লাগে, বিশ্ববিদ্যালয় লাগে, শিক্ষক লাগে বা অন্যান্য  যিখিনি সুবিধাযুক্ত ব্যৱস্থা আছে, সেইখিনি আমাক দিব লাগে, নতুন stream  খুলিব লাগে এইখিনি কথা কৈছে। এইখিনি ক'ৰপৰা আহিব ? এইখিনি আমিও বিচাৰো। য'ত নাই, তাত এইখিনি হ'ব লাগে, নিশ্চিতভাৱে হ'ব লাগে। কিন্তু এইখিনিৰ কাৰণে নিশ্চয় ধনৰ প্ৰয়োজনীয়তা থাকিব। আজি বিৰোধী পক্ষই শিক্ষা বিভাগত কৰ্তন প্ৰস্তাৱ আনিছে। স্বাভাৱিকভাৱে তেওঁলোকে হয়তো এইটো পৰম্পৰাগত প্ৰস্তাৱ ৰাখিছে । কিন্তু মই ভাবো প্ৰতিজন বিধায়কে বিশেষকৈ বিৰোধী পক্ষৰ বিধায়কে এই কথাটো হৃদয়ঙ্গম কৰিছে যে, আমাৰ সমষ্টিটো এইখিনি কাম কৰিবলগীয়া হ'লে নিশ্চিতভাৱে শিক্ষা বিভাগত পুঁজি ইয়াতকৈ অধিক বৃদ্ধি কৰাৰ প্ৰয়োজনীয়তা আছে। মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা মাত্ৰ আপোনাক অনুৰোধ জনাম যে বিদ্যালয় সমূহত যিটো dropout  ৰ কথা ইতিমধ্যে চৰ্চিত হৈ আছে বিশেষকৈ আমি যদি চাবলৈ যাওঁ, এইফালে নামনি অঞ্চল, মধ্য অসমৰ বিভিন্ন ঠাইত বিশেষকৈ চৰ-চাপৰি অঞ্চলৰ যিসকল আমাৰ ছাত্ৰ-ছাত্ৰী আছে, তাত dropout ৰ সংখ্যা বেছি থাকে । চাহ বাগিছা অঞ্চলতো কিছু dropout  ৰ সংখ্যা বেছি থকাৰ কাৰণে এই সংখ্যাটো বৃদ্ধি হয়। গতিকে এইবিলাকৰ ক্ষেত্ৰত বিশেষভাৱে প্ৰচেষ্টা লোৱা হৈছে । শিক্ষা বিভাগে এইক্ষেত্ৰত কেনে ধৰণে dropout  টো কমাব পৰা যায়, minimize কৰিব পৰা যায়, তাৰ কাৰণে বিভিন্ন ধৰণৰ প্ৰচেষ্টা হাতত লৈছে। তাৰ কাৰণে নিশ্চিতভাৱে পুঁজিৰ প্ৰয়োজনীয়তা থাকিব।  খাদ্য সামগ্ৰী যোগান ধৰাকে আদি কৰি যিখিনি আন্তঃগাঁথনিৰ সা-সুবিধা, ছাত্ৰ-ছাত্ৰীৰ কাৰণে যিখিনি প্ৰয়োজনীয়তা, সেইখিনিৰ নিশ্চিতভাৱে প্ৰয়োজনীয়তা আছে। গতিকে এইখিনিৰ কাৰণে মই ভাবো আজিৰ

তাৰিখত আমাৰ শিক্ষাখণ্ডত যথেষ্ট পৰিমাণৰ পুঁজিৰ প্ৰয়োজনীয়তা আছে। মাননীয় অধ্যক্ষ মহোদয়, বিদ্যালয় শিক্ষা বিভাগত যিহেতু আমাৰ ধনৰ আৱণ্টন কৰা হৈছে। প্ৰধান মন্ত্ৰী চাহ-শ্ৰমিক প্ৰোৎসাহন যোজনা যাক চমুকৈ PMCSPY বুলি কোৱা হয় যাৰ অধীনত চাহবাগিছাৰ বিদ্যালয়ত প্ৰায় ৩৩৯৪ গৰাকী শিক্ষক আৰু ৪৩৩২ গৰাকী প্ৰধান শিক্ষকক দক্ষতা বৃদ্ধিৰ বাবে প্ৰদান কৰা প্ৰশিক্ষণ মই ভাবো যে নিপুন অসমৰ অধীনত যিটো আমাৰ প্ৰশিক্ষণ প্ৰদান কৰা হৈছে, যাৰ ফলত যোৱা ৩ বছৰত ৩.৭২ লাখ শিক্ষকক প্ৰশিক্ষণ প্ৰদান কৰা আমাৰ দৃষ্টিগোচৰ হৈছে। মই ভাবো যে এইক্ষেত্ৰত এটা নতুন দিগন্তৰ সূচনা কৰিছে শিক্ষাখণ্ডই। তাৰ লগে লগে প্ৰধান মন্ত্ৰী চাহ-শ্ৰমিক প্ৰোৎসাহনৰ অধীনত ৪৩ হাজাৰ ৭৮৫ খন বিদ্যালয়ত প্ৰায় ৩৭.৪৭ লাখ শিশুৱে পুষ্টিকৰণৰ মধ্যাহ্ন ভোজন লাভ কৰাৰ ফলত পুষ্টিহীনতাত ভুগি থকা আমাৰ যিসকল চাহ বাগিছাৰ ছাত্ৰ-ছাত্ৰী হওঁক বা চৰ-চাপৰি অঞ্চলৰ ছাত্ৰ-ছাত্ৰী হওঁক ৪ হাজাৰ ৮২১ খন বিদ্যালয়ৰ ৪.৬০ লাখ শিশুক অতিৰিক্তকৈ দুটাকৈ কণী যোগান ধৰাৰ কথাও ইয়াত উল্লেখ কৰিছে। মই ভাবো যে ইয়াৰ যোগেদি ছাত্ৰ-ছাত্ৰীৰ বিশেষকৈ এইখণ্ডৰ ছাত্ৰ-ছাত্ৰী সকলৰ শিক্ষাৰ প্ৰতি বিশেষকৈ ধাউতি বৃদ্ধি পাব। তেওঁলোকে নিশ্চয় শিক্ষা গ্ৰহণৰ নিজৰ প্ৰচেষ্টা আগত লৈ যাব। ৫৫ হাজাৰতকৈ অধিক বিশেষভাৱে সক্ষম শিশুক ইতিমধ্যে সহায় আগবঢ়োৱাৰ লগতে বিশেষ প্ৰশিক্ষণৰ জৰিয়তে বিদ্যালয়লৈ নোযোৱা ৪.৫৬ লাখ শিশুক সামৰি লোৱা স্পষ্ট দৃষ্টিগোচৰ হৈছে। মাননীয় অধ্যক্ষ মহোদয়, মই ভাবো যে এইক্ষেত্ৰত শিক্ষা বিভাগে বিশেষভাৱে এটা উদ্যোগ গ্ৰহণ কৰিছে। ইতিমধ্যে আমি বাজেটত দেখা পাইছো যে প্ৰাদেশিকৰণৰ কাৰণে প্ৰায় ৮০০০ খন পত্ৰ আমাৰ চৰকাৰৰ হাতলৈ আহিছে যে শিক্ষানুষ্ঠান প্ৰাদেশিকৰণ কৰিব লাগে। পৰ্য্যায়ক্ৰমে নিশ্চয় এইখিনি চৰকাৰে প্ৰাদেশিকৰণ কৰিব বা শিক্ষা বিভাগে কৰিব। তাৰকাৰণেও ধনৰ প্ৰয়োজনীয়তা থাকিব। প্ৰাদেশিকৰণ কৰাৰ লগে লগে তাত নিযুক্তিপ্ৰাপ্ত শিক্ষকসকলৰ দৰমহা, আন্তঃগাথনিৰ উন্নয়ণকে আদি কৰি সকলোখিনি সা-সুবিধা প্ৰদানৰ ক্ষেত্ৰত বিশেষ ব্যৱস্থা নিশ্চিতভাৱে আমাৰ

মাননীয় মন্ত্ৰী মহোদয়ে গ্ৰহণ কৰিব। গতিকে মই অনুৰোধ জনাম এইক্ষেত্ৰত আমাৰ বিৰোধী দলে যি কৰ্তন প্ৰস্তাৱ আনিছে সেইটো তেওঁলোকে নাকচ কৰিব লাগে, তেওঁলোকে উঠাই ল'ব লাগে। বৰঞ্চ আমি সকলোৱে মিলি শিক্ষা বিভাগত ইয়াৰ পুঁজি বৃদ্ধিৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব লাগে। এইবাৰ মেডিকেল কলেজৰ শিক্ষাৰ ওপৰত বিশেষভাৱে গুৰুত্ব প্ৰদান কৰা হৈছে। মেডিকেল কলেজৰ শিক্ষাৰ ওপৰত এইকাৰণে গুৰুত্ব প্ৰদান কৰা হৈছে যে বাজেটত উল্লেখ কৰিছে, যে অহা দিন বিলাকত যিমান বিলাক চাব-চেন্টাৰ বা উপ-স্বাস্থ্যকেন্দ্ৰ আছে তাত ডাক্তৰ বা চিকিৎসক নিযুক্তি দিয়া হওঁক। এই ডাক্তৰ সকলক ক'ৰ পৰা নিযুক্তি দিব। আজিৰ তাৰিখতো আমাৰ ডাক্তৰৰ সংখ্যা বহুত কম হৈ আছে। গতিকে উপ-স্বাস্থ্যকেন্দ্ৰ সমূহত চিকিৎসক নিযুক্তি দিবৰ কাৰণে মেডিকেল কলেজত যথেষ্ট সংখ্যক চিটৰ প্ৰয়োজন হ'ব য'ৰ পৰা ডাক্তৰসকল ওলাই আহিব। গতিকে প্ৰতিখন জিলাত যিধৰণে একোখনকৈ মেডিকেল কলেজ স্থাপনৰ কাৰণে সিদ্ধান্ত গ্ৰহণ কৰিছে মই ভাবো এইটো অতিকৈ আদৰণীয় পদক্ষেপ। মাননীয় অধ্যক্ষ মহোদয়, আপুনি এই সময়খিনি দিয়াৰ বাবে মই আন্তৰিকতাৰে আপোনাক ধন্যবাদ জনাইছো আৰু পুনৰবাৰ অনুৰোধ জনাইছো যে, বিৰোধী পক্ষই বিশেষকৈ এই পুঁজি মঞ্জুৰীৰ ক্ষেত্ৰত যি কৰ্তন প্ৰস্তাৱ ইয়াত উত্থাপন কৰিছে সেইটো বাতিল কৰিব বৰঞ্চ শিক্ষাৰ ক্ষেত্ৰত অধিক পুঁজি বিনিয়োগৰ কাৰণে বা ধাৰ্য্য কৰাৰ কাৰণে আজি সদনে প্ৰস্তাৱ গ্ৰহণ কৰিব বুলি মই মোৰ বক্তব্যৰ সামৰনি মাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ মাননীয় সদস্য শ্ৰী জাকিৰ হুছেইন সিকদাৰ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (পাকাবেতবাৰী)**ঃ মাননীয় অধ্যক্ষ মহোদয়, কৰ্তন প্ৰস্তাৱৰ সমৰ্থনত বক্তব্য ৰখাৰ সুযোগ দিয়াৰ কাৰণে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। শিক্ষাৰ অধিকাৰ আইন ২০০৯ আৰু ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০, এই আইন আৰু নীতিৰ ভিত্তিত আমাৰ ৰাজ্যখনত শিক্ষা ব্যৱস্থা চলি আছে। মই এই পবিত্ৰ বিধান সভাত ২০১৬ চনৰ পৰা আছো। সময়ে সময়ে শিক্ষাৰ ওপৰত

শাসক আৰু বিৰোধী পক্ষ সকলোৱে মিলিজুলি আলোচনা কৰা হয়। ইয়াৰ উদ্দেশ্য এটাই যে আমাৰ শিক্ষা ব্যৱস্থাটো ভাল হ'ব লাগে। আমাৰ ছাত্ৰ-ছাত্ৰীসকলে ভাল শিক্ষা, গুণগত শিক্ষা পাব লাগে আৰু ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত উজ্জ্বল হ'ব লাগে। প্ৰত্যেকবাৰে আলোচনাৰ পিছতে আমি এটা ডাঙৰ মনলৈ বা আশা লৈ বহি থাকো যে, নিশ্চিতভাৱে বিদ্যালয় সমূহত তাৰ প্ৰভাৱ পৰিব। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, দেখা যায় যে শাসক পক্ষৰ ফালৰ পৰা যিধৰণে আশ্বাস দিয়ে বা যিধৰণে বক্তব্য ৰাখে সেইধৰণে বিদ্যালয়সমূহত বা শিক্ষাখণ্ডত তাৰ প্ৰভাৱ দেখা নাযায়। প্ৰত্যেকগৰাকী মাক-দেউতাকে নিজৰ সন্তান যেতিয়া জন্ম হয়, সন্তান গৰাকীক লৈ সপোন দেখে যে ডাঙৰ-দীঘল হ'ব বিদ্যালয়লৈ পঠিয়াম, ভালকৈ  পঢ়া-শুনা কৰিব, ভাল ৰিজাল্ট কৰি চাকৰি-বাকৰি কৰিব আৰু ভাল মানহ হ'ব বা ভাল গুণৰ অধিকাৰী হ'ব। তেনেকুৱা সপোন দেখা প্ৰতিগৰাকী মাক-দেউতাকৰ সন্তানসকলে যেতিয়া বিদ্যালয়লৈ যায় আৰু বিদ্যালয়ত গৈ যেতিয়া উপযুক্ত শিক্ষা নাপায়, বিদ্যালয়ৰ অভাৱগ্ৰস্ত শিক্ষকবিহীন বা শিক্ষক কম থকা বিদ্যালয়লৈ সেই সন্তানসকল যেতিয়া যায় আৰু সন্তানৰ মাক-দেউতাকে সন্তানসকলৰ পৰা যিধৰণে বিচাৰে  যে মোৰ ল'ৰা-ছোৱালী গুণৰ অধিকাৰী হওঁক সেই গুণৰ অধিকাৰী নহয় তেতিয়া মাক-দেউতাক বা গাৰ্জেন সকল হতাশগ্ৰস্ত হয়। সেই ছবি বৰ্তমান আমাৰ ৰাজ্যখনৰ চৰকাৰী শিক্ষাখণ্ডত চলি আছে। ইয়াত শাসক পক্ষৰ বিধায়কসকলে বিভিন্ন বক্তব্য ৰাখিছে, বিভিন্ন ধৰণৰ কথা-বাৰ্তাবোৰ কৈছে, নিজৰ চৰকাৰক প্ৰশংসা কৰিবলৈ গৈছে। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, আজিৰ তাৰিখত আটাইতকৈ ডাঙৰ প্ৰশ্ন হ'ল যে চৰকাৰী বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কিয় কমি গৈছে? মাননীয় শিক্ষামন্ত্ৰী মহোদয়ে বিভাগৰ জৰিয়তে অসমৰ ১২৬ জন বিধায়কলৈ নিজ নিজ সমষ্টিৰ কম ছাত্ৰ-ছাত্ৰী থকা বিদ্যালয়ৰ তালিকা এখন আমালৈ প্ৰেৰণ কৰিছে আৰু আমাৰ পৰা পৰামৰ্শ বিচাৰিছে যে আপোনালোকৰ সমষ্টিৰ বিদ্যালয় সমূহত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কম আছে গতিকে এই বিদ্যালয়খন আমি বন্ধ কৰি দিব বিচাৰিছো আৰু ইয়াৰ ওপৰত আপোনালোক মন্তব্য দিয়ক। প্ৰথম

কথাটো হ'ল প্ৰতিটো বিধান সভা সমষ্টিৰ চৰকাৰী বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কিয় কমি গ'ল ? ইয়াৰ কাৰণটো শিক্ষা বিভাগে অধ্যয়ণ কৰিছে নে নাই বা ইয়াৰ বাবে শিক্ষা বিভাগে গভীৰতালৈ গৈছে নে নাই এই কথাবোৰ আজিৰ তাৰিখত আমি আলোচনা কৰিব লাগিব। শিক্ষা বিভাগে গুনোৎসৱ পাতিলে। মাননীয় মুখ্যমন্ত্ৰী, শিক্ষামন্ত্ৰী আৰু অন্যান্য মন্ত্ৰী বিধায়কসকল, মুখ্য সচিবৰ পৰা আৰম্ভ কৰি উচ্চ পদস্থ বিষয়াসকলে বিভিন্ন বিদ্যালয়লৈ গ'ল আৰু গুনোৎসৱৰ জৰিয়তে সেই বিদ্যালয়খনৰ আন্তঃগাথনি কেনেকুৱা, শিক্ষা ব্যৱস্থা কেনেকুৱা, ছাত্ৰ-ছাত্ৰীৰ অনুপাতে যিমান পৰিমাণে শিক্ষক থাকিব লাগে সেইমতে আছে নে নাই এই বিষয়সমূহ চোৱা হ'ল। কিন্তু গুনোৎসৱৰ ফলাফলৰ পিছত যিখিনি সমস্যাই দেখা দিলে সেই সমস্যাখিনি শিক্ষা বিভাগে সমাধান কৰিব পৰা নাই। মোৰ৷ কথাটো হ'ল যে, ছাত্ৰ-ছাত্ৰীৰ সংখ্যা চৰকাৰী বিদ্যালয় সমূহত যে কমি আছে তাৰকাৰণে বিদ্যালয় সমূহ বন্ধ কৰিলেই আমাৰ দায়িত্ব শেষ নেকি বা বন্ধ কৰিলেই শিক্ষা বিভাগৰ সমস্যা সমাধান হ'ব নেকি ? এইটো কেতিয়াও হ'ব নোৱাৰে। আজিৰ তাৰিখত অসমৰ প্ৰতিগৰাকী মাক-দেউতাকে বিশ্বাস কৰে যে চৰকাৰী বিদ্যালয়ত ল'ৰা-ছোৱালী পঢ়িলে ভাল শিক্ষা লাভ কৰিব নোৱাৰিব, ভাল নম্বৰ নাপাব বা চাকৰি-বাকৰি নাপাব লগতে পৰৱৰ্তী সময়ত নিজৰ ভৰিত নিজে থিয় হৈ এখন ঘৰ চলাব নোৱাৰিব। যাৰ বাবে প্ৰতিগৰাকী মাক-দেউতাকে যদি নিজৰ সামৰ্থ থাকে তেতিয়াহ'লে বেচৰকাৰী বিদ্যালয় সমূহত নিজৰ ল'ৰা-ছোৱালীসকলক শিক্ষাদান কৰাব বিচাৰে। এই কথাবোৰ আমি মানিবও লাগিব। কাৰণ বিগত সময়ত মেট্ৰিক, হায়াৰ চেকেণ্ডাৰী বা স্নাতক পৰীক্ষাৰ ফলাফলবোৰ যদি চায়, তেতিয়াহ'লে চৰকাৰী বিদ্যালয় সমূহে ব্যক্তিগত বিদ্যালয়সমূহৰ লগত ফেৰ মাৰিব নোৱাৰে। যেতিয়া মেট্ৰিক, হায়াৰ চেকেণ্ডাৰী পৰীক্ষাৰ ফলাফল দিয়ে বা কিছুদিন আগতে ফলাফল ঘোষণা কৰা NEET ৰ নিচিনা পৰীক্ষাসমূহত যিসকল কৃতকাৰ্য্য হ'ব পাৰিছে সেইটো যদি আমি চাওঁ তেতিয়াহ'লে তেওঁলোকে কোনখন বিদ্যালয়ত অধ্যয়ণ কৰিছিল সেইটো গম পাম। ৰিজাল্ট দিয়াৰ পিছত যেতিয়া বাতৰি কাকত বা টেলিভিচনত

যেতিয়া বাতৰি দিয়ে তেতিয়া দেখা যায় যে বেছিভাগেই বেচৰকাৰী বিদ্যালয়। গতিকে আমি পবিত্ৰ সদনে, এই চৰকাৰে, শিক্ষা বিভাগে, শিক্ষাখণ্ডই আজিৰ তাৰিখত আমাৰ দোষ ক'ত সেইটো আগতে বিচাৰ কৰিব লাগিব। কিয় মাক-দেউতাক, গাৰ্জেনসকলৰ চৰকাৰী বিদ্যালয়ৰ প্ৰতি হেমাহী হৈছে। কিয় চৰকাৰী বিদ্যালয়ত গুণগত শিক্ষা হয়, কিয় ছাত্ৰ-ছাত্ৰীসকলে চৰকাৰী বিদ্যালয়ত পঢ়া-শুনা কৰি ভাল ৰিজাল্ট কৰিব নোৱাৰে, কিয় বিদ্যালয় সমূহৰ ষষ্ঠ, অষ্টম, নৱম শ্ৰেণীৰ বহু ল'ৰা-ছোৱালীয়ে ভালকৈ পঢ়িব নোৱাৰে বা এখন আবেদন পৰ্য্যন্ত লিখিব নোৱাৰে, এই কথাবিলাক যদি আমি নিজে নিজকে প্ৰশ্ন নকৰো শিক্ষামন্ত্ৰী ডাঙৰীয়াই, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই, বিধায়কসকলে যদি নিজে নিজকে প্ৰশ্ন নকৰে আমাৰ ৰাজ্যৰ শিক্ষা ব্যৱস্থাই কোনপিনে গতি কৰি আছে। মাননীয় অধ্যক্ষ ডাঙৰীয়া যিধৰণে গতি কৰি আছে এইধৰণে যদি গতি কৰি থাকে এটা সময়ত চৰকাৰী বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা শূন্য হ'ব। কিন্তু আমি গৌৰৱ কৰো যে এটা সময়ত এইখন অসমৰে চৰকাৰী বিদ্যালয়ত যিসময়ত এখনো ব্যক্তিগত বিদ্যালয় নাছিল সেই সময়ত অসমৰ সন্তানসকলে চৰকাৰী বিদ্যালয়ত অধ্যয়ণ কৰি দেশে-বিদেশে সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছে। সেই দিন আমি ঘূৰাই আনিব লাগিব। মই আপোনাৰ জৰিয়তে মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো যে, ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কমি গৈছে, শিক্ষানুষ্ঠান বন্ধ কৰিব এই চিন্তা নকৰি কিয় কমিছে, কিয় ছাত্ৰ-ছাত্ৰীসকলক মাক-দেউতাকে চৰকাৰী স্কুলত দিব নোখোজে এই কাৰণ সমূহ যদি আমি বিচাৰি নুলিয়াও তেতিয়ালৈকে আমাৰ শিক্ষাখণ্ডৰ কেতিয়াও সমস্যা সমাধান নহয়। মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই কেৱল কেইটামান উদাহৰণ দিব বিচাৰিছো। ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০, শিক্ষাৰ অধিকাৰ আইন ২০০৯ত কি কোৱা আছে।যে ৩০ জন ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে ১ জন শিক্ষক থাকিব লাগে। কিন্তু আজিৰ সময়ত মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ সমষ্টিৰ বিদ্যালয় বোৰত খবৰ লব। মোৰ সমষ্টিত মই খবৰ লৈছো আৰু প্ৰতিজন মন্ত্ৰী বিধায়কৰ সমষ্টিৰ যদি খবৰ লয় দেখিব যে বেছিভাগ বিদ্যালয়তে ছাত্ৰ- ছাত্ৰীৰ অনুপাতে

শিক্ষক নাই। এইখন দেশত নতুন শিক্ষানীতি বলবৎ থকাৰ পিছতো শিক্ষকৰ সংখ্যা কিয় কম ? এই প্ৰশ্নটো অসমৰ ৰাইজৰ। আমি মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগত একমত যে ভাৰতবৰ্ষৰ শ্ৰেষ্ঠ পাছখন ৰাজ্যৰ ভিতৰত অসমকো ৰাখিব। কিন্তু এই কামটো কৰিবলৈ হ'লে মানৱ সম্পদ গঢ়িব লাগিব ভাল শিক্ষা ব্যৱস্থাৰ জৰিয়তে আৰু ভাল শিক্ষা ব্যৱস্থা কৰিবলৈ হ'লে ৩০ঃ১ ৰ ব্যৱস্থাটো কৰিব লাগিব। কিন্তু আজিৰ তাৰিখত এই ব্যৱস্থাটো কিয় কৰিব পৰা নাই সেই বিষয়ে শিক্ষা বিভাগে ভালকৈ চিন্তা কৰিব লাগিব। এনেকুৱা বহুত বিদ্যালয় অসমৰ লগতে পাকাবেতবাৰীত আছে, য'ত বিজ্ঞানৰ শিক্ষক নাই, ইংৰাজীৰ শিক্ষক নাই, হিন্দীৰ শিক্ষক নাই, আনকি অসমীয়া পঢ়াবলৈ অসমীয়াৰ শিক্ষক নাই। শিক্ষকৰ অভাৱত ছাত্ৰ-ছাত্ৰীয়ে কেনেকৈ শিক্ষা গ্ৰহণ কৰিছে ? এই বিষয়ে শিক্ষা বিভাগে চিন্তা কৰিছেনে নাই ? অসমৰ বিভিন্ন বিদ্যালয়ত নিৰ্দিষ্ট শিক্ষক নোহোৱাকৈ কোনোবা বেলেগ বিভাগৰ পৰা শিক্ষক আনি। কিন্তু এনেকৈ শিক্ষা গ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰী উপকৃত হব পৰা নাই। গতিকে মই অনুৰোধ কৰিছো যে পাকাবেতবাৰীৰ লগতে অসমৰ ১২৬ টা বিধান সভা সমষ্টিত যিবোৰ বিদ্যালয়ত যি বিষয়ৰ শিক্ষক নাই সেইবোৰ অতি সোনকালে পূৰণ কৰিব লাগে। যোৱা সময়ছোৱাত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত চৰকাৰে বিদ্যালয় আন্তঃগাঠনি উন্নয়নৰ ক্ষেত্ৰত কিছু কাম কৰিছে সেইটো মই অস্বীকাৰ নকৰো। মোৰ সমষ্টিতো শিক্ষা মন্ত্ৰী ডাঙৰীয়াই বিদ্যালয় গৃহৰ আধাৰশীলা স্থাপন কৰিছে আৰু প্ৰায়বোৰ সমষ্টিতে ৫/৭ কোটি টকাকৈ খৰছ কৰি একোখন বিদ্যালয় দিছে। সমগ্ৰ শিক্ষা অভিযানৰ জৰিয়তে স্কুলবোৰত অতিৰিক্ত শ্ৰেণী কোঠা, বিজ্ঞানৰ পৰীক্ষাগাৰ দিয়া যায় আৰু আমি এইবোৰ পাইছো যদিও ইয়াত বহুতো কেলেংকাৰী আছে। সমগ্ৰ শিক্ষা অভিযানত থকা কনিষ্ঠ অভিযন্তা সকলে এই তালিকাবোৰ বনাই য'ত এজন অতিৰিক্ত আয়ুক্ত আৰু বিদ্যালয় পৰিদৰ্শক থাকে। কিন্তু এই তালিকাখনৰ বিষয়ে মই যোৱা ১১ বছৰ বিধায়ক হৈ আছো যদিও আমাৰ লগত কোনো আলোচনা নকৰে আৰু এই তালিকাখন বনোৱা সময়ত সমগ্ৰ শিক্ষা অভিযানৰ জিলা পৰ্য্যায়ত যিসকল দায়িত্বত থাকে তেওঁলোকে

SMDC ৰ সভাপতিৰ পৰা ধন সংগ্ৰহ কৰে  আৰু এই অভিযানৰ জৰিয়তে যি অতিৰিক্ত শ্ৰেণীকোঠা, বিজ্ঞানাগাৰ পোৱা যায় এইক্ষেত্ৰত বিধায়ক সকলে নাজানে । কনিষ্ঠ  অভিযন্তা সকলে জনাই যে আপোনাৰ স্কুলত অতিৰিক্ত শ্ৰেণীকোঠা আদি দিয়া হব তাৰ কাৰণে আপোনালোকে কিছু খৰছ কৰিব লাগিব । এই বিষয়ে শিক্ষা মন্ত্ৰী ডাঙৰীয়াক অৱগত কৰিম  আৰু এই কামবোৰ কৰিবলৈ এনেকুৱা কিছুমান ভেন্দৰক দিয়া যায় যি সেইখন স্কুলৰ প্ৰধান শিক্ষকৰ ল'ৰা । গতিকে শিক্ষা মন্ত্ৰী ডাঙৰীয়াই সমগ্ৰ শিক্ষা অভিযানৰ কাম-কাজবোৰ নিৰীক্ষণ কৰিব লাগে আৰু এই অধিবেশন শেষ হোৱাৰ পিছত শিক্ষামন্ত্ৰীয়ে প্ৰতিখন জিলাৰ আয়ুক্তক নিৰ্দেশ দিব লাগে যাতে স্থানীয় বিধায়ক সকলক লৈ সমগ্ৰ শিক্ষা অভিযানৰ সকলো কাম-কাজৰ বিষয়ে আলোচনা কৰিব লাগে। অধ্যক্ষ ডাঙৰীয়া, অসমৰ আৰু এটা জ্বলন্ত সমস্যা হৈছে ভেন্সাৰ শিক্ষা অনুষ্ঠান। এই শিক্ষা অনুষ্ঠানৰ ক্ষেত্ৰত পূৰ্বৰ তৰুণ গগৈ চৰকাৰে বহুতো অপ্ৰাদেশীকৃত বিদ্যালয়ক প্ৰাদেশীকৰণ কৰিছে । হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াইও বহুতো বিদ্যালয়ক প্ৰাদেশীকৰণ কৰিছে। আচলতে ভেন্সাৰ স্কুল সমূহ স্থাপন কৰে সেই অঞ্চলৰ শিক্ষিত নিবনুৱা সকলে। আমি অনুৰোধ কৰিছো ২০২৫ চনত ভেন্সাৰ স্কুল প্ৰাদেশীকৰণৰ বাবে যি সংশোধনী আইন আনিছে সেই আইন মতে কৰিলে অসমত বেছি ভেন্সাৰ স্কুল নাথাকে আৰু যিখিনি থাকে সেইখিনিৰ বাবে আইন শিথিল কৰি হ'লেও প্ৰাদেশীকৰণৰ ব্যৱস্থা কৰিব লাগে। মই অধ্যক্ষ মহোদয়ৰ জৰিয়তে অনুৰোধ কৰিছো যে পাকাবেতবাৰী সমষ্টিত BEEO কাৰ্য্যালয় নাই। কিন্তু মোৰ সমষ্টিত ২ লাখ ৭৬ হাজাৰ ভোট আছে আৰু ২৬ টা গাওঁ পঞ্চায়ত আছে। গতিকে মোৰ ২৬ টা গাওঁ পঞ্চায়ত আৰু ৩৫০ খন বিদ্যালয়ত কি কি অভাৱ আছে সকলোখিনি মই লিখিত আকাৰে মাননীয় অধ্যক্ষ মহোদয়ৰ যোগেদি মাননীয় মন্ত্ৰী লৈ প্ৰেৰণ কৰিছো । এইখন চৰকাৰ যোৱা কাৰ্য্যকালৰ সময়ত আমি বিধান সভাত কিছু কথা পাতিছিলো আৰু তাত কিছুমান কথা উল্লেখ কৰা হৈছিল যে অসমৰ যিবোৰ বিশ্ববিদ্যালয়ৰ Executive Council আছে তাত আমাৰ বিধান সভাৰ পৰা ৩/৪জন সদস্য অধ্যক্ষ ডাঙৰীয়াই বাচনি কৰি

দিয়ে। কিন্তু গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ Executive Council ত এজনো বিধায়ক সদস্য হিচাপে নাই। আমাৰ শিক্ষা মন্ত্ৰী ডাঙৰীয়াই আগতে কৈছিল যে গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ Executive Council ৰ বাবে এই বিধান সভাৰ পৰা সদস্য মনোনীত কৰাৰ ব্যৱস্থা কৰিব। গতিকে এই ব্যৱস্থাটো কৰিব লাগে আৰু গুৱাহাটী, ডিব্ৰুগড় আৰু কটন বিশ্ববিদ্যালয়ত উচ্চ শিক্ষা বিভাগৰ সচিব জন পদেন সদস্য হৈ থাকে। ঠিক সেইধৰণে অসম বিধান সভাৰ সচিব বা প্ৰধান সচিব আছে তেখেতকো যদি পদেন সদস্য হিচাপে গুৱাহাটী, ডিব্ৰুগড় আৰু কটন বিশ্ববিদ্যালয়ত মনোনীত কৰা হয় তেতিয়া হ'লে বিধান সভায়ো বিভিন্ন খবৰ বিলাক পাই থাকিব। ইয়াৰ লগতে মধ্যাহ্ন ভোজনৰ যিবোৰ ৰান্ধনী আছে তেওঁলোকৰ মাননীবোৰ বহুত কম। গতিকে তেওঁলোকৰ মাননী বৃদ্ধি কৰাৰ বাবে বিভাগে যাতে ব্যৱস্থা লয় সেইটো মই অনুৰোধ কৰিছো। আমাৰ ছাত্ৰ-ছাত্ৰী সকলৰ Uniform ৰ যিটো মান বা এই কাপোৰৰ বিপৰীতে যি টকা দিয়ে সেইটো বহুত কম। গতিকে মই আশা কৰো যে শিক্ষামন্ত্ৰী ডাঙৰীয়াই এইবোৰ বিবেচনা কৰিব। ইয়াৰ লগতে কামনা কৰো যে অসমো ভাৰতৰ ৫ খন শ্ৰেষ্ঠ ৰাজ্যৰ ভিতৰত স্থান পাওঁক আৰু তাৰ বাবে শিক্ষা ব্যৱস্থা ভাল কৰিব লাগিব। মই শিক্ষাৰ ক্ষেত্ৰত যি কৰ্তন প্ৰস্তাৱ আনিছো সেইটো এক পৰম্পৰা। গতিকে শিক্ষাৰ ক্ষেত্ৰত যিখিনি পুঁজিৰ দৰকাৰ চৰকাৰে গোটেইখিনি পুঁজি দিয়ক আৰু শিক্ষা ব্যৱস্থা আগবাঢ়ি যাওক বিৰোধীৰ পূৰ্ণ সমৰ্থন থাকিব।

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় সদস্য শ্ৰীমতী নিছো তেৰাংপী।

**শ্ৰীমতী নিছো তেৰাংপী, ডিফুঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ বিশেষ একো ক'বলগীয়া নাই। কিন্তু অলপ আগতে আমাৰ বিৰোধী দলৰ সন্মানীয় সদস্য মজিবুৰ ৰহমান ডাঙৰীয়াই ক'লে যে য'ত ছাত্ৰ – ছাত্ৰী কম, শিক্ষক দুজন থকা এই স্কুলবিলাক marge হ'ব লাগে বুলি কৈছে। ইয়াৰ কাৰণে মোৰ গাত লাগি গৈছে। কাৰণ তেওঁলোকৰ সমষ্টি আৰু আমাৰ কাৰ্বি আংলং পাহাৰীয়া অঞ্চলৰ কথা একো মিলিব নোৱাৰে। জনসংখ্যাৰ ক্ষেত্ৰতো মিলিব নোৱাৰে আৰু geographical area ৰ ক্ষেত্ৰতো মিলিব নোৱাৰে। যিহেতু আমাৰ কাৰ্বি আংলঙত

এনেও স্কুলৰ সংখ্যা বহুত কম। য'ত ছাত্ৰ-ছাত্ৰী কম আছে, তাত maximum single teacher দিয়া আছে আৰু এই single teacher বিলাককো কিছুমানক BLO আৰু কিছুমানক election duty বিলাকতো engaged কৰা হয়। আৰু ছাত্ৰ-ছাত্ৰীবিলাকে শিক্ষক কম থকাৰ কাৰণে, এনেইও তেওঁলোক ভুক্তভোগী হৈ আছে আৰু পাহাৰীয়া অঞ্চলত স্কুলবিলাক দূৰে দূৰে থকাৰ কাৰণে বিশেষকৈ আমাৰ কাৰ্বি ছাত্ৰ – ছাত্ৰীবিলাকে বেলেগ জিলাৰ স্কুলত পঢ়িবৰ কাৰণে বেলেগৰ ঘৰত থাকিলগীয়া হৈ আছে। সেইটো আপোনালোকে কেইবাবছৰ আগৰে পৰা নিউজ বিলাকত দেখিয়েও আছে, শুনিয়েও আছে। ইয়াৰ কাৰণে মই আপোনাৰ জৰিয়তে মই অনুৰোধ কৰিব বিচাৰিছো যে বিশেষকৈ আমাৰ কাৰ্বিআংলঙৰ geographical area, ত আমাক মৰম কৰি স্কুলসমূহ যাতে marge নকৰে, বিশেষকৈ আমাৰ 6th schedule area ত পাহাৰীয়া অঞ্চলত এটা consideration দিব বুলি মই আশা কৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এইখিনিতে এটা ঘোষণা আছে –মাননীয় সদন, আজি বাজেট অধিবেশনৰ লগত সংগতি ৰাখি অসম চৰকাৰৰ বিত্ত বিভাগৰ ফালৰ পৰা সন্মানীয় মন্ত্ৰী, বিধায়কসকলৰ বাবে দুপৰীয়াৰ আহাৰৰ ব্যৱস্থা কৰা হৈছে আৰু এই ব্যৱস্থা অসম বিধান সভাৰ নেভা সেৱা কেন্দ্ৰৰ লগত লাগি থকা লবীত দিয়া হ'ব। সকলো মন্ত্ৰী, বিধায়ককে উক্ত আহাৰ গ্ৰহণ কৰিবলৈ বিত্ত বিভাগৰ ফালৰ পৰা অনুৰোধ জনাইছে। দুপৰীয়া ১ বজাৰ পৰা আহাৰ গ্ৰহণৰ সময় জনোৱা হৈছে আৰু যেতিয়ালৈ আমাৰ অধিবেশন চলি থাকিব, তেতিয়ালৈ আহাৰৰ ব্যৱস্থা থাকিব।

এতিয়া TMC দলৰ সন্মানীয় সদস্য শ্ৰী শ্বেৰমান আলি আহমেদ।

**শ্ৰী শ্বেৰমান আলী আহমেদ, মন্দিয়াঃ** মাননীয় অধ্যক্ষ মহোদয়, for brevity of time, the cut motion may kindly be presumed to have been moved. And although it is a device just to discuss about the shortcomings of the

department, yes, I personally feel that the budget should be increased by manifold for meeting these shortcomings.

মাননীয় অধ্যক্ষ মহোদয়, হয়, এই কথাও মই স্বীকাৰ কৰোঁ ভাষণৰ আৰম্ভণিতে, যে হয় কিছু উচ্চ শিক্ষাৰ অনুষ্ঠান University, Medical College, Engineering College আদি স্থাপন আছে। কিন্তু, মাননীয় অধ্যক্ষ মহোদয়, যদি আমাৰ foundation-টো ঠিক নহয়, superstructure যিমান বনালেও ঘৰটো স্থায়ী নহ'ব। আমাৰ Elementary Education-টো strong কৰিব লাগিব, আমাৰ মাধ্যমিক পৰ্যায়ৰ Educationটো strong কৰিব লাগিব, উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ education টো strong কৰিব লাগিব। মাননীয় অধ্যক্ষ মহোদয়, এই Elementary Education বা মাধ্যমিক পৰ্যায়ৰ educationত পৰ্যাপ্ত সাসুবিধা-, বিশেষকৈ শিক্ষক নিয়োগ আৰু separate class room নথকাৰ কাৰণে আজি অসমৰ যি literacy rate, যি সময়ত আমি সপোন দেখিছো ভাৰতৰ পাঁচখন ৰাজ্যৰ ভিতৰত এখনলৈ উন্নীত কৰা, কিন্তু আমাৰ অসমৰ literacy rate, national average তকৈ কম হৈ আছে। গতিকে, মাননীয় অধ্যক্ষ মহোদয়, এখনদুখন উচ্চ শিক্ষাৰ অনুষ্ঠান স্থাপন কৰি আত্মসন্তুষ্টি লাভ কৰিলে নহ-'ব। আমাৰ Matric-ৰ ফলাফল ১০০ শতাংশ কৰিবলৈ আমি চেষ্টা কৰিব লাগিব। ব্যক্তিগত স্কুলসমূহৰ পৰা যাতে ছাত্ৰছাত্ৰীসকল- চৰকাৰী স্কুললৈ আহে, তাৰ ব্যৱস্থা কৰিব লাগিব। কিন্তু সেই ব্যৱস্থা, মাননীয় অধ্যক্ষ মহোদয়, যোৱা প্ৰায় 16 বছৰ মই আছো, দেখা নাই। আজি মাননীয় মন্ত্ৰী মহোদয়ে সদনত দিয়া উত্তৰ মতে, আমাৰ যিখিনি sanctioned post আছে, Elementary Level তেই হওক বা Higher Secondary Levelতেই হওক, আচলতে sanctioned post should be variable। প্ৰত্যেক বছৰে enrollment যিমান হয়, PTI Ratio maintain কৰিবলৈ নতুন নতুন post create কৰিব লাগে। সেইটো হোৱা নাই। বহুদিন আগতে sanctioned post যিখিনি আছে, তাৰো মাননীয় অধ্যক্ষ মহোদয়, LP School ৰ Assistant Teacher ১১,৬৬২টা sanctioned post খালী, যি সময়ত আৰু বহু post create কৰিব লাগিছিল to maintain the PTI Ratio। Upper Primary ৰ

Assistant Teacher-ৰ ৪,৩১৫টা post খালী। আমাৰ Upper Primary, Science Teacher-ৰ ৯০৭টা post খালী। Graduate Teacher, মাননীয় অধ্যক্ষ মহোদয়, ১০,০০৫ টা post খালী। Post Graduate Teacher-ৰ ১,২২৬টা post খালী। Upper Primary, Hindi Teacher-ৰ ১,৭৩৭টা post খালী। ৰাষ্ট্ৰীয় ভাষা হিন্দীৰ ১,৭৩৭টা post খালী। আমিতো হিন্দী ৰ কথা কৈ থাকোঁ। Upper Primary, Assamese Teacher ৰ, অৰ্থাৎ আমাৰ মাতৃভাষাৰ, ১৬৩টা post খালী। মাননীয় অধ্যক্ষ মহোদয়, আজি এই শিক্ষকৰ পদসমূহ অতি সোনকালে পূৰণ (fill up) কৰিব লাগিব। তাৰ লগতে এই বছৰৰ enrollment অনুসৰি যিমানখিনি নতুন post create কৰিব লাগে, সেইখিনি sanction আৰু approve কৰিব লাগিব। মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা ব্যৱস্থাৰ কি পয়ালগা অৱস্থা, বিশেষকৈ Elementary Education ত। আজি ১০,০৭০খন স্কুলত PTI Ratio maintain কৰা হোৱা নাই, শিক্ষক নাই। আজি, মাননীয় অধ্যক্ষ মহোদয়, মোৰ মন্দিয়া সমষ্টিৰ মন্দিয়া ব্লকত আজিৰ দিনত দুখন zero-teacher school আছে, এজনো teacher নাই। মন্দিয়া ব্লকত ৫৯ খন স্কুলত single teacher আছে। অন্তত দুজন teacher থাকিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, মোৰ ৰূপচী ব্লকত single Teacher ৩০খন LP school আছে। যোৱা প্ৰায় দহ বছৰ ধৰি মই চিঞৰিয়েই আছোঁ, যোৱা পাঁচটা বছৰ ধৰি মই চিঞৰিয়েই আছো যে "আমাক শিক্ষকখিনি দিয়ক, শিক্ষকখিনি দিয়ক।" মই মাননীয় মন্ত্ৰী মহোদয়ক ব্যক্তিগতভাৱে লগ কৰি কৈছিলোঁ যে rationalization ৰ কথা আপুনি কৈ আছে। উজনিৰ পৰা নতুন teacher নাহে, সেইটো মই বুজি পালো। অন্তত মোৰ বৰপেটা জিলাতো যদি rationalization কৰিলেহেতেন, বহুখিনি শিক্ষকৰ অভাৱ দূৰ হ'লহেঁতেন। কিন্তু নহ'ল, মাননীয় অধ্যক্ষ মহোদয়। মন্ত্ৰী মহোদয়ে মোক এটা পৰামৰ্শ দিছিল যে আপুনি বনাই আনক, মই DC লৈ লিখি দিম এইখিনি কৰাৰ কাৰণে। মই ইমান কষ্ট কৰিলোঁ গোটেই বৰপেটা জিলাৰ স্কুলসমূহত, ক'তো PTI Ratio ভংগ নোহোৱাকৈ যাতে teacher বোৰ নিব পাৰি, যাতে সেই teacher সকলে মন্দিয়া বা বাঘবৰত কাম কৰিববৈল অসুবিধা নাপায়, তেনেকুৱা ধৰণৰ teacher নিয়োগ

কৰিবলৈ  প্ৰায় ৪০খন school-ত ছিংগল teacher ৰ পৰা double teacher কৰিব পৰা গ'লহেঁতেন। মন্ত্ৰী মহোদয়ে ভাল পালে, লিখি দিলে DC লৈ। But who cares the instruction of the Hon'ble Minister । মাননীয় মন্ত্ৰী মহোদয়, সেইটো গুৰুত্ব দিয়া উচিত। আপোনাৰ মনত আছে, আপুনি লিখি দিয়াৰ পিছত মোৰ মন্দিয়া ব্লকৰ পৰা ৪০ খন স্কুলত teacher ইফাল সিফাল কৰি single teacher ৰ পৰা double teacher কৰিব পৰা গ'লহেঁতেন। কিন্তু নকৰিলে, কিয় নকৰিলে ? মাননীয় অধ্যক্ষ মহোদয়, কেইটামান উদাহৰণ দিব খুজিছোঁ –

ফুলৰাসৰ এম ভি স্কুল, ৯ টা class, enrollment ১৪০, teacher মাত্ৰ ৩জন, আজি দহ বছৰ ধৰি। বহুবাৰ মই কৈছোঁ, তাত teacher দিয়া নহ'ল। এই যে কয় enrollment কমি যায়, কিয় কমি নাযাব? তিনিজন teacher, ৯ টা class, How this could be a proper educational institution ? মাননীয় অধ্যক্ষ মহোদয়, আৰু কেইটামান উদাহৰণ দিব খুজিছোঁ।

আমাৰ চৈয়দপুৰ LP School, মন্দিয়া ব্লকৰ অন্তৰ্গত,এজন teacher, enrollment ১০৪, double teacher কৰা হোৱা নাই । মাননীয় অধ্যক্ষ মহোদয়, ৭৭২ চুখুৱাৰঝাৰ এনচি এল পি স্কুল এজন teacher, 88 enrollment, double teacher কৰা হোৱা নাই। জাহানা পথাৰ শ্বৰিফুল এল পি স্কুল এজন teacher, ১৪১ জন ছাত্ৰ, enrollment কমি নাযাই কি হ'ব ? মাননীয় অধ্যক্ষ মহোদয়, চাপৰি পথাৰ এল পি স্কুল ১০২ জন ছাত্ৰ, এজন শিক্ষক। ১২১৪ কাৱৈমাৰী এল পি স্কুল ১২৬ জন ছাত্ৰ এজনো   শিক্ষক নাই। মাননীয় অধ্যক্ষ মহোদয়, আনফালে মোৰ বৰপেটা জিলাৰ বেলেগ স্কুলবোৰলৈ নাযাওঁৱেই। মোৰ এই মন্দিয়া আৰু কলগাছিয়া block তেই যদি চাওঁ, - ১১১৩ নং উত্তৰ চাপৰা LP School, ৪৪ জন ছাত্ৰ, ৪ জন teacher। তাৰ পৰা দুজন শিক্ষক DC য়ে নিব নোৱাৰিলেহেঁতেন নেকি? District Administration য়ে নিশ্চয় নিব পাৰিলেহেঁতেন। আপুনি চাওক, গোবিন্দপুৰ LP School, ৩৪জন ছাত্ৰ, ৩জন teacher। তাৰ পৰা এজন teacher নিব নোৱাৰিলেহেঁতেন নে, double-teacher school কৰি পেলাই। মাননীয় অধ্যক্ষ মহোদয়, এনেকুৱা বহু উদাহৰণ আছে। মই আৰু নকওঁ এই

উদাহৰণবোৰ। গতিকে এই District Level ৰ যিটো গাফিলতি, মই আৰু এটা কথা ক’ম মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে সিদ্ধান্ত লৈছে D C, আগতে এইটো নাছিল,  DC য়ে all in all. Education Department তাৰ মুৰব্বী Inspector of Schools বা DEEO তেওঁহে সিদ্ধান্ত ল'ব পাৰিব লাগে। Where is the time? DC does not have that luxury of time to go into the details. যাৰ ফলত আজি এনেকৈ হৈছে এটা Peon post ট্ৰান্সফাৰ কৰিবলৈও আই এচ য়ে DC লৈ লিখিব লাগে। আৰু তাৰ ফলত কি হৈছে, মাননীয় অধ্যক্ষ মহোদয়, গোটেই system টো খেলিমেলি হৈছে। আজি আপোনাৰ এখন হাইস্কুলৰ প্ৰধান শিক্ষয়িত্ৰী, মই আপোনাক পঠিয়াই দিম, কিয় এইবোৰ চলি থাকে, কিয় teacherবোৰ দিয়া নহয়। মই আপোনালৈ, মন্ত্ৰী মহোদয়ৰ জ্ঞাতাৰ্থে আপোনাৰ মাধ্যমেৰে পঠিয়াই দিম, এখন হাইস্কুলৰ প্ৰধান শিক্ষয়িত্ৰীয়ে অভিযোগ কৰিছে Inspectorৰ তাত যে ADC পৰ্যায়ৰ বিষয়া এজনে  প্ৰায় ৩০ হাজাৰ টকা ঘোচ লৈ এখন স্কুলৰ PTR (Pupil-Teacher Ratio) ভংগ কৰি teacher জনীক ট্ৰান্সফাৰ কৰি দিছে। This is on record. ছাৰ, মই আপোনালৈ পঠাই দিছোঁ। মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে শিক্ষামন্ত্ৰীক দিব। মাননীয় অধ্যক্ষ মহোদয়, আৰু এটা কথা ক'ব লাগিব, আমাৰ Education Systemত RTE এক্ট মতে Inclusive Educationৰ কথা কোৱা হৈছে। Inclusive Education itself is a farce in the field. It is a farce. Inclusive Educationৰ কাৰণে যি যি ব্যৱস্থা ল'ব লাগিছিল, যি ধৰণে survey কৰিব লাগিছিল, একো কৰা হোৱা নাই। একো কৰা হোৱা নাই মাননীয় অধ্যক্ষ মহোদয়। Inclusive Educationমতে এজন দিব্যাংগ তেওঁ Transport Allowance পায়, তেওঁৰ কাৰণে মাহেকীয়া এজন helperৰ পাঁচশ টকাকৈ মাহেকত পায়। Hardly এজন দুজনক দিছে, কাৰণ proper survey হোৱাই নাই। আমাৰ যিবোৰ brick industry বা dropout বোৰক আনি কৰাব লাগে, nothing is going on in the field. কেনেকৈ হ'ব মাননীয় অধ্যক্ষ মহোদয়? মই দুটা উদাহৰণ দিব খুজিছোঁ। আপোনাৰ Question Number কেইটা কৈ দিওঁ মাননীয় মন্ত্ৰীমহোদয়ে জানিব পাৰিব। Unstarred Assembly

Question No. 163 dated 29-08-2024 আৰু এটা Question, Starred Question No. 105 dated 06-03-2025. এই Education Volunteer কেনেকৈ নিয়োগ হয়, মাননীয় অধ্যক্ষ মহোদয়? This is what going on under the administrative control of the DC. ইয়াতে লিখা আছে advertisementত যে Candidate with highest marks in HSLC and AHSEC are given preference for the post. মাননীয় মন্ত্ৰী মহোদয়, Question দুটাৰ উত্তৰ চালেই গম পাব। ইয়াতে selected listত দেখা গৈছে যে এজন ছাত্ৰ Matricত 31% পাইছে আৰু Higher Secondaryত পাইছে 30%, তেওঁ select হৈছে। এজন ছাত্ৰৰ মই নাম নকওঁ বাৰু, Matricত 32% পাইছে, Higher Secondaryত 36%, তেওঁ select হৈছে। এজন ছাত্ৰ Matricত 36% আৰু Higher Secondaryত 34% পাইছে, selected হৈছে। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, সেই EVৰ কাৰণে লোৱা interviewত application কৰা এজন ছাত্ৰ 74% Matricত, Higher Secondaryত 71%, selection নাপালে। এজন ছাত্ৰী 63% পাইছে Matricত, 69% পাইছে Higher Secondaryত, selection নাপালে। 30%ত পাইছে। তাৰপিছত মাননীয় অধ্যক্ষ মহোদয়, এজন ছাত্ৰ 74% Matricত, Higher Secondaryত 80%, EVৰ কাৰণে selection নহ'ল। কিয় নহ'ল? Because this is large scale corruption in the office of DC. আৰু মাননীয় অধ্যক্ষ মহোদয়, এই যে Education Volunteerবোৰ properly যদি নিয়োগ নহয়, তেওঁলোকে যদি চাকৰিত আজিতেই পঞ্চাশ হাজাৰ টকা ঘোছ দি সোমাবলগীয়া হয়, এটা মাননীহে পায়, তেওঁলোকে ক'ত brick industryত কৰাব? তেওঁলোকে ক'ত dropoutক কৰাব? তেওঁলোকে ক'ত ভালকৈ survey কৰিব? মোৰ সমষ্টিত ছাৰ, ইমান বিকলাংগ দেখিছোঁ, তেওঁলোকৰ কোনো Inclusive Education, নাই। মই সদায় DPOৰ লগত যোগাযোগ কৰো কিন্তু ছাৰ নাই। তথ্যখিনি দিয়ক মই কৰি লম। আমাৰ যিটো আপোনাৰ Education Volunteer, এজন DPO আছে ইমানে corrupted.

**মাননীয় অধ্যক্ষ** :- আপুনি ৩ মিনিট পায়, ৮ মিনিট গ'ল আপোনাৰ, মাননীয় সদস্য গৰাকীক মৰম কৰিছো, ৩ মিনিট পায়। ঠিক আছে, ধন্যবাদ।

**শ্ৰীশ্বেৰমান আলী আহমেদ (মন্দিয়া) :-** ছাৰ, ছাৰ, দুমিনিট, এক মিনিট, এক মিনিট। ছাৰ, please sir, please sir, ছাৰ, ছাৰ, এই যে DC Officeৰে খেলিমেলি চাওক। এই আগৰ DCজন যোৱাৰ আগদিনাখন ২৭ জুন আৰু ২৪ জুন IAS Officerৰ পৰা ছয়জন Officer ট্ৰান্সফাৰ কৰি লৈ গ'ল তেওঁৰ DC Officeত। Why? DC may have some disagreement with the IAS, but it should not affect the Education. মন্ত্ৰী মহোদয়, অনুগ্ৰহ কৰি অনুসন্ধান কৰিব। মোৰ ওচৰত আছে এই দুইখন, দুয়োখনে মই পঠাই দিছোঁ আপোনাৰ তাত। ২৭ তাৰিখে DCজনে release লোৱাৰ আগতে ৬ জন staff পঠাই দিলে। কেনেকৈ চলিব Inspector ? Inspector গালি পাৰিলেই নহ'ব নহয় । মাননীয় অধ্যক্ষ মহোদয়, মই সমাপ্ত কৰো, কেইটামান demand, মোৰ সমষ্টি specific কেইটামান কথা কৈ।

**মাননীয় অধ্যক্ষ** :- ঠিক আছে, ধন্যবাদ।

**শ্ৰীশ্বেৰমান আলী আহমেদ (মন্দিয়া) :-** ছাৰ, ছাৰ, একদম খালী point, point.

**মাননীয় অধ্যক্ষ** :- আপোনাৰ ৯ মিনিট পাৰ হৈ গ'ল।

**শ্ৰীশ্বেৰমান আলী আহমেদ (মন্দিয়া) :-** ছাৰ, ছাৰ, মোৰ তাত এখনো Model School নাই, আমাৰ কলগাছিয়া Development Blockত। প্ৰত্যেক Blockৰ underত এখনকৈ Model School থাকিব লাগে। মোৰ তাত নাই। মোৰ তাত এখন Kasturba Gandhi Vidyalaya নাই, কলগাছিয়া Development Blockত। আৰু Panchayatবোৰ delimitation হোৱাৰ পিছত আমাৰ Educational Institution বোৰেই immediate delimitation কৰিব লাগে, হোৱা নাই।

**মাননীয় অধ্যক্ষ** :- ধন্যবাদ।

**শ্ৰীশ্বেৰমান আলী আহমেদ (মন্দিয়া) :-** মাননীয় অধ্যক্ষ মহোদয়, Science শাখা পুৰণা বাঘবৰত এখনো নাই । আপোনাৰ কলেজ প্ৰতিটো সমষ্টিত মই

ভাৰো এখনকৈ Science College হ'ব লাগে, এখনকৈ Commerce College হ'ব লাগে, এখনকৈ Law College হ'ব লাগে, এখনকৈ B.Ed. College হ'ব লাগে। অন্ততঃ সেইখিনি কৰিব নোৱাৰিলেও আমাৰ existing educational institutionsবোৰত Commerce আৰু Science শিকাৰ কাৰণে সুবিধা কৰি দিব লাগে।

**মাননীয় অধ্যক্ষ** :- ঠিক আছে, ধন্যবাদ।

**শ্ৰীশ্বেৰমান আলী আহমেদ (মন্দিয়া) :-** মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ দুই-চাৰিটা ল'ৰা Doctor হ'লে নহ'ব, দুই-চাৰিটা ল'ৰাই Engineer হ'লে নহ'ব। আমাৰ ল'ৰা-ছোৱালীয়ে Science and Technologyত উৎকৰ্ষ সাধন কৰিব পাৰিব লাগিব, NASAত যাব লাগিব, ISROত যাব লাগিব, Oxfordৰ Professor হ'ব লাগিব, Harvardৰ Professor হ'ব লাগিব। সেই আশাংকা, এই কষ্ট, এই Endeavour ক'ত আমাৰ, আমাৰ educational systemটো এনেকুৱা ৫১২৮ খন স্কুলত আজি infrastructure নাই।

**মাননীয় অধ্যক্ষ** :- ধন্যবাদ।

**শ্ৰীশ্বেৰমান আলী আহমেদ (মন্দিয়া) :-** মানে separate room নাই। অন্ততঃ ছোৱালীবিলাকৰ বাবে separate room থাকিব লাগে, ছাৰ। Thank you, Sir, Sir Sir last.

**মাননীয় অধ্যক্ষ** :-আপুনি যোৱাকালি absent আছিলে। যোৱাকালি আপোনাৰ নামটো ঘোষণা কৰিছিলো, আপুনি absent আছিল। তথাপিও মই আপোনাক ১০ মিনিট সময় দিলো। এতিয়া শ্ৰীঋতুবৰণ শৰ্মা।

**শ্ৰীঋতুবৰণ শৰ্মা (বৰছলা)** :- অধ্যক্ষ মহোদয়, যোৱা 10th July তাৰিখে সন্মানীয় বিত্তমন্ত্ৰী জয়ন্ত মল্ল বৰুৱা ডাঙৰীয়াই সদনত তেখেতৰ যি Budget প্ৰস্তুত, প্ৰস্তাৱিত Budget প্ৰস্তুতিকৰণত বিদ্যালয় শিক্ষা বিভাগৰ বাবে যি ₹18,869 crore Budget প্ৰস্তাৱনা কৰিছিল, ইয়াৰ সম্পূৰ্ণ সমৰ্থনত আৰু বিৰোধী

পক্ষই এই Budgetৰ যি ৰাশি, সেই ৰাশিৰ কৰ্ত্তন প্ৰস্তাৱৰ কাৰণে যি প্ৰস্তাৱ আনিছে, তেওঁলোকৰ সেই প্ৰস্তাৱৰ সম্পূৰ্ণ বিৰোধিতা কৰি আপোনাৰ অনুমতি সাপেক্ষে মই মোৰ বক্তব্য ৰাখিবলৈ আৰম্ভ কৰিছোঁ। অধ্যক্ষ মহোদয়, যিকোনো এটা পৰিয়াল, যিকোনো এটা সমাজ বা যিকোনো এটা দেশ আগবাঢ়ি যাবলৈ হ'লে, সেই পৰিয়ালটোক, সেই সমাজখন বা সেই ৰাষ্ট্ৰ বা দেশৰ মানৱ সম্পদ কি ধৰণে গঢ় দিয়া হৈছে, মানৱ সম্পদক কি ধৰণে আগুৱাই লৈ যোৱা হৈছে আৰু সেই মানৱ সম্পদৰ কি ধৰণৰ ব্যৱহাৰ হৈছে, তাৰ ওপৰত বহুলাংশে নিৰ্ভৰ কৰে সেই পৰিয়ালটোৰ ভৱিষ্যৎ, সেই সমাজখনৰ ভৱিষ্যৎ আৰু সেই দেশৰ ভৱিষ্যৎ। আদৰণীয় উপাধ্যক্ষ মহোদয়, আমাৰ দেশৰ প্ৰধানমন্ত্ৰী Narendra Modi ডাঙৰীয়াই যেতিয়া ভাৰতে স্বাধীনতা লাভ কৰাৰ ৭৫ টা বছৰ সম্পূৰ্ণ হৈছিল। তেতিয়া তেখেতে উল্লেখ কৰিছিল আৰু তেখেতে দেশবাসীৰ সন্মুখত এক সপোন, এক পৰিকল্পনা, এক ভৱিষ্যতৰ ভাৰতৰ ৰূপৰেখা প্ৰস্তুত কৰিছিল। আৰু তেখেতে কৈছিল যে ২০৪৭ চনত, যেতিয়া ভাৰতবৰ্ষই স্বাধীনতা লাভৰ ১০০ বছৰ সম্পূৰ্ণ কৰিব। অৰ্থাৎ এতিয়া 75 বছৰ হৈছে আৰু অহা 25 বছৰত, 75ৰ পৰা 100 বছৰলৈ এই 25 বছৰীয়া সময়ক তেখেতে অমৃত কাল বুলি উল্লেখ কৰিছে । আৰু এই 25 বছৰ সম্পূৰ্ণ হোৱাৰ পিছত, 2047 চনৰ ভিতৰত ভাৰতবৰ্ষই নিজকে এখন বিকশিত ৰাষ্ট্ৰ হিচাপে চিনাকি দিব লাগিব। আৰু মোদী ডাঙৰীয়াৰ এই সপোন বাস্তৱত ৰূপায়িত কৰিবলৈ, ভাৰতৰ ১৪৫ কোটি জনতাৰ এই সপোন বাস্তৱত ৰূপায়িত কৰিবলৈ হ'লে আমি যদি সবাতোকৈ বেছি গুৰুত্ব দিবলগীয়া বিষয় আছে, নিশ্চতভাৱে সেইটো শিক্ষাৰ লগত জড়িত বিষয় বা মানৱ সম্পদৰ লগত জড়িত বিষয় হ'ব লাগিব। বেঞ্জামিন ফ্ৰেংকলিনে কৈছিল –An investment in knowledge is the best interest. যদি ভাৰতবৰ্ষখন আমি এখন বিকশিত ৰাষ্ট্ৰ হোৱাটো কল্পনা কৰো, ২০৪৭ চনত ভাৰতে স্বাধীনতা লাভ কৰা ১০০ বছৰ সম্পূৰ্ণ হ'ব, তেতিয়া আমি প্ৰতিগৰাকী ভাৰতীয়ই নিজকে আমি বিকশিত ৰাষ্ট্ৰৰ নাগৰিক হিচাপে চিনাকি দিবলৈ যদি ইচ্ছা কৰো, নিশ্চিতভাৱে যদি আমি সবাতোকৈ বেছি ক'ৰবাত invest কৰিব লাগে তেনে

ক্ষেত্ৰত কেৱল মাত্ৰ knowledge বৃদ্ধি, জ্ঞান বৰ্দ্ধণৰ বাহিৰে আন একো হ'ব নোৱাৰে। ইয়াত কাৰো দ্বিমত থাকিব নোৱাৰে। সেই দৃষ্টিভঙ্গীৰে চাবলৈ গ'লে আমাৰ চৰকাৰে, মই দুয়োটা চৰকাৰৰ কথা টানি আনিম, ইয়াত নতুন শিক্ষানীতিৰ আধাৰত শিক্ষা ব্যৱস্থাটো আগুৱাই লৈ যোৱাৰ বাবে প্ৰয়াস কৰা হৈছে। বিষয়টো নতুন হ'লেও আৰম্ভণিতে যেতিয়া কোনো এটা নতুন বিষয় আগুৱাই লৈ যোৱা হয়, তেতিয়া ক'ৰবাত অসুবিধাৰ সন্মুখীন হ'বলগা হয়। তৎসত্বেও আমাৰ চৰকাৰখন ২০১৬ চনৰ পৰা অসমত দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছত আৰু কেন্দ্ৰত ২০১৪ চনৰ পিছৰ পৰা বৰ্তমানলৈকে আৰু নতুন শিক্ষানীতি প্ৰযোজ্য হোৱাৰ পাছত যিমানবোৰ সংস্কাৰমূলক কাম শিক্ষাখণ্ডক যিমনাদূৰ আগুৱাই লৈ যোৱাৰ কাৰণে ব্যৱস্থা হাতত লৈছে, সেই আঁচনিসমূহ সফল ৰূপায়ণৰ বাবে আজি আমি এনে যথেষ্ট শক্তিশালী ভেঁটি গঢ় দিবলৈ সক্ষম হৈছো। যি ভেঁটিৰ ওপৰত প্ৰতিষ্ঠিত হৈ হয়তো আমি ২০৪৭ চনৰ ভিতৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ যি সপোন, ১৪৫ কোটি ভাৰতবাসীৰ যি সপোন, সেই সপোনক হয়তো বাস্তৱত ৰূপায়িত কৰিব পাৰিম।

উপাধ্যক্ষ মহোদয়, শিক্ষক নিযুক্তি, গৱেষণা, শ্ৰেণীকোঠা, digital classroom বা অন্যান্য আন্তঃগাথঁনিৰ বাবে যথেষ্ট ধনৰ প্ৰয়োজন। এই প্ৰতিটো কথা যিবোৰ মই উল্লেখ কৰিছো, সদনত উপস্থিত থকা প্ৰতিগৰাকী বিধায়কে যদি নিজকে প্ৰশ্ন কৰে, নিজৰ সমষ্টিৰ ওচৰে-পাজৰে যদি চকু ফুৰায়, ১০-১২ বছৰ আগৰ ছৱিসমূহৰ কথা যদি মনলৈ আনে, নিশ্চিতভাৱে বিভিন্ন কাৰণত মতভেদ থাকিব পাৰে। চৰকাৰখনে আৰু বেছি কাম কৰাৰ অৱকাশ নিশ্চিতভাৱে আছে। বহুখিনি ভাল হৈছে আৰু বহুখিনি ভাল হ'বলগীয়া আছে। কিন্তু আমি একেমুখে স্বীকাৰ কৰিব লাগিব যে পূৰ্বতকৈ কথাবিলাক যথেষ্ট উন্নতি হৈছে। উপাধ্যক্ষ মহোদয়, আজি প্ৰায় ২০ দিন মান আগত মই যিটো সমষ্টিক প্ৰতিনিধিত্ব কৰো শোণিতপুৰ জিলাৰ বৰখলা সমষ্টি, মই তাৰ নতুন বিধায়ক। বিধায়ক হৈ মই প্ৰায় নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ হোৱা কিন্তু আনুষ্ঠানিক উদ্বোধন হোৱা নাই, মিছামাৰীস্থিত মিছামাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ গৈছিলো। বিদ্যালয়ত প্ৰৱেশ কৰি

যেতিয়া ভৰি দিছিলো দেখিলো সম্পূৰ্ণ বাৰাণ্ডাৰ মজিয়া granite.Class Room বিলাকো granite ৰে floor কৰা হৈছে। সেই মূহুৰ্তত লগে-লগে কিছুমান স্মৃতি মোৰ মনত ভাঁহি আহিছে। স্কুলৰ মজিয়া granite ৰে floor কৰাটো মোৰ কাৰণে সপোনৰো অগোচৰ আছিল। মোৰ যেতিয়া প্ৰথম স্কুল আগমণ, সেই দিনটো এতিয়াও মোৰ চকামকাকৈ মনত আছে। বিশ্বনাথ জিলাৰ বালিপুখুৰী এল পি স্কুলত যেতিয়া মই 'ক' মান শ্ৰেণীত প্ৰৱেশ কৰিছিলো বহিবলৈ ঘৰৰ পৰা বস্তা লৈ গৈছিলো আৰু মাটিৰ মজিয়াত বহি মই মোৰ জীৱনৰ প্ৰথম আদিপাঠ আৰম্ভ কৰিছিলো। অকল মইয়ে নহয় এই সদনত বহি থকা বহু সন্মানীয় সতীৰ্থ আছে, তেখেতসকলৰো হয়তো এনেকুৱা অনুভৱ আছে। সেই দিনটোৰ পৰা মই যেতিয়া বিধায়ক হৈ একেখন অসমৰে এল পি স্কুলত গৈ granite ৰে floor কৰা দেখিছো, এক সৰ্ব্বাঙ্গসুন্দৰ স্কুলৰ আমি যদি পৰিকল্পনা কৰো, যি ছৱি আমাৰ সন্মুখত ভাঁহি আহে, তেনে বহু নিৰ্মাণ কাৰ্য্য অসমত সম্পূৰ্ণ হৈছে। আমি প্ৰত্যেকগৰাকী বিধায়কে সেইবোৰ প্ৰত্যক্ষ কৰিছো।

এটা সময়ত সেইটো সপোনৰো অগোচৰ আছিল, যে চাহ বাগান বিলাকত শিক্ষাৰ যিটো অৱস্থা আছিলে সেইটো পয়ালগা বুলি ক'লেও ভুল নহ'ব, আজি তেনে চাহ বাগিছাত ২১৮ খন মডেল স্কুলৰ কল্পনা জানো কোনোবাই কৰিব পাৰিছিল। চৰ-চাপৰি সমূহৰ অৱস্থাতো আৰু তথৈবচ।

স্ত্ৰী- শিক্ষাৰ ক্ষেত্ৰত কোনো বিশেষ পদক্ষেপ গ্ৰহণ কৰি আঁচনি পূৰ্বৰ চৰকাৰে লোৱাৰ কাৰো মনত নপৰে আৰু তেনে কোনো দৃষ্টান্তও নাই। কিন্তু আজি সেই স্ত্ৰী-শিক্ষাক চৰকাৰে আগুৱাই লৈ যোৱাৰ ক্ষেত্ৰত ৯ খন আদৰ্শ মহিলা বিদ্যালয় গঢ়ি তোলাৰ ক্ষেত্ৰত যি অগ্ৰগতি লাভ কৰিছে ই অভূতপূৰ্ব। ইতিমধ্যে বহুখিনি আলোচনা হৈছে। এইখন চৰকাৰৰ যি অভূতপূৰ্ব কাম হৈছে সেইবোৰ আমাৰ সতীৰ্থ বিধায়কসকলে উল্লেখ কৰিছে। কথাখিনি পুনৰাবৃত্তি হ'ব পাৰে। মই details ক'ব বিচৰা নাই, কেৱলমাত্ৰ মোৰ সন্মানীয় সতীৰ্থ বিধায়ক সকলক উদ্দেশ্যি ক'ব বিচাৰিছো যে আপোনালোকে যিধৰণে কৈছে যে এইখন চৰকাৰৰ দিনত

একোৱেই হোৱা নাই আৰু লগতে আপোনালোকে এই কথাও স্বীকাৰ কৰে যে স্কুল লাগে, শ্ৰেণীকোঠা লাগে, শিক্ষক লাগে, অন্যান্য আন্তঃগাঁথনি লাগে আৰু মইও মানি ল'ম যে এতিয়াও আমি সেই পৰ্য্যায়ত অহা নাই যে হয়, অসমৰ সকলো শিক্ষাখণ্ডৰ সমস্যা সমাধান হ'ল, আৰু কৰিবলগীয়া একোৱেই নাই। কিন্তু পুনৰ মই দোহাৰিম যে আজি ১০-১৫ বছৰ আগৰ যিটো অৱস্থা আৰু বৰ্তমানৰ যি অৱস্থাৰ মাজত আকাশ-পাতাল পাৰ্থক্য আছে । এইক্ষেত্ৰত আমি চৰকাৰখনক সহায়-সহযোগিতা আগবঢ়াবই লাগিব । বিদ্যালয় আন্তঃগাঁথনিৰ ক্ষেত্ৰত ২১ খন আদৰ্শ আৱাসিক বিদ্যালয় নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰি তোলা হৈছে। চৰকাৰে নিজাবৰীয়াকৈ নিজৰ আৱাসিক বিদ্যালয় গঢ় দিব এই কথা এটা সময়ত কোনোবাই কল্পনা কৰিছিল নে? উপাধ্যক্ষ মহোদয়, বিদ্যালয়ৰ আন্তঃগাঁথনিৰ ক্ষেত্ৰত ২১ খন আদৰ্শ আৱাসিক বিদ্যালয় নিৰ্মাণ কৰাৰ উপৰিও ৭৫ খন আদৰ্শ চাহ বাগিছা বিদ্যালয় নিৰ্মাণাধীন হৈ আছে। মই এই কথাটো সেইকাৰণে কৈছো যে আমাৰ চৰকাৰে এই বিদ্যালয়খণ্ড বা শিক্ষাখণ্ডৰ আমূল সংস্কাৰকে আৰম্ভ কৰি আগুৱাই লৈ যোৱাৰ ক্ষেত্ৰত যিবোৰ সুদূৰপ্ৰসাৰী সিদ্ধান্ত সেই সিদ্ধান্তসমূহ উল্লেখ কৰিব লাগিব । এইসমূহত পুঁজিৰ প্ৰয়োজন হ'ব । পুঁজি ক'ৰ পৰা আহিব ? নিশ্চিতভাৱে শিক্ষামন্ত্ৰী ডাঙৰীয়াই যি পুঁজি নিৰ্দ্ধাৰিত কৰিছে মই ভাৱো সেই পুঁজি sufficient নহয় আৰু বেছি পুঁজিৰ প্ৰয়োজন আছে। গতিকে বাজেটখনৰ প্ৰায় ৯ শতাংশ পুঁজি শিক্ষাখণ্ডত নিৰ্দ্ধাৰিত হৈ আছে । এইটো বৃদ্ধি কৰাৰ অৱকাশ নিশ্চিতভাৱে আছে । আশা কৰো আগলৈ ইয়াৰ বৃদ্ধি নিশ্চিতভাৱে হ'ব। কোনোবাই কল্পনা কৰিছিল নে যে এখন জিলাত এখন চিকিৎসা মহাবিদ্যালয়, এখন বিশ্ববিদ্যালয়, এখন অভিযান্ত্ৰিক মহাবিদ্যালয় আৰু এখন ।T। একেটা চৌহদতে হ'ব। এই চৰকাৰে অহা বছৰৰ ভিতৰতে দুটা এনে পৰিকল্পনা কৰিছে আধুনিক সমন্বিত শৈক্ষিক চৌহদ নিৰ্মাণৰ আঁচনি হাতত লৈছে । অৰ্থ্যাৎ আমি খুব কম সময়ৰ

ভিতৰতে এখন জিলাত একেটা কেম্পাচতে এখন চিকিৎসা মহাবিদ্যালয়, এখন বিশ্ববিদ্যালয়, এখন অভিযান্ত্রিক মহাবিদ্যালয় আৰু এখন ।T। দেখিবলৈ পাম । মই এই কথাবিলাক এইকাৰণেই চুই গৈছো যে এই কথাবিলাকৰ পৰা আমাৰ চৰকাৰৰ দৃষ্টিভঙ্গী আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ যি বিকশিত ভাৰতৰ সপোন  সেই সপোন বাস্তৱত ৰূপায়িত কৰিবলৈ আমিও আত্মনিৰ্ভৰশীল ভাৰতৰ লগতে আত্মনিৰ্ভৰশীল অসম হিচাপে আশা ৰাখিম ভাৰতৰ ৫ খন আগশাৰীৰ ৰাজ্যৰ ভিতৰত অসমখন এখন ৰাজ্য হিচাপে পৰিগণিত হওঁক আৰু তাৰবাবে প্ৰতিগৰাকী বিধায়কৰ সহায়-সহযোগিতা আৰু সমৰ্থন লাগিব । মই শেষত বিৰোধী বিধায়কক আহ্বান জনাওঁ যে আপোনালোকৰ এই কৰ্তন প্ৰস্তাৱ আপোনালোকে উঠাই লওক আৰু চৰকাৰক সকলো ফালৰ পৰা সহায়-সহযোগিতা আগবঢ়াওক যাতে আমি সকলোৱে একেলগে আগবাঢ়ি অসমক এখন বিকশিত ৰাষ্ট্ৰৰ বিকশিত ৰাজ্য হিচাপে চিনাকি দিব পাৰো। এইখিনি কথা ক'বলৈ সুযোগ দিয়াৰ বাবে মাননীয় উপাধ্যক্ষ মহোদয়ক মই ধন্যবাদ জ্ঞাপন কৰি মোৰ বক্তব্য মই ইমানতে সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় সদস্য শ্ৰী মঃ মহিবুৰ ৰহমান । **মঃমহিবুৰ ৰহমান(মানকাছাৰ)**ঃ ধন্যবাদ উপাধ্যক্ষ মহোদয়, শিক্ষা ব্যৱস্থাৰ বিষয়ে যোৱাকালি আৰু আজি বহুজনে বহু কথা ক'লে, কোনোবাই যদি সপক্ষে ক'লে কোনোবাই বিপক্ষে ক'লে, Some try to portray a negative picture, some try to portray an rosy picture bundled in a purple velvet, but the truth is Sir, মই এটা প্ৰশ্ন আপোনাৰ জৰিয়তে সকলোকে কৰিব বিচাৰিছো যে আমাৰ ইয়াত আমি যি সকল বিধায়ক আছো ,মন্ত্ৰী সকল আছে, ওপৰত হয়তো কিছু মানুহ spectators আছে। সকলোকে আপোনাৰ জৰিয়তে এটা প্ৰশ্ন কৰিব বিচাৰিছো যে আমাৰ মাজৰ কোনোবাই নিজৰ ল'ৰা-ছোৱালীক আমাৰ চৰকাৰী বিদ্যালয়ত পঢ়াইছে নেকি বা চৰকাৰী বিদ্যালয়ত নাম ভৰ্ত্তি কৰাইছে নেকি ? । am 100 percent sure sir, the answer will be no and that is the hard eating

truth, that is the hard eating fact আমাৰ fact এইটোই যে আজিৰ দিনত আমাৰ যিটো competition  দেখা গৈছে যে আমাৰ যিমান আলোচনা হৈছে আমি আলোচনা কৰিছো যে আমাৰ ভাৰতবৰ্ষত আমাৰ স্থান, শিক্ষাৰ ক্ষেত্ৰত কিমান বা আমাৰ ৰাজ্যত কোনখন জিলাত আমি ভাল কৰি আছো বা কোনটো ক্ষেত্ৰত ভাল কৰি আছো।  কিন্তু  আজিৰ দিনত আমাৰ যি competition উপাধ্যক্ষ মহোদয় সেই competition টো হ'ল Private Institute ৰ লগত। গতিকে আমি যদি সঁচাকৈ জনসাধাৰণৰ মাজত সেই confidence টো generate কৰিব নোৱাৰো, যে আমাৰ বিদ্যালয় বিলাক পঢ়াশুনাৰ বাবে উপযোগী হয়, তেতিয়া হ'লে আমি যিমানেই চেষ্টা নকৰো কিয় তেতিয়া আমি সফল হ'ব নোৱাৰিম। উপাধ্যক্ষ মহোদয় আজিৰ দিনত দেখা গৈছে যে আপুনি যাকে প্ৰশ্ন কৰিব, অকল ইয়াতে নহয়, বহুত দুখীয়া মানুহক মই দেখিছো, হয়তো খাবলৈ নাই, বহুত কষ্ট কৰি টট' চলাই, ৰিক্সা চলাই নিজৰ জীৱন যাপন কৰি আছে। কিন্তু ল'ৰা- ছোৱালীক ব্যক্তিগত স্কুলত দিয়াৰ কাৰণে প্ৰচেষ্টা চলাইছে। এই অৱস্থাটো কিয় হৈছে উপাধ্যক্ষ মহোদয় সেইটো আমি বিবেচনা কৰিব লাগিব। আমাৰ ইয়াতে যদি চায় আপুনি আমাৰ ইয়াত ১০০ জন লোক আছে। মই বিশ্বাস কৰিম যে ইয়াত ৮০ শতাংশ মানুহে কিন্তু চৰকাৰী বিদ্যালয়ৰ পৰা পাছ কৰি আহিছো।  মই নিজেই চৰকাৰী বিদ্যালয়ৰ পৰা পাছ কৰি আহিছো।  মই ইঞ্জিনিয়াৰিং চৰকাৰী  College ৰ পৰা পাছ কৰিছো। তাৰ পিছত মই  চাকৰি কৰি আমেৰিকালৈ  গৈছিলো। কিন্তু সেই পৰিবেশ আজি নাই কিয়। সেই বিষয়ে আমি চিন্তা কৰিব লাগে, সেই বিষয়ে আলোচনা হ'ব লাগে। আজি মই অত্যন্ত সুখী যে at-least আমি সদনত শিক্ষাৰ বিষয়ে ৭ ঘন্টা আলোচনা কৰিবলৈ সময় পাইছো। ই এটা ভাল লক্ষণ। কিন্তু লগতে আমি কেনেদৰে আগবাঢ়িব লাগে, কেনেদৰে আগবাঢ়িলে আমাৰ সমস্যাখিনি সমাধান হ'ব । কেনেদৰে আগবাঢ়িলে জনসাধাৰণৰ মাজত confidence loose কৰিছো আমি, সেই confidence টো gain কৰিব পাৰিম। তাৰ ওপৰত চিন্তা চৰ্চা আমি  কৰিব লাগিব। কেইটামান বিষয়ৰ ওপৰত মই ক'ব বিচাৰিম উপাধ্যক্ষ মহোদয়, সেয়া হ'ল যে

আমাৰ প্ৰধান যিবিলাক কাৰণ দেখো  ইতিমধ্যেই বহুজনে ক'লে, আমাৰ ইয়াতে যিটো আন্তঃগাঠনি আছে, আমাৰ ৪৪,১০০ Government and Provincialized Schools আছে যাৰ ভিতৰত 794 খন স্কুলত আমি 30:1 student teacher ratio maintain কৰিব পৰা নাই। আমাৰ শিক্ষা ব্যৱস্থাটো যদি চায় ২৫-২৬ ৰ যিটো Report আছে, ৫১২৮ চৰকাৰী স্কুলত পৰ্যাপ্ত পৰিমানে শ্ৰেণীকোঠা নাই। সেই ক্ষেত্ৰত উপাধ্যক্ষ মহোদয়, আমি কেনেদৰে আমাৰ বাজেটত দেখিলো Artificial Intelligence, Coding, digital education ৰ কথা কৈ আছো যি ক্ষেত্ৰত আমাৰ basic infrastructure সেইখিনি নাই। সেই ক্ষেত্ৰত আমি কেনেদৰে advance issue বিলাকৰ ওপৰত আমি কাম কৰিব পাৰিম সেইটো সন্দেহৰ আওঁতাত আছে । আমাৰ যিটো investment আছে উপাধ্যক্ষ মহোদয়, NEP ২০২০ হিচাবত আমাৰ investment হ'ব লাগে 2.5 percent of GDP. কিন্তু দেখা গৈছে ২০১৫ ত যিটো আছিল 4.6 শতাংশ। সেইটো মই Central Budget ৰ কথা কৈছো। সেইটো লাহে লাহে কমি গৈ  আজিৰ দিনত হৈছেগৈ ২.৫ শতাংশ। য'ত NEP য়ে suggest কৰে যে at-least 6% GDP  আমাৰ NEP ৰ কাৰণে লাগিব। য'ত আমাৰ investment নাই য'ত আমি যিমানেই সপোন নেদেখো কিয়  সেই investment আমি যদি কৰিব নোখোজো তেতিয়া হ'লে উপাধ্যক্ষ মহোদয় আমি আগবাঢ়িব নোৱাৰো। গতিকে সেই দিশত আমি আলোচনা কৰিব লাগে, সেই দিশত আমি চিন্তাচৰ্চা কৰিব লাগে। ইতিমধ্যে আৰু এটা মেজৰ সমস্যা দেখা গৈছে যে শিক্ষকৰ অভাৱ, মুঠ খালী পদ যদি চায়, ইতিমধ্যে আমাৰ এজনে কৈছে 30,032 vacant post আছে আমাৰ। আমি এফালে কৈছো ১ - ২ লাখ চাকৰি দিম, আনফালে যিবিলাক আমাৰ খালী পদ আছে, আৰু আটাইতকৈ যিটো আমাৰ শিক্ষা বিভাগ, সেই শিক্ষা বিভাগত আমাৰ ৩০ হাজাৰতকৈ বেছি পদ খালী হৈ আছে। তাৰ ভিতৰত যদি আমি চাওঁ আটাইতকৈ বেছি খালী পদ আছে LP level ত হৈ আছে  । 11,662 post আমাৰ vacant হৈ আছে। এই ক্ষেত্ৰত উপাধ্যক্ষ মহোদয় আমি জানো যে আমি মেডিকেল কলেজ বনাই আছো,  আমি ইউনিভাৰচিটিৰ ক্ষেত্ৰত কিছু আগবাঢ়িছো। কিন্তু আমাৰ ভেটিটো

যদি মজবুত নহয় তেতিয়া হ'লে সেই বিলাক লেভেলত আমাৰ ছাত্ৰ-ছাত্ৰী সকল কেনেকৈ গৈ পাব ? গতিকে উপাধ্যক্ষ মহোদয়, আমাৰ যিবিলাক পদ আছে, সেই বিলাক অনতি পলমে পূৰণ কৰিব লাগে। তাৰ কাৰণে চৰকাৰে চিন্তা চৰ্চা কৰিব লাগে। আটাইতকৈ আৰু এটা গুৰুত্বপূৰ্ণ কথা হ'ল যে আমাৰ যিটো drop out rate আছে, সেই drop out rate যদি আপোনালোকে চায় Assam stands at number 4. এইটো 2025 ৰ data. আমাৰ আগত আছে বিহাৰ, তাৰ পিছত মেঘালয় আৰু ৰাজস্থান তাৰ পিছতে অসমৰ স্থান আহে। আমাৰ Primary level ত অসমৰ ৬.২ শতাংশ drop out rate আৰু Upper Primary ত আছে ৮.২ শতাংশ which is very alarming. এতিয়া কথা হ'ল যে সেই drop out rate টো কম কৰাৰ কাৰণে কি কৰিব লাগিব তাৰ কাৰণে চিন্তাচৰ্চা কৰিব লাগে। তাৰ পিছত আৰু এটা alarming trend আছে, সেইটো হ'ল মেট্ৰিকৰ অৰ্থাৎ H.S.L.C.ৰ যি ৰিজাল্ট, সেই ৰিজাল্ট যদি আপোনালোকে চায় ২০২৬ চ যিটো ৰিজাল্ট আহিছে বঙাইগাওঁ জিলাত পাছ কৰা শতাংশ হ'ল less than 50, 49.62 কাছাৰত 49.13 ধুবুৰী জিলাত 50.02 হাইলাকান্দিত 51.81 আৰু মোৰ সমষ্টি যিহেতু চাউথ শালমাৰা মানকাছাৰ তাৰ কথাওঁ কৈছো সেইটো 59.23. গতিকে উপাধ্যক্ষ মহোদয়, আমি এফালে কৈছো যে আমি শিক্ষাৰ ক্ষেত্ৰত বহুখিনি আগবাঢ়িছো কিন্তু আমাৰ যিটো basic level of education আছে সেই ক্ষেত্ৰত বহুখিনি কৰিবলগীয়া আছে। আমাৰ আজি competition যিটো হয়, private school ৰ লগত। আমি যদি তাৰ লগত ফেৰ মাৰিব নোৱাৰো তেতিয়া হ'লে আমি এই আলোচনা কৰি লাভ ন'হব। সেই কাৰণে উপাধ্যক্ষ মহোদয়, আমাৰ যিবিলাক চিন্তাচৰ্চা সেই চিন্তাচৰ্চাৰ আগতে এটা evolution আনিব লাগিব আমাৰ যিটো প্ৰতিযোগিতা সেই প্ৰতিযোগিতাৰ লগত সমানে আগবাঢ়ি যাবৰ কাৰণে আমি আমাৰ education system টো, চৰকাৰী শিক্ষা বিভাগটো এনেদৰে আগবাঢ়িব লাগিব তাৰ ওপৰত চিন্তা চৰ্চা কৰিব লাগিব। এই ক্ষেত্ৰত এটা কথা ক'বলগীয়া আছে যিবিলাক model school আহিছে সেই model school ৰ infrastructure ভাল মই নিজে দেখিছো গুৱাহাটীতে আমাৰ গোপালবড়ো স্কুলখন আছে, কিন্তু

এতিয়া দেখা গৈছে যে আমাৰ আমিনুল  ডাঙৰীয়াই যোৱা কালি কৈছিল যে model school ২০২৫ ত ৰেডি হৈ আছে। কিন্তু শিক্ষকৰ অভাৱত এতিয়াওঁ আৰম্ভ কৰিব পৰা নাই। গতিকে উপাধ্যক্ষ মহোদয়, মই ক'ব বিচাৰিছো যে Education System টো এটা অকল infrastructure বা শিক্ষকৰ জৰিয়তে নহ'ব। ইয়াৰ লগত আমাৰ Governance ঠিক থাকিব লাগিব। আমাৰ চিন্তাচৰ্চা Budget ঠিক থাকিব লাগিব আৰু সকলোখিনি যেতিয়া ঠিক হ'ব তেতিয়াহে আমি Government Education System টো ভাল কৰিব পাৰিম। আমাৰ সমষ্টিৰ কথা যদি কওঁ উপাধ্যক্ষ মহোদয়, মোৰ সমষ্টিত যথেষ্টখিনি সমস্যা আছে আমাৰ Higher Education ৰ ফালে যাওঁ আমাৰ চাউথ শালমাৰাত যিখন কলেজ আছে, সেই কলেজত বিজ্ঞান শাখাটো হোৱা নাই এবাৰ ৫০ খন কলেজ দিছিল। তাৰ ভিতৰত ইয়াৰ নাম আছিল যদিও বাজেটৰ অভাৱত দিব পৰা নাই বুলি মোক জনাইছে। তাৰ পিছত আমাৰ হাটশিঙিমাৰি কলেজত বিজ্ঞান শাখাৰ বিজ্ঞান বিষয়ৰ কোনো honours ৰ সুবিধা নাই, সেইটো অনতি পলমে কৰিব লাগে। মানকাছাৰ কলেজত বিজ্ঞান শাখাটো কলেজে নিজে চলাই আছে, সেইটো sanction কৰিব লাগে, আৰু বহু কেইখন আমাৰ যিবিলাক হায়াৰ ছেকেণ্ডাৰী কলেজ আছে। সেইবোৰ কলেজত দেখা গৈছে In-charge Principal আছে বা In-charge Head Master আছে। সেইখিনি আমি অনতি পলমে permanent post দিব লাগে। উপাধ্যক্ষ মহোদয় শেষত মই ক'ব বিচাৰিছো যে সকলোৱে মিলি যদি একেলগে কাম নকৰো, মোৰ হিচাবত আমাৰ  All Party এটা Committee  থাকিব লাগে। সকলোৱে মিলি যাতে আমি শিক্ষাৰ কাৰণে কাম কৰো সেই দিশত আমি যাতে এটা চিন্তাচৰ্চা কৰো তাৰ আহ্বান কৰি মোৰ বক্তব্য শেষ কৰিছো ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ, ইয়াৰ পিছত শ্ৰী ভূবন গাম।

**শ্ৰী ভূবন গাম, (মোজুলি)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, বিৰোধী দলৰ প্ৰস্তাৱ কৰ্তন  কৰি  আমাৰ চৰকাৰে যথেষ্টখিনি পদক্ষেপ গ্ৰহণ কৰাৰ কাৰণে মই ধন্যবাদ জনাইছো, আৰু এখন জিলাত বিশ্ববিদ্যালয় আৰু এখন জিলাত

মহাবিদ্যালয় আৰু মেডিকেল কলেজ সেই প্ৰচেষ্টাটো সুন্দৰ হৈছে, আৰু লগতে মাজুলীৰ ইউনিভাৰচিটিত যি ৫০ কোটি টকা বাজেটত অন্তৰ্ভুক্ত কৰা হৈছে লগতে বিজ্ঞান শাখাটো অন্তৰ্ভুক্ত কৰা হৈছে, সেইটোক লৈ আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু বিত্তমন্ত্ৰী ডাঙৰীয়া আৰু শিক্ষা মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো । পোন প্ৰথমে মই বিদ্যালয়ৰ আন্তঃগাঁথনিৰ ক্ষেত্ৰত ক'ব বিচাৰিছো । সেই সময়ত মই কংগ্ৰেছ চৰকাৰৰ দিনত শিক্ষগ্ৰহণ কৰিছিলো । আমি যেতিয়া শিক্ষাগ্ৰহণ কৰিছিলো তেতিয়া আমি ঢাৰি আৰু বস্তা পাৰি শিক্ষাগ্ৰহণ কৰিছিলো । এনেকুৱা অৱস্থা আছিল । স্কুলৰ বেৰবোৰ ভঙা-ছিঙা আৰু ওপৰৰ পৰা বৰষুণ পৰে । সেই অৱস্থাত আমি শিক্ষা ল'বলগীয়া হৈছিল । হাইস্কুল, এম. ই স্কুল বিলাকতো যিবোৰ দৰ্জা আছিল, সেই সময়ত যি কংগ্ৰেছ চৰকাৰ আছিল তেওঁলোকে কোনোধৰণৰ চিন্তা কৰা নাছিল । এতিয়া আমাৰ চৰকাৰে যিটো পদক্ষেপ লৈছে, সেই পদক্ষেপক আমি ধন্যবাদ দিব লাগিব । কাৰণ মঙলাবাৰী স্কুলৰ পৰা ধৰি এতিয়া কলেজলৈকে যি ব্যৱস্থা গ্ৰহণ কৰিছে ২৫ লাখৰ পৰা ৭ কোটিলৈকে আৰু স্কুলবিলাকত আগৰ সেই সময়ত লাইটৰ ব্যৱস্থা, ফেনৰ ব্যৱস্থা নাছিল । এতিয়া প্ৰত্যেকখন স্কুলত লাইটৰ ব্যৱস্থা, ফেনৰ বাৱস্থাৰ লগতে পানীৰ ব্যৱস্থা কৰা হৈছে । মই ভাবো এতিয়া আমাৰ চৰকাৰৰ দিনত যি সুবিধা প্ৰদান কৰা হৈছে, সেইটো বিৰোধী দলেও নিশ্চয় বুজি পায় আৰু লগতে বিদ্যালয়সমূহত জাতি-জনগোষ্ঠী, বাগানীয়া জাতি-জনজাতি অঞ্চলত যি ধৰণে সুন্দৰ স্কুল বনাইছে আমাৰ চৰকাৰৰ দিনত মই ভাবো কংগ্ৰেছ বিৰোধী দলেও এইটো নিশ্চয় গম পাইছে, বুজি পায় । অথচ বিৰোধ কৰিবলগীয়া হয় কাৰণেই বিৰোধ কৰিছে । মই ভাবো সেই সময়ত কংগ্ৰেছ চৰকাৰৰ দিনত নামভৰ্তিৰ বাবে যি অৱস্থা হৈছিল, তেতিয়া নামভৰ্তি কৰিব নোৱাৰি কাৰোবাৰ ওচৰত হাত পাতিবলগীয়া হৈছিল, কিতাপ কিনিব নোৱাৰি কাৰোবাৰ ওচৰত হাত পাতি, ভিক্ষা মাগি ল'ৰা-ছোৱালীক কিতাপ কিনি দিবলগীয়া হৈছিল নতুবা নৱম শ্ৰেণীৰ ল'ৰা-ছোৱালী কেতিয়া দশম শ্ৰেণী পাব সেইটো বাট চাই থাকিবলগীয়া হৈছিল কিতাপৰ বাবে । আমাৰ চৰকাৰে এইবোৰ ইমান সুন্দৰকৈ কৰিছে ছাত্ৰ-

ছাত্ৰী সকলৰ কাৰণে যে কোনো টকা-পইচাৰ কাৰণে ল'ৰা-ছোৱালীৰ চিন্তা কৰিবলগীয়া হোৱা নাই। এটা সময়ত ইউনিফৰ্মৰ কাৰণে যি অৱস্থা হৈছিল এতিয়া সেই ইউনিফৰ্ম আমাৰ চৰকাৰে দিয়াৰ ব্যৱস্থা কৰিছে।

আজি আমাৰ চৰকাৰে নিযুত মইনা আঁচনি দিয়াৰ কাৰণে আমাৰ ছোৱালী সকলক, ছাত্ৰী সকলক শিক্ষাৰ ক্ষেত্ৰত যেনকৈ আগবঢ়াই লৈ গৈছে সেইটো আমি স্বীকাৰ কৰিবই লাগিব। মই ভাবো নিযুত মইনাই নহয়, নিযুত বাবু ও সোনকালে দিব লাগে। তেতিয়া সকলো ছাত্ৰ-ছাত্ৰী স্কুল আহিবৰ বাবে চিন্তা কৰিব। এতিয়া মই দেখিছো ইমান ছাত্ৰী স্কুললৈ আহে, কলেজলৈ আহে। যিবোৰ আমাৰ ছাত্ৰ আছে তেওঁলোকক অকণমান কম যেন দেখা পাইছো। সেয়েহে মন্ত্ৰী ডাঙৰীয়াক এই ক্ষেত্ৰত পদক্ষেপ ল'বলৈ অনুৰোধ জনাইছো। এটা কথা ক'ব লাগিব যে এটা সময়ত স্কুলবোৰ যিবোৰ কংগ্ৰেছ চৰকাৰৰ দিনত গাৱে গাৱে, ঘৰে ঘৰে স্কুল প্ৰতিষ্ঠা কৰিছিল, সেই গাৱে গাৱে প্ৰতিষ্ঠা কৰাৰ কাৰণে যিটো শিক্ষা পাব লাগিছিল ,সেইটো শিক্ষা পাব পৰা নাছিল। মই ভাবো গাৱে গাৱে যিবোৰ স্কুল বা অনুষ্ঠান গঢ়ি উঠিছিল, কংগ্ৰেছ চৰকাৰে ভুল কৰাটো আমাৰ চৰকাৰে ভুগিবলগীয়া হৈছে। কাৰণ কংগ্ৰেছ চৰকাৰে যিটো ভুল কৰিলে গাৱে গাৱে, ঘৰে ঘৰে স্কুল প্ৰতিষ্ঠা কৰিলে আৰু এই স্কুলবোৰত ল'ৰা- ছোৱালীক শিক্ষকসকলে ভালদৰে শিক্ষাদান দিব নোৱাৰাৰ বাবে আজি প্ৰাইভেট স্কুলত যাবলগীয়া হৈছে। মই ভাবো যি সকলে সেই সময়ত শিক্ষক সকলক বজাৰৰ নিচিনাকৈ যেতিয়া এজন বিধায়কে ৩ জন ৪ জন মেম্বাৰ লৈ ভাগ পাতে তেখেতক টকা collection কৰিবৰ কাৰণে চাকৰি দিয়াৰ ক্ষেত্ৰত, কংগ্ৰেছ চৰকাৰৰ দিনত সেই ব্যৱস্থাটো আছিল। আজি TET পৰীক্ষাৰ যোগেদি ভাল শিক্ষক পোৱাৰ কাৰণে চৰকাৰী শিক্ষানুষ্ঠান সমূহৰ শিক্ষাদান ভাল হৈছে , সেয়েহে মই এতিয়া ভাবো চৰকাৰী বিদ্যালয়লৈ ছাত্ৰ-ছাত্ৰী সকল ঢাপলি মেলিব। উপাধ্যক্ষ ডাঙৰীয়া মই বেছি ক'ব বিচৰা নাই। এইখিনি কৈ মই মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** Thank you. Next Hon’ble member Shri Nurul Islam. Only 5 minutes.

**মোঃ নুৰুল ইছলাম, সৃজনগ্ৰাম ঃ** উপাধ্যক্ষ মহোদয়, শিক্ষা হৈছে এটা জাতিৰ উত্তৰণৰ মূল ভেটি, এখন দেশৰ আটাইতকৈ শক্তিশালী মাধ্যম। এই শিক্ষাই মানৱক সচেতন, সুদক্ষ, মূল্যবোধ সম্পন্ন আৰু দায়িত্বশীল নাগৰিক হিচাপে গঢ়ি তোলে। সেয়েহে উন্নত আৰু সমৃদ্ধ দেশ গঢ়াৰ প্ৰথম চৰ্ত হ'ল শিক্ষা। সেইবাবে শিক্ষাখণ্ডৰ বিকাশ আৰু সহজলভ্য শিক্ষা দান কৰাটো চৰকাৰৰ প্ৰথম কৰ্তব্য আৰু ইয়াৰ বাবে শিক্ষাখণ্ডত ধন ব্যয় কৰাটো প্ৰয়োজন। কিন্তু দুখৰ বিষয় যে আজি আমি এই শিক্ষা খণ্ডত যি ব্যয় সেই ব্যয় বৃদ্ধি নকৰি ব্যয় কৰ্তন কৰাৰ কাৰণে আমি সদনত দাবি উত্থাপন কৰিবলগীয়া হৈছে, কিয় ? কাৰণ অসমৰ শিক্ষা খণ্ডৰ বৰ্তমানৰ অৱস্থা গভীৰভাৱে উদ্বেগজনক। এই ব্যৰ্থতা আৰু দুৰৱস্থা, এই দুৰৱস্থাৰ বাবে আজি এই বেদনাদায়ক প্ৰশ্ন আমি উত্থাপন কৰিবলগীয়া হৈছে । মাননীয় উপাধ্যক্ষ মহোদয়, শিক্ষা খণ্ডত ধনৰ আৱণ্টন হয় শিক্ষাৰ মান উন্নত কৰি এক শক্তিশালী শিক্ষা ব্যৱস্থা গঢ়ি তুলিবলৈ। কিন্তু প্ৰশ্ন হৈছে, এই লক্ষ্যবোৰত জানো আমি উপনীত হ'ব পাৰিছো মাননীয় উপাধ্যক্ষ মহোদয়। যিখন ৰাজ্যত যোৱা আঠ বছৰত ৮ হাজাৰ শিক্ষানুষ্ঠান বন্ধ হৈছে, সেইখন ৰাজ্যৰ শিক্ষা খণ্ডক আমি প্ৰশংসা কৰিব নোৱাৰো, মাননীয় উপাধ্যক্ষ মহোদয়। যিখন ৰাজ্যৰ ৩২ হাজাৰ চৰকাৰী বিদ্যালয়ৰ প্ৰয়োজনৰ তুলনাত ছাত্ৰৰ সংখ্যা কম, সেই তথ্য প্ৰকাশ পায়, সেইখন ৰাজ্যৰ শিক্ষা খণ্ডক প্ৰশংসা কৰিব নোৱাৰি, মাননীয় উপাধ্যক্ষ মহোদয়। যেতিয়া গাঁৱৰ শ্ৰমিক এজনে নিজৰ গাঁৱৰ চৰকাৰী বিদ্যালয়খন এৰি দহ কিলোমিটাৰ দূৰলৈকে তেওঁৰ সন্তানক ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত পঢ়ুৱাবলৈ বুলি লৈ যায়, তেতিয়া আমি বুজিব লাগিব যে ৰাইজে চৰকাৰী খণ্ডৰ বিদ্যালয়ৰ প্ৰতি আস্থা হেৰুৱাইছে, উপাধ্যক্ষ মহোদয়। চৰকাৰী বিদ্যালয়ত চৰকাৰী শিক্ষা খণ্ডত অকল ধনৰ আৱণ্টন দিলেই নহ'ব, ৰাইজৰ আস্থাও আমি ঘূৰাই আনিব লাগিব, উপাধ্যক্ষ মহোদয় আৰু তাৰবাৰে আমি শিক্ষাৰ মানদণ্ড উন্নত কৰিব লাগিব, মাননীয়

উপাধ্যক্ষ মহোদয়। শিক্ষা খণ্ডত বহুতো সময়ত দেখা যায় যে বহুতো বিদ্যালয়ৰ কৰ্তৃপক্ষৰ ক্ষেত্ৰত বৈষম্যমূলক আচৰণ কৰা দেখা যায়, মাননীয় উপাধ্যক্ষ মহোদয়। মোৰ সমষ্টিত বহুতো এনেকুৱা স্কুল আছে যিবিলাক স্কুলত ছাত্ৰৰ তুলনাত শিক্ষকৰ সংখ্যা কম। কিন্তু তাৰপিছতো সেইসমূহ বিদ্যালয়ৰ পৰা যিসমূহ বিদ্যালয়ত ছাত্ৰৰ অনুপাতে শিক্ষকৰ সংখ্যা বেছি সেইসমূহ বিদ্যালয়লৈ লৈ যোৱা হয়। মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ সমষ্টিত বেছিভাগ অঞ্চল চৰ, অঞ্চল বহুতো বিদ্যালয়ত দুই তিনিশ ছাত্ৰৰ বিপৰীতে মাত্ৰ এজনকৈ শিক্ষক আৰু সেইটোও কেতিয়াবা দেখা যায় যে CRC, BLO ক নিৰ্বাচন নাইবা লোকপিয়লৰ দায়িত্ব দি থকা হৈছে মাননীয় উপাধ্যক্ষ মহোদয়। মহোদয়, চৰ অঞ্চলত শিক্ষাৰ হাৰ এনেই কম। কিন্তু তাৰপিছতো ৩০ জনতকৈ কম ছাত্ৰ-ছাত্ৰী থকা বিদ্যালয়সমূহ একত্ৰিকৰণ কৰাৰ কাৰণে চৰকাৰে চিন্তা কৰি আছে। চৰ অঞ্চলৰ  এই বিদ্যালয়সমূহ যদি একত্ৰিকৰণ কৰা হয়, তেনেহ'লে ঘৰৰ ওচৰৰ বিদ্যালয়খন বন্ধ হৈ যোৱাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে দূৰলৈ গৈ পঢ়িব লাগিব। মোৰ সমষ্টিৰ মাজেৰ আলগাচৰৰ ছাত্ৰ-ছাত্ৰীসকলে হাইস্কুলত অধ্যয়ন কৰিবলৈ ঘৰৰ পৰা এক-ডেৰ ঘণ্টাৰ বাট অতিক্ৰম কৰি  চাপৰলৈ যাবলগীয়া হয়। সেয়ে যদিহে amalgamation কৰা হয় তেনেহ’লে সেই অঞ্চলৰ ল'ৰা-ছোৱালীখিনিয়ে পঢ়াৰ ক্ষেত্ৰত যথেষ্ট অসুবিধা পাব। গতিকে amalgamation নকৰি সেই বিদ্যালয়সমূহত শিক্ষাৰ মানদণ্ড উন্নত কৰাৰ ক্ষেত্ৰত জোৰ দিব লাগে যাতে আমাৰ ল'ৰা-ছোৱালীয়ে ব্যক্তিগত খণ্ডৰ বিদ্যালয়লৈ নগৈ চৰকাৰী বিদ্যালয়সমূহতেই শিক্ষাগ্ৰহণ কৰে। শিক্ষা বিভাগক ধনৰ আবণ্টন দিব লাগে, কিন্তু সেই ধন যদি মৌলিক সমস্যাসমূহ সমাধান কৰিব নোৱাৰে তেনেহ’লে তেনে আবণ্টনৰ প্ৰয়োজন ক’ত ! মোৰ সমষ্টিৰ বহু বিদ্যালয়ত শ্ৰেণীকোঠাৰ অভাৱ, চেনিটেশ্যনৰ সমস্যা, ছাত্ৰীৰ বাবে জিৰণি কোঠাৰ অভাৱ, boundary wall আদিৰ সমস্যা আছে। এনেধৰণৰ সমস্যাবোৰ দৰাচলতে শিক্ষা খণ্ডই সমাধান কৰিব লাগে। কিন্তু দেখা যায় যে শিক্ষাখণ্ডই এনেধৰণৰ সমস্যাবোৰ সমাধান নকৰে আৰু যাৰ বাবে বিদ্যালয় শিক্ষকসকল আমাৰ ওচৰলৈ আহি

বিধায়ক পুঁজিৰপৰা সহায় বিচাৰে আৰু পঞ্চায়ত প্ৰতিনিধিয়ে সেইবোৰ কাম কৰিব লগা হয়। যদি এই কামবোৰ পঞ্চায়ত প্ৰতিনিধি নাইবা বিধায়কৰ পুঁজিৰ পৰাই কৰিব লাগে, তেনেহ'লে শিক্ষাখণ্ডত ধনৰ প্ৰয়োজন ক'ত আছে ? মোৰ সমষ্টিৰ দুবাছুৰি এম. ই. স্কুলৰ বাউণ্ডেৰিৰ ৱালখন বৰ্তমান নদীৰ পৰা অলপ দূৰত্বত আৰু মূলগৃহতো মাত্ৰ দহ ফুটমান দূৰত আছে, কিন্তু শিক্ষা বিভাগে ইয়াৰ প্ৰতি কোনো কাণষাৰ দিয়া নাই আৰু সেইকাৰণে এইবোৰ সমস্যাৰ সমাধান বিচাৰি শিক্ষা বিভাগৰ বিৰুদ্ধে উত্থাপন কৰা কৰ্তন প্ৰস্তাৱলৈ সমৰ্থন জনাই মই মোৰ বক্তব্য সামৰিছো।

**মাননীয় উপাধ্যক্ষ :** Thank you. Next Shri Wazed Ali Choudhury.

**শ্ৰী ওৱাজেদ আলী চৌধুৰী ( বিৰসিং জৰুৱা) :** মাননীয় উপাধ্যক্ষ মহোদয়, আজি মই এই পৱিত্ৰ সদনত ২০২৬-২৭ বৰ্ষৰ অসম বাজেটৰ বিদ্যালয় শিক্ষা বিভাগৰ বিপৰীতে উত্থাপিত কৰ্তন প্ৰস্তাৱৰ সপক্ষে থিয় দিছো। শিক্ষা কোনো ব্যৱসায় নহয়, শিক্ষা আমাৰ মৌলিক অধিকাৰ। কিন্তু এই চৰকাৰখনৰ শৈক্ষিক নীতিয়ে অসমৰ দৰিদ্ৰ, মধ্যবিত্ত আৰু শোষিত শ্ৰেণীৰ সন্তানসকলক শিক্ষাৰ অধিকাৰৰ পৰা বঞ্চিত কৰাৰ এক গভীৰ ষড়যন্ত্ৰ ৰচনা কৰিছে। চৰকাৰে বাহিৰত নিযুক্তি বিপ্লৱৰ ঢোল বজাই, কিন্তু এই পৱিত্ৰ সদনৰ  মজিয়াত চৰকাৰে নিজেই দাখিল কৰা তথ্যই চৰকাৰৰ ফোঁপোলা স্বৰূপটো উদঙাই দিছে। চৰকাৰী তথ্য মতে, মঞ্জুৰীকৃত পদ সাপেক্ষে বৰ্তমান অসমৰ চৰকাৰী বিদ্যালয়সমূহত শিক্ষকৰ খালী পদৰ সংখ্যা কিমান জানেনে? নিম্ন আৰু উচ্চ মাধ্যমিক বিদ্যালয়ৰ খালী পদ ১৮, ৮০১ টা। স্নাতক আৰু স্নাতকোত্তৰ পৰ্য্যায়ত শিক্ষকৰ খালী পদৰ সংখ্যা ১১,২৩১ টা, দুয়োটা মিলাই ৩০,০০০ তকৈও অধিক শিক্ষকৰ পদ আজিৰ তাৰিখত অসমৰ স্কুলসমূহত খালী হৈ আছে। মোৰ প্ৰশ্নটো হ'ল ৩০,০০০ জন শিক্ষকৰ অবিহনে অসমৰ চৰকাৰী বিদ্যালয়সমূহে কেনেকৈ গুণগত শিক্ষা প্ৰদান কৰিব? কিয় বছৰ-বছৰ ধৰি অৰ্হতা সম্পন্ন  টেট উত্তীৰ্ণ আৰু শিক্ষিত যুৱক-যুৱতীসকলে ৰাজপথত আন্দোলন কৰিব লগীয়া হৈছে ? এই ৩০,০০০ টা পদ পূৰণৰ বাবে ২০২৬-২৭ বৰ্ষৰ এই বাজেটত কিমান টকা

সুনিশ্চিত কৰা হৈছে তাৰ স্পষ্ট উত্তৰ মই চৰকাৰৰ পৰা দাবী কৰিছো। এফালে শিক্ষকৰ পদ খালী কৰি ৰখা হৈছে আৰু আনফালে একত্ৰিকৰণৰ নামত অসমৰ হাজাৰ- হাজাৰ চৰকাৰী বিদ্যালয় বন্ধ কৰি দিয়া হৈছে। কাৰণ এখন চৰকাৰী স্কুল বন্ধ কৰি চাৰি- পাঁচ কিলোমিটাৰ দূৰৰ আন এখন স্কুলৰ সৈতে লগ লগাই দিলে দৰিদ্ৰ পৰিয়ালৰ ছাত্ৰ- ছাত্ৰী বিশেষকৈ কণমানী ছাত্ৰীসকলে কেনেকৈ স্কুললৈ অহা-যোৱা কৰিব ? ইয়াৰ ফলতে অসমত ড্ৰপ আউটৰ সংখ্যা আশংকাজনকভাৱে বৃদ্ধি পাইছে। চৰকাৰে নিজৰ বিদ্যালয়সমূহ ধ্বংস কৰি পৰোক্ষভাবে বিদ্যালয় শিক্ষাৰ ব্যক্তিগতকৰণক উৎসাহিত কৰিছে। শিক্ষা ব্যৱস্থাটো যেতিয়া পুঁজিপতিৰ ব্যৱসায় হয়, তেতিয়া দুখীয়া কৃষক-শ্ৰমিক, চাহ জনগোষ্ঠীৰ সন্তান, চৰ-চাপৰিৰ সন্তানক ক'ত পঢ়োৱা হ'ব ? চৰকাৰী স্কুল বন্ধ কৰাৰ নীতি এই মূহুৰ্ততে বন্ধ হ'ব লাগে। অসমৰ শিক্ষা ব্যৱস্থাত আটাইতকৈ বেছি সেৱা আগবঢ়াইছে ভেঞ্চাৰ স্কুলৰ শিক্ষকসকলে। নিজৰ যৌৱন, মাটি-ভেটিকো উচৰ্গা কৰি তেওঁলোকে অসমৰ চুকে-কোণে পোহৰ বিলালে। কিন্তু এই চৰকাৰে তেওঁলোকক কি দিলে ? প্ৰাদেশিকীকৰণৰ নামত এক ঐতিহাসিক প্ৰবঞ্চনা কৰিলে। ভেঞ্চাৰ স্কুলবোৰ প্ৰাদেশিকীকৰণ কৰোতে অৰ্হতা সম্পন্ন শিক্ষকসকলৰ পদসমূহ নিয়মীয়া নকৰি টিউটৰ হিচাপে প্ৰাদেশিকিকৰণ কৰা হ'ল। এজন শিক্ষকে একেখন স্কুলতে একেই কষ্ট কৰি একেই সময় দি নিয়মীয়া শিক্ষকতকৈ আধা দৰমহা পাব, এই বৈষম্য কিয় ? এইয়া শিক্ষক সমাজৰ প্ৰতি চৰম অপমান। এইক্ষেত্ৰত আমাৰ স্পষ্ট দাবী যে, এই ভেঞ্চাৰ স্কুলৰ শিক্ষকসকলৰ পদসমূহ টিউটৰ হিচাপে নহয়, তেওঁলোকৰ যোগ্যতা আৰু দীৰ্ঘদিনীয়া অভিজ্ঞতাক সন্মান জনাই নিয়মীয়া শিক্ষক হিচাপে প্ৰাদেশিকীকৰণ কৰিব লাগে। প্ৰাদেশিকীকৰণৰ প্ৰক্ৰিয়াত হোৱা খেলিমেলি আৰু চৰকাৰৰ ভুল নীতিৰ বাবে হাজাৰ- হাজাৰ যোগ্য ভেঞ্চাৰ স্কুল, ভেঞ্চাৰ শিক্ষক ড্ৰপ আউট হৈ ৰ'ল। এই শিক্ষকসকলৰ নিজৰ জীৱনৰ গুৰুত্বপূৰ্ণ ২০-২৫ টা বছৰ বিনা দৰমহাতেই স্কুলত পঢ়োৱাই পাৰ কৰিলে। আজি তেওঁলোকৰ বয়স পাৰ হৈ গৈছে। তেওঁলোকে আইনগত চাকৰিৰ বাবে আবেদন কৰিব নোৱাৰে। এই ড্ৰপ

আউট শিক্ষকসকলৰ চাকৰি অনতি পলমে নিয়মীয়াকৰণ কৰিবলৈ চৰকাৰে এই বাজেটত বিশেষ পুঁজি ধাৰ্য্য কৰিব লাগিব। ভেঞ্চাৰ স্কুলৰ প্ৰাদেশিকীকৰণ খৰতকীয়া কৰিব লাগে, আইনৰ প্ৰয়োজনীয় সংশোধন কৰি, **ডাইছ্‌কোড** ৯ বছৰৰ পৰিৱৰ্তে মুখ্যমন্ত্ৰীয়ে বৰাক ভেলীত ১৩-১৪ কৰাৰ কথা ঘোষণা কৰিছিল। গতিকে ৯-১০ ৰ পৰিৱৰ্তে ১৩-১৪ বা তাৰপিছতো এই **ডাইছ্‌কোডৰ** ব্যৱস্থা কৰি চৰকাৰে প্ৰয়োজনীয় সংশোধন কৰি সকলো অনুমতি প্ৰাপ্ত ভেঞ্চাৰ স্কুলসমূহ প্ৰাদেশিকিকৰণ কৰিব লাগে । চৰকাৰে মাদ্ৰাচাসমূহ সাধাৰণ বিদ্যালয়লৈ ৰূপান্তৰিত কৰিলে। অসমত যিমান মাদ্ৰাচা আছে ছিনিয়ৰ মাদ্ৰাচা, এম. ই মাদ্ৰাচা আদি বোৰ স্কুললৈ ৰূপান্তৰিত কৰিলে। ঠিকেই আছে, কিন্তু এই ৰূপান্তৰিত বিদ্যালয়সমূহৰ আন্ত: গাঁথনি আৰু শিক্ষকৰ পদসমূহ প্ৰাদেশিকীকৰণ কৰাৰ ক্ষেত্ৰত চৰকাৰ এতিয়া নিমাত কিয় ? কেৱল নাম সলনি কৰিলেই নহ'ব, এই বিদ্যালয় সমূহত সম্পূৰ্ণ চৰকাৰী অনুদান আৰু নিয়মীয়া শিক্ষক প্ৰদান কৰিব লাগে। উপাধ্যক্ষ মহোদয়, এই চৰকাৰে স্মাৰ্ট ক্লাচ ৰুমৰ প্ৰচাৰ চলায় কিন্তু শিক্ষাৰ অধিকাৰ আইন অনুসৰি প্ৰয়োজনীয় নিম্নতম সা-সুবিধাখিনি অসমৰ বেছিভাগ বিদ্যালয়তেই নাই। আইন মতে ৩০:১ ৰ অনুপাত থাকিব লাগে। কেৱল এজন শিক্ষকে গোটেই স্কুল চলাই আছে। বহু স্কুলত ৩-৪ টা শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে একেটা কোঠাতে বহি পঢ়িবলগীয়া হৈছে। চৰকাৰী বিদ্যালয়সমূহত আজিও ছাত্ৰ-ছাত্ৰীৰ বাবে পৃথক আৰু ব্যৱহাৰৰ উপযোগীকৈ শৌচাগাৰ নাই। বিশেষকৈ কন্যা শিশুসকলৰ বাবে খোৱাপানী আৰু শৌচাগাৰৰ অভাৱৰ বাবে বহু ছাত্ৰীয়ে বিদ্যালয় ত্যাগ কৰিবলগীয়া হৈছে । এইক্ষেত্ৰত চৰকাৰে মনোযোগ দিয়া উচিত । আশা কৰো সদনৰ মজিয়াত জাতি-ধৰ্ম্ম নিৰ্বিশেষে সকলোৱে অসমৰ ভৱিষ্যতৰ বাবে মোৰ কৰ্তন প্ৰস্তাৱক সমৰ্থন জনাব । নেলশ্যন মাণ্ডেলাৰ বিখ্যাত উক্তিৰে মই মোৰ ভাষণ শেষ কৰিব বিচাৰিছো । শিক্ষা হৈছে আটাইতকৈ শক্তিশালী সঁজুলী যাৰ দ্বাৰা আমি পৃথিৱীখনক সলনি কৰিব পাৰো । গতিকে শিক্ষাক ব্যৱসায়ী নকৰি ইয়াক প্ৰতিজন দুখীয়া শিশুৰ বাবে সুলভ কৰক। ধন্যবাদ।

**Hon'ble Deputy Speaker :** Thank You. Next Speaker Pabitra Rabha.

**শ্ৰী পৱিত্ৰ ৰাভা, (প: গোৱালপাৰা) :** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে শিক্ষাৰ ক্ষেত্ৰত যি বাজেট আনিছে তাৰ সমৰ্থনত মই দু-আষাৰ ক'ব বিচাৰিছো আৰু বিৰোধী দলে শিক্ষাৰ ক্ষেত্ৰত যি কৰ্তন প্ৰস্তাৱ আনিছে তাৰ বিৰুদ্ধে ক'বলৈ ওলাইছো । আজিৰ প্ৰেক্ষাপটত, বৰ্তমানৰ আধুনিকতা বা কম্পিউটাৰৰ যুগত বিৰোধীয়ে যি কৰ্তন প্ৰস্তাৱ আনিছে সেইয়া অতি দুৰ্ভাগ্যজনক আৰু লাজৰ কথা। তেওঁলোকে নিজে কৈ আহিছে যে তেওঁলোকৰ সমষ্টিত বিভিন্ন কাম-কাজ হোৱা নাই। কিন্তু তেওঁলোকে আকৌ নিজেই কৈছে যে কৰ্তন প্ৰস্তাৱ হ'ব লাগে আৰু শিক্ষাৰ ক্ষেত্ৰত বাজেটটো কমাব লাগে । তেওঁলোকে প্ৰশ্নও নিজে কৰিছে আৰু উত্তৰো নিজেই দিছে। তেওঁলোকে অসম খনৰ উন্নতি হোৱাটো বিচাৰে নে উন্নতি নোহোৱাটো বিচাৰে ? মই নতুন প্ৰজন্ম হিচাপে আমি যেতিয়া ২০০০ চনত প্ৰথম স্কুললৈ গৈছিলো তেতিয়া তিৰপালত বহি ফলি লৈ শিক্ষা লাভ কৰিছিলো। তেতিয়া তাত টেবুল, চকী বা স্মাৰ্ট ক্লাচ নাছিল। তাৰ পিছত আজিৰ দিনত বিজেপি চৰকাৰ অহাৰ পিছত আমি যেতিয়া ওচৰৰ প্ৰাথমিক বা উচ্চ মাধ্যমিক  বিদ্যালয়খন দেখো বহু আমূল পৰিৱৰ্তন আমি দেখিবলৈ পাইছো। তাত ভাল পানী যোগানৰ ব্যৱস্থা, বিজুলীৰ ব্যৱস্থা, ফেন, ডিজিটেল বোৰ্ডৰ ব্যৱস্থা দেখিবলৈ পাইছো। মই নিজৰ সমষ্টি পশ্চিম গোৱালপাৰাৰ বিষয়ে ক'বলৈ বিচাৰিম। আমি যেতিয়া ২০০৯-১০ চনত মেট্ৰিক, হাইয়াৰ ছেকেণ্ডাৰী পঢ়িছিলো তেতিয়া সেই স্কুলখনৰ বিল্ডিংটো পুৰণি হৈ গৈছিল । কিন্তু ২০১৬ চনত বিজেপি চৰকাৰ অহাৰ পিছত বৰ্তমান সেই স্কুলত নতুন বিল্ডিং, হোষ্টেল, ভাল ভাল অডিট'ৰিয়ামৰ  নিৰ্মাণ হৈছে। আমাৰ স্কুলত যেতিয়া সাপ্তাহিক বা বছৰেকীয়া খেল-ধেমালি হৈছিল তেতিয়া নৃত্য-গীত আদি কৰাৰ বাবে অডিট'ৰিয়াম নাছিল।  কিন্তু বিজেপি চৰকাৰ অহাৰ পিছত ছাত্ৰ-ছাত্ৰী সকলে নৃত্য-গীত কৰাৰ বাবে আৰু অভিভাৱক সকলে বহি উপভোগ কৰিবৰ বাবে স্কুল সমূহত অডিট'ৰিয়ামৰ ব্যৱস্থা কৰিছে। আমাৰ পশ্চিম গোৱালপাৰা সমষ্টিটো বোৰ্ডাৰ এৰিয়া আৰু ভাৰত স্বাধীন হোৱাৰ পিছৰ পৰা এই পশ্চিম

গোৱালপাৰা সমষ্টিৰ পৰা মই প্ৰথম বি জে পি বিধায়ক হিচাপে নিৰ্ব্বাচিত হৈছো। মই যেতিয়া অসম-মেঘালয় সীমান্তত গৈছিলো আৰু মই তেওঁলোকক ইয়াত কোনোবা বিধায়ক আহিছেনে নাই সুধিছিলো। তেওঁলোকে একেষাৰে কৈছিল যে ভাৰত স্বাধীন হোৱাৰ পিছৰ পৰাই কোনো এজন বিধায়ক তালৈ অহা নাই। তাত প্ৰায় ৪০-৫০ বছৰ কংগ্ৰেছ দলৰে বিধায়ক আছিল। তেওঁলোকে বোৰ্ডাৰ এৰিয়াত শিক্ষানুষ্ঠানৰ বিষয়ে কথা নাপাতিলে। তেওঁলোকে আমাৰ বোৰ্ডাৰ এৰিয়াত থকা অসমীয়া জনজাতি সকলৰ কথা এবাৰো নাভাবিলে । বিৰোধীয়ে বৰ্তমান কৈ আছে যে এই চৰকাৰে শিক্ষাৰ ক্ষেত্ৰত একো নকৰিলে । আপোনালোকে কেতিয়াবা বোৰ্ডাৰ এৰিয়াত যাব আৰু তাত গ'লে দেখিবলৈ পাব যে জনজাতীয় ছাত্ৰ-ছাত্ৰীৰ কাৰণে হোষ্টেল নিৰ্মাণ কৰা হৈছে। আমাৰ ছাত্ৰ-ছাত্ৰী সকলে সেই হোষ্টেলত থাকি পঢ়া-শুনা কৰিব পাৰিব। মই নিজে বিধায়ক হোৱাৰ পিছত ৮ টা হোষ্টেলৰ উদ্বোধন কৰিছো। মই অহা বছৰ এই বাজেট আৰু বেছি বৃদ্ধি কৰাৰ বাবে অনুৰোধ জনাইছো। মোৰ সমষ্টিত ৪-৫ খনমান ভেঞ্চাৰ স্কুল আছে  আৰু তাত বহু ছাত্ৰ-ছাত্ৰীয়ে শিক্ষালাভ কৰি আছে। মই মাননীয় শিক্ষামন্ত্ৰী মহোদয়ক এই ৪-৫ খন ভেঞ্চাৰ স্কুল য'ত আমাৰ খিলঞ্জীয়া ছাত্ৰ-ছাত্ৰীসকলে পঢ়ি আছে, এই বছৰ এই বিদ্যালয়সমূহ প্ৰাদেশীকৃত কৰিবৰ বাবে অনুৰোধ জনাইছো যাতে তাৰ শিক্ষকসকলে মাহিলী দৰমহা পায় । মই যিহেতু ৰাভা সম্প্ৰদায়ৰ পৰা আহিছো মই ৰাভা সম্প্ৰদায়ৰ শিক্ষকসকলৰ বাবে বিশেষভাৱে টেট পৰীক্ষা পাতি তেওঁলোকক ৰাভা মাধ্যমৰ স্কুলত নিযুক্তি দিয়াৰ বাবে অনুৰোধ জনাম। এই সুযোগতে মই ক'ব বিচাৰিম যে আমি আহি থকা দিনবোৰত মাননীয় মুখ্যমন্ত্ৰী মহোদয় আৰু মাননীয় শিক্ষামন্ত্ৰী মহোদয়ৰ নেতৃত্বত যাতে আৰু ভালকৈ শিক্ষানুষ্ঠানবিলাক গঢ়ি আমাৰ ভাইটী-ভণ্টীসকলে সেই স্কুলত যাতে শিক্ষা গ্ৰহণ কৰিব পাৰে তাৰেই আশা কৰিম। আমাৰ গোৱালপাৰা জিলাত এখন মেডিকেল কলেজৰ ঘোষণা কৰিছে। তাৰ লগে লগে শিক্ষানুষ্ঠান সমূহ ভাল হোৱাৰ বাবে ২৭ খন মহাবিদ্যালয় স্বায়ত্ত্ব শাসিত মহাবিদ্যালয় হিচাপে ঘোষণা কৰিছে। তাত বছৰি ২ কোটি  টকা প্ৰথম আৰু দ্বিতীয় কিস্তিত ১ কোটি ১

কোটিকৈ আমাৰ চৰকাৰে অনুদান দিব। এই অনুদান খিনি নিশ্চয় আমাৰ শিক্ষানুষ্ঠানসমূহৰ কাৰণে আমূল পৰিৱৰ্তন হিচাপে পৰিগণিত হ'ব। এইখিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**মাননীয় উপাধ্যক্ষঃ** এতিয়া মাননীয় সদস্য শ্ৰী ভিক্টৰ কুমাৰ দাস।

**শ্ৰী ভিক্টৰ কুমাৰ দাস, গোৰেশ্বৰঃ** ধন্যবাদ মাননীয় উপাধ্যক্ষ মহোদয়, শিক্ষা ক্ষেত্ৰৰ কাৰণে আমাৰ সকলোৰে শ্ৰদ্ধাৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ মাৰ্গদৰ্শনত আমাৰ শ্ৰদ্ধাৰ বিত্তমন্ত্ৰী জয়ন্ত মল্ল বৰুৱা ডাঙৰীয়াই যি ধন ধাৰ্য্য কৰিছে, আমি আন্তৰিকতাৰে তেখেতসকলৰ সেই প্ৰস্তাৱক সমৰ্থন জনাইছোঁ। বিৰোধীৰ বিধায়কসকলে এই সিদ্ধান্তৰ বিৰুদ্ধে যি কৰ্তন প্ৰস্তাৱ আনিছে, তাৰ বিৰোধিতা কৰিছোঁ। সংখ্যা-পৰিসংখ্যা এই বিষয়টোক লৈ যেতিয়া আলোচনা চলি আছিল, আমাৰ সতীৰ্থ বহুকইজন বিধায়কে বহুখিনি বিষয় ৰাখিছে। মই এটা বেলেগ বিষয় ৰাখিব বিচাৰিছোঁ আৰু সম্পূৰ্ণভাৱে সেই বিষয়টো সাম্প্ৰতিক সময়ত অত্যন্ত গুৰুত্বপূৰ্ণ। উপাধ্যক্ষ মহোদয়, মই আমাৰ শিক্ষামন্ত্ৰী ৰণোজ পেগু ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছোঁ। তেখেতৰ যিখিনি একক আৰু অনন্য প্ৰচেষ্টা শিক্ষা ব্যৱস্থাৰ লগত সংযোজন কৰি এক ৰাষ্ট্ৰ চেতনা আৰু ৰাষ্ট্ৰ ভাবনাৰ চেতনা ইয়াত উদ্বুদ্ধ কৰাৰ যি প্ৰয়াস কৰা হৈছে, সেই পদক্ষেপ সঁচাকৈয়ে প্ৰশংসনীয়। আমি যদি ইতিহাসৰ পাত লুটিয়াবলৈ যাওঁ, আমি দেখা পাওঁ ১৯৪৭ চনত ধৰ্মৰ ভিত্তিত ভাৰতবৰ্ষৰ বিভাজন হৈছিল। তাৰ পৰৱৰ্তী সময়ত যিখন পাকিস্তান ধৰ্মৰ ভিত্তিত বিভাজন হ'ল, তাত ভাষাভিত্তিক বাংলাদেশৰ সৃষ্টিৰ কাৰণে দাবী উত্থাপন কৰা হৈছে। গতিকে যেতিয়া এখন ৰাষ্ট্ৰৰ বুনিয়াদী ধাৰণা পৰিৱৰ্তন কৰি দিয়া হয়, তেতিয়া ৰাষ্ট্ৰখনৰ প্ৰতি বিভিন্ন ধৰণৰ আহুকাল অহা আৰম্ভ কৰে। তদ্ৰূপ, ভাৰতবৰ্ষৰ যি ধাৰণা, যি ধাৰণাৰ ওপৰত ভাৰতবৰ্ষ প্ৰতিষ্ঠা হৈ আছে সেই ধাৰণাক সম্পূৰ্ণভাৱে ধ্বংস কৰাৰ এক ষড়যন্ত্ৰ চলি আছে। আৰু ইয়াৰ মূল অস্ত্ৰ হিচাপে আমাৰ দেশৰ ছাত্ৰ-ছাত্ৰীসকলক লোৱা হৈছে। গতিকে ছাত্ৰ-ছাত্ৰীসকল যাতে চাৰিত্ৰিকভাৱে ৰাষ্ট্ৰবাদী চেতনাৰে উদ্বুদ্ধ হৈ থাকিব পাৰে, ৰাষ্ট্ৰৰ প্ৰতি যাতে দায়বদ্ধ হৈ থাকিব

পাৰে, এইখন চৰকাৰে খুব সুন্দৰভাবে  পৰিকল্পিতভাৱে সুস্থিৰ সিদ্ধান্তৰ মাধ্যমেৰে নতুন পাঠ্যক্ৰম সংযোজন কৰি সেই চেতনা জাগ্ৰত কৰিব বিচাৰিছে, এইটো অত্যন্ত গুৰুত্বপূৰ্ণ বিষয়। কাৰণ আমি সীমান্তৱৰ্তী এটা অঞ্চলত বসবাস কৰোঁ।  Internationally আমাৰ লগত চীন আছে, বাংলাদেশ  আছে, ম্যানমাৰ আছে। গতিকে আমাৰ বহুকেজন বিধায়কে কৈছে যে, আজিৰ ছাত্ৰ কাইলৈ দেশৰ ভৱিষ্যৎ। কাইলৈ আমি দেশৰ ভৱিষ্যৎ সেই ছাত্ৰসকলৰ হাততে অৰ্পণ কৰি থৈ যাম। যদি সেই ছাত্ৰসকল ৰাষ্ট্ৰৰ প্ৰতি দায়বদ্ধ নহয়, তেতিয়াহলে আগন্তুক সময়ত আমাৰ দেশখন কোনফালে গতি কৰিব, সেই কথাটো চিন্তা কৰাৰ প্ৰয়োজন আছে। এজন মানুহ সম্পূৰ্ণভাৱে মানুহ হিচাপে তেতিয়াহে প্ৰতিষ্ঠা পায়, যেতিয়া শাৰীৰিক, মানসিক, বৌদ্ধিক আৰু আধ্যাত্মিকভাৱে সম্পূৰ্ণ হয়। এইখন চৰকাৰে প্ৰত্যেকজন ছাত্ৰক শাৰীৰিকভাৱে, মানসিকভাৱে, বৌদ্ধিকভাৱে আৰু আধ্যাত্মিকভাৱে শক্তিশালী কৰাৰ প্ৰচেষ্টা শিক্ষা বিভাগে কৰি আছে, এইটো খুব আদৰণীয় এক পদক্ষেপ। যি বিৱৰ্তন ৰণোজ পেগু ডাঙৰীয়াই এই শিক্ষা বিভাগত আনিব বিচাৰিছে, সেই কথাখিনি আমি বাৰুকৈ উপলব্ধি কৰিছিলোঁ। কাৰণ আমি সেইটো অঞ্চলক প্ৰতিনিধিত্ব কৰিছোঁ য'ত শান্তিয়েই নাছিল। য'ত শান্তি নাই, তাত ল'ৰা-ছোৱালীবিলাকে মানে কেনেকুৱা ধৰণে পঢ়িব? যদি infrastructure ৰ ক্ষেত্ৰত পিছপৰি থাকে এটা অঞ্চল, পঢ়িবলৈ ভাল classroom এটা নাথাকে, তেনেকুৱা অঞ্চলবিলাকৰ ছাত্ৰ-ছাত্ৰীসকলক যদি আগবঢ়াই লৈ যাবলগীয়া হয়, তেতিয়াহ'লে ধনৰ প্ৰয়োজন আছে, উপাধ্যক্ষ মহোদয়।  শান্তি অবিহনে আমাৰ অঞ্চলত যিটো  শৈক্ষিক বিপ্লৱৰ কথা আমি ভাবি আছোঁ, সেইটো কেতিয়াও সম্ভৱ নহ'লহেঁতেন। ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ প্ৰচেষ্টাত আমি যিটো অঞ্চলক প্ৰতিনিধিত্ব কৰিছোঁ, সেই অঞ্চলত স্থায়ী শান্তি অনাত তেখেতৰ যিখিনি অৱিহণা, সেই অৱিহণা আমি কেতিয়াও পাহৰিব নোৱাৰোঁ। আজি নিৰ্ভয়ে আমাৰ ল'ৰা-ছোৱালীসকলে স্কুললৈ যাব পাৰে, পঢ়িব পাৰে। আগতে ৬টা বাজিলেই আমি লাইট বন্ধ কৰি শুই গৈছিলোঁ, উপাধ্যক্ষ মহোদয়। সেই পৰিবেশ এতিয়া নাই। শিক্ষা কেৱল শিক্ষাৰ লগত

জড়িত হৈ থকা নাই। এটা সময়ত শিক্ষা বিভিন্ন দিশেৰে জড়িত হৈ আছিল। আমি সেই অঞ্চলৰ পৰা আহিছোঁ, য'ত ল'ৰা-ছোৱালীয়ে দুবেলা দুমুঠি খাব নোৱাৰে। তেনেকুৱা পৰিয়ালক প্ৰধানমন্ত্ৰীৰ যিটো অন্ন সেৱা আঁচনিৰ মাধ্যমেৰে যেতিয়া চাউল দিয়াৰ ব্যৱস্থা কৰা হৈছে, অনাহাৰে এটা পৰিয়াল যেতিয়া থাকিব নলগা হ'ল, তেতিয়া ল'ৰা-ছোৱালীসকলে অন্তত পঢ়িবলৈ এটা ভাল পৰিবেশ পাইছে। থাকিবলৈ ঘৰ নোহোৱা বহু পৰিয়াল আমি দেখিছোঁ। তেনেকুৱা পৰিয়ালসমূহক দিছে এইখন চৰকাৰে। এতিয়া ক'ৰবাত নহয় ক'ৰবাত প্ৰত্যক্ষভাৱে নহ'লেও পৰোক্ষভাৱে এই বিষয়বিলাক শিক্ষাৰ লগত জড়িত। কেৱল আমি শিক্ষা ক্ষেত্ৰটোকহে আগুৱাই লৈ যাম বুলি ভাবিলে আমি আগুৱাই লৈ যাব নোৱাৰোঁ। আনুসংগিক যিবিলাক বিভাগ আছে, যিবিলাক বিভাগ পৰোক্ষভাৱে শিক্ষাৰ লগত জড়িত, সেই বিভাগসমূহকো ক'ৰবাত আগবঢ়াই লৈ যোৱাৰ প্ৰয়োজন আছে। সেই প্ৰচেষ্টা এইখন চৰকাৰে প্ৰত্যেকটো মুহূৰ্ততে কৰি যে আছে, এইটো সকলোৱে অনুভৱ কৰিছে। গতিকে আমি বিচাৰোঁ যে এজন সচেতন, সভ্য আৰু ৰাষ্ট্ৰৰ প্ৰতি দায়িত্বশীল এজন নাগৰিক এই শিক্ষা ব্যৱস্থাই প্ৰস্তুত কৰক। আখৰ চিনি পোৱা যন্ত্ৰৰ প্ৰয়োজন নাই, ৰাষ্ট্ৰখনক ভাল পোৱা একো একোজন ছাত্ৰৰ প্ৰয়োজন আছে, যিজন ছাত্ৰই অনাগত দিনত ৰাষ্ট্ৰৰ হকে কাম কৰিব। তেনেকুৱা উদ্দেশ্য লৈ এইখন চৰকাৰে কাম কৰি আছে। গতিকে উপাধ্যক্ষ মহোদয়, বহুতে উপলুঙা কৰে যে চৰকাৰী স্কুলত পঢ়িলে কি হ'ব? মই যিটো কৈছোঁ, এক কৃত্ৰিম ধাৰণা জাপি দিব বিচৰা হৈছে যে চৰকাৰী স্কুলত পঢ়িলে ভাল result কৰিব নোৱাৰি, ভাল ফলাফল দেখুৱাব নোৱাৰি। গতিকে সেই ধাৰণা জাপি দিব বিচৰা হৈছে। গতিকে তেনেকুৱা ধৰণৰ চক্ৰান্ত কৰা, এক কু-অভিসন্ধি ৰচনা কৰা সেই পক্ষক আমি হুঁচিয়াৰ কৰিব বিচাৰিছোঁ, আমি সাৱধান কৰিব বিচাৰিছোঁ। কাৰণ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে সেইদিনাখন মোক ফোন কৰি কৈছে যে "ভিক্টৰ, তোৰ সমষ্টিৰ গোৰেশ্বৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত পঢ়ি NEET পৰীক্ষাত এজন ছাত্ৰই সুখ্যাতিৰে উত্তীৰ্ণ হৈছে, তই গৈ এবাৰ খবৰ কৰিবি। ইমান সংবেদনশীল মুখ্যমন্ত্ৰী এজন আমি পাইছোঁ, যিজন

মুখ্যমন্ত্ৰীৰ লগত গোৰেশ্বৰ বিধানসভা সমষ্টিৰ সৰু গাঁও এখনত সৰ্বভাৰতীয় পৰ্যায়ৰ এটা পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা খবৰটো তেখেতৰ লগত থাকে। তেনেকুৱা সংবেদনশীল এজন মুখ্যমন্ত্ৰী এইখন দেশে পাইছে, এইখন ৰাজ্যই পাইছে। তেখেতে প্ৰত্যেকটো দিশেৰে, প্ৰত্যেকটো বিভাগৰ মাধ্যমেৰে অসমখনক আগবঢ়াই লৈ যাব বিচাৰিছে। ইয়াত বিৰোধিতা কৰাৰ কাৰণে বিৰোধীয়ে বিভিন্ন ধৰণে বিৰোধিতা কৰিব পাৰে, সেইটো ডাঙৰ কথা নহয়। কিন্তু এইখন চৰকাৰৰ যিখিনি পৰিকল্পনা, সুদূৰপ্ৰসাৰী যিখিনি চিন্তা, যি বিৱৰ্তনৰ মাধ্যমেৰে শিক্ষা ক্ষেত্ৰত আমূল এক বিপ্লৱৰ সূচনা কৰিব বিচাৰিছে, সেই কথাখিনিও ক'ৰবাত আমি গুৰুত্ব দিয়াৰ প্ৰয়োজন আছে। আজি যেতিয়া আৰ্থিক দৈন্যতাই কোনো এজন ছাত্ৰ-ছাত্ৰীৰ সন্মুখত বাধাৰ প্ৰাচীৰ যাতে হ'ব নোৱাৰে, এই ব্যৱস্থাও এইখন চৰকাৰে কৰিছে। ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই 'নিযুত মইনা' আৰু 'নিযুত বাবু'ৰ মাধ্যমেৰে আমাৰ আৰ্থিক দৈন্যতাত ভূগি থকা ছাত্ৰসকলক যেনেধৰণে উপকৃত কৰা হৈছে, এই উপকাৰে কেৱল সেইটো পৰিয়ালক সহায় কৰা নাই আপোনালোকে যে কৈ আছে স্কুলৰ enrollment কমিছে, এতিয়া স্কুলৰ enrollment ও লাহে লাহে বৃদ্ধি হ'বলৈ ধৰিছে, বাল্য বিবাহ সম্পূৰ্ণভাৱে হ্ৰাস হ'বলৈ ধৰিছে। গতিকে বিভিন্ন ধৰণৰ আঁচনি কেৱল আঁচনি নহয়, সমাজ পৰিৱৰ্তনৰ এক কাৰক হিচাপে আজি ইয়াত চিহ্নিত হৈছে। বিভিন্ন ক্ষেত্ৰত বিপ্লৱৰ সূচনা কৰিছে। গতিকে তেনেকুৱা এখন চৰকাৰৰ মুৰব্বী এজনে নিশ্চিতভাৱে যি ধন এই বাজেটখনৰ কাৰণে ধাৰ্য কৰিছে, প্ৰত্যেকটো ধন, প্ৰত্যেক এই ধনৰাশিৰ প্ৰত্যেকটো টকা খুব শুদ্ধ অন্তৰেৰে খৰচ কৰিব। এখন ধৰ্মযুক্ত, এখন সংস্কাৰযুক্ত আৰু এখন কৰ্মযুক্ত যি নেকি কাৰ্যসূচী, আমাৰ সকলোৱে শ্ৰদ্ধাৰ শিক্ষামন্ত্ৰী ৰণোজ পেগু ডাঙৰীয়াই কৰি উলিয়াব। তেখেতৰ সহমৰ্মিতা আমাৰ জনজাতি অঞ্চলবিলাকৰ কাৰণে, সেইখিনি আমি ভালদৰে অনুভৱ কৰোঁ। আমি Sixth Schedule এলেকাত থাকোঁ। তেখেতৰ যিটো ভৈয়াম জনজাতি দপ্তৰ বিভাগ আছে, তাৰ মাধ্যমেৰে আমাৰ অঞ্চলৰ বিভিন্ন ধৰণৰ স্কুল-কলেজত যিটো আন্তঃগাঁথনি উন্নীতকৰণৰ ক্ষেত্ৰত যি পদক্ষেপ লৈছে,

সঁচাকৈ প্ৰশংসনীয়। তেখেতে ভালদৰে diagnosis কৰিব  পৰাটো এটা গুণ, কিয়নো  professionally তেখেত এজন doctor হয়। গতিকে শিক্ষা ব্যৱস্থাটোত তেখেতে যেনে ধৰণে diagnosis কৰি উলিয়াইছে, আগন্তুক সময়ত যিখিনি বেমাৰ এই শিক্ষা ব্যৱস্থাটোৱে সন্মুখীন হ'ব নিশ্চিতভাৱে, সেই বেমাৰসমূহ দূৰ হ'ব বুলি আমি বিশ্বাসী । Rome was not built in a day বুলি কয়। গতিকে সমস্যা থাকিব পাৰে, সেইটো ডাঙৰ কথা নহয়। কিন্তু যি বিৱৰ্তন এই শিক্ষা বিভাগটোৱে মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত আনিবলৈ সক্ষম হৈছে, আগন্তুক দিনত নিশ্চিতভাৱে এক শৈক্ষিক বিপ্লৱৰ সূচনা কৰিব। লগতে মই ক'ব খুজিছো যে, আমাৰ অঞ্চলৰ পৰা এই সৰ্বভাৰতীয় NEET পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ কৰা প্ৰত্যেকগৰাকী ছাত্ৰ-ছাত্ৰী চৰকাৰী স্কুলত পঢ়া। মই সেই ছাত্ৰ-ছাত্ৰী সকলৰ নাম ল'ব লাগিব- আইমি বড়ো, ভৃগু নাথ । যিজন লৰাই গোৰেশ্বৰ Higher Secondary ত পঢ়ি এই NEET পৰীক্ষাত উত্তীৰ্ণ হৈছে। শ্ৰী মতী চুমি দাস IIT Mandi ত স্থান পাইছে। তেওঁ খুব দুখীয়া ঘৰৰ আৰু মই আমাৰ বিৰোধী দলৰ সদস্য সকলে কোৱা শুনিছো দুখীয়া ছাত্ৰ। এজন ছাত্ৰ কেতিয়াও দুখীয়া হ'ব নোৱাৰে। আমি সেইখন সমাজক প্ৰতিনিধিত্ব কৰো যিখন সমাজত কোৱা হয় যে, আমি ধনৰ দুখীয়া হ'ব পাৰো, কিন্তু মনৰ দুখীয়া নহয়। আমাৰ অসমৰ প্ৰত্যেকগৰাকী ছাত্ৰ-ছাত্ৰী মনৰ দুখীয়া নহয়, তেওঁলোকৰ মনত হেপাহ আছে, উৰাৰ মন আছে আৰু তেওঁলোকৰ সপোন সাৰ্থক কৰাৰ অহোপুৰুষাৰ্থ কৰাৰ যি উদম্য হেপাহ, সেই হেপাহ প্ৰত্যেকজন অসমীয়া ল'ৰা ছোৱালীৰ আছে আৰু তেনেকুৱা ধৰণে উপলুঙা কৰিলে আমি লাজ পাওঁ । মাননীয় সদস্য শ্ৰী জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াই কৈছে যে, চৰকাৰী স্কুলত পঢ়া ল'ৰা ছোৱালীয়ে ইংৰাজীত ভালদৰে এখন আবেদন লিখিব নোৱাৰে । এনেধৰণে অপমান কৰিব নালাগে । এই দেশৰ যুৱ চামক বা যুৱ সত্ত্বাক এনেধৰণে উপলুঙা কৰাটো একেবাৰে অনুচিত। চৰকাৰী স্কুলত পঢ়াটো অপৰাধ নেকি? ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** Thank you. Next Hon'ble Member Shri Aftab Uddin Mollah from Congress.

( মাননীয় সদস্য শ্ৰী আফতাব উদ্দিন মোল্লা সদনত উপস্থিত নাই)

**মাননীয় উপাধ্যক্ষঃ** Thank you. Next Hon'ble Member Shri Sashi Kanta Das.

**শ্ৰী শশীকান্ত দাস, ৰহাঃ** ধন্যবাদ। মাননীয় উপাধ্যক্ষ মহোদয়, শিক্ষা বিভাগৰ দৰে অতি গুৰুত্বপূৰ্ণ এটা বিষয়ত দাবী মঞ্জুৰী কৰ্তন প্ৰস্তাৱৰ বিৰোধিতাৰে বক্তব্য ৰাখিবলৈ দিয়া বাবে আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো। মাননীয় উপাধ্যক্ষ মহোদয়, ভাৰতীয় জনতা পাৰ্টী নেতৃত্বাধীন NDA চৰকাৰৰ সৰ্বকালৰ দূৰদৰ্শী মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ বলিষ্ঠ নেতৃত্বত ২০২৬-২৭ চনৰ যি বাজেট, এই বাজেটত শিক্ষা বিভাগৰ ওপৰত যি পুঁজি ধাৰ্য্য কৰা হৈছে, মই এই দাবী মঞ্জুৰীৰ কৰ্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি বক্তব্য আগবঢ়াব বিচাৰিছো। মাননীয় উপাধ্যক্ষ মহোদয়, আমি সেই দিনবোৰলৈ ঘূৰি যাব নিবিচাৰো, যিখিনি সময়ত বিভিন্ন শিক্ষানুষ্ঠানৰ শিক্ষা গুৰুসকলে পৰিচালনা সমিতিৰ সেইসকল বিষয়ববীয়াই স্কুলখনৰ আন্তঃগাঁথনিৰ বাবে আজিপৰা ১৫ বছৰ আগত বা ২০১৬ চনৰ আগৰ সেই সময়খিনিত মন্ত্ৰী, বিধায়কৰ ঘৰে ঘৰে আন্তঃগাঁথনিৰ উন্নয়নৰ বাবে আবেদন লৈ লৈ ঘূৰি ফুৰিবলগা হৈছিল। আজি অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ বলিষ্ঠ নেতৃত্বত এই শিক্ষা বিভাগত এক আমূল পৰিৱৰ্তন অহা আমাৰ দৃষ্টিগোচৰ হৈছে। যোৱা সময়খিনিত ৰহা সমষ্টিৰ এখন আদৰ্শ বিদ্যালয়ত প্ৰায় ৭ কোটি টকা ব্যয় সাপেক্ষে ইতিমধ্যে নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈছে। ইয়াৰ উপৰিও আমাৰ দৰঊীগাঁও হাইস্কুল আৰু ঐতিহ্যমণ্ডিত চাপৰমুখ বি.বি হান্সাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়, আমাৰ নিশ্চিত আঁচনিৰ অধীনত প্ৰায় ৭ কোটি টকাৰ ব্যয় সাপেক্ষে গোটেই আন্তঃগাঁথনিৰ কাম বৰ্তমান চলি আছে। আমি সৌভাগ্য অনুভৱ কৰিছো যে, মাননীয় মুখ্যমন্ত্ৰী গৰাকীৰ বলিষ্ঠ নেতৃত্বত শিক্ষা বিভাগৰ জৰিয়তে আমি জোঙালবলহু গাঁওৰ শ্বহীদ স্মৃতি যি উচ্চতৰ মাধ্যমিক

বিদ্যালয়, আমি নতুনকৈ RIDF ৰ আঁচনিৰ অন্তৰ্গত আমি আন্তঃগাঁথনি পাবৰ কাৰণে সক্ষম হৈছো। আজি এই পবিত্ৰ সদনত মই অনুৰোধ জনাব বিচাৰিম যে, ৰহা উচ্চতৰ মাধ্যমিক বিদ্যালয় ১১১ বছৰ গৰকিছে। আজি এই বিদ্যালয় খনৰ ১১১ বছৰৰ পাছত ইয়াৰ আন্তঃগাঁথনি দুৰ্বল হৈ পৰিছে। সেয়েহে মই মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাম যে, আগন্তু সময়ত ৰহা উচ্চতৰ মাধ্যমিক বিদ্যালয়খনক এটা শক্তিশালী আন্তঃগাঁথনিৰ জৰিয়তে যাতে আমি ইয়াক নতুনকৈ নিৰ্মাণ কৰি উত্তৰ পুৰুষৰ হাতত শৈক্ষিক ব্যৱস্থাটোক আগুৱাই লৈ যাব পাৰো, তাৰ কাৰণে মই বিনম্ৰতাৰে অনুৰোধ জনাইছো । আমাৰ ৰহা সমষ্টিৰ অন্তৰ্গত ঐতিহ্যমণ্ডিত কুজিদা Higher Secondary School, যিখন Higher Secondary School ৰ পৰা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰী লক্ষ্মীনন্দন বৰাৰ দৰে মনুষ্যই শিক্ষা গ্ৰহণ কৰি অসমৰ শৈক্ষিক জগত খনত এক নক্ষত্ৰ হিচাপে উজ্জ্বলি উঠিবলৈ সক্ষম হৈছিল আৰু সেই বিদ্যালয়খনটো আন্তঃগাঁথনিৰ প্ৰয়োজন হৈছিল। গতিকে মই অনুৰোধ জনাব বিচাৰিছো যাতে সেই ঐতিহ্যমণ্ডিত কুজিদাহ Higher Secondary School খনক আন্তঃগাঁথনিৰ জৰিয়তে আগুৱাই লৈ যাব পাৰো । প্ৰমিলা শংকৰদেৱ হাইস্কুল, মামিজান Higher Secondary School আৰু যিসমূহ বিদ্যালয়ত আন্তঃগাঠিনৰ কাম কৰিবলৈ বাকী আছে, আগন্তুক সময়ত মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টিগোচৰ আকৰ্ষণ কৰিব বিচাৰিছো যাতে শৈক্ষিক ক্ষেত্ৰত আগুৱাই লৈ যাব পৰা প্ৰয়াস আৰু প্ৰচেষ্টাৰে যাতে আমাৰ এই বিদ্যালয় কেইখনৰ আন্তঃগাঁথনিৰ কামখিন যাতে সম্পূৰ্ণ কৰি তোলা হয় তাৰ বাবে মই বিনম্ৰতাৰে অনুৰোধ জনাইছো । আমাৰ ৰহা মহাবিদ্যালয় আৰু ৰহা সমষ্টিৰ ভিতৰতে এক উচ্চ শিক্ষানুষ্ঠান । আজি ৰহা মহাবিদ্যালয়ৰ পৰা নগাঁও মহাবিদ্যালয় প্ৰায় ২৫ কিঃমিঃ দূৰ হয় । আজি জাগীৰোড মহাবিদ্যালয় প্ৰায় ৫০ কিঃমিঃ দূৰ হয়। ওচৰতে আমাৰ ছাত্ৰ-ছাত্ৰীয়ে তেনেকুৱা বিজ্ঞানৰ পাঠ্যক্ৰম যদি কৰিবলে বিচাৰে তেন্তে বহু দূৰ গৈ নগাঁও, জাগীৰোড বা মৰিগাঁও আদি দূৰণি-বটীয়া সেই মহাবিদ্যালয়সমূহলৈ ঢাপলি মেলিবলগীয়া হয়। মই এই পবিত্ৰ বিধানসভাৰ

মজিয়াত মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো যে, ৰহা মহাবিদ্যালয়খনকো বিজ্ঞান শাখাৰ প্ৰৱৰ্তন কৰি আমাৰ উঠি অহা ভৱিষ্যতৰ প্ৰজন্মক যাতে  বিজ্ঞান শিক্ষাৰে সমৃদ্ধ কৰি আমি যাতে শৈক্ষিক ক্ষেত্ৰখনত তেওঁলোকক আগুৱাই লৈ যাব পাৰো, তাৰ কাৰণে মই বিনম্ৰতাৰে অনুৰোধ জনাইছো। আমাৰ বহু কেইজন সতীৰ্থ বিৰোধী বিধায়কে আজি দাবী মঞ্জুৰীৰ কৰ্তন প্ৰস্তাবৰ সমৰ্থন কৰি বিভিন্ন ধৰণৰ কিছু বক্তব্য তেখেতসকলে আগবঢ়োৱা দেখিছো। বহু সময়ত আমি লক্ষ্য কৰিছো যে, তেখেতসকলে বিৰোধিতা কৰিবলৈ গৈ স্ব-বিৰোধী মন্তব্যৰে তেওঁলোকে আজি বিধানসভাৰ মজিয়াত বক্তব্য দাঙি ধৰা আমি দেখিবলৈ পাইছো। এটা কথা নিশ্চিত, গুণগত শিক্ষা ব্যৱস্থাৰে আমাৰ উঠি অহা ভৱিষ্যত প্ৰজন্মক শাৰীৰিক, মানসিক আৰু বৌদ্ধিক ক্ষেত্ৰখনত শক্তিশালী কৰি গঢ়ি তুলিবলৈ হলে আমি শিক্ষা ব্যৱস্থাটোক অধিক শক্তিশালীভাৱে আগুৱাই লৈ যাব লাগিব আৰু এই ক্ষেত্ৰত অসমৰ সৰ্বকালৰ দূৰদৰ্শী মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই প্ৰতিটো ক্ষেত্ৰতে কোনো সুৰুঙা নোহোৱাকৈ অতি ক্ষিপ্ৰতাৰে আৰু বলিষ্ঠভাৱে শিক্ষাৰ ক্ষেত্ৰখনত কাম কৰি যোৱা প্ৰত্যক্ষ কৰিছো। সেই শিক্ষা বিভাগৰ দাবী মঞ্জুৰীৰ যি কৰ্তন প্ৰস্তাৱ, মই বিৰোধিতা কৰি এই শিতানত আমাৰ যিখিনি পুঁজি ধাৰ্য্য কৰা হৈছে, ইয়াৰ মই সম্পূৰ্ণ প্ৰয়োজন সাপেক্ষে আৰু যদি সংযোগ কৰিব লাগে আৰু সংযোগ কৰি হ'লেও, এই কৰ্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি মই মোৰ বক্তব্য আগবঢ়ালো। নমস্কাৰ।

**মাননীয় অধ্যক্ষঃ** Thank you. এতিয়া Congress দলৰ মাননীয় সদস্য শ্ৰী আব্দুৰ ৰহিম আহমেদ। আপোনাক ৭ মিনিট দিয়া হৈছে। Hon'ble Minister য়ে reply দিব আছে।

**শ্ৰীআব্দুৰ ৰহিম আহমেদ, (চেঙা)ঃ মাননীয় অধ্যক্ষ মহোদয়, কৰ্ত্তণ প্ৰস্তাৱৰ সমৰ্থনত মোক দুআষাৰ কথা ক'বলৈ সুযোগ দিয়া বাবে ধন্যবাদ। নীতিগত কাৰণত  বিষয়টোৰ গুৰুত্ব চাই  বা অত্যন্ত জৰুৰী বিষয় বুলি গণ্য কৰি  সদনৰ মজিয়াত যাতে বিষয়টো আমি আলোচনা কৰিব পাৰো**

তাৰ কাৰণে কৰ্ত্তণ প্ৰস্তাৱ আনিব লগা হয়। গতিকে বিষয়টো অত্যন্ত গুৰুত্বপূৰ্ণ আৰু আমি যিবিলাক ডিমাণ্ড দিওঁ সেইবিলাক পূৰণ হোৱাটো আমিও বিচাৰো। শিক্ষা বিভাগত আৰু অধিক পুঁজিৰ দৰকাৰ আছে তাত কোনো সন্দেহ নাই। অধ্যক্ষ মহোদয়, আমি আটায়েই জানো যে,২০০১ চনৰ তেতিয়াই স্কুলীয়া শিক্ষাৰ যিটো পৰিবেশ আছিল,মাহৰ পিচত মাহ ধৰি শিক্ষক –কৰ্মচাৰীৰ আন্দোলনৰ বাবে স্কুল বন্ধ হৈ থাকিব লগা হৈছিল। আন্তঃগাঁথনিৰ জৰাজীৰ্ণ অৱস্থা আছিল। প্ৰয়াত তৰুণ গগৈ ডাঙৰীয়া মুখ্যমন্ত্ৰী হোৱাৰ পিচতে এই বিষয়বোৰ sincerely handle কৰা বাবে বেছি সংখ্যক ভেন্সাৰ স্কুল প্ৰভিন্সিয়েলাইজড কৰা হ'ল। আন্তঃগাঁথনিৰ উন্নয়ণ কৰা হ'ল। ছাত্ৰ-ছাত্ৰীক সুশিক্ষা দিয়াৰ এটা পৰিৱেশ ঘুৰাই অনা হ'ল। বৰ্তমান চৰকাৰখনেই কিছু ভাল কাম কৰিছে আমি সমালোচনা কৰিব লাগে কাৰণেই নকৰো। ছাৰ, ভেন্সাৰ স্কুলসমূহ এইখন চৰকাৰেও ল'লে। যেনেকৈ মাদ্ৰাছাবোৰ স্কুললৈ কনৰ্ভাট কৰিলে,কিন্তু এটা দুখজনক কথা এটা হ'ল ছাৰ, যিটো ডাটা ২০২১ চনত কনৰ্ভাট কৰিলে কিন্তু ইফেক্ট ডেটটো ২০২১ চনৰ পৰা ধৰিলে যেতিয়া মাদ্ৰাছা এষ্টাব্লিছ অৰিজিন হৈছিল , সেইটো ষ্টাব্লিছ ডেটটো নধৰিলে। এই বিষয়টো মুখ্যমন্ত্ৰী ডাঙৰীয়াকো এচোচিয়েশ্যনবোৰে বাৰে বাৰে অনুৰোধ কৰি আছে , তেখেতে নিজে কেইবাঠাইত আমাৰ মাদ্ৰাছা এচোচিয়েশ্যনৰ মানুহবোৰে সাক্ষাৎ কৰাৰ সময়ত জনাইছে যে, মুখ্যমন্ত্ৰী মহোদয়ে নিজেও এই বিষয়টো ডাইচ চালি –জাৰি চাব বুলি কৈছে। U-Dice plus ৰ কথাটো আছেই , মই ইফেক্ট ডেটৰ কথাটো কৈছো। গতিকে এই কথাটো শিক্ষা মন্ত্ৰী ডাঙৰীয়াই প্ৰয়োজন হ'লে ২০২৫ চনৰ আইনখন এমেন্টমেণ্ড কৰি হ'লেও অৰিজিনেলী মাদ্ৰাছাখন যেতিয়া জন্ম হৈছিলে , ষ্টাব্লিছ হৈছিলে সেই ডেটখনৰ পৰাই , কাৰণ ছাৰ স্কুলখনতো সেইখনেই আছে। গতিকে এই বিষয়টো গুৰুত্ব দিব বুলি মই অনুৰোধ

**কৰিছো। দ্বিতীয়তে মই কৈছোৱে যে এতিয়াও** PTR **নাই ছাৰ। মোৰ কোৱেশ্যনৰ উত্তৰতে আহিছে যে ছাত্ৰ-ছাত্ৰীৰ অনুপাতে শিক্ষকৰ অভাৱ প্ৰায় ১০,০০০তকৈও অধিক। মোৰ প্ৰশ্নৰ উত্তৰতে মই পাইছো। গতিকে শিক্ষা মন্ত্ৰী ডাঙৰীয়াক মই কৈছো, যে, এই ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষক দিয়াৰ ব্যৱস্থাটো অত্যন্ত জৰুৰী ছাৰ। কাৰণ প্ৰথম মানৰ পৰা অষ্টম মান শ্ৰেণীলৈকে ১৪ বছৰ অনুৰ্দ্ধৰ ছাত্ৰ-ছাত্ৰীৰ শিক্ষা - এইটো আমাৰ মৌলিক অধিকাৰ** – Fundamental Rights **এইটো ভায়োলেশ্যন হৈ আছে ছাৰ। গতিকে যিকোনো মূল্যৰ বিনিময়ত ছাত্ৰ-ছাত্ৰীৰ অনুপাতে শিক্ষকৰ ব্যৱস্থাটো কৰিব লাগে। আৰু ছাৰ যিখিনি ভেন্সাৰ স্কুল লোৱা হ'ল – মই ছাৰ আগতে কৈছো, এতিয়াও ক'ম যে, কেৱল** PTR**ৰ দোহাই দি ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ক'ম থকাৰ কাৰণে ভেন্সাৰ স্কুল আৰম্ভ কৰাৰ পৰা যি কেইজন শিক্ষক কৰ্মৰত আছিল। তেওলোকক বিদায় দিয়া হ'ল। গতিকে ছাৰ , এইটো অমানৱীয় হৈছে। আইন বনাই আমি মানুহখিনিক বঞ্চিত কৰিব পাৰিম। মই কিন্তু জয় কৰিব নোৱাৰিম। সকলো মানুহে কিন্তু এইখিনি পৰ্য্যবেক্ষণ কৰে। যদি আমি দয়া কৰি আইনটো সংশোধন কৰি যদি এই মানুহখিনিৰ এটা ব্যৱস্থা কৰিব পাৰো , এই ব্যৱস্থা আপুনি আনিছে ছাৰ , 'গুৰুদক্ষিনা'ত আপুনি এপ্লাই কৰিব দিছে। কিন্তু ছাৰ তেওলোকৰ বহু মানুহ আমি লগ পাওঁ। এট দ্য চেম টাইম যিখিনি মানুহ ড্ৰ'প হ'ল , তেওলোকক পি টি আৰ নথকা স্কুলবোৰক , আমি ওচৰে –পাজৰে আমি কামত লগাব পাৰিলোহেঁতেন। আৰম্ভনীতে এইটো কথা কওঁতে ছাৰ মই দ্বিধাবোধ নকৰো বহু ক্ষেত্ৰত দেখা যায় যে, স্কুলত এপইন্টমেন্ট পোৱাৰ পিচতে শিক্ষকবোৰ ডিউটিত যাব নোখোজে কাৰণ ইমান দূৰত দূৰত পোষ্টিং হয়। এই কথাটো মই ভাবো চৰকাৰে পুনৰ বিবেচনা কৰক। এটলিষ্ট এডুকেশ্যন ডিৰ্পাটেমন্টৰ কাৰণে ছাৰ, টিছাৰ চিলেকশ্যন আৰু এপইন্টমেন্টটো চেন্ট্ৰলী নকৰি, ৰাজ্যিকভিত্তিত নকৰি, জিলাভিত্তিত যদি কৰিব পৰা যায় তেনেহ'লে**

**শিক্ষক এপইন্টমেন্ট এণ্ড ট্ৰেন্সপাৰৰ এই যিটো বিষয় বহুক্ষেত্ৰত আমি নিজে দেখিছো। আয়ুক্ত ডাঙৰীয়াৰ লগত আই এচ বা** DEEO**ৰ লগত কথা পাতি কোনো এপইন্টমেন্ট পোৱাৰ পিচত তেওঁলোকে ডিউটি কৰিবলৈ যাব নোখোজে। গতিকে এই বিষয়টো যদি চালি জাৰি চাই বিবেচনাত আনে তেন্তে মই ভাবো বিদ্যালয় শিক্ষা আমাৰ যথেষ্ঠখিনি লাভ হ'ব। গতিকে মই ইয়াৰ লগতে আৰু দুটামান কথা ক'ব খুজিছো যে, ৩০ হাজাৰতকৈ অধিক খালি পদ পূৰণ কৰাৰ কথা দোহাৰিছে। গতিকে অন্যান্য বিভাগত পদ খালি হৈ থাকিলেও বিশেষকৈ শিক্ষা আৰু স্বাস্থ্য এই দুটা হৈছে মেৰুদণ্ড। গতিকে যিকোনো মূল্যৰ বিনিময়ত ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ দিশত যাতে অসুবিধা নহয়। এই দিশটোত অগ্ৰাধিকাৰ দি খালী পদসমূহ অনতিপলমে পূৰণ কৰাৰ বাবে শিক্ষা বিভাগৰ লগতে চৰকাৰে চিন্তা চৰ্চাৰে ব্যৱস্থা গ্ৰহণ কৰিব বুলি অনুৰোধ কৰিলো। অধ্যক্ষ ডাঙৰীয়া মোৰ সমষ্টিৰ ব্ৰহ্মপুত্ৰ নৈখনে চেঙা সমষ্টিটো দুটা ভাগত ভাগ কৰিছে। এটা চেঙা ব্ল'ক আৰু আনটো মোৱা ফুলবাৰী ব্ল'ক, দক্ষিনপাৰত ৯ টা পঞ্চায়ত আছে। দক্ষিন পাৰৰ ৯ টা পঞ্চায়তত ৩ লাখতকৈ অধিক জনসাধাৰণ আছে। তাতে লুইতপৰীয়া নামৰ এখন কলেজ আছে। তাতে যদি আন এখন কলেজ স্থাপন কৰাৰ ব্যৱস্থা কৰে, তেনেহ'লে মই ভাবো চৰ অঞ্চলৰ শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট উপকাৰ হ'ব। উত্তৰ পাৰ আৰু দক্ষিণ পাৰত কেইবাখনো হায়াৰ চেকেণ্ডৰী স্কুল আছে, সেই স্কুলবিলাকত চাইন্স আৰু আৰ্টছ ষ্ট্ৰীম দিয়াৰ ব্যৱস্থা কৰিলে উপকাৰ হ'ব। আৰু শেষত আন্তগাঁথনিৰ কথা ক'ব লাগিব। এম ই এল পি, লোৱাৰ প্ৰাইমাৰী, আপাৰ প্ৰাইমাৰী, হাইস্কুল আনকি হায়াৰ চেকেণ্ডৰী স্কুলতো** ACR **নাই। অধ্যক্ষ ডাঙৰীয়া মই অনুৰোধ কৰিছো যে, আপুনি বিভাগৰ পৰা ব্ল'ক ৱাইজ লিষ্ট বিচাৰক। আপুনি দেখিব বহু বিদ্যালয়ত পি টি আৰ নাই। মোৰ সমষ্টিৰ সংখ্যাখিনি মোৰ লগতে আছে মই দিব পাৰো। গতিকে যিধৰণে আজি মৌলিক অধিকাৰ শিক্ষাৰ ক্ষেত্ৰত দিয়া হৈছে কিন্তু ছাত্ৰ**

**ছাত্ৰী অনুপাতে শিক্ষক নাই এডিশ্যনেল ক্লাছ্ৰুম নাই , শৌচাগাৰ নাই , আনকি অন্যান্য সা- সুবিধাও পোৱা নাই গতিকে এই কথাখিনি গুৰুত্বসহকাৰে ল'ব বুলি আপোনাৰ জৰিয়তে মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাই মই মোৰ,বক্তব্য সামৰণি মাৰিলো ধন্যবাদ।**

**মাননীয় অধ্যক্ষ ঃ ধন্যবাদ এতিয়া জীৱেশ ৰায়।**

**শ্ৰীজীৱেশ ৰায়, বিলাসীপাৰা ঃ অধ্যক্ষ মহোদয়, বিৰোধীয়ে যি কৰ্ত্তণ প্ৰস্তাৱ আনিছে তাৰ বিৰোধিতা কৰি মই মোৰ বক্তব্য ৰাখিবলৈ ওলাইছো। এখন দেশ এখন ৰাজ্য উন্নয়ণ হ'ব লাগিলে প্ৰধানতে ৩ টা বিষয়ত সুশাসন পাব লাগিব। শিক্ষা স্বাস্থ্য আৰু নিৰাপত্তা , তাৰ ভিতৰত অন্যতম হ'ল শিক্ষা ব্যৱস্থা। অসমৰ সৰ্ব্ব শ্ৰেষ্ঠ মাননীয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব ডাঙৰীয়াৰ নেতৃত্বত এই বেলি আমাৰ বিত্ত মন্ত্ৰী জয়ন্ত মল্ল ডাঙৰীয়াই যি বাজেট দাখিল কৰিলে তাত শিক্ষা খণ্ডত অধিক গুৰুত্ব আৰোপ কৰাৰ কথা উল্লেখ কৰা হৈছে তাৰ বাবে আমাৰ চৰকাৰখনক বহু বহু ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো। অধ্যক্ষ মহোদয়, শিক্ষা কেৱল এটা বিভাগ নহয় , ই এটা সমগ্ৰ জাতিৰ ভবিষ্যত গঢ়ি তোলাৰ আটাইতকৈ শক্তিশালী ভেঁটী। মাননীয় মুখ্যমন্ত্ৰী আৰু শিক্ষা মন্ত্ৰীৰ নেতৃত্বত শিক্ষা ক্ষেত্ৰত যি পদক্ষেপেৰে অসমৰ শিক্ষা ব্যৱস্থা এক নতুন দিশত আগবঢ়াই নিছে তাহানি দিনত আমি যেতিয়া স্কুললৈ গৈছিলো আমি যি কিতাপ কিনি অধ্যয়ণ কৰিব লগা হৈছিল কিন্তু আজি সেই পাঠ্যপুথি বিনামূলীয়াকৈ প্ৰদান কৰিছে। আমাৰ সেই স্কুলৰ পৰি কথা এতিয়াও মনত আছে কেতিয়াবা গাওঁৰ মেকুৰী সোমাই আনফালে ওলাই যায় কিন্তু আজি সেই বিদ্যালয়সমূহ বহু উন্নতমানৰ তাত ডিজিটেল শিক্ষা ব্যৱস্থাকে ধৰি সকলো ব্যৱস্থা হৈছে। সেই সময়ত অতিমাত্ৰা গৰমৰ দিনত গছৰ তলত বহি বিচনীৰে বিচি শিক্ষা ল'বলগীয়া হৈছে কিন্তু চৰকাৰে আজি বিদ্যালয়সমূহত ফেনৰ ব্যৱস্থা কৰিছে।** খন্তেক আগতে আমাৰ সন্মানীয় বিধায়ক শ্ৰী মজিবুৰ ৰহমান ডাঙৰীয়াই কৈছে যে বিভিন্ন

বিদ্যালয়ত তেখেতৰ সমষ্টিতেই স্কুলৰ সামগ্ৰী চুৰি হোৱাৰ কথা। যাৰ কাৰণে আজি আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে সেইবোৰ ৰোধ কৰাৰ কাৰণে বিদ্যালয়ত চুৰি কাৰ্য্য ৰোধ কৰাৰ বাবে আজি আমাৰ চৰকাৰে CCTV ৰ ব্যৱস্থা কৰিছে। আজি আমাৰ দিছপুৰৰ সন্মুখতে আমি যেতিয়া অহা যোৱা কৰো সৌ সিদিনা আমাৰ সন্মানীয় সাংবাদিক এগৰাকীৰ সৈতে মই অহা যোৱা কৰোতে তেখেতক সুধিলো যে এইখন ঠাই বিধান সভাৰ সন্মুখত ইমান ধুনীয়া building টো কোনে বনালে ? তেখেতে কৈছে যে এইটো building নহয়, সেইখন গোপাল বড়ো বিদ্যালয় হয় । গতিকে কিমান এক তাৰতম্য সেই সময়ত আমি আগতে দেখিছিলো গোপাল বড়ো যিখন স্কুল আছিল জৰাজীৰ্ণ অৱস্থা এটাত আছিল আৰু এই কথা অনুধাৱন কৰি আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নেতৃত্বত আজি গোপাল বড়ো বিদ্যালয়খন আজি বিদেশৰ কিবা building ৰ নিচিনা ভাল লগা এটা পৰিবেশ আহি পৰিছে। যাৰ কাৰণে মই ভাবো বিৰোধীয়ে কেৱল তেওঁলোকৰ বিভিন্ন অভাৱ অভিযোগবোৰৰ সমস্যাবোৰৰ সমাধান বিচাৰে, কিন্তু আনপিনে তেখেতসকলে কৰ্তন প্ৰস্তাৱ আনিছে। অধ্যক্ষ মহোদয়, আজি আমাৰ বিদ্যালয় সমূহত আজি ছাত্ৰ-ছাত্ৰী সকলক বিনামূলীয়া চাইকেল দি থকা হৈছে। সৌ সিদিনা মই তাহানিৰ সৰু কালৰ কথা মোৰ আজিও মনত পৰে যেতিয়া মই ফকিৰাগ্ৰাম হায়াৰ চেকেণ্ডাৰীত পঢ়িবলৈ গৈছিলো, মই যিদিনা এম ভি স্কুলৰ পৰা হাইস্কুল গৈছিলো তেতিয়া মোৰ দেউতাই মোক দুটা খাছী ছাগলী বিক্ৰী কৰি মোক এখন চাইকল দিছিল আৰু আজি এই চাইকেল আমাৰ চৰকাৰে সম্পূৰ্ণ বিনামূলীয়াকৈ দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিছে।

**মাননীয় অধ্যক্ষঃ** থেংক ইউ।

**শ্ৰী জীৱেশ ৰয় (বিলাসীপাৰা)ঃ** অধ্যক্ষ মহোদয়, মই এক মিনিট সময় লৈছো। এই সুযোগতে মই আমাৰ দহ নং বিলাসীপাৰা বিধানসভা সমষ্টিৰ কিছু সমস্যাৰ বিষয়ে মই মাননীয় মুখ্যমন্ত্ৰী আৰু শিক্ষামন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো । বিলাসীপাৰা বিধান সভা সমষ্টিত এখন অভিযান্ত্ৰিক মহাবিদ্যালয় স্থাপন কৰাৰ বাবে মই অনুৰোধ জনাইছো। বিলাসীপাৰা চৰকাৰী

মডেল মহাবিদ্যালয়ত বিজ্ঞান শাখাৰ অন্তৰ্ভুক্তি কৰণ আৰু চাপটগ্ৰাম মহাবিদ্যালয়ত আৰু আমাৰ চাপৰ ৰত্নপীঠ মহাবিদ্যালয়ত আমাৰ বিজ্ঞান শাখা অন্তৰ্ভুক্ত কৰাৰ কাৰণে মই অনুৰোধ জনাইছো আৰু আমাৰ বিলাসীপাৰা মহাবিদ্যালয়ত বাণিজ্য শাখা অন্তৰ্ভুক্ত কৰাৰ কাৰণে মই অনুৰোধ জনাইছো আৰু শেষত শালকোছা, লক্ষীগড়, ৰাণীগড় উচ্চতৰ মাধ্যমিক তিনিওখন হায়াৰ চেকেণ্ডাৰী ডিগ্ৰী মহাবিদ্যালয়লৈ উন্নীত কৰাৰ বাবে মই আপোনাৰ জৰিয়তে মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ক অনুৰোধ জনাই মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** থেংক ইউ। এতিয়া মাননীয় বিধায়ক শ্ৰী কিশোৰ নাথ। আপোনাৰ সময় ৫ মিনিট।

**শ্ৰী কিশোর নাথ (বরখোলা)** মাননীয় অধ্যক্ষ মহোদয়, কাটমোশনের উপর আলোচনায় অংশগ্রহণের সুযোগ দেওয়ার জন্য আপনাকে আন্তরিক ধন্যবাদ জানাচ্ছি। আমি আজ দৃঢ়ভাবে এই কাটমোশনের বিরোধিতা করছি এবং মাননীয় ড০ হিমন্ত বিশ্ব শর্মার নেতৃত্বাধীন অসম সরকারের শিক্ষা বিভাগের অনুদানের প্রতি আমার পূর্ণ সমর্থন জ্ঞাপন করছি।

অধ্যক্ষ মহোদয়, শিক্ষা কোনো ব্যয় নয়, এটি একটি বিনিয়োগ। একটি শিক্ষিত সমাজই একটি শক্তিশালী আত্মনির্ভরশীল এবং উন্নত অসম গড়ে তুলতে পারে। সেই লক্ষ্যকে সামনে রেখে বর্তমান সরকার শিক্ষা ক্ষেত্রে যে দূরদর্শী পদক্ষেপ গ্রহণ করেছে তা সত্যিই প্রশংসনীয়। জাতীয় শিক্ষা নীতির সফল বাস্তবায়ন, বিদ্যালয়ের অবকাঠামোর উন্নয়ন, স্মার্ট ক্লাশরুম ,নুতন শিক্ষক নিয়োগ, ডিজিটাল শিক্ষার প্রসার এবং উচ্চশিক্ষার সম্প্রসারন সব ক্ষেত্রেই ইতিবাচক ভূমিকা পালন করছে। আজ অসমের শিক্ষা ব্যবস্থা একটা নুতন দিগন্তের দিকে এগিয়ে যাচ্ছে।

মাননীয় অধ্যক্ষ মহোদয় আমি মাননীয় মুখ্যমন্ত্রী মহাশয়কে ধন্যবাদ দিতে চাইছি যে উনার নেতৃত্বে অসম শিক্ষা ক্ষেত্রে এত দ্রুত এগিয়ে যাচ্ছে। শুধু শিক্ষা ক্ষেত্রে নয় সব ক্ষেত্রেই আমি বলবো অসম এত দ্রুত গতিতে এগিয়ে

যাচ্ছে সেটা আমরা সকলেই ইতিমধ্যে দেখতে পাচ্ছি। যদি আমি বলি আমার সমষ্টির কথা সেখানে রয়েছে একটি Women's college সেটার নির্মান কাজ ইতিমধ্যে শেষ হয়েছে। ২০২৬ সালের ১৪ মার্চ মাননীয় মুখ্যমন্ত্রী মহাশয় virtually সেটা inauguration করেছেন , আর সেই কলেজটা নির্মান করাতে ২৬ কোটি ৩৪ লাখ ৭৬ হাজার ৪ শো ১২ টাকা বিনিয়োগ হয়েছে। আর এই কলেজটি যদি ইতিমধ্যে আরম্ভ করা যায় আপনার মাধ্যমে মাননীয় মন্ত্রী মহাশয়কে বলছি তাহলে ঐ এলাকার জনগণ খুব উপকৃত হবেন। এই কলেজটার মডেল খুব সুন্দরভাবে বানানো হয়েছে। সেখানে প্লেনেটোরিয়ামও একটি বানানো হয়েছে। Science centre একটা বানানো হয়েছে , সেটার জন্য বিনিয়োগ হয়েছে ২৬ কোটি ৩০ লাখ ৭৬ হাজার ৫শো টাকা। সেই planetarium ও science centre এর কাজ ইতিমধ্যে সম্পূর্ণ হয়েছে। আর এইটা যদি ইতিমধ্যে আরম্ভ করা যায় তবে এলাকাবাসী খুব উপকৃত হবেন। কাছাড়ে জি.সি. কলেজ যেটা রয়েছে সেটা ইতিমধ্যে G.C. University তে পরিনত হয়েছে। জিসি কলেজের জন্য ১০০ কোটি টাকা অনুদান দেওয়া হয়েছে building infrastructure এর জন্য। এইজন্য আমি আমাদের সর্বকালের সর্বশ্রেষ্ঠ মুখ্যমন্ত্রী ডo হিমন্ত বিশ্ব শর্মা মহাশয়কে ধন্যবাদ জ্ঞাপন করছি যে উনার নেতৃত্বে শুধু শিক্ষা নয়, সকল ক্ষেত্রে অসম এগিয়ে যাচ্ছে। আগে একটা সময় ছিল আমাদের যদি কিছু দরকার হতো নিজের সমষ্টির জন্য তাহলে আমাদের memorandum বা ধর্না দেওয়ার প্রয়োজন হতো। ইতিমধ্যে আমাদের বরখোলা সমষ্টিতে circle office ছিলনা মাননীয় মুখ্যমন্ত্রী সেটার জন্য চিন্তাভাবনা করে উনার যে দূরদর্শী চিন্তাধারা সেটার আমারা প্রমাণ পেয়েছি। সেখানে একটা নুতন circle office গড়ার জন্য উনি অনুমোদন দিয়েছেন। সেজন্য উনাকে আবারও আমি ধন্যবাদ জ্ঞাপন করছি।

অধ্যক্ষ মহোদয়, আমাদের বরখোলা সমষ্টি আজ শিক্ষার ক্ষেত্রে একটা গুরুত্বপূর্ণ কেন্দ্র হিসাবে গড়ে উঠেছে। আমার সমষ্টিতে অবস্থিত অসম বিশ্ববিদ্যালয় শুধু বরাক উপত্যকার নয়, সমগ্র উত্তর-পূর্ব ভারতের উচ্চশিক্ষার

অন্যতম গুরুত্বপূর্ণ প্রতিষ্ঠান। এখান থেকে হাজার হাজার শিক্ষার্থী উচ্চশিক্ষা গ্রহণ করে নিজেদের ভবিষ্যৎ গড়ছে। এছাড়াও আমার বরখোলা সমষ্টিতে National Institute of technology (NIT) দেশের অন্যতম সেরা প্রযুক্তি শিক্ষা প্রতিষ্ঠান হিসাবে জাতীয় ও আন্তর্জাতিক স্তরে অসমের গৌরব বৃদ্ধি করছে। এখানকার ছাত্র-ছাত্রীরা বিশ্বের বিভিন্ন প্রতিষ্ঠানে নিজেদের মেধার পরিচয় দিচ্ছেন। আমাদের বরখোলা সমষ্টিতে একটা Industrial Training Institute রয়েছে। সেখান থেকে যুবসমাজকে দক্ষতাভিত্তিক প্রশিক্ষণ দিয়ে কর্মসংস্থানের সুযোগ তৈরী করে দেওয়া হচ্ছে। এই যে Industrial Training Institute টা রয়েছে, আমি বলতে চাইছি সেখানকার যে Instructor রয়েছেন যারা সেখানে প্রশিক্ষণ দিচ্ছেন উনাদের service টা regularise হয় নাই অনেক বছর হয়ে গেছে। অনেকেই প্রশিক্ষণ দিতে দিতে উনাদের retirement এর সময় হয়ে যাচ্ছে, আজকে আমি এই পবিত্র সদনে সুযোগ পেয়ে এই কথাটি তুলে ধরছি। যদি সেই Industrial Training Institute এর যারা প্রশিক্ষকরা রয়েছেন উনাদের service টা যাতে regularise করে দেওয়া যায় তাহলে আমরা সবাই খুব খুশী হবো।

এছাড়াও সরকারের উদ্যোগে আমাদের সমষ্টিতে একাধিক মডেল স্কুল প্রতিষ্ঠিত হয়েছে। তাছাড়াও আমি বিশেষভাবে ধন্যবাদ জানাতে চাইছি মুখ্যমন্ত্রী মহাশয়কে বরখোলা সমষ্টি শুধু নয় সমগ্র অসমের জন্য যেভাবে উন্নতি করেছেন, এত দ্রুত গতিতে অসম এগিয়ে যাচ্ছে যার জন্য আমরা সব সময়ই বলি যে অসমের সর্বকালের সর্বশ্রেষ্ঠ জনপ্রিয় মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শর্মা উনার নেতৃত্বে অসম এগিয়ে যাচ্ছে আর আগামী দিনে আরও এগিয়ে যাবে। আমরা জানি গত বিধান সভায় উনি বলেছিলেন যে এক লাখ চাকুরি দেবেন, তার মধ্যে আমরা দেখতে পেয়েছি যে এক লাখ চাকুরির জায়গায় এক লাখ চৌষট্টি হাজার চাকুরি চাকুরি দিয়েছেন সেখানে অনেক শিক্ষক-শিক্ষিকাও রয়েছেন। আর এই বছর উনি বলেছেন ২লাখ চাকুরি আরও দেবেন, আগামী বছর ২ লাখ চাকুরি আরও দেওয়া হবে।

**माननीय अध्यक्षः** आपोनाৰ ৭ মিনিট সময় পাৰ হৈ গ'ল। এতিয়া যিহেতু ২ বাজিছে সেয়েহে আমি অতিৰিক্ত ১ ঘণ্টা সময় বঢ়াই দিছো কাৰণ আমি আজি বিল পাছ কৰিবই লাগিব। আপুনি এক মিনিটত কৈ শেষ কৰক।

**শ্ৰী কিশোর নাথ, (বরখোলা)** শিক্ষা বিভাগের এই অনুদান জনগণের কল্যানে ব্যায় হবে এবং অসমের ভবিষ্যৎকে আরও শক্তিশালী করবে। অতএব আমি এই কাটমোশন সম্পূর্ণভাবে প্রত্যাখ্যান করছি এবং শিক্ষা বিভাগের অনুদান মঞ্জুর করার জন্য এই সন্মানিত সদনের কাছে বিনীত আহ্বান জানিয়ে আমার বক্তব্য শেষ করছি। ধন্যবাদ অধ্যক্ষ মহোদয় আমাকে সময় দেওয়ার জন্য।

**माननीय अध्यक्षः** ধন্যবাদ। হিমাংশু শেখৰ বৈশ্য। আপোনাৰ সময় ৫ মিনিট।

**শ্ৰী হিমাংশু শেখৰ বৈশ্য, বিধায়ক (পলাশবাৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজিৰ এই পবিত্ৰ বিধান সভাত কৰ্ত্তন প্ৰস্তাৱৰ ওপৰত হোৱা আলোচনাত মোক বক্তব্য ৰাখিবলৈ দিয়াৰ বাবে আপোনাক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো । লগতে, শিক্ষা বিভাগৰ বাজেট কৰ্ত্তনৰ যি প্ৰস্তাৱ আনিছে তাৰ সম্পূৰ্ণ বিৰোধিতা কৰি মই মোৰ বক্তব্য আৰম্ভ কৰিছো। আমি সকলোৱে জানো যে শিক্ষা আমাৰ সমাজৰ মূল খুঁটি আৰু শিক্ষাৰ জৰিয়তে আমি গোটেই পৃথিৱী জয় কৰিব পাৰো। মাননীয় মুখ্যমন্ত্ৰীৰ লগতে মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ে বিগত বছৰবিলাকত শিক্ষা বিভাগত যি ধৰণৰ উন্নয়ন, পৰিৱৰ্তন তথা অসমৰ শিক্ষা বিভাগটো যি ধৰণে এক সুন্দৰ দৃষ্টিত আগুৱাই লৈ গৈছে সেই কথাটো আমি সকলোৱে শলাগিব লাগিব। মই পলাশবাৰী সমষ্টিৰ পৰা প্ৰতিনিধিত্ব কৰিছো। যোৱা ২১ তাৰিখে পলাশবাৰী সমষ্টিত IIM ৰ নিচিনা প্ৰতিষ্ঠান এটাৰ শুভাৰম্ভণি কৰিবলৈ আমি সুযোগ পাইছো। পলাশবাৰীত IIM প্ৰতিষ্ঠিত হোৱাৰ বাবে অসমৰ ৰাইজ হিচাপে আমি গৌৰৱান্বিত। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে IIMৰ বাবে প্ৰায় ৫৭৫ বিঘা মাটি অসম চৰকাৰে ইতিমধ্যে IIM কৰ্তৃপক্ষক প্ৰদান কৰিছে । আগতে পলাশবাৰী সমষ্টিক

উদ্যোগনগৰী বুলি আমি বিভিন্ন ক্ষেত্ৰত কৈছিলো কিন্তু এতিয়া যিধৰণে IIMৰ লগতে বিভিন্ন IT Park, IIIT, Azim Premji University ৰ নিচিনা অনুষ্ঠান আমাৰ সেই সমষ্টিত  দিয়া হৈছে তাৰ বাবে পলাশবাৰী সমষ্টিক উদ্যোগনগৰী বুলি নহয় আমি শৈক্ষিকনগৰী বুলিও বহু লোকে ক'বলৈ ধৰিছে। শিক্ষা খণ্ডক আগুৱাই লৈ যোৱাৰ বাবে এইবাৰ বাজেটত যি প্ৰস্তাৱ ৰখা হৈছে তাৰ বাবে মই মুখ্যমন্ত্ৰী মহোদয় তথা বিত্ত মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো  কিন্তু  সেই প্ৰস্তাৱক বিৰোধী পক্ষই বিৰোধিতা কৰি যি কৰ্ত্তন প্ৰস্তাৱ দিছে তাৰ ওপৰত মোৰ কিছু প্ৰশ্ন আছে।  সেই প্ৰশ্নটো হ'ল যে বিৰোধী পক্ষই কয় যে বিভিন্ন ক্ষেত্ৰত শিক্ষা খণ্ডত উন্নয়ন হ'ব লাগে  ।  তেওঁলোকে স্কুলৰ আন্তঃগাঁথনি, ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত সুৰক্ষিত কৰাৰ কথা কয়। তেওঁলোকে কোৱা কথাখিনি যদি ঠিক কৰিবলৈ হয় তেন্তে বাজেট বৃদ্ধি কৰিয়েই এটা শৈক্ষিক পৰিৱেশ নিৰ্মাণ কৰিব লাগিব । তেওঁলোকে কৈছে যে বিভিন্ন ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বহু ঠাইত কমি গৈছে। ছাত্ৰ-ছাত্ৰী কমি যোৱাৰ ক্ষেত্ৰত এনেকুৱা নহয় যে ইয়াত চৰকাৰৰ কিবা ভুল হৈছে। কিন্তু বহুত ক্ষেত্ৰত এনেকুৱা হৈছে যে ছাত্ৰ-ছাত্ৰীসমূহ চহৰমুখী হৈছে। চৰকাৰৰ নেতৃত্বত ভাল ভাল মডেল স্কুল নিৰ্মাণ কৰা হৈছে।  মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত PM SRI ৰ নিচিনা স্কুল গোটেই অসমতে নিৰ্মাণ কৰা হৈছে। গতিকে ভাল ভাল facility থকা স্কুলসমূহত ছাত্ৰ-ছাত্ৰীসমূহ গৈছে বুলি মই বিশ্বাস কৰো। ২০১১ চনত যেতিয়া আমাৰ census হৈছিল তেতিয়া  অসমৰ literacy rate ৭২%ৰ আশে-পাশে আছিল কিন্তু statistics  অনুসৰি আমি যদি ক'বলৈ  যাওঁ তেতিয়া হ'লে  literacy rate ৰ ক্ষেত্ৰত top 5 ৰাজ্যৰ ভিতৰত পৰে। Census যদিও সম্পূৰ্ণ হোৱা নাই বিভিন্ন statistics ৰ মাধ্যমেৰে আমি এই কথাখিনি ক'ব পাৰো। সেই কৃতিত্ব অসম চৰকাৰে ল'ব নোৱাৰিব নেকি, সেই কৃতিত্ব বিৰোধী পক্ষই শাসকীয় চৰকাৰখনক নিদিব নেকি, এইটো মোৰ বিৰোধী পক্ষৰ প্ৰতি প্ৰশ্ন।  কাৰণ বিৰোধিতা কৰিব লাগে বাবেই যে আপোনালোকে কৰ্ত্তন প্ৰস্তাৱ আনিব মই ভাবো যে সেইটো ঠিক নহয়।  মই নিজেই নতুনকৈ বিধায়ক হৈছো।  মই বিধায়ক হোৱাৰ পিছত মোৰ সমষ্টিৰ বিভিন্ন শিক্ষা  কেন্দ্ৰ

সমূহত গৈছো। মই দেখিছো যে শিক্ষা খণ্ডসমূহত বহুতখিনি উন্নয়নৰ দৰকাৰ আছে। ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত উজ্জ্বল কৰিবলৈ আমাৰ কাম কৰিবলগীয়া আছে। মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো যে বিগত বছৰত আমাৰ পলাশবাৰী সমষ্টিত এখন ঐতিহ্যমণ্ডিত স্কুল RB HS & MP School, Uparhali Girls' High School, Rani High School সমূহৰ আন্তঃগাঁথনি নিৰ্মাণ কৰি দিছে আৰু লোহাৰঘাটত hostel facility স্বাস্থ্য বিভাগে কৰি দিছে। মুদুকী হাইস্কুলৰ নিচিনা স্কুল ভিতৰুৱা অঞ্চলত নিৰ্মাণ কৰি দিছে। আমাৰ শিক্ষামন্ত্ৰী মহোদয়ে এই ভিতৰুৱা অঞ্চলসমূহৰ কথা জানে কাৰণ এই অঞ্চলসমূহত বেছিভাগ ট্ৰাইবেল এলেকা অন্তৰ্ভুক্ত হৈ আছে। সেই এলেকাবোৰ আমাৰ শিক্ষামন্ত্ৰী মহোদয়ে নিজেই পৰিদৰ্শন কৰি এই স্কুলসমূহৰ আন্তঃগাঁথনিৰ গুৰুত্ব বুজি তাত আন্তঃগাঁথনি নিৰ্মাণ কৰি দিছে। আমি যদি চাবলৈ যাওঁ এই আন্তঃগাঁথনি নিৰ্মাণৰ ক্ষেত্ৰত আমাক বহুত খিনিৰ প্ৰয়োজন আছিল। মই ক'বলৈ খুজিছো যে আমাৰ যি "নিযুত মইনা" আঁচনি সেইটো বেয়া আঁচনি নেকি? চৰকাৰে " নিযুত বাবু" আঁচনি ল'বলৈ গৈ আছে সেইটো বেয়া আঁচনি নেকি ? "নিযুত মইনা" আঁচনি লোৱাৰ পাছত drop out ratio কিমান কমিছে, তেওঁলোকৰ সেই data আছে নে? তেওঁলোকে চৰকাৰী data যদি চাবলৈ যায়, তেন্তে সেই data চাই তেওঁলোকে বিৰোধিতা কৰিব লাগিছিল নে সমৰ্থন জনাব লাগিছিল এই কথাটো মই তেওঁলোকক সুধিব বিচাৰিছো। আজি অংগনবাড়ী কেন্দ্ৰসমূহত preschool বা ছাত্ৰ-ছাত্ৰীৰ nutrition ৰ ক্ষেত্ৰত এক নতুন বাতাৱৰণ দিয়াৰ বাবে গাওঁসমূহত এক সুন্দৰ ভূমিকা পালন কৰিছে। মই অতি আনন্দিত যে অসমত যেতিয়া অংগনবাড়ী কেন্দ্ৰসমূহ launch হৈছিল, সেই launchটো আমাৰ পলাশবাৰী সমষ্টিৰ পৰাই হৈছিল। সেই সময়ত অসমৰ ভিতৰত পলাশবাৰী সমষ্টিয়েই সৰ্বাধিক অংগনবাড়ী কেন্দ্ৰ পাবলৈ সক্ষম হৈছিল যাৰ বাবে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক পুনৰবাৰ ধন্যবাদ জনাইছো। এনেবোৰ কথা তেওঁলোকে দেখা নাপায় নেকি? মোৰ ভাষণ শেষ কৰাৰ আগতে আৰু দুটামান কথা মই ক'বলৈ বিচাৰিছো। এইবাৰ আমি দেখা পাইছো আমাৰ মাননীয় বিত্ত মন্ত্ৰী

ডাওঁৰীয়াই নৱ গঠিত বিশ্ববিদ্যালয়, বেলেগ বেলেগ কিছু বিশ্ববিদ্যালয় আৰু য'ত autonomous status দিয়া হৈছে সেই বিশ্ববিদ্যালয়সমূহৰ বাবে ১০০ কোটি, ৫০ কোটি আৰু ২ কোটিকৈ ধন চৰকাৰে আৱণ্টন দিছে। চৰকাৰে এই যিখিনি ধন আৱণ্টন দিছে সেইখিনি ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতৰ ক্ষেত্ৰত কামত নাহিব নেকি? এই ধনৰ জৰিয়তে আন্তঃগাঁথনিৰ উন্নয়ন বা এটা সুন্দৰ শৈক্ষিক পৰিৱেশ গোটেই অসমত নিৰ্মাণ নহ'ব নেকি? অসমত এখন জিলাতে এখন মহাবিদ্যালয়, এখন মেডিকেল কলেজ আৰু এখন অভিযান্ত্ৰিক মহাবিদ্যালয় গঠন কৰাৰ কথা চৰকাৰে ইতিমধ্যে কৈছে। এই কথাসমূহক তেওঁলোকে স্বাগতম কৰিব লাগে নে বিৰোধিতা কৰিব লাগে? হয়, অসম এখন দুখীয়া ৰাজ্য, মুখ্যমন্ত্ৰী মহোদয়ে বিভিন্ন ক্ষেত্ৰত কৈছে যে অসমৰ অৰ্থনৈতিক দিশটো আমি সকলো ক্ষেত্ৰতে বেলেগ ৰাজ্যৰ লগত তুলনা কৰিলে নহ'ব । কিন্তু আমাৰ যিখিনি limited resource আছে সেইখিনিৰে priority wise আমি কামবোৰ কৰি আমাৰ দেশখনক বা আমাৰ ৰাজ্যখনক আৰু ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতৰ ক্ষেত্ৰতেই হওঁক বা শৈক্ষিক পৰিৱেশটো উন্নতি কৰাৰ ক্ষেত্ৰত আমাৰ চৰকাৰে ভূমিকা পালন কৰি আহিছে আৰু পালন কৰি যাব। অধ্যক্ষ মহোদয়, আপুনি মোক কৰ্ত্তন প্ৰস্তাৱত ভাগ ল'বলৈ দিয়াৰ বাবে মই আপোনাক পুনৰবাৰ ধন্যবাদ জ্ঞাপন কৰিছো। লগতে, মই অনুৰোধ কৰিব বিচাৰিছো যে বিৰোধী পক্ষই যি কৰ্ত্তন প্ৰস্তাৱ আনিছে সেইয়া যাতে কৰ্ত্তন নহয় ।অসমৰ যি অৰ্থনৈতিক স্থিতি, সেইয়া অলপমান দুৰ্ব্বল বুলি আমি জানো কিন্তু ভৱিষ্যতৰ দিনত বিত্তমন্ত্ৰী মহোদয়ে শিক্ষা বিভাগত যাতে আৰু বাজেট বৃদ্ধি কৰে তাৰ বাবে মই তেওঁক পুনৰবাৰ অনুৰোধ কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। ভূপেন বৰা। তেখেত অনুপস্থিত।

এতিয়া মাননীয় শিক্ষামন্ত্ৰী মহোদয়, আজি যি কৰ্তন প্ৰস্তাৱৰ ওপৰত যি আলোচনা হ'ল, সেই আলোচনাৰ উত্তৰ প্ৰদান কৰিবলৈ আহ্বান জনালো। **ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী)**ঃ মাননীয় অধ্যক্ষ মহোদয়, সৰ্বপ্ৰথমে বাজেটৰ এই শিক্ষা বিভাগৰ কৰ্তন প্ৰস্তাৱত যিসকল মাননীয় বিধায়কে অংশ গ্ৰহণ

কৰিলে, সৰ্বশ্ৰী ৰবিৰাম নাৰ্জাৰী, ডাঃ আছিফ মহম্মদ নাজাৰ, শ্ৰীমতী দীপ্তিময়ী চৌধুৰী, শ্ৰী থানেশ্বৰ বড়ো, শ্ৰী আব্দুছ ছোৱাহান আলী সৰকাৰ, শ্ৰী উৎপল বৰা, শ্ৰী ৰিহণ দৈমাৰী, শ্ৰী আমিনুল হক লস্কৰ, শ্ৰী চক্ৰধৰ গগৈ, শ্ৰী দীপক কুমাৰ দাস, শ্ৰী ৰূপম চন্দ্ৰ ৰয়, শ্ৰী আমিনুৰ ৰশিদ চৌধুৰী, শ্ৰী ভূপেন ৰয়, শ্ৰী জুবেইৰ আনম মজুমদাৰ, শ্ৰী তানজিল হুছেইন, শ্ৰী টংকেশ্বৰ ৰাভা, মঃ নুৰুল হুদা, ড° জয় প্ৰকাশ দাস, শ্ৰী প্ৰকাশ চন্দ্ৰ দাস, ড° তুলিৰাম ৰংহাং, শ্ৰী মজিবুৰ ৰহমান, শ্ৰী পুলক গোঁহাই, শ্ৰী জাকিৰ হুছেইন সিকদাৰ, শ্ৰীমতী নিচু টেৰাংপী , শ্ৰী শ্বেৰমান আলী আহমেদ, শ্ৰী ৰিতুবৰণ শৰ্মা, শ্ৰী মহিবুৰ ৰহমান, শ্ৰী ভূবন গাম, মঃনুৰুল ইছলাম, শ্ৰীওৱাজেদ আলী চৌধুৰী , শ্ৰী পৱিত্ৰ ৰাভা, শ্ৰী ভিক্টৰ দাস, শ্ৰী শশীকান্ত দাস, শ্ৰী আব্দুৰ ৰহিম আহমেদ, শ্ৰী জীৱেশ ৰয়, শ্ৰী কিশোৰ নাথ আৰু শ্ৰী হিমাংশু শেখৰ বৈশ্য তেখেত সকলৰ বক্তব্য মই শুনিলো আৰু আটাইগৰাকী বিধায়কলৈ মোৰ ফালৰ পৰা মই এই বিতৰ্কত অংশগ্ৰহণ কৰাৰ কাৰণে ধন্যবাদ গ্ৰহণ কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা এনেকুৱা এটা বিষয়, যিয়ে আমাৰ ৰাজনীতিৰ উৰ্ধত থাকিব লাগে  আৰু শিক্ষাই দেশখনক বিশেষকৈ আমাৰ যি Public Education  বা ৰাজহুৱা শিক্ষা ব্যৱস্থা, এই ৰাজহুৱা শিক্ষা ব্যৱস্থাক শক্তিশালী কৰাৰ কাৰণে আমি শাসক-বিৰোধী সকলো বিধায়কে একেলগে কাম কৰিব পাৰিব লাগে।  মই সকলোখিনি বক্তব্য শুনিলো, আজি ভাৰতবৰ্ষত ৰাজহুৱা শিক্ষা ব্যৱস্থাক শক্তিশালী কৰাৰ মূলতে যি ইয়াৰ আধাৰ, শিক্ষাৰ অধিকাৰ আইন Right to Education Act । এই Right to Education Act ৰ কোনোবা ধাৰা চৰকাৰখনে উলংঘা কৰিছে বা কোনোবা ব্যৱস্থা চৰকাৰখনে পালন কৰিব পৰা নাই। ইয়াক কেন্দ্ৰ কৰি বিৰোধীয়ে আমাক কোনো এটাও প্ৰশ্ন বা এই বিষয়ত উত্থাপন কৰিব পৰা নাই। কিন্তু ওলোটাই মই এইটোহে দেখা পালো যে, আমি যেতিয়া শিক্ষাৰ অধিকাৰ আইনখন ৰূপায়ণ কৰিছো, সেই শিক্ষাৰ অধিকাৰ আইনৰ পৰিপন্থী কথা কিছুমান আজি বিৰোধীৰ ফালৰ পৰা আহিছে। আমি সকলোৱে জানো ২০০৯ চনত কংগ্ৰেছ চৰকাৰৰ দিনতে এই শিক্ষাৰ অধিকাৰ আইনখন পাছ হৈছিল। মই পুনৰ কৈছো, শিক্ষাৰ ক্ষেত্ৰত

আমি শাসক বিৰোধী সকলোৱে একেলগ হৈ কাম কৰিব লাগে। আমি কেতিয়াও বিচাৰ কৰা নাই, এইখন বিৰোধীয়ে পাছ কৰি থৈ যোৱা এখন আইন । সেই আইনখনৰ মহত্ব আছে, গুৰুত্ব আছে। তাকে আমি ৰূপায়ণ কৰিবলৈ গৈ আছো । কিন্তু এইখন ৰূপায়ণ কৰি থাকোতে আমাকতো ক'ব পৰা নাই যে আমি শিক্ষাৰ অধিকাৰ আইন উলংঘা কৰিছো । বাৰে বাৰে এটা কথা আলোচনা থাকে, কৈ থাকো যে চৰকাৰী স্কুল কিয় চৰকাৰে  বন্ধ কৰি আছে । শিক্ষাৰ অধিকাৰ আইনখনতে এই কথা সুনিৰ্দিষ্ট কৰি দিয়া হৈছিল যে প্ৰতি ১ কিলোমিটাৰত এখন এল. পি. স্কুল, প্ৰতি ৩ কিলোমিটাৰত এখন এম. ই. স্কুল, প্ৰতি ৫ কিলোমিটাৰত এখন হাইস্কুল । সেই নীতিটো আমি ঠিক কৰা নাই। সেইটো শিক্ষাৰ অধিকাৰ আইনে ঠিক কৰি দিছে আৰু তাৰ ভিত্তিত আজি যদি তাতে কম enrollment  ৰ দুখন বা তিনিখন বিদ্যালয় আছে, তাক একলগ কৰি দিয়াটো সেইটো শিক্ষা ব্যৱস্থাক শক্তিশালী কৰাৰে এটা অংশ। ইয়াৰ কাৰণে চৰকাৰী স্কুল বন্ধ কৰিছে, বন্ধ কৰিছে বুলি আৰাও কৰাৰ কোনো প্ৰয়োজনীয়তা নাই। মই মজিবুৰ ৰহমান ডাঙৰীয়াক ধন্যবাদ জনাইছো যে তেখেতে কথাখিনি উপলদ্ধি কৰিছে আৰু কেইবাজনো বক্তাই কথাখিনি উপলদ্ধি কৰিছে  আৰু উপলদ্ধি   কৰি বিদ্যালয় একত্ৰীকৰণৰ পক্ষত তেখেতসকলে যুক্তি আগবঢ়াইছে। ২৬ হাজাৰ গাওঁ, ৪৪ হাজাৰ বিদ্যালয় কোনোপধ্যেই নিমিলে।  গতিকে শিক্ষাৰ অধিকাৰ আইন আমি যেতিয়া ৰূপায়ণ কৰিব গৈ আছো, তাত মই বিৰোধী সকলৰো সমৰ্থন বিচাৰিছো আৰু তাৰ কাৰণে প্ৰত্যেক গৰাকী বিধায়কক মই বিদ্যালয়ৰ তালিকা দি দিছো যে কোনখিনি বিদ্যালয়ত ৩০ তকৈ কম enrollment আছে । এই ৩০ সংখ্যাটো ক'ৰপৰা আহিল ?  ৩০ সংখ্যাটো আমি ইয়াত নিৰ্ধাৰণ কৰা নাই। এইটো শিক্ষাৰ অধিকাৰ আইন, যিখন আইন কংগ্ৰেছ চৰকাৰে বনাইছিল, সেই শিক্ষাৰ অধিকাৰ আইনতে ৩০ সংখ্যাটো আছে৷ প্ৰকাৰন্তে কোৱা হৈছে যে এখন বিদ্যালয়ত optimum ৩০ জন ছাত্ৰ-ছাত্ৰী থাকিব লাগে আৰু তেতিয়া দুগৰাকী শিক্ষক দিবলৈ বাধ্য । PTR কি হ'ব । PTR হ'ব ১৫ । এতিয়া ১৫ তকৈ তললৈ PTR আমি নিবলৈ কেনেধৰণে এখন চৰকাৰ, কল্যাণকামী চৰকাৰ Public Education ত

এইটো সম্ভৱপৰ কথা নহয়। গতিকে ৩০ তকৈ কম যিসমূহ বিদ্যালয় আছে, সেই বিদ্যালয়সমূহ পৰীক্ষা কৰি চাওঁক। ইয়াতে কোৱা হৈছে যে এই বিদ্যালয়সমূহ বন্ধ কৰিবলৈ গৈ আছে। বন্ধ কৰিবলৈ গৈ থকা নাই। আমি পৰীক্ষা কৰিছো আৰু আপোনালোকক তালিকাখন দিছো। আপোনালোকে মতামত দিয়ক। মোক কিছুমান বিধায়কে কৈছে এবছৰ সময় দিয়ক, এই বিদ্যালয় কেইখন যাতে এবছৰত আমি বিদ্যালয়কেইখনৰ enrollment বৃদ্ধি কৰিম। মোৰ কোনো আপত্তি নাই। একবছৰ আপোনালোকে লৈ লওঁক। বিধায়ক সকলে যদি দায়িত্ব লয় যে, আমাক এবছৰৰ কাৰণে এই বিদ্যালয়কেইখন ৰাখি দিব লাগে, আমি ৰাখি দিম। কিন্তু এবছৰৰ পাছতো যদি তাত enrollment টো ৩০ ৰ ওপৰলৈ নাহে তেনেহ'লে এই Single Teacher ৰ যি সমস্যা আছে, সেই সমস্যা আমি সমাধান কৰিব নোৱাৰো। Provincialisation ৰ কথা কোৱা হৈছে, কৈছে যে এইটো দুৰ্ঘোৰ অন্যায় যে যিসকল মানুহে বিদ্যালয় প্ৰতিষ্ঠা কৰিলে, বিদ্যালয়ৰ কাৰণে তেওঁলোকৰ জীৱনৰ গুৰুত্বপূৰ্ণ সময় নষ্ট কৰিলে, এতিয়া তেওঁলোকক শিক্ষকৰ মৰ্য্যদা দিয়া হোৱা নাই, তেওঁলোকক tutor কৰিছে। এই ব্যৱস্থা কোনে কৰিলে, এই ব্যৱস্থা ক'ৰপৰা আহিল ? এই ব্যৱস্থা ২০০৯ চনত কংগ্ৰেছ চৰকাৰে যি শিক্ষাৰ অধিকাৰ আইন পাছ কৰিলে তাতে এই ব্যৱস্থাটো কৰিলে Section 23 ত উল্লেখ কৰিলে যে শিক্ষকৰ eligibility টো National Council of Teacher Education য়ে নিৰ্ণয় কৰিব আৰু National Council of Teacher Education য়ে তেতিয়া এইটো notify কৰি দিলে যে যদি D.El.Ed নাথাকে, Teacher eligibility test পাছ নকৰে টেট নাথাকে, তেনহ'লে শিক্ষক হ'ব নোৱাৰে। আজি ইয়াক লৈ চৰকাৰখনক যে আমি কিছুমানক শিক্ষকৰ মৰ্য্যদা নিদি tutor দিলো, আমি তেওঁলোকে কৰা ত্যাগখিনিক, তেওঁলোকে কৰা শ্ৰমখিনিক আমি স্বীকৃতি নিদিলো। আমাক কৈ লাভ নাই। কাৰণ ইয়াৰ যিটো foundation এইটো কংগ্ৰেছ চৰকাৰৰ দিনতে ২০০৯ চনতে শিক্ষাৰ অধিকাৰ আইনত কৰি থৈ গ'ল যে টেট নহ'লে, D.El.Ed. নহ'লে কোনো শিক্ষক হ'ব নোৱাৰে। সেইখন কেন্দ্ৰীয় চৰকাৰৰ আইন। Parliament য়ে পাছ কৰা আইনখন অসম চৰকাৰে উলংঘা কৰিব

নোৱাৰে বা মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া, তেখেতে innovation ত যথেষ্ট পাৰ্গত। তেখেতৰ বুদ্ধি যে মাছ বুলি নাখায়, জিজি বুলি হ'লেও খাওঁ মানুহখিনিক বঞ্চিত নকৰো, মানুহখিনিক ভেঞ্চাৰ স্কুলৰ পৰা তেওঁলোকক provicialisation নকৰাকৈ নাৰাখো, অন্ততঃ তেওঁলোকক এটা সুযোগ দিওঁ। tutor শব্দটো মাননীয় মুখ্যমন্ত্ৰীয়ে আবিষ্কাৰ কৰি তেওঁলোকক tutor কৰিলে আৰু তেওঁলোকক এটা সুযোগ দিলে যে এতিয়া ভাৰত চৰকাৰে কৈছে যে D.El.Ed লাগিব, টেট লাগিব। গতিকে সেই D.El.Ed বা টেটটো ৫ টা বছৰৰ ভিতৰত আপোনালোকে আয়ত্ব কৰক, আয়ত্ব কৰিলে আপোনালোকক শিক্ষকলৈ উন্নীত কৰিম। অসম চৰকাৰখনে আমি শিক্ষাক, ৰাজহুৱা খণ্ডৰ শিক্ষাক শক্তিশালী কৰাৰ কাৰণে যিখিনি কাম কৰি আছো, কংগ্ৰেছ চৰকাৰে ২০০৯ চনত পাছ কৰি থৈ যোৱা শিক্ষাৰ অধিকাৰ যিখন আইন, সেই শিক্ষাৰ অধিকাৰ আইনখনৰ আধাৰত কৰি আছো। কেতিয়াবা যদি সেই আইনখনৰ কোনোবা এটা দফা যদি violate কৰো, আমাক আঙুলিয়াই দিব। তাৰ কোনো দফা যদি আমি উলংঘা কৰিছো, তেতিয়াহ'লে আমাক আঙুলিয়াই দিব। কিন্তু শিক্ষাৰ অধিকাৰ আইন আমাৰ চৰকাৰখনে আমি ৰূপায়ণ কৰি আছো। ৰাজহুৱা খণ্ডৰ বিদ্যালয় বন্ধ কৰিছে, চৰকাৰী বিদ্যালয় বন্ধ কৰিছে এই কথাখিনি কৈ কৈ এটা negative পৰিস্থিতিৰ বাতাবৰণ সৃষ্টি আমি কৰিব নালাগে। মই পুনৰ কৈছো, দেশ যদি আগুৱাই যাব লাগে,

শিক্ষাব্যৱস্থা যদি শক্তিশালী হ'ব লাগে, শাসক-বিৰোধী নীতিগতভাৱে এক হৈ কাম কৰিব লাগে আৰু বিশেষকৈ শিক্ষাৰ অধিকাৰ আইনখন ৰূপায়ণ কৰাৰ ক্ষেত্ৰত আমি শাসক-বিৰোধী একেলগ হ'ব লাগে। শিক্ষা মানে প্ৰথমে শিক্ষানুষ্ঠান-বিদ্যালয় গৃহ, দ্বিতীয়তে শিক্ষক আৰু তৃতীয়তে ছাত্ৰ-ছাত্ৰী। আমি অসমত বৃহৎ সংখ্যক ছাত্ৰ-ছাত্ৰীৰ দায়িত্ব লওঁ য'ত ভাৰতবৰ্ষত আজি প্ৰায় ৬৩ শতাংশ ছাত্ৰ-ছাত্ৰী Public Education বা ৰাজহুৱা খণ্ডৰ বিদ্যালয়ত অধ্যয়ণ কৰে। তাৰ বিপৰীতে অসমত ৭৩ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে ৰাজহুৱা বিদ্যালয় বা চৰকাৰী বিদ্যালয়ত অধ্যয়ণ কৰে। ৪৪ হাজাৰ বিদ্যালয়ৰ, ৫০ লাখ ছাত্ৰ-ছাত্ৰীৰ

আমি মেনেজমেন্ট কৰিব লাগে আৰু সেইখিনি মেনেজমেন্ট কৰিবলৈ যাওঁতে যথেষ্ঠ অৰ্থ আৰু ব্যৱস্থাৰ প্ৰয়োজন হয়। আন্তঃগাঠনিৰ ক্ষেত্ৰত আমি জানো যে আমাৰ গৰিষ্ঠ সংখ্যক বিদ্যালয়ে ভেঞ্চাৰৰ পৰা আহিছে। ভেঞ্চাৰ স্কুলৰ পৰা যেতিয়া provincialised হৈছে, এই বিদ্যালয় সমূহৰ আন্তঃগাঠনি একেবাৰে শোচনীয় অৱস্থাত আছিল। এই শোচনীয় অৱস্থাৰ পৰা এতিয়াৰ ভাল অৱস্থালৈ আনিবৰ কাৰণে এটা বৃহৎ পৰিমাণৰ পুঁজি বিনিয়োগ কৰিবলগীয়া হৈছে। মই পূৰ্বৰ ইতিহাসলৈ নাযাওঁ, যোৱা পাঁচটা বছৰৰ ইতিহাস যদি চায় পাঁচটা বছৰত শিক্ষা বিভাগৰ পৰা আমি কি কৰিছো, আমি ২০ হাজাৰ অতিৰিক্ত শ্ৰেণীকোঠা নিৰ্মাণ কৰিছো। যোৱা পাঁচটা বছৰত কেৱল civil infrastructure নিৰ্মাণত ১৫ হাজাৰ কোটি টকা investment কৰা হৈছে। অন্যান্য equipment ইত্যাদিৰ ক্ষেত্ৰত মই নাযাওঁ, কেৱল capital expenditure অৰ্থাৎ মূলধনিক ব্যয় আমি ১৫ হাজাৰ কোটি টকা কৰিছো। প্ৰায় ৫০০ খন বিদ্যালয় সম্পূৰ্ণ নতুন ৰূপত নিৰ্মাণ কৰা হৈছে। প্ৰায় ৫০০ খন বিদ্যালয়ক হাইস্কুলৰ পৰা হায়াৰ চেকেণ্ডাৰী লৈ বা এম .ই স্কুলৰ পৰা হাইস্কুললৈ উন্নীত কৰা হৈছে আৰু উন্নীত কৰাৰ লগে লগে তাত সমগ্ৰ শিক্ষাৰ তৰফৰ পৰা তাত আন্তঃগাঠনিও নিৰ্মাণ কৰা হৈছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে সিদিনা মোক সুধিছে যে আপোনাৰ প্ৰায় ৫০০ খন বিদ্যালয় হৈ গ'ল, ইয়াতে সামৰিব পাৰো নেকি ? মই তেখেতক কলো যে , ছাৰ আমি ইয়াতে সামৰিব নোৱাৰিম, আমি অহা পাঁচটা বছৰৰ কাৰণে আৰু ৫০০ খন বিদ্যালয় এনেধৰণে গোপাল বড়ো হাইস্কুলৰ দৰে নৱনিৰ্মাণ কৰাৰ এক পৰিকল্পনা কৰিব লাগিব । মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে যে আপুনি আগবাঢ়ক। সমগ্ৰ শিক্ষা শিতানত আমি যিখিনি কৰিম সেইখিনি হ'বই। কিন্তু আগন্তুক দিন কেইটাত ও ৰাজ্য চৰকাৰৰ নিজৰ নতুন বিদ্যালয় নিৰ্মাণ কৰাৰ আমাৰ যি অভিযান আছে, আমি এইখিনি আগুৱাই লৈ যাম। এতিয়া আমি যদি শিক্ষক নিযুক্তিৰ বিষয়টোলৈ আহো, যোৱা বছৰটোত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নেতৃত্বত আমি ১ লাখ ৬৫ হাজাৰ নিযুক্তি অসমত দিবলৈ সক্ষম হ'লো। বিদ্যালয় শিক্ষা আৰু উচ্চ শিক্ষা দুয়োটা বিভাগ যদি আমি মিলাওঁ ৯১

হাজাৰ ৬৫৫ গৰাকী শিক্ষক লগতে অনা-শিক্ষক আমি ,বিদ্যালয়, মহাবিদ্যালয় বিলাকত এপইন্টমেন্ট দিবৰ কাৰণে সক্ষম হৈছো আৰু পৰৱৰ্ত্তী এপইন্টমেন্টৰ কাৰণে এতিয়া আগবাঢ়িছো। কিন্তু পৰৱৰ্ত্তী এপইন্টমেন্টত আমি কেইটামান কথাৰ কাৰণে কেইটামান দিন ৰখিব লাগিব। কাৰণ ইয়াত বিশেষকৈ পিছপৰা অঞ্চল বিলাক, চৰ অঞ্চলবিলাক , পাহাৰীয়া অঞ্চল বিলাকত শিক্ষকৰ নাটনিৰ কথা বাৰে বাৰে উত্থাপিত হৈ থাকে তাৰ আমি এটা স্থায়ী সমাধান বিচাৰো। যোৱা চৰকাৰখনৰ দিনত এইখন বিধান সভাতেই মই উল্লেখ কৰিছিলো যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ লগত আলোচনা সাপেক্ষে তেখেতৰ পৰামৰ্শ মতে যে বাৰে বাৰে এখন বিদ্যালয়ত আমি দুগৰাকী-তিনিগৰাকী শিক্ষক নিযুক্তি দিওঁ হঠাৎ দুমাহ-তিনিমাহৰ পিছত জিলা পৰ্য্যায়তে তাৰ মাজৰ পৰা দুগৰাকী transfer হৈ গুছি যায়। এই কথাটো মাননীয় বিধায়ক শ্বেৰমান আলী আহমেদ ডাঙৰীয়াই ও মোক অলপ আগতে কৈ গৈছে। বিদ্যালয়খন আকৌ single teacher হৈ যায়। আমি এটা mission drive লগাই single teacher বিদ্যালয়ৰ সংখ্যা কমাই দিওঁ কিন্তু মনে মনে আকৌ দুমাহ-তিনিমাহৰ পিছত জিলাখনৰ ভিতৰতে হোৱা transfer ৰ জৰিয়তে সেই বিদ্যালয় সমূহ single teacher হৈ যায়। এতিয়া আমি এটা ব্যৱস্থা কৰিব বিচাৰিছো যে দূৰৱৰ্ত্তী অঞ্চলৰ যিসমূহ বিদ্যালয়, যিসমূহ ৰিম'ট এৰিয়া বা দূৰ্গম এলেকাৰ যিখিনি বিদ্যালয় তাৰ শিক্ষকক transfer কৰিব নোৱাৰাকৈ recruitment কৰাৰ বাবে এটা কৰিম । অৰ্থাৎ school specific recruitment বা এটা cluster specific recruitment যে বদলি হ'লেও সেই cluster ৰ ভিতৰত হে বদলি হ'ব পাৰিব কিন্তু তাৰ পৰা বদলি হৈ নগৰলৈ যেনে বৰপেটা বা ধুবুৰীলৈ আহিব নোৱাৰে সেই ব্যৱস্থা এটাও আমি কৰিব বিচাৰিছো। দ্বিতীয়তে আৰু এটা কাম আমি কৰিব বিচাৰিছো যে আমাৰ বিদ্যালয় শিক্ষাত বিজ্ঞান, গণিত, ইংৰাজী আদিত আমাৰ শিক্ষকৰ বা ছাত্ৰ-ছাত্ৰীৰ দূৰ্বলতা আছে। ইয়াৰ কাৰণে আমি dedicated Math Teacher যোৱা বছৰ ১৭৬০ গৰাকী শিক্ষকৰ নতুন পদ সৃষ্টি কৰিলো আৰু পুৰণি পদকে অংকৰ শিক্ষক হিচাপে কনভাৰ্ট কৰিলো। মোৰ অধ্যয়ণ মতে ইয়াত আৰু কৰাৰ প্ৰয়োজন আছে অৰ্থাৎ আৰু

অধিক সংখ্যক শিক্ষকৰ পদবী ME আৰু High school section ত আমি তাক গণিত আৰু বিজ্ঞান শিক্ষকলৈ ৰূপান্তৰিত কৰিম। অৰ্থাৎ নতুন পোষ্ট সৃষ্টি নহয়, পোষ্টৰ conversion হ'ব আৰু তাৰ কাৰণে আমি কেইটামান দিনৰ সময় ল'ম আৰু তাৰপিছত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা অনুমোদন পোৱাৰ পিছতে শিক্ষকৰ নিযুক্তি হ'ব। শিক্ষকৰ নিযুক্তি এটা অবিৰত প্ৰক্ৰিয়া। যোৱা পাঁচটা বছৰত আমি প্ৰায় ১ লাখ নিযুক্তি দিবলৈ সক্ষম হ'লো আৰু এইবাৰো আমি শিক্ষকৰ নিযুক্তি দিবৰ কাৰণে আমি সক্ষম হ'ম বুলি মোৰ দৃঢ় বিশ্বাস আছে। ইয়াৰ পিছত ইয়াত কোৱা হৈছে যে ২ লাখ ছাত্ৰ-ছাত্ৰী কমি গ'ল। অৰ্থাৎ ছাত্ৰ-ছাত্ৰীয়ে চৰকাৰী বিদ্যালয় এৰিছে। যোৱা কাল মই দিল্লীত এখন শিক্ষাৰ ৰিভিউ সভাত অংশগ্ৰহণ কৰিছো। এই ২ লাখ ছাত্ৰ-ছাত্ৰী আমাৰ UDISE তথ্যত কমিছে। কিন্তু কোনটো section ত কমিছে। Secondary অৰ্থাৎ মাধ্যমিক পৰ্য্যায়ত আমাৰ এগৰাকীও ছাত্ৰ-ছাত্ৰী কমা নাই। বৰঞ্চ মাধ্যমিক পৰ্য্যায়ত আমাৰ ১০ হাজাৰ ছাত্ৰ-ছাত্ৰী বৃদ্ধি পাইছে। এই কথাটোৱে এইটোৱে ইঙ্গিত দিয়ে যে এই ১০ হাজাৰ ছাত্ৰ-ছাত্ৰী ক'ৰ পৰা আহিল, এই ১০ হাজাৰ ছাত্ৰ-ছাত্ৰী ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ পৰা চৰকাৰী বিদ্যালয়লৈ ঘূৰি আহিছে কাৰণ Secondary lateral entry ৰ বাহিৰে বেলেগ কোনো ৰাস্তা নাথাকে। নতুনকৈ তাত একেবাৰে শূন্যৰ পৰা কোনো ছাত্ৰ-ছাত্ৰী আহিব নোৱাৰে। ইতিমধ্যে যিসকল ছাত্ৰ-ছাত্ৰী আহিছে lateral entry অৰ্থাৎ ব্যক্তিগত খণ্ডৰ পৰা অসমৰ চৰকাৰী বিদ্যালয় সমূহলৈ আহিছে। তাৰকাৰণে চেকেণ্ডাৰীত আমাৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি পাইছে। আমাৰ এই দুই লাখ ছাত্ৰ-ছাত্ৰী 'ক' শ্ৰেণীৰ পৰা 'পঞ্চম' শ্ৰেণীলৈ কমিল। আটাইতকৈ বেছি 'ক' শ্ৰেণীত কমিল। এই কথাখিনি মই কিছুদিন আগতে এই বিধান সভাতে কৈছিলো যে total fertility rate অসমৰ জনসংখ্যা এতিয়া negative trend ত আহিছে। Total fertility rate অসমৰ ক্ষেত্ৰত হৈছে ১.৬ অৰ্থাৎ নতুন ছাত্ৰ-ছাত্ৰীৰ নামভৰ্ত্তি 'ক' শ্ৰেণীত কমিছে। ইয়াৰ লগে লগে আমাৰ অসমৰ অৰ্থনৈতিক প্ৰগতি যোৱা ১০ টা বছৰত আমি দেখিবলৈ পাইছো । Reserve Bank of India ই কৈছে যে Assam is fastag growing economy. এই

অৰ্থনৈতিক growth বাঢ়ি অহাৰ লগে লগে মানুহৰ হাতলৈ যেতিয়া পইচা আহিছে স্বাভাৱিকভাৱে মানুহৰ ক্ৰয় ক্ষমতা বৃদ্ধি পাইছে। একাংশ পিতৃ-মাতৃয়ে স্বাভাৱিক ভাৱে ২০০ টকাৰ মাচুল দি হ'লেও ল'ৰা-ছোৱালীক শংকৰদেৱ শিশু নিকেতন, জাতীয় বিদ্যালয়, অন্য ইংৰাজী মাধ্যমৰ স্কুল বা উপেন্দ্ৰ ব্ৰহ্ম UN Academy ত তেওঁলোকে নামভৰ্ত্তি কৰাইছে। সেইকাৰণে আমাৰ এই ২ লাখ ছাত্ৰ-ছাত্ৰী কমিছে  আৰু এইটো সৰ্ব্ব ভাৰতীয় ট্ৰেণ্ড, এইটোক লৈ আমি কোনোধৰণে উদ্বেগ প্ৰকাশ কৰিবলগীয়া কিবা আছে বুলি আমি নাভাবোঁ। দুটা বিষয়ত অধ্যক্ষ মহোদয়, মই বিশেষভাৱে গুৰুত্ব দিব বিচাৰিছোঁ। সময় হয়তো মোৰ ইমানখিনি নহ'ব যে শিক্ষাৰ প্ৰশাষণ ব্যৱস্থাটো আমি Digitize কৰিছোঁ আৰু ইয়াক আমি শক্তিশালী কৰিব বিচাৰিছোঁ। বিদ্যালয় শিক্ষাৰ ক্ষেত্ৰত আমি শিক্ষা সেতু প্ৰৱৰ্তন কৰিলোঁ যিয়ে আমাক শিক্ষাৰ প্ৰশাসন, শিক্ষা মূল্যাংকন, বিদ্যালয় শিক্ষাৰ monitoring টো সহজ কৰি পেলালে। ৫০ লাখ ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি সদায় শিক্ষা সেতুত আমি লৈ আছোঁ। ১০০ শতাংশ উপস্থিতি কেতিয়াও নহয়, আমি ব্যক্তিগত ভাৱে গৈও চেক কৰি চাইছোঁ যে ১০০ শতাংশ Attendance কেতিয়াও নাথাকে অসমৰ গ্ৰামাঞ্চলত। এইবাৰ আমি শিক্ষা সেঁতুত এখোজ আগুৱাই শিক্ষা সেঁতু ২ ত আৰম্ভ কৰিব বিচাৰিছোঁ আৰু এই শিক্ষা সেতু-২ আমি এটা বিশেষ কাম কৰিব বিচাৰিছোঁ যে আমাৰ শিক্ষক-শিক্ষয়িত্ৰী আনকি যিসকল অনাশৈক্ষিক কৰ্মচাৰী আছে তেওঁলোকৰ কাৰণে কোনো Human Resource Management Information System  আমাৰ নাই। গতিকে শিক্ষা সেঁতুত যিটো পঞ্জীয়ন কৰিছে তাত কেৱল প্ৰফাইলটো থাকে, তাত তেওঁলোকৰ Service Rule নাথাকে, তাত তেওঁলোকৰ Leave Management নাথাকে, তাত তেওঁলোকৰ pay-slip নাথাকে। আমি এতিয়া শিক্ষা  সেতুত এটা নতুন সংস্কৰণ যোগ দিব বিচাৰিছোঁ যিটো শিক্ষক -শিক্ষয়ত্ৰী খিনিৰ কাৰণে বহুত সহায়ক হ'ব। অৰ্থাৎ এটা HRMIS শিক্ষক-শিক্ষয়িত্ৰীৰ তেওঁলোকৰ চাকৰিৰ মেনেজমেণ্ট ছিষ্টেম এটাও আমি শিক্ষা সেঁতুত যোগ দিব বিচাৰিছোঁ। অৰ্থাৎ কাগজত আছে Service Rule সেই Service Rule আমি Digitize কৰিব বিচাৰিছোঁ

। Pay-slip তেওঁলোকৰ মোবাইলতে আমি পাব পৰাৰ ব্যৱস্থা কৰি দিব বিচাৰিছোঁ, লীভ মেনেজমেণ্ট তেওঁলোকে যাতে শিক্ষক শিক্ষয়িত্ৰীসকলে সম্পূৰ্ণ ডিজিটেল ব্যৱস্থাৰে ছুটি ল'ব পাৰে বা তেওঁলোকৰ ছুটিৰ মেনেজমেণ্ট হয় সেইখিনি ব্যৱস্থাও আমি কৰিছোঁ। ইয়াত মাননীয় বিধায়কসকলে প্ৰশ্ন উত্থাপন কৰিছে যে শিক্ষক সকলক অনাশৈক্ষিক বহুত কামত জড়িত কৰা হয় তাৰ কাৰণে আমাৰ শিক্ষা ক্ষতিগ্ৰস্ত হৈছে। কিমান দিন অনাশৈক্ষিক কামত শিক্ষকক নিযুক্ত কৰা হৈছে তাৰ তথ্য মই বিভাগক শুধিছো যে কোন শিক্ষকে কিমান দিন অনাশৈক্ষিক কাম কৰিলে মোক তথ্য দিয়ক। বিভাগে কৈছে আমাৰ কোনো তথ্য নাই। সেইকাৰণে এদিন ইলেকশ্যন ডিউটি কৰাৰ কাৰণে বা কেইদিনমান ইলেকশ্যন ডিউটি আহিছে বা সেইটো কৰিলে বা Census ডিউটি কৰিলে সেই কামটো সদায় কৰা নুবুজায় । ২০১১ চনৰ পাছত মাজত প্ৰত্যেক বছৰেই Census হোৱা নাই, এইবাৰ ২০২৬ত Census হ'ব বুলি গৈ আছে। আৰু ইয়াৰ পাছত আকৌ ১০ বছৰলৈ Census নহয়। এতিয়া যি HRMIS চিষ্টেম জেনেৰেট হ'ব ইয়াক প্ৰত্যেকজন শিক্ষকে কেইদিন অনাশৈক্ষিক কামত তেওঁ নিয়োজিত হ'ল তাৰো তথ্য আমাৰ উপলব্ধ হ'ব। DC য়ে যেতিয়া requisition ৰ বাবে কাৰোবাক দায়িত্ব দিয়ে তেওঁ সেই বিষয়টো portal ত চাই ল’ব, তেওঁ কিমান দিন কাম কৰিলে ইয়াৰ আগতে আৰু কোনখন বিদ্যালয়ৰ পৰা দিব । সেই বিদ্যালয়খনৰ PTR কিবা Affect হ’ব নেকি ? সেই বিষয়টো অনলাইনতে মোবাইলত চাব পৰাৰ ব্যৱস্থা HRMIS ৰ জৰিয়তে হ’ব । আমি সমগ্ৰ শিক্ষাৰ কাৰ্য্যালয়ত এক command & control centre প্ৰতিষ্ঠা কৰিছো যাক ‘বিদ্যা সমীক্ষা কেন্দ্ৰ’ বুলি কোৱা যায় । মই আমাৰ অধ্যক্ষ মহোদয়ৰ লগতে আমাৰ বিধায়ক সকলকো এইটো চোৱাৰ বাবে আমন্ত্ৰণ জনাইছো আৰু ই বিদ্যা সমীক্ষা কেন্দ্ৰৰ জৰিয়তে মূল্যাংকন আৰু monitoring ৰ প্ৰস্তুত কৰাৰ এটা কেন্দ্ৰ, য’ত UDISE ৰ তথ্য আৰু শিক্ষা সেতুৰ তথ্য লগ কৰি তাৰ পৰা এক বিশ্লেষণাত্মক তথ্য প্ৰস্তুত কৰা হয় । আমি এইবাৰ এই ক্ষেত্ৰতো এখোজ আগুৱাই যাব বিচাৰিছো। ইয়াত মেট্ৰিকৰ ফলাফলৰ পৰা উচ্চতৰ মাধ্যমিকৰ ফলাফলৰ পৰা

অন্যান্য শিক্ষাৰ লগত জৰিত যিমান portal আছে, সেই সকলো বিলাক portal ক লৈ বিদ্যা সমীক্ষা কেন্দ্রত একত্রিত কৰা হ'ব। এই সমীক্ষা কেন্দ্রটো এনে ধৰণে নির্মাণ কৰা হৈছে যে এজন ছাত্রই যদি একেৰাহে ৫ দিন স্কুলত নাহে তেতিয়া automatically তেওঁৰ পিতৃলৈ আমাৰ ফালৰ পৰা মেছেজ যাব। শ্রেণী শিক্ষকৰ লগতে বিদ্যালয় প্রধানলৈ মেছেজ যাব। আৰু ইয়াক আমি স্কুল বাদ দিয়াৰ ক্ষেত্রত remedial measures হিচাপে ব্যৱহাৰ কৰিছো। এতিয়ালৈকে আমি অভিভাৱকলৈ ১ কোটি মেছেজ প্রেৰণ কৰিছো। এই বিদ্যা সমীক্ষা কেন্দ্রটো বিদ্যালয় শিক্ষাৰ এটা command & control centre হিচাপে কাম কৰিব। এই ২০২৬-২৭ বিত্তীয় বৰ্ষত ই আৰু উন্নীত হ'ব। ইয়াৰ পৰা আমাৰ বিষয়া সকলে প্রয়োজনীয় যিকোনো তথ্য ল'ব পাৰিব। আপগ্রেডেশ্যন বহুতখিনি আমি কৰিলোঁ আৰু আজিও মই আপোনালোক বহুতৰে পৰা তথ্য লাভ কৰিছোঁ আৰু আপগ্রেডেড বিদ্যালয়সমূহৰ আন্তঃগাঁথনি উন্নয়ন কৰাৰো আমি বিশেষ ব্যৱস্থা কৰিছোঁ আৰু খুব সোনকালে আমি এই বিধানসভালৈ এখন Unified Service Rule সকলো শিক্ষকৰ কাৰণে আমি লৈ আহিম। আমাৰ শিক্ষা ব্যৱস্থাত প্রাথমিক আৰু মাধ্যমিক বিভাগ বুলি বিভক্ত আছে। আগতে মাধ্যমিক শিক্ষা এটা বেলেগ ডিপার্টমেন্ট আছিল, অধ্যক্ষ মহোদয় প্রথমিক শিক্ষা এটা বেলেগ ডিপার্টমেন্ট আছিল। এই দুয়োটা ডিপার্টমেন্ট আমি যিহেতু এতিয়া একেলগ কৰিলোঁ, সকলোবিলাক শিক্ষকৰ কাৰণে এখন Unified Commom Service Rule আমি প্রস্তুত কৰিছোঁ। মই খুব সোনকালে সেই Rule খন বিধান সভাত আনিম। এই Rule খন হোৱাৰ পিছত শিক্ষকৰ চাকৰীৰ মেনেজমেন্ট সহজ হব, নিযুক্তি প্রক্রিয়া আৰু তেওঁলোকৰ পদোন্নতিৰ ব্যৱস্থা সহজ হ'ব। আমাৰ ইয়াত যিটো স্থায়ী প্রধান শিক্ষকৰ কথা উল্লেখ কৰা হৈছে সেইটো অতি গুৰুতৰ বিষয়। আমি ইতিমধ্যে ৬ হেজাৰ খন প্রাথমিক বিদ্যালয়ত প্রধান শিক্ষকৰ পদ সৃষ্টি কৰিলো। আমাৰ ME স্কুল সমূহত প্রধান শিক্ষকৰ পদ আছে। আমাৰ হাইস্কুল বা হায়াৰচেকেণ্ডেৰী সমূহত প্রধান শিক্ষকৰ এটা সমস্যা আছে। কিন্তু এই ক্ষেত্রত হাইক'র্টত ৩২ টাকৈ কেচ চলি থকাৰ বাবে আমি প্রধান শিক্ষক নিযুক্তি দিব পৰা

নাই। প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক নিযুক্তিৰ ক্ষেত্ৰটো কেচ চলি আছে হাইকৰ্টত মই আশাবাদী যে অতি সোনকালে আমি মহামান্য আদালতৰ পৰা অনুমতি পাম আৰু অনুমতি পোৱাৰ লগে লগে আমি প্ৰধান শিক্ষকখিনি নিযুক্তি দিম। ইয়াৰ লগতে ভেন্সাৰ স্কুলৰ সমস্যাটো এটা দীঘলীয়া সমস্য। এই ক্ষেত্ৰত আমি এইবাৰ এটা সমাপ্তিলৈ যাব বিচাৰিছো যাতে চিৰদিনৰ কাৰণে এই সমস্যাটো নোহোৱা হয়। এই ক্ষেত্ৰত আমি দুটা portal একেলগে মুকলি কৰিছো। এটা portal প্ৰাদশিকীকৰণৰ বাবে আবেদন কৰা আৰু আনটো হল গুৰু দক্ষিণা। ২০১৩ আৰু ২০২১ চনত যি প্ৰাদেশী কৰণ কৰা হল আৰু যি সকল প্ৰাদেশীকৰণলৈ নাহিল আৰু যাক আমি বাদ পৰা শিক্ষক বুলি কওঁ, তেওঁলোকক আমি যাতে সন্মান সহকাৰে জীয়াই থাকিব দিব পাৰো আৰু ব্যক্তিগত জীৱনৰ সংস্থাপনৰ কাৰণে আমি যাতে আৰ্থিক সাহায্য দিব পাৰো, তাৰ বাবে আমি গুৰুদক্ষিণা portal টো মুকলি কৰিছো আৰু এই portalটোত ১৫ হেজাৰ বাদ পৰা শিক্ষকে ইতিমধ্যে আবেদন সম্পূৰ্ণ কৰিছে। চৰকাৰে খুৱ সোনকালে সিদ্ধান্ত ল'ব। আনকি ২০২৫ ৰ সংশোধনীত আইন, যিখন পুনৰ সংশোধন হ'ব, শিথিলকৰণৰ কাৰণে আৰু ইয়াত মই ভাৱো যে এই শিথিলকৰণৰ জৰিয়তে গৰিষ্ঠ সংখ্যক venture স্কুলৰ সমস্যা সমাধান হ'ব। যি অৱশিষ্ট থাকি যাব, কোনো ধৰণে আইনৰ আওতাৰ ভিতৰত নোসোমাই, তেওঁলোকৰ কাৰণেও গুৰুদক্ষিনা applicable হ'ব। তেওঁলোকক আমি গুৰুদক্ষিণা দি চিৰ দিনৰ কাৰণে এই গোটেই সমস্যাটো সমাধান কৰিব পাৰিম বুলি মই আশা ৰাখিছো।

আন এটা সমস্যা বহু কেইজন মাননীয় বিধায়কে উত্থাপন কৰিছে যে শিক্ষাখণ্ড সমূহৰ পুনৰ গঠনৰ প্ৰয়োজন আছে। আচলতে আমি পুনৰ গঠনৰ এটা প্ৰক্ৰিয়া আৰম্ভ কৰিছিলো। কিন্তু সেই সময়তে delimitation আহিল আৰু delimitation পিছত ইতিমধ্যে আমাৰ বিভিন্ন লাইন বিভাগ, PWD, Irrigation আদিৰ প্ৰশাসনিক পুনৰ গঠন সম্পুৰ্ণ হৈছে। ৰাজহ চক্ৰ পুনৰ গঠন প্ৰায় সম্পূৰ্ণ হৈছে। পঞ্চায়ত ব্যৱস্থাৰ যিসমুহ ব্লক, তাৰো পুনৰ গঠন প্ৰায় সম্পূৰ্ণ হৈছে।

এতিয়া আমি শিক্ষা বিভাগৰ ব্লকখিনি পুনৰ গঠন কৰিব বিচাৰিছো আৰু এইখিনিৰ কাৰণে আমি ৰৈ আছিলো এই কাৰণে যে আমাৰ কাম কৰিবলৈ সুবিধা হ'ব যদিহে শিক্ষাৰ ব্লকখিনি P&RD ব্লকৰ লগত co-terminus কৰে, চাৰ্কোল বিলাকৰ লগত co-terminus কৰে। গতিকে যিহেতু P&RD ব্লকৰ পুনৰ গঠন হৈ গৈছে। এতেকে আমি খুব কম সময়ৰ ভিতৰত শিক্ষাখণ্ড সমূহ আছে, সেই শিক্ষাখণ্ড বিলাক পুনৰ গঠন কৰিব পাৰিম বুলি আমাৰ বিশ্বাস আৰু মই খুব সোনকালে এই তথ্য আপোনালোকৰ মাজলৈ লৈ আহিম।

আন এটা বিষয় Samagra Shiksha সম্পৰ্কে। মাননীয় অধ্যক্ষ মহোদয়, Samagra Shiksha Abhiyan, এইটো এটা mission, ই এটা অভিযান, যেনেকৈ National Health Mission আছে। গতিকে Mission বিলাকত কৰ্মচাৰী কিছুমান নিৰ্দিষ্ট সমস্যা থাকে। ইয়াত এটা কথা যিটো উল্লেখ কৰিছে যে Education Volunteer. Education Volunteer আমাৰ নিয়োজিত কৰা হয় out-of-school যি children আছে , তেওঁলোকক mainstreaming কৰা বা তেওঁলোকক বিদ্যালয়লৈ আনি শিক্ষাদান কৰি নিয়মীয়া ছাত্ৰলৈ ৰূপান্তৰিত কৰা। আমাৰ সন্মানীয় বিধায়ক শ্বেৰমান আলী ডাঙৰীয়াই মোক লিখিতভাবে কিছু তথ্যসহকাৰে অভিযোগ দিছে। মোৰ প্ৰতিশ্ৰুতি এইখিনি আমি তদন্ত কৰি ব্যৱস্থা গ্ৰহণ কৰিম। কিন্তু এইটো এটা temporary measure। ইতিমধ্যে মই এই সদনক জনাবলৈ পাই আনন্দিত যে আমাৰ LP, ME ত drop-out একপ্ৰকাৰ নাই। ইয়াত Gross Enrollment যি Ratio আছে, Gross Enrollment Ratio 100 percent, অৰ্থাৎ LP, ME ত যিমান সংখ্যক যি জনসংখ্যা আছে, সেইটো বয়সৰ সকলো ছাত্ৰ ছাত্ৰীক আমি বিদ্যালয়ত শিক্ষাদান কৰিব পাৰিছোঁ। Secondary ত drop out ত পিছপৰি আছোঁ। কিন্তু ভাৰতৰ বহু ৰাজ্য, যিসকলৰ GR 47– 48 শতাংশ, তাৰ তুলনাত আমি 65 লৈ গৈ পাইছোঁ। All India average প্ৰায় 71। গতিকে আমি বহুত তলত থকা নাই। ইতিমধ্যে আমি অধিক ভাৱে Tea Garden Model School খুলিছো, আমি Model High School খুলিছোঁ, আমি High School লৈ upgradation কৰিছোঁ, Higher Secondary-লৈ upgradation

কৰিছোঁ আৰু ইয়াৰ জৰিয়তে আমাৰ যিটো Secondary ত drop-out rate আছে, সেই drop -out rate টো যথেষ্ট কমি যাব বুলি আমাৰ দৃঢ়বিশ্বাস। অহা দুই বা তিনি বছৰৰ ভিতৰত আমি ইয়াৰ ফলাফল পাম।

মাননীয় অধ্যক্ষ মহোদয়, উচ্চ শিক্ষাৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰিছে, বাজেটত ঘোষণা কৰা হৈছে যে প্ৰতি জিলাত এখনকৈ University, এখন Medical College আৰু এখন Engineering College হ'ব। মই খুব আশা কৰি আছিলো যে বিৰোধী সদস্যসকলে এই ঘোষণাক আদৰণি জনাব, আৰু যিবিলাক জিলাত বিশ্ববিদ্যালয় নাই বা Engineering College নাই, তেওঁলোকেও আদৰণি জনাব। কিন্তু তেওঁলোকে আদৰণি জনোৱা নাই। তথাপিও আমি আমাৰ কাম কৰি গৈছোঁ। ....

( বিৰোধী পক্ষৰ ফালৰ সকলোৱে কয় যে আমি আদৰণি জনাইছোঁ, যোৱা কালি আপুনি সদনত উপস্থিত থকা নাছিল, সেয়ে আপুনি গম পোৱা নাই )

মই সুযোগ পাইছো, সুযোগ পোৱাৰ কাৰণে জনাওঁ, ইতিমধ্যে ইয়াৰ কাৰণেও আমি survey কৰিছোঁ আৰু এইটোও মই আপোনালোকক জনাওঁ যে কেইবাখনো Model Degree College ৰ নিৰ্মাণ সম্পূৰ্ণ হৈছে। কেইবাখনো MLA ৰ signature school, আমাৰ কেবাজনো বিধায়ক, যেনে ভাস্কৰ শৰ্মা ডাঙৰীয়া, আগৰ বিধায়ক ঋতুপৰ্ণা বৰুৱা ডাঙৰীয়া, বিজয় মালাকাৰ ডাঙৰীয়া, তেওঁলোকে যিটো বিধায়কৰ signature project ৰ কাৰণে ১০ কোটি টকা পাইছিল, সেই ১০ কৌটি টকাৰে মহাবিদ্যালয় নিৰ্মাণ কৰিছিল আৰু বহুকেইজনে নিৰ্মাণ কৰিছে, পাথাৰকান্দিটো বনাইছে । এই মহাবিদ্যালয় কেইখনো ইতিমধ্যে এইবাৰ আৰম্ভ কৰাৰ বাবে ইতিমধ্যে আমি প্ৰস্তুতি আৰম্ভ কৰিছোঁ।

Science আৰু Commerce stream ৰ ক্ষেত্ৰত মই একমত যে আমাক আৰু Science stream লাগে। কিন্তু এটা তথ্যই মোক ৰখাই দিলে যে অসমৰ Science

থকা মহাবিদ্যালয় সমূহৰ যিটো total number of available seat, সকলোবিলাক 100 percent fill up নহয়। অৰ্থাৎ, কৰবাত এটা gap আছে। যিমান Science ৰ আসন আছে, সেই আখনখিনি fill up নহয় । সেইকাৰণে আমি দুটা বছৰ ৰৈ আমি Higher Secondary ত Science টো শক্তিশালী কৰিব বিচাৰিছো। কাৰণ, মোৰ যদি feeder school নাথাকে, তেনেহলে মই কলেজত বা মহাবিদ্যালয়ত Science stream খুলিলেও তাত আমি যিমান ছাত্ৰ ছাত্ৰী লাগে, সিমান সংখ্যক ছাত্ৰছাত্ৰী না-পাব পাৰোঁ। এই কাৰণে আমি দুটা বছৰ ৰৈ দিলোঁ যে আমি Higher Secondary school বিলাক আমি শক্তিশালী কৰি লওঁ। Samagra Shiksha-ৰ তৰফৰ পৰাও Secondary school সমূহত Science Lab আৰু Integrated Lab নিৰ্মাণ কৰা হৈছে আৰু আমাৰ যিবিলাক নতুনকৈ ৭কৌটি টকা খৰচ কৰি ৮-খন ৫০০Higher Secondary বনালো, সেই বিদ্যালয় সমূহতো আমি Laboratory ৰ ব্যৱস্থাটো ৰাখিছোঁ এইকাৰণেই যে Higher Secondary ত পৰ্যাপ্ত পৰিমানে Science stream খুলিব পাৰো, তেনেহ'লে তাৰ subsequently আমি মহাবিদ্যালয়সমূহতো Science stream আমাৰ সফল হব আৰু এইটো সময়ত আমি ইয়াত গুৰুত্ব দিম, মোক বহুত কেইজন বিধায়কে কৈ থাকে যে তেওঁলোকৰ দাবী আছে, পূৰ্বে ৫০ খন মহাবিদ্যালয় অনুমোদন কৰা হৈছিল, কিন্তু এতিয়ালৈকে হৈ নুঠিল বা স্বামী বিবেকানন্দ বিদ্যালয় আমি অনুমোদন দিয়াৰ পিছতো তাত নিযুক্তি দিয়া হোৱা নাই । তিনিচুকীয়া Women's College আৰু Commerce College-তো অনুমোদন দিয়াৰ পাছতো নিযুক্তি দিয়া হোৱা নাই। এই কামখিনি আমি এতিয়া আগুৱাই লৈ যাম , এইটো আমাৰ প্ৰতিশ্ৰুতি । ইয়াৰ কাৰণে Science ৰ লগতে Commerce, অৰ্থাৎ বাণিজ্য বিষয়টোকো আমি আগুৱাই লৈ যাম। সামগ্ৰিকভাৱে যদি চোৱা যায়, Education Department হিচাপে যদি চোৱা যায়, আমি around 13 percent বাজেট লাভ কৰিছোঁ। কিন্তু Education Sector হিচাপে যদি চোৱা যায়, it is more than 17 percent। এই 17 percent-ৰ ভিতৰত Medical Education, Agriculture Education, Skill Education আৰু IT। অন্তৰ্ভুক্ত হোৱা নাই। এই গোটেইখিনিক সামৰি লোৱা যায়,

তেতিয়া হলে আমাৰ বাজেটখনত more than 20 percent শিক্ষা খণ্ডৰ কাৰণে devoted এখন বাজেট। GDP ৰ শতাংশ হিচাপে যদি চোৱা যায়, শিক্ষা খণ্ডৰ বাবে আমি GDP ত 3.7 percent বাজেট লাভ কৰিছোঁ। কিন্তু Skill Education, ITI, Medical Education আৰু Agriculture Education ইয়াকো যদি সামৰি লোৱা যায়, তেনেহ'লে আমি GDP ৰ 4 percent অতিক্ৰম কৰিম। মই agree কৰোঁ, NEPএ কৈছে at least 6 percent লৈ যাব লাগে। অনাগত দিনত নিশ্চিতভাৱে আমি সেই 6 percent লৈ আগুৱাই যাম। গতিকে 6 percent লৈকে যদি আগুৱাই যাব লাগে, তেনেহলে বাজেট কৰ্তন নহয়, বাজেটত allocation বৃদ্ধি কৰি 6 percent ৰ দিশত যাম, 4 percent আমি এই বছৰে অতিক্ৰম কৰিছোঁ। সামগ্ৰিক ভাৱে Education Sector ত আৰু যি এই ৪ শতাংশ আমি cross কৰিবলৈ সক্ষম হৈছো, এইটো যথেষ্ট প্ৰশংসনীয়। ইয়াত সকলোৰে আদৰণি জনাই এই কৰ্ত্তন প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰি, আমি যি মঞ্জুৰী বিচাৰিছোঁ, সেই মঞ্জুৰিত অনুমোদন দিব বুলি মই সকলোকে আহ্বান জনাই, পুনৰবাৰ ইয়াত অংশগ্ৰহণকাৰী সকলো বিধায়কক ধন্যবাদ জ্ঞাপন কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিছোঁ।

**শ্ৰীৰেকিবুদ্দিন আহমেদ (ছয়গাঁও)** :- ছাৰ, ছাৰ।

**মাননীয় অধ্যক্ষ** :- মন্ত্ৰীৰ উত্তৰৰ পিছত নহয়।

**শ্ৰীৰেকিবুদ্দিন আহমেদ (ছয়গাঁও)** :- ছাৰ, ছাৰ, যিসমূহ নতুনকৈ সমষ্টি পুনৰগঠন হ'ল। ছাৰ, তাত এনেকুৱা সমষ্টিসমূহতো Science আৰু Commerce শাখা এটাও নাই।

**মাননীয় অধ্যক্ষ** :- ঠিক আছে, আপুনি লিখিত ৰূপত দিব।

**শ্ৰীৰেকিবুদ্দিন আহমেদ (ছয়গাঁও)** :- মই দিছোঁ ছাৰ, already.

**মাননীয় অধ্যক্ষ** :- না না, মন্ত্ৰীয়ে কোৱাৰ পিছত নালাগে। বহক। মন্ত্ৰীয়ে কোৱাৰ পিছত এটা আমি খালী আলোচনা কৰিব পাৰোঁ।

**শ্ৰীৰেকিবুদ্দিন আহমেদ (ছয়গাঁও)** :- ছাৰ, যোৱাকালি ছাৰ নাছিলতো। যোৱাকালি গোটেই statement দিছে, ছাৰ।

**মাননীয় অধ্যক্ষ** :-নাই নাই, তেখেতৰ মানুহ আছিলেই নহয়।

**ডাঃ আছিফ মহম্মদ নাজাৰ (লাহৰীঘাট)** :- ছাৰ, পুৰণা সমস্যা, তাত এখনো Scienceৰ .......

**মাননীয় অধ্যক্ষ** :- তেখেতে উত্তৰ দিয়াৰ পিছত কব নোৱাৰে নহয় , summarize কৰি কৈছে। আমিতো প্ৰত্যেকেই, 49 জনে ক'লোঁ আজি। এইবাৰে বিধানসভাৰ ইতিহাসত 49 জন বিধায়কে অংশগ্ৰহণ কৰিছে।

**শ্ৰীৰেকিবুদ্দিন আহমেদ (ছয়গাঁও)** :- আপোনাক সকলোৱে মনত ৰাখিব, ছাৰ।

**মাননীয় অধ্যক্ষ** :-নালাগে। এতিয়া এটা বিষয় চাব যে আজি মন্ত্ৰীজনে আমাৰ সকলো বিধায়ককে even মোকো যে amalgamation হ'বলগীয়া বিদ্যালয়সমূহৰ নাম আমাক দিছে, student basic ত। তেখেতে দিয়াৰ পিছত, আমি যদি বিধায়কসকলে সেই প্ৰধান শিক্ষক আৰু SMDCৰ সভাপতিসকলক মাতি পেলাই যদি আমি সভা নকৰোঁ, তেতিয়া হলে শিক্ষা বিভাগে অকলে কি কৰিব পাৰিব? মই সেই কাৰণে আহ্বান জনাইছোঁ। যি পত্ৰ আমাক দিছে, সেই পত্ৰৰ আধাৰত, তেনেকুৱা যিসমূহত student ratio কম আছে, সেই বিদ্যালয়সমূহৰ প্ৰধান শিক্ষক আৰু SMDC-ৰ সভাপতিসকলক লৈ পেলাই যাতে আপোনালোকে সভা কৰে। মই ইতিমধ্যে 25 তাৰিখে সভা ৰাখিছোঁ। কাৰণ শিক্ষা বিভাগে এনেই দিয়া নাই নহয় সেইখন, নিশ্চিত ৰূপত তেখত সকলে কৈছে, যদি ৰাখিব লাগে ৰাখিম। কিন্তু আমি যদি এবছৰ পাছত আকৌ students কমেই থাকে, ৰাখি কি হ'ব? আজি মজিবুৰ ৰহমান ডাঙৰীয়াই কোৱাৰ দৰে, গতিকে তেখেতে আমাৰ ওপৰতো এৰিছে। Thank you everybody. এতিয়া মাননীয় সদস্য শ্ৰীওৱাজেদ

আলী চৌধুৰী আৰু সহযোগীসকল আৰু Shri Mojibur Rahman আৰু সহযোগীসকলৰ কৰ্তন প্ৰস্তাৱ কেইটা প্ৰত্যাহাৰ কৰিবনে?

**শ্ৰীশ্বেৰমান আলী আহমেদ (মন্দিয়া) :-** মাননীয় অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ** :- এক মিনিট আপুনি বহক, শ্বেৰমান আলী আহমেদ ডাঙৰীয়া আপুনি বহক, আপুনি কৰ্ত্তন প্ৰস্তাৱ অনাই নাই । আপুনি কৰ্ত্তন প্ৰস্তাৱত নাছিল নহয়, উত্থাপনৰ সময়ত নাই আপুনি। মই জানো নহয়। চৌধুৰী ডাঙৰীয়াই কওক।

**শ্ৰীওৱাজেদ আলী চৌধুৰী** (ধুবুৰী) :- অধ্যক্ষ মহোদয়, আমাৰ ইতিমধ্যে মাননীয় মন্ত্ৰী মহোদয়ে কৈছে, আশ্বাস দিছে যে প্ৰত্যেকখন হায়াৰ চেকেণ্ডেৰী স্কুলত বিজ্ঞান শাখাৰ ব্যৱস্থা কৰিব, বিজ্ঞান আৰু বাণিজ্য শাখাৰ। গতিকে সেই দুটাৰ খুবেই দৰকাৰ। বিজ্ঞান শাখাৰ demand প্ৰত্যেকৰে আছে, গতিকে এইটো যাতে মন্ত্ৰী মহোদয়ে confirm কৰে তাৰ কাৰণে অনুৰোধ ৰাখি আমাৰ ফালৰ পৰা আমি যি কৰ্ত্তন প্ৰস্তাৱ আনিছিলো সেইটো আমি Withdraw কৰিলো।

**মাননীয় অধ্যক্ষ** :- এতিয়া মজিবুৰ ৰহমান।

**শ্ৰীমজিবুৰ ৰহমান, (দলগাঁও)** :- মাননীয় Speaker মহোদয়, আমাৰ মাননীয় শিক্ষামন্ত্ৰীৰ কথাখিনি যথেষ্ট আমি হৃদয়ঙ্গম কৰিছোঁ, শুনিলোঁ। তেখেতে যিখিনি প্ৰতিশ্ৰুতি দিছে, ঠিকেই আছে। প্ৰতিশ্ৰুতি পালন কৰিলে ভাল। তাৰ লগতে, ছাৰ, কথাটো হ'ল, এই যে মই Chowkidarৰ কথাটো কৈছিলোঁ। ছাৰ হয়তো পাহৰি গ'ল কিজানি। এই Chowkidar, Night Chowkidar, আপোনাৰ চামপুৰ স্কুলৰ কথাটো হয়তো ছাৰে পাহৰি গ'ল। মই আশা ৰাখিম, মই তেখেতক personally লগ কৰি অনুৰোধ কৰিম আৰু তেখেতে যি প্ৰতিশ্ৰুতি দিছে ইয়াৰ প্ৰতি সন্মান জনায়, আমি আশাবাদী, আমাৰ যিটো কৰ্ত্তন প্ৰস্তাৱ আমি আনিছিলোঁ, সেইটো আমি withdraw কৰিলো।

**মাননীয় অধ্যক্ষ** :- মই এতিয়া দাবীমঞ্জুৰী প্ৰস্তাৱ দুটাৰ।

**শ্ৰীশ্বেৰমান আলী আহমেদ (মন্দিয়া) :-** ছাৰ, ছাৰ, ছাৰ।

**মাননীয় অধ্যক্ষ** :- আপুনি কৰ্ত্তন প্ৰস্তাৱ অনাই নাই নহয়।

**শ্ৰীশ্বেৰমান আলী আহমেদ (মন্দিয়া) :-** আজি ছাৰ, দিয়ক না, মই অকল শৰীয়া মানুহ ছাৰ। নানিলেতো মই খৰৰকে ৰাখিলোঁ, ছাৰ।

(হুলস্থূল)

**মাননীয় অধ্যক্ষ** :- এক মিনিটত।

**শ্ৰীশ্বেৰমান আলী আহমেদ (মন্দিয়া) :-** অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যথেষ্টখিনি ধনাত্মক কথা কৈছে, তাৰ কাৰণে মই ধন্যবাদ জনাইছোঁ। তাৰ লগতে, মাননীয় অধ্যক্ষ মহোদয়, যিটো আপুনি HRMISৰ কৈছে, আগৰ শিক্ষা সেতুটো defective আছিলে নে monitoring ভাল নাছিলে নেজানো, স্কুলৰ teacherবোৰৰ absenteeism টোৰ ওপৰত কোনো ব্যৱস্থা লোৱা হোৱা নাছিল, detection হৈছিল নে নাই। গতিকে এইবাৰ যিটো শিক্ষা সেতু এপটো আনিব, তাত যাতে teacher absent থাকিলে automatic যাতে action ল'ব পৰা হয়, সেইটো কৰিব। দুই নম্বৰত, Science ৰ ক্ষেত্ৰত যিটো কৈছে, মানে seat খালী থাকে, it varies from region to region. আমাৰ সেইফালে অঞ্চলত দেখিছোঁ মানুহৰ ল'ৰা-ছোৱালীয়ে হাহাকাৰ কৰি আছে, কিন্তু তেওঁলোকে admission নাপায়। তিনি নম্বৰত, কথাটো হ'ল ছাৰ, কিছুমান সমষ্টিত Science College, Arts College আছে। আপুনি অন্তত গোটেই অসমত যিবোৰ সমষ্টিত Science College, Commerce College নাই, তাৰ লগতে Law College আৰু B.Ed. College, প্ৰতিটো সমষ্টিত যিবোৰত নাই, এখন এখনকৈ যদি Science College, Commerce College, B.Ed. College আৰু Law College স্থাপন কৰিব পৰা যায়, আমাৰ ডাঙৰ নিয়োগৰ এটা সম্ভাৱনা মুকলি হ'ব । আমাৰ Chartered Accountant নাই, Professional Accountancy নাই। মোৰ Model Residential School টো ৩১ কোটি টকাৰ ইমান ধুনীয়াকৈ বনোৱা হৈছে, ছাৰ অনুগ্ৰহ কৰি

সোনকালে তেনেকৈ বেলেগ বেলেগ ক্ষেত্ৰত আছে, Minority Affairsত সেইটো সোনকালে আৰম্ভ কৰিব লাগে। ছাৰ, Inclusive Education আপুনি অকল Education Volunteer টোৰ কথা ক'লে। তাৰ লগতে আৰু এটা আছে, আমাৰ যিসকল disabled, তেওঁলোকৰ কাৰণে এটা transportation cost থাকে আৰু এটা সহায়ক assistantৰ কাৰণে এটা পইচা দিয়া হয়। কিন্তু ভালকৈ survey কৰা নহয়। দুই নম্বৰ, girl studentsক উৎসাহিত কৰিবলৈ তেওঁলোককো প্ৰতি মাহে পাঁচশ টকা, মানে transportation allowance দিয়াৰ কথা, গতিকে এই ধৰণৰ বস্তু Inclusive Educationত।

**মাননীয় অধ্যক্ষ** :- মই এতিয়া দাবীমঞ্জুৰী প্ৰস্তাৱ দুটাৰ অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো । প্ৰস্তাৱ দুটা হ'ল, ২০২৬-২৭ চনৰ ৩১ মাৰ্চত শেষ হ'বলগীয়া বছৰটোৰ কালছোৱাত ব্যয় বহন কৰিবলৈ মঞ্জুৰি নম্বৰ ৭১, বিদ্যালয় শিক্ষাৰ ক্ষেত্ৰত ১৮,৮৬৯ কোটি ৮৫ লাখ ৮ হাজাৰ টকা মঞ্জুৰ কৰিব লাগে, আৰু মঞ্জুৰি নম্বৰ ২৬, উচ্চ শিক্ষাৰ ক্ষেত্ৰত ৩,৭৯৭ কোটি ৫ লাখ ৭৯ হাজাৰ টকা মঞ্জুৰ কৰিব লাগে। যিসকল সদস্য প্ৰস্তাৱটোৰ সপক্ষে আছে কওক "হয়", যিসকল সদস্য প্ৰস্তাৱটোৰ বিপক্ষে আছে কওক "নহয়"। মই ভাবোঁ হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে, প্ৰস্তাৱ দুটা গৃহীত হ'ল। বাকী প্ৰস্তাৱসমূহ আৰু দাবী মঞ্জুৰিসমূহ gelatin ত দিয়া হ'ল। সেইবোৰ হৈছে ৭১, ২৬ৰ লগতে ১, ২, ৩, ৪, ৫, ৬, ৭, ৮, ৯, ১০, ১১, ১২, ১৩, ১৪, ১৫, ১৬, ১৭, ১৮, ১৯, ২০, ২১, ২২, ২৩, ২৪, ২৭, ২৮, ২৯, ৩০, ৩১, ৩২, ৩৩, ৩৪,৩৫, ৩৬, ৩৭, ৩৮, ৩৯, ৪০, ৪১, ৪২, ৪৩, ৪৪, ৪৫, ৪৬, ৪৭, ৪৮, ৪৯, ৫০, ৫১, ৫২, ৫৩, ৫৪, ৫৫, ৫৬, ৫৭, ৫৮, ৫৯, ৬০, ৬১, ৬২, ৬৩, ৬৪, ৬৫, ৬৬, ৬৭, ৬৮, ৬৯, ৭০, ৭১, ৭২, ৭৩, ৭৪, ৭৫, ৭৬, ৭৭, ৭৮, ৭৯, ৮০, ৮১, ৮২ আৰু ৮৩ ভোটদানৰ বাবে সদনত দাঙি ধৰিলোঁ। যিসকল সদস্য সপক্ষে আছে কওক "হয়", যিসকল সদস্য বিপক্ষে আছে কওক "নহয়"। মই ভাবোঁ "হয়"ৰ সাপেক্ষে, "হয়"ৰ সাপেক্ষে, "হয়"ৰ সাপেক্ষে, ২০২৬-২৭ বৰ্ষৰ দাবী মঞ্জুৰি সমূহ গৃহীত কৰা হ'ল।

**এতিয়া কাৰ্যসূচী নং ৪।**

লোকভৱনৰ পৰা এটা বাণী আছে। বাণীটো হ'ল- "Under the provisions of Article 207(1) of the Constitution of India, I Shri Lakshman Prasad Acharya, Governor of Assam, recommended that the Assam Appropriation Bill No. II, Bill 2026, be taken for introduction by the Assam Legislative Assembly." এতিয়া মাননীয় বিত্তমন্ত্ৰী জয়ন্ত মল্ল বৰুৱা ডাঙৰীয়াই, The Assam Appropriation Bill No. II, Bill 2026 বিলখন উত্থাপন কৰিবলৈ সদনত অনুমতি বিচাৰিব।

**শ্ৰীজয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী)** :- মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই The Assam Appropriation Bill No. II, Bill 2026 সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলোঁ।

**মাননীয় অধ্যক্ষ** :- বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে? যিসকলে সপক্ষে আছে কওক "হয়", যিসকলে বিপক্ষে আছে কওক "নহয়"। মই ভাবোঁ "হয়"ৰ সাপেক্ষে, "হয়"ৰ সাপেক্ষে, "হয়"ৰ সাপেক্ষে, প্ৰস্তাৱটো গৃহীত হ'ল। এতিয়া মাননীয় বিত্তমন্ত্ৰীয়ে বিধেয়কখন উত্থাপন কৰিব।

**শ্ৰীজয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী)** :- মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই The Assam Appropriation Bill No. II, Bill 2026 সদনত উত্থাপন কৰিলোঁ।

**শ্ৰী শ্বেৰমান আলী আহেমদ, (মন্দিয়া)ঃ** মাননীয় অধ্যক্ষ মহোদয়, under rule-154(3) and (4) I would like to raise few very important issues of public importance and regarding government policy . তাৰে এটা হ'ল শিক্ষা প্ৰান্তৰ ক্ষেত্ৰত আমাৰ বৰ্তমান কলেজৰ শিক্ষকসকলৰ transfer ৰ ব্যৱস্থা নাই। কলেজত গ'লে তেওঁলোকৰ seniority affect হয় । গতিকে মাননীয় মন্ত্ৰী মহোদয়ে কলেজ শিক্ষকৰ সুবিধাৰ কাৰণে transfer ৰ আৰু posting ৰ policy এটা যদি কৰিব পৰা হয়, মই ভাৱো বোধহয় ভাল হ'ব।

দুই নম্বৰত, মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অঙ্গনবাড়ী কেন্দ্ৰবিলাক স্কুলবিলাকৰ নিচিনা as per P&RD newly Delimited block এইবোৰো delimitation কৰিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, তিনি নম্বৰত, as per new education policy আমাৰ যিবোৰ অঙ্গনবাড়ী কেন্দ্ৰ আছে nearest LP School ৰ লগত attached কৰিব লাগে, যাতে foundational post টো তাতেই হয়।

শেষত, আমাৰ অসমত এতিয়াও প্ৰায় কেইবাশ SPT bridge আৰু bamboo bridge আছে। আমাৰ World Bank ৰ পৰা প্ৰায় ১২০০ মান কৰিলে। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰৰ পলিচিৰ ক্ষেত্ৰত এই bamboo bridgeৰ ইমান কাম হৈছে, তাৰ পিছত আৰু bamboo bridge, কাঠৰ দলংৰ পৰা পৰি মানুহ মৰে, এইবোৰে চৰকাৰৰ সাংঘাতিক image নষ্ট কৰে। গতিকে প্ৰয়োজনত আৰু এটা লোন লৈ অসমৰ যিমান SPT bridge, Bamboo foot bridge আছে, এই গোটেইখিনি শেষ কৰি দিব লাগে। ৰাস্তা-ঘাটবোৰ মোটামোটি আমাৰ হৈছে। কিছু বাকী আছে যদিও PMGSY চলি আছে কিন্তু এই bridge খিনি কৰিবৰ কাৰণে চৰকাৰে এটা নতুন লোন লৈ হ'লেও এইখিনি শেষ কৰিব লাগে । এইটোৱে মোৰ অনুৰোধ। এইখিনি কৈ মোৰ কৰ্তন প্ৰস্তাৱ withdraw কৰিলো।

**মাননীয় অধ্যক্ষঃ** আপুনি কৰ্তন প্ৰস্তাৱৰ জাননীয়ে দিয়া নাই। আপুনি আৰু সদনক কিয় বিপথে পৰিচালিত কৰে? শ্বেৰমান আলী ডাঙৰীয়াৰ কৰ্তন প্ৰস্তাৱ নাই note কৰিব।

**শ্ৰী শ্বেৰমান আলী আহেমদ, (মন্দিয়া)ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইখিনি ক'ব দিয়াৰ কাৰণে মই ধন্যবাদ জনালোঁ।

**মাননীয় অধ্যক্ষঃ** এতিয়া কাৰ্য্যসূচী নং-৫। ৰাজভৱনৰ পৰা এটা বাণী আহিছে, বাণীটো হ'ল- Under the provision of Article-207(3) of the Constitution of

India, I Shri Lakshman Prasad Acharya, the Governor of Assam recommended that, “The Assam Appropriation Bill (no. II), 2026” be taken into consideration in the Assam Legislative Assembly.

এতিয়া মাননীয় বিত্ত মন্ত্ৰীয়ে বিধেয়কখন বিবেচনাৰ বাবে উত্থাপন কৰিব।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মই “The Assam Appropriation Bill (no. II), 2026” বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** “The Assam Appropriation Bill (no. II), 2026” বিবেচনাৰ বাবে লোৱা হওঁক - যিসকল সপক্ষে আছে কওঁক হয়,

যিসকল বিপক্ষে আছে কওঁক নহয়,

মই ভাৱো হয়ৰ সপক্ষে হয়ৰ সপক্ষে হয়ৰ সপক্ষে

প্ৰস্তাৱটো গৃহীত হ’ল।

এতিয়া বিধেয়কখন সদনত দফাই দফাই বিবেচনাৰ বাবে লোৱা হ’ব। দফা নং- ২ আৰু ৩ বিধেয়কখনৰ অংশ হ’ব।

যিসকল সপক্ষে আছে কওঁক হয়,

যিসকল বিপক্ষে আছে কওঁক নহয়,

মই ভাৱো হয়ৰ সপক্ষে হয়ৰ সপক্ষে হয়ৰ সপক্ষে দফা নং- ২ আৰু ৩ বিধেয়কখনৰ অংশ হ’ল।

দফা নং- ১ অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা দীৰ্ঘ শিৰোনাম আৰু অনুসূচী বিধেয়কখনৰ অংশ হ’ব -

যিসকল সপক্ষে আছে কওঁক হয়,

যিসকল বিপক্ষে আছে কওঁক নহয়,

মই ভাৱো হয়ৰ সপক্ষে হয়ৰ সপক্ষে হয়ৰ সপক্ষে দফা নং- ১ অধিনিয়ম, সূত্ৰ, প্ৰস্তাৱনা, দীৰ্ঘ শিৰোনাম আৰু অনুসূচী বিধেয়কখনৰ অংশ হ’ল।

এতিয়া মাননীয় মন্ত্ৰী মহোদয়ে বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ কৰিব।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ উত্থাপন কৰো যে “The Assam Appropriation  Bill (no. II), 2026” বিধেয়কখন পাৰিত কৰাৰ বাবে লোৱা হওঁক।

**মাননীয় অধ্যক্ষঃ** বিধেয়কখন পাৰিত কৰা হ’ল।
যিসকল সপক্ষে আছে কওঁক হয়,
যিসকল বিপক্ষে আছে কওঁক নহয়,
মই ভাৱো হয়ৰ সপক্ষে হয়ৰ সপক্ষে হয়ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ’ল আৰু বিধেয়কখন পাৰিত কৰা হ’ল।

সদন অহা ২৪ জুলাই, ২০২৬ তাৰিখ পুৱা ৯-৩০ লৈ স্থগিত ৰখা হ’ল।